বঙ্গালী বিচিত্রা

STATE CENTRAL LIBRARY.
Call No.____

বজালী বিচিত্ৰা

অসম সাহিত্য সভাৰ ষষ্ঠ লেখক শিবিৰ উপলক্ষে
প্ৰকাশিত স্মৃতিগ্ৰন্থ

সম্পাদক
শ্ৰীসতীশচন্দ্ৰ চৌধুৰী
ড° নিশিপদ চৌধুৰী

STATE CENTRAL LIBRARY
Call No.____

পাঠশালা সাহিত্য সভা

বজালী বিচিত্ৰা: অসম সাহিত্য সভাৰ ষষ্ঠ লেখক শিবিৰ উপলক্ষে প্ৰকাশিত স্মৃতিগ্ৰন্থ সংকলন। প্ৰকাশক: শ্ৰীসদানন্দ মিশ্ৰ আৰু শ্ৰীনগেন ৰায়, যুটীয়া সম্পাদক, অভ্যৰ্থনা সমিতি, ষষ্ঠ লেখক শিবিৰ, পাঠশালা সাহিত্য সভা, পাঠশালা, কামৰূপ।

সম্পাদনা সমিতি

সভাপতি

শ্ৰীঅম্বিকাপদ চৌধুৰী

উপ-সভাপতি

শ্ৰীমুনীন্দ্ৰনাথ শৰ্মা

সম্পাদক

শ্ৰীসতীশচন্দ্ৰ চৌধুৰী

ড° নিশিপদ চৌধুৰী

সভ্যসকল

শ্ৰীহৰেন শৰ্মা

শ্ৰীভূপেন্দ্ৰনাথ শৰ্মা

শ্ৰীহেমচন্দ্ৰ শৰ্মা

শ্ৰীপ্ৰবীণচন্দ্ৰ বৰ্মণ

অবিহণা: ছয় টকা মাথোন

প্ৰথম প্ৰকাশ: ২৯ অক্টোবৰ, ১৯৭৮

মুদ্ৰাকৰ: শ্ৰীপ্ৰশান্ত কুমাৰ শৰ্মা, পূৰ্বদেশ মুদ্ৰণ, বিহাবাৰী, গুৱাহাটী-৭৮১০০৮

আগলি পাত

॥ আগলতি পাত ॥

নিবেদন

শুভেচ্ছা বাণী

এখনি চিঠি : মহেশ্বৰ নেওগ

॥ আদৰণি ॥

বজালীৰ ৰূপৰেখা ॥ ১ ॥ শ্ৰীমুনীন্দ্ৰনাথ শৰ্মা

পবিত্ৰ স্থান ॥ ৯ ॥ শ্ৰীহেমচন্দ্ৰ শৰ্মা

স্থানীয় উপভাষাৰ বৈশিষ্ট্য ॥ ১৭ ॥ শ্ৰীভূপেন্দ্ৰনাথ শৰ্মা

সংস্কৃত চৰ্চা ॥ ২৬ ॥ শ্ৰীৰঘুনাথ দেৱ চৌধুৰী

আমাৰ লোক-সাহিত্য ॥ ৩৩ ॥ শ্ৰীসুৰেন্দ্ৰনাথ শৰ্মা

স্বাধীনতা আন্দোলনৰ জিলিঙনি ॥ ৪৫ ॥ শ্ৰীহৰেন শৰ্মা

মঠ-মন্দিৰৰ স্থাপত্য, ভাস্কৰ্য আৰু পুৰাতত্ত্ব ॥ ৫৪ ॥ ড° নিশিপদ চৌধুৰী

কৃষিৰপৰা উদ্যোগলৈ ॥ ৬৪ ॥ শ্ৰীমাধৱচন্দ্ৰ অধিকাৰী

নাট্য আৰু কলা চৰ্চা ॥ ৭১ ॥ শ্ৰীবিনোদ শৰ্মা

বজালী বিচিত্ৰা ॥ ৮০ ॥ শ্ৰীজীৱনকৃষ্ণ পাত্ৰ, শ্ৰীনলিনীকুমাৰ শৰ্মা

অসমীয়া সাহিত্যলৈ অৱদান ॥ ৯০ ॥ শ্ৰীযতীন গোস্বামী

শিক্ষাৰ ক্ষেত্ৰত বজালী ॥ ৯৭ ॥ শ্ৰীৰাজেন্দ্ৰনাথ শৰ্মা

॥ চিন্তা-চৰ্চা ॥

অসমীয়া আখৰ-জোঁটনিৰ শৃংখলা ॥ ১ ॥ ড° উপেন্দ্ৰনাথ গোস্বামী
অসমীয়া আখৰ-জোঁটনিৰ সমস্যা :
সমাধানৰ যত্ন আৰু জটিলতা ॥ ৭ ॥ শ্ৰীনগেন শইকীয়া
অসমীয়া জোঁটনিৰ
মূল ভেঁটি ॥ ১৪ ॥ শ্ৰীবিশ্বেশ্বৰ হাজৰিকা
অসমীয়া আখৰ-জোঁটনি ॥ ২২ ॥ শ্ৰীগোলোকচন্দ্ৰ গোস্বামী
দ্বিতীয় মহাসমৰৰ পিছৰ
অসমীয়া উপন্যাস ॥ ২৯ ॥ শ্ৰীতাৰিণীকান্ত ভট্টাচাৰ্য
আধুনিক নাটক ॥ ৩৫ ॥ শ্ৰীৰাম গোস্বামী
অসমীয়া আলোচনীৰ প্ৰসঙ্গ :
বাঁহিৰপৰা আজিলৈ ॥ ৪৪ ॥ শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞা
প্ৰাচীন অসমৰ স্থাপত্য ॥ ৫০ ॥ শ্ৰীলীলা গগৈ
অসমৰ মহিলা সাহিত্যিক ॥ ৫৬ ॥ শ্ৰীমতী প্ৰীতি বৰুৱা
পঢ়ুৱৈ সমাজৰ সমীক্ষা :
এজন লিখকৰ দৃষ্টিৰে ॥ ৬৪ ॥ শ্ৰীযোগেশ দাস

॥ ভিতৰ চ'ৰা ॥

পাঠশালা সাহিত্য সভাৰ
চমু কথা ॥ ৭৩ ॥ শ্ৰীগোলোকেশ্বৰ গোস্বামী
অভ্যৰ্থনা সমিতিৰ এষাৰ
পাঠশালা সাহিত্য সভাৰ ষষ্ঠ লেখক-শিবিৰৰ অভ্যৰ্থনা সমিতি
পাঠশালা সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক (১৯৭৮)
অসম মাতৃৰ সেৱাত

নিবেদন

অসম সাহিত্য সভা অসমৰ একমাত্ৰ সুবৃহৎ জাতীয় অনুষ্ঠান। অসমীয়া ভাষা-সাহিত্য আৰু সংস্কৃতিলৈ ই অনবদ্য অৱদান দিয়াৰ লগতে সংহতিৰ ক্ষেত্ৰতো নিষ্ঠাৰে কাম কৰি আহিছে। অসম সাহিত্য সভাৰ পতাকাৰ তলত একগোট হৈ অসমৰ বিভিন্ন জাতি-উপজাতিয়ে ইয়াক মহাসভালৈ উন্নীত হোৱাত ইন্ধন যোগোৱাটো অতি গৌৰৱৰ কথা। সভাৰ বাৰ্ষিক অধিবেশনত গোটখোৱা বিপুল জনসমাবেশৰ 'চিৰ চেনেহী মোৰ ভাষা-জননী' ধ্বনিয়ে অসমৰ নগৰ-চহৰ আৰু পৰ্বত-পাহাৰৰ কোটি কোটি আবাল-বৃদ্ধ-বণিতাৰ প্ৰাণ স্পন্দিত কৰে।

বিভিন্ন আঁচনিৰ সফল ৰূপ দি আহাৰ উপৰিও যোৱা কিছু বছৰৰপৰা সাহিত্য সভাই বছৰে বছৰে একোটিকৈ লেখক শিবিৰৰ আয়োজন কৰি আহিছে। পাঠশালা সাহিত্য সভাৰ উদ্যোগত সভাৰ ষষ্ঠ লেখক শিবিৰ পাঠশালাৰ বজালী মহাবিদ্যালয়ত আয়োজিত হৈছে।

অসমীয়া ভাষাৰ আখৰ-জোঁটনি বিষয়টো বৰ্তমানো বিতৰ্কমূলক পৰ্যায়তে থকাটো দুখৰ কথা। সভাই এনে এটা বিতৰ্কমূলক বিষয় গ্ৰহণকৈ হ'লেও আলোচনাৰ মাজলৈ অনাটো যুক্তিযুক্ত হৈছে। আমি ভাবোঁ—শিবিৰাৰ্থী গবেষক পণ্ডিতসকলে বিষয়টি গভীৰভাৱে আলোচনা কৰি আখৰ-জোঁটনিৰ ক্ষেত্ৰত থকা অসুবিধাবোৰ আঁতৰ কৰাৰ নিৰ্দেশনা দিব।

'বজালী বিচিত্ৰা' লেখক শিবিৰ উপলক্ষে প্ৰকাশিত 'স্মৃতি-গ্ৰন্থ'। ইয়াত দুটা খণ্ড ৰখা হৈছে। প্ৰথম খণ্ড অৰ্থাৎ 'আদৰণি শিতানত বজালীৰ বিভিন্ন দিশৰ ওপৰত কেইটামান প্ৰবন্ধ আৰু দ্বিতীয় খণ্ড অৰ্থাৎ 'চিন্তা-চৰ্চা'ত নিৰ্বাচিত বহুটি প্ৰবন্ধ সন্নিবিষ্ট কৰা হৈছে। যথেষ্ট সতৰ্কতা অৱলম্বন কৰা সত্বেও অনিচ্ছাকৃতভাৱে 'বজালী বিচিত্ৰা'ত বৈ যোৱা ভুল-ত্ৰুটীৰ বাবে পঢ়ুৱৈ বাইজে ক্ষমাৰ চকুৰে চায় যেন। যুৱা-যুৱি সমন্বৰ বাবে নিৰ্বাচিত আন কেবাটিও

প্ৰবন্ধ ইয়াত সামৰিব পৰা নগ'ল। আশা কৰোঁ, লেখকসকলে বেয়া নাপায় যেন। 'বজালী বিচিত্ৰা' প্ৰস্তুত কৰাত অসম সাহিত্য সভাৰ উপ-সভাপতি শ্ৰীযোগেশ দাস, বজালী মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীৰাজেন্দ্ৰনাথ শৰ্মা, স্মৃতি-গ্ৰন্থ সম্পাদনা সমিতিৰ সভাপতি শ্ৰীঅম্বিকাপদ চৌধুৰী আৰু উপ-সভাপতি শ্ৰীমুনীন্দ্ৰনাথ শৰ্মা প্ৰমুখ্যে সদস্যসকললৈ আৰু বিভিন্ন উপায়ে সেৱা আগবঢ়োৱা বাবে শ্ৰীসদানন্দ মিশ্ৰ, শ্ৰীনগেন ৰায়, শ্ৰীশৈলেন দাস আৰু আনসকললৈ আমি কৃতজ্ঞতা জনাইছোঁ। অসম সাহিত্য সভাৰ ষষ্ঠ লেখক শিবিৰৰ সফলতা আৰু লগতে পাঠশালা সাহিত্য সভাৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলোঁ।

"চিৰ চেনেহী মোৰ ভাষা-জননী"

২৯ অক্টোবৰ, ১৯৭৮ — সম্পাদকদ্বয়

দেওবাৰ — 'বজালী বিচিত্ৰা'

শুভেচ্ছা বাণী

লেখক শিবিৰ সম্পূৰ্ণভাৱে নতুন কথা—বিশেষকৈ অসমীয়া সাহিত্যৰ ক্ষেত্ৰত, ইউৰোপীয় সাহিত্যিকসকলৰ মাজত এইটো এটা নিয়মীয়া অভ্যাস। ইয়াৰ ফলত সাহিত্য সৃষ্টিয়ে পৰিপুষ্টি লাভ কৰে। মাত্ৰ একজনীয়া অভিজ্ঞতাৰ ফলত সাহিত্যৰ দৃষ্টিভঙ্গী ঠেক হ'বৰ সম্ভাৱনা বেছি। লেখক শিবিৰৰ ব্যৱস্থাত বহুজনৰ অভিজ্ঞতা সম্মিলিত হৈ বিশাল ৰূপ ধৰিবৰ সুযোগ পায়। সাহিত্য একালে যেনেকৈ সাৰ্বজনীন হোৱাই লক্ষ্য, ইয়াৰ সৃষ্টিও হ'ব লাগে সাৰ্বজনিক অভিজ্ঞতাৰ ভিত্তিত। সকল সাহিত্যই যে ৰস সঞ্চয় কৰে একোজন স্ৰষ্টাৰ অভিজ্ঞতাৰ সঞ্চিত সঞ্চয়নৰপৰা, লেখক শিবিৰতো তেনেকৈ একো-একোটা বিষয় খৰচি মাৰি আলোচনা কৰি, তাৰে ভিত্তিত নতুন ৰূপ সৃষ্টি কৰা হয়। যেনেকৈ বহু মৌ-গুটিয়ে নানা ফুলৰপৰা একণিকা একণিকাকৈ ৰস চুহি আনি এখন মৌ-কোঁহ সাজি উলিয়ায়, লেখক শিবিৰৰ কামো তেনেকুৱাই হ'ব বুলি আশা কৰা যায়। কিমধিকমিতি।

বৰপেটা
২০ অক্টোবৰ, ১৯৭৮ ইং

শ্ৰীপ্ৰসন্নলাল চৌধুৰী
সভাপতি,
অসম সাহিত্য সভা

শুভেচ্ছা বাণী

পাঠশালা সাহিত্য সভাৰ আহ্বানত অসম সাহিত্য সভাৰ ষষ্ঠ লেখক শিবিৰ অলপতে বহিব। শিবিৰৰ আলোচনাৰপৰা সাহিত্যিক আৰু ৰাইজ সকলোৰেই উপকৃত হ'ব বুলি আশা কৰোঁ।

লেখক শিবিৰৰ উদ্যোক্তাসকললৈ তথা স্মৃতিগ্ৰন্থ সম্পাদকলৈ সাধুবাদ।

নগাঁও
২৯ আহিন, ১৯০০ শক।

শ্ৰীযজ্ঞেশ্বৰ শৰ্মা
প্ৰাক্তন সভাপতি,
অসম সাহিত্য সভা

শুভেচ্ছা বাণী

এই মাহৰ শেষৰ ফালে পাঠশালাত অনুষ্ঠিত হ'ব লগা ষষ্ঠ লেখক-শিবিৰ উপলক্ষে এখন স্মৃতিগ্ৰন্থ প্ৰকাশৰ ব্যৱস্থা কৰা শুনি আনন্দ পাইছোঁ। এনে ব্যৱস্থাই যে অকল লেখক-শিবিৰৰ স্মৃতিকে বহন কৰিব এনে নহয়, বাছুক-বনীয়া প্ৰবন্ধ-সম্ভাৰেৰে গ্ৰন্থখন পুষ্ট আৰু সমৃদ্ধ হ'লে আমাৰ সমকালীন সাহিত্যৰ সন্মুখত দেখা দিয়া বিবিধ প্ৰশ্নৰ সমাধানৰ ইঙ্গিত নিশ্চয় গ্ৰন্থখনে বহন কৰিব। আমাৰ আখৰ-জোঁটনিৰ আউল লগা সমস্যাটোৰ প্ৰতিও এতিয়া চকু দিবৰ সময় হ'ল। এই সমস্যাটোৰ এটা সমাধান বিচাৰি উলিয়াব নোৱাৰিলে ভৱিষ্যতে জটিলতা বঢ়াৰ আশঙ্কা আছে। আশা কৰোঁ, ন-পুৰণি লেখকসকলে এই বিষয়টোৰ গুৰুত্ব উপলব্ধি কৰি যথাবিহিত ব্যৱস্থা হাতত লোৱাৰ চেষ্টা কৰিব।

নলবাৰী
২০ ১০।৭৮

শ্ৰীত্ৰৈলোক্যনাথ গোস্বামী
প্ৰাক্তন সভাপতি,
অসম সাহিত্য সভা

শুভেচ্ছা বাণী

পাঠশালাত অনুষ্ঠিত হ'বলগীয়া লেখক-শিবিৰ আৰু তাৰ আলোচ্য বিষয়—দুয়োটাই গুৰুত্বপূৰ্ণ। লেখক-শিবিৰৰ উত্তাপ বৰ নগৰবপৰা বৰ গাঁও পাইছেগৈ; ই এলাপচা কথা নহয়। অসমীয়া সাহিত্যই যে ধীৰে ধীৰে দেশৰ ব্যাপক জীৱনলীলা সামৰিবলৈ অগ্ৰসৰ হৈছে, পাঠশালা লেখক-শিবিৰে তাকেই প্ৰমাণ কৰিছে। লেখক-শিবিৰহে অসম সাহিত্য সভাৰ হিমজু। অসমীয়া আখৰ-জোঁটনিৰ সমস্যাও এটা সুদাসুদি সমস্যা নহয়; ইয়াৰ জঁটীয়া আউল ভাঙি সমস্যা পোনাব পাৰিব বুলি আশা কৰিছোঁ। ইতি—

শ্ৰীতীৰ্থনাথ শৰ্মা
প্ৰাক্তন সভাপতি,
অসম সাহিত্য সভা

এখনি চিঠি

পঞ্জাবী বিশ্ববিদ্যালয়, পটিয়ালা ১৪৭ ০০২। ২৫ ছেপ্টেম্বৰ ১৯৭৮

মৰমৰ সতীশ, নিশিপদ,

অসমীয়া ভাষাৰ আখৰ-জোঁটনি সম্পৰ্কে হ'ৰগীয়া লেখক-শিবিৰৰ স্মৃতিগ্ৰন্থৰ বাবে প্ৰবন্ধ বিচাৰি লেখা তোমালোকৰ চিঠি আৰু সাধনী চিঠি পাইছো। প্ৰবন্ধ লেখিবৰ সাহস হোৱা নাই বাবে চিঠিৰ উত্তৰো দিয়া হোৱা নাই। অসম সাহিত্য-সভাই সাহস কৰি ষষ্ঠ লেখক শিবিৰৰ বাবে বিষয়টো বাছি লৈছে। কিন্তু শিবিৰে কিমানখিনি সিদ্ধান্ত দিব পাৰিব, সেই বিষয়ে মোৰ সন্দেহ হয়। সিদ্ধান্ত দিবলৈ ব্যৱস্থাদাতাসকল হ'ব কোন? কোনখন অভিধান মানি ল'বা? কোনখন ব্যাকৰণ মানি ল'বা? তৎসম অৰ্থাৎ সংস্কৃত শব্দবোৰ সংস্কৃত অভিধানমতে লেখা এটা নীতি হ'ব পাৰে। কিন্তু এই নীতি আমাৰ কোনো এখন অভিধানেও আঁৰ নলগাকৈ মানি চলা নাই। আমাৰ বৰ্তমান প্ৰচলিত বৰ্ণবিন্যাস-ৰীতি হেমচন্দ্ৰ বৰুৱাৰ ব্যাকৰণ-অভিধানৰ যোগে প্ৰৱৰ্তিত ৰীতি; কিন্তু সেই ৰীতিৰ প্ৰৱৰ্তনতে বহুত বিষম কথা বৈ গ'ল। হেমচন্দ্ৰ বৰুৱাই সংস্কৃত শব্দ ভাগি নতুন ৰূপ লোৱা অসমীয়া শব্দ অৰ্থাৎ তদ্ভৱ শব্দবোৰ লেখোঁতে তাৰ হ্ৰস্ব-দীৰ্ঘ দন্ত্য-মূৰ্ধণ্য আদি সংস্কৃতৰ ফালে দৃষ্টি ৰাখি নিৰ্ণয় কৰিছিল। এইটো ঘোৰ ভুল ৰীতি। প্ৰথম কথা—সংস্কৃতৰপৰা শব্দটোইত অসমীয়ালৈ আহোঁতে প্ৰাকৃত, অপভ্ৰংশ স্তৰৰ মাজেদিহে আহিছে, সেই বিষয়ে বৰুৱা সমূলি সচেতন নহয়। দ্বিতীয়তে, অসমীয়া উচ্চাৰণৰ ফালে দৃষ্টি নৰখাকৈ এনে ৰূপ নিৰ্ণয় কৰাটো অসাৰ্থক কথা। আমাৰ দীৰ্ঘ উচ্চাৰণ প্ৰায় নায়েই, দন্ত্য আৰু মূৰ্ধণ্য দুইটা এৰি আমি দুইটাৰ মাজতে ট/ত আদি উচ্চাৰণ কৰোঁ। বৰুৱাই এইদৰে তদ্ভৱ শব্দত উদ্ভট এটা নীতি প্ৰয়োগ কৰি অসমীয়া কথিত ভাষাৰ লগত অসংযোগী এক অবাস্তৱ লেখা ৰীতি

প্ৰৱৰ্ত্তন কৰিলে। আনকালে তেওঁ কোৱাত বা শুনাত নহ'লেও লেখাত তৎসম 'সম্মান', 'সম্মত' আদিক "হেমকোষ"ত 'সম্মান', 'সম্মত' লেখিলে কিয়? সিহঁতৰ ব্যুৎপত্তি কিন্তু দেখুৱাইছে ঠিকেই—সং+মান, সং+মন্ ইত্যাদি। আনকালে, তেওঁৰ ব্যাকৰণৰ ৰীতিও হ'ল: "যি বৰ্গৰ বৰ্ণ পাচত থাকে ম বা অনুস্বাৰৰ ঠাইত সেই বৰ্গৰ পঞ্চম বৰ্ণ হয়।" (অসমীয়া ব্যাকৰণ।) তেওঁ নিজেই নিজৰ ৰীতি লংঘন কৰিছে আৰু ভুল প্ৰয়োগ গ্ৰহণ কৰিছে। অৱশ্যে "হেমকোষ" তেওঁ নিজে ছপা কৰি প্ৰকাশ কৰিবলৈ নেপালে। সম্মান, সম্মত, সম্মতি, সম্মিলন—এই শব্দবোৰ যদি অসমীয়াত গ্ৰহণ কৰা যায়, সিহঁতক সেইদৰেই লেখিব লাগিব। সম্মান, সম্মত, সম্মতি, সম্মিলন—এনেবোৰ ভুল বা গ্ৰাম্য প্ৰয়োগ; সিহঁতৰ আন নিৰুক্তি নাই। এনেবোৰ প্ৰয়োগ যদি হেমচন্দ্ৰই গ্ৰহণ কৰিছিল, তাত তেওঁৰ কোনো নীতি নাছিল। মোৰ ভাব হয়, তেওঁ সেইবোৰ গ্ৰহণ কৰা নাছিল, কাৰণ তেওঁ যি ব্যুৎপত্তি আৰু ব্যাকৰণত যি নীতি দিছে, সি তাৰ বিৰুদ্ধ। ব্ৰনৃছনে অৱশ্যে আমাৰ গ্ৰাম্য ৰূপবোৰকে ৰাখিছিল; কিন্তু হেমচন্দ্ৰই যি নীতি গ্ৰহণ কৰিলে সেইমতে তাক পৰিহাৰ কৰা আৱশ্যকীয়। গ্ৰাম্য ৰূপকেইটাযে অসমীয়াত নাই, সেইটো মই কোৱা নাই; কিন্তু সিহঁতক নিজৰ ঠাইত ৰাখিব লাগে আৰু শুদ্ধ তৎসম ৰূপক নিজৰ সম্মানটি দিব লাগে। বঙলা ভাষাত এই স্থলত তাকে কৰা হৈছে। এই বিষয়ত কোনো অন্ধ নীতি হ'ব নোৱাৰে। তদ্ভৱ শব্দৰ সংস্কৃত ভাষাৰ অনুৰূপ ৰূপ বিচৰা আৰু তৎসম শব্দক তৎসম ৰূপৰপৰা বিকৃত কৰা—দুইটাই ভুল পথ।

হেমচন্দ্ৰৰ ব্যাকৰণ অভিধানে অসমীয়া ভাষাৰ যি ৰূপ স্থিৰ কৰি দিলে, সিযে অবাস্তৱ, এই কথা বুজিবলৈ পুৰণি পুথিৰ বৰ্ণবিন্যাস নিষ্ঠাৰে অধ্যয়ন কৰিব লাগিব। কিন্তু হেমচন্দ্ৰ-নিৰূপিত বৰ্ণবিন্যাস আমাৰ ইমান মজ্জাগত হৈ গ'ল যে পুৰণি পুথি এখন হাতত ল'লেই তাৰ প্ৰত্যেকটো শব্দকেহে আমি ভুল বুলি গণনা কৰি যাওঁ। 'জাই', 'সুনিলে', 'সুলে', 'জৌবন'—এনেবোৰ শব্দ পালে আমাৰ হাঁহিৰ অন্ত নোহোৱা হয়। আমাৰ মনত অকণো ভাব নহয় যে এই-বোৰেইহে বাস্তৱ অসমীয়া শব্দ-ৰূপ। তাৰ পৰিবৰ্তে আমি পুথিবোৰ নজনা মানুহে লেখা বাবে এনেবোৰ লেখিছে বুলি পূৰ্বধাৰণা এটা মনত লৈ 'যায়', 'শুনিলে', 'শুলে', 'যৌৱন'—কাটি-কুটি এনেকৈ 'ঠিক-ঠাক' কৰি লওঁ আৰু আমিযে ভাষাত পণ্ডিত সেই কথাটোও ঠিক কৰি লওঁ। হেমচন্দ্ৰ-ৰচিত মায়া আমাৰ ওপৰত ইমানেই প্ৰবল!

কিন্তু হেমচন্দ্রৰ মায়া ভেদ কৰি আজি যুক্তি লাভ কৰি অসমীয়া বৰ্ণবিন্যাসক বাস্তৱ ৰূপ দিয়াটো সম্ভৱ নহয়, কাৰণ সেই মায়াময় ৰূপে ইতিমধ্যেই usage-অৰ বলবত্তা লাভ কৰিছে। তাক গুচাবলৈ হ'লে ১৮৭০ চনৰ পৰা প্ৰকাশিত সকলো অসমীয়া কিতাপকে নতুনকৈ কাটি-কুটি খাণ্ডাং কৰিব লাগিব, কাৰণ সেই সকলোতে হেমচন্দ্ৰৰ কল্পিত অভিধান আৰু ব্যাকৰণৰ প্ৰতুল প্ৰাদুৰ্ভাৱ।

সৰু এটা উদাহৰণ লোৱাঁ। ডক্টৰ সুনীতিকুমাৰ চট্টোপাধ্যায়ে মোক লগ পালে এটা কথা প্ৰায়ে কৈছিল, 'আপোনালোকেযে 'অসমিয়া' নেলেখি কিয় 'অসমীয়া' লেখে, মই বুজি নেপাওঁ।' কাৰণটো অতি সহজ—হেমচন্দ্ৰ বৰুৱাই বিয়াকৰণ লেখি কৈ থৈ গৈছে, 'অসম'ত 'ঈয়া' প্ৰত্যয় লাগি আমি অসমীয়াবোৰ হৈছো। তেওঁ যদি ক'লেহেঁতেন, 'ইয়া' প্ৰত্যয়ৰ লগত 'অসম'ৰ বিয়া হ'লেও আমি অসমিয়াবোৰ উপজিব পাৰোঁ, তেতিয়া হ'লে আমি অসমিয়াই হ'লো-হেঁতেন। উচ্চাৰণততো সেইটোৱেই!! এজন মানুহৰ খেয়ালত এইভাৱে আমাৰ ভাষাৰ অভিনৱ ৰূপ!! যি ভাষাত দীৰ্ঘ-স্বৰ নায়েই, দন্ত্য-মূৰ্ধণ্য নায়েই, সেই ভাষাতে আটাইতকৈ সৰহ উষ্মা হ্ৰস্ব-দীৰ্ঘ দন্ত-মূৰ্ধণ্য-তালব্য লৈ!! মূৰ নোহোৱাকৈয়ে আমাৰ ক্ষণে ক্ষণে মূৰ-কামোৰণি!

তেনেহ'লে তোমালোকে আখৰ-জোঁটনিৰ কি সিদ্ধান্ত কৰিবা? কিন্তু অন্ততঃ সমস্যাবোৰকে যদি formulate কৰিব পাৰা, শিখিবৰ বাবে ডাঙৰ কাম হ'ব।

তোমালোকৰ

মহেশ্বৰ নেওগ

আদবনি

বজালীৰ ৰূপৰেখা

শ্ৰীমুনীন্দ্ৰ নাথ শৰ্মা

প্ৰাচীনত্বৰ পাম খেদি

বজালী অঞ্চলটো সন্দেহাতীতভাৱে প্ৰাচীন। প্ৰাচীন কামৰূপৰ ইতিহাসৰ অন্তৰালত বজালীৰ ইতিহাসো সোমাই আছে। বজালীৰ আদি অধিবাসী-সকলৰ কথা বাদ দিলেও এই অঞ্চলৰ ব্ৰাহ্মণ, কলিতা আদি উচ্চবৰ্ণৰ লোকসকলৰ মূল বিচাৰিবলৈ হ'লে বহু অতীতলৈ যাবলগীয়াত পৰে। নৰকাসুৰে ভাটীৰ দেশৰপৰা অনেক ব্ৰাহ্মণ আনি নিজ ৰাজ্যত বহুৱাইছিল। কলিতাসকলো প্ৰাগ্-ঐতিহাসিক কালতে কামৰূপলৈ আহে বুলি ড° কাকতিয়ে 'কলিতা জাতিৰ ইতিবৃত্ত'ত কৈছে। ইতিহাসে ঢুকি পোৱা পৰৱৰ্তী বৰ্মণ, ভৌম, পাল আদি ৰজাসকলৰ আমোলতো সময়ে সময়ে পণ্ডিত শ্ৰেণীৰ ব্ৰাহ্মণ ইয়াত বসবাস কৰিবলৈ লয়।

বড়ো-কছাৰী, কোঁচ-কেওট, কৈৱৰ্ত, হীৰা, ধোবা, কুমাৰ, কমাৰ, যোগী, নাপিত আদি কামৰূপৰ প্ৰাচীন অধিবাসী। জ্যোতিষ শাস্ত্ৰ চৰ্চাৰ কামৰূপ অন্যতম কেন্দ্ৰস্থল হিচাপে দৈৱজ্ঞ শ্ৰেণীও আপেক্ষিকভাৱে পুৰণি।

বজালী পুৰণি কামৰূপৰে ক্ষুদ্ৰ সংস্কৰণ। বজালীৰ কেবাখনো দেৱালয় আৰু থান প্ৰাক্-আহোম যুগৰ বুলি অনুমান কৰিব পাৰি। ভূবিত আবিষ্কৃত তামৰ ফলিয়ে বজালীৰ প্ৰাচীনত্ব ভূমিবৰ্মাৰ [৬ষ্ঠ শতিকা) সময়লৈকে আগুৱাই নিয়ে।

কোঁচৰজাৰ আগলৈকে বজালী বুলি কোনো প্ৰশাসনীয় গোট নাছিল। গাঁওৰ নামেৰেই একোখন ঠাই নিৰূপণ কৰা হৈছিল। গাঁওবোৰৰো বেছি-ভাগৰে প্ৰাচীন নামৰ বিশেষ নিদৰ্শন পাবলৈ নাই। অনুমান হয়, জনজাতীয় নামেৰেই গাঁওবোৰৰ নামকৰণ কৰা হৈছিল। পশ্চিমৰপৰা আৰ্যসকল অহাৰ পিছত নামবোৰ আৰ্যকৰণ কৰা হ'ল।

১৪৯৮ খৃঃত গৌৰব নবাব হোচেন চাহে কমতাপুৰ অধিকাৰ কৰিলত ৰজা নীলাম্বৰৰ পুতেক দুৰ্লভেন্দ্ৰই সপৰিয়ালে পলাই গৈ আহোমৰ শৰণাপন্ন হয়।

জনশ্ৰুতিৰ অন্তৰালত

আহোম ৰজাই তেওঁক সামন্ত ৰজা হিচাপে ৰঙালীতে থাপে। ৰঙালীৰ উত্তৰ অঞ্চলৰ কোনো ঠাইত তেওঁৰ ৰাজধানী আছিল বুলি অনুমান কৰা হয়।

বহু আখ্যান প্ৰসিদ্ধ ফিঙুৱাৰ নাম ৰজা দুৰ্লভেন্দ্ৰৰ লগত জড়িত। ফিঙুৱা দুৰ্লভেন্দ্ৰৰ ভতিজাক। পিছত ফিঙুৱাই দুৰ্লভেন্দ্ৰক হত্যা কৰি ৰাজ-পাট দখল কৰে। ড° সূৰ্যকুমাৰ ভূঞা সম্পাদিত 'অসম বুৰঞ্জী'ত ফিঙুৱাই দুৰ্লভেন্দ্ৰক বধ কৰাৰ কাৰণ এজনী তিৰোতা বুলি দেখুৱাইছে।

ৰঙালীৰ আন এগৰাকী কিংবদন্তীৰ নায়ক ৰজা আৰিমত্ত। ফিঙুৱাৰ লগতে আৰিমত্তৰ অনেক কাহিনীও প্ৰচলিত আছে।

ৰঙালীৰ গড় নামৰ গাঁওৰ ওচৰত ফিঙুৱা কোঁৱৰৰ এটি গড়ৰ ভগ্নাৱশেষ আজিও দেখিবলৈ পোৱা যায়। ভোটৰ আক্ৰমণক ভেটা দিবলৈ ফিঙুৱাই এই গড় নিৰ্মাণ কৰায়। আজিও ফিঙুৱাৰ গড়, ফিঙুৱাৰ ঝাৰে উক্ত ৰাজ-কোঁৱৰজনৰ স্মৃতি জীৱন্ত কৰি ৰাখিছে।

ফিঙুৱাই ৰজাধামলৰ ভূঞা সনাতনৰ কন্যা পদ্মাৱতীক বিয়া কৰায়। ৰাণী পদ্মাৱতীৰ অকাল মৃত্যু হ'লত তেওঁৰ সোঁৱৰণী যুগমীয়াকৈ ৰখাৰ উদ্দেশ্যে পোমৰা নদীৰ পূবপাৰত এখন নগৰ সজায়। সেই নগৰেই আজিৰ মহাৰাণী গাঁও।

বৰ্তমান বিহুনী মৌজাত ৰাজধামল বা ৰাজধাকমল বুলি এখনি ঠাই আছে। এয়ে সনাতন ভূঞাৰ ৰাজধানী আছিল। প্ৰায় চাৰি পুৰামান মাটিৰে আগুৰা সনাতনে সজোৱা শিলৰ গড়, ঘৰ আৰু মন্দিৰৰ ভগ্নাৱশেষো দেখা যায়।

সনাতন কোঁচ সম্প্ৰদায়ৰ ভূঞা। তেওঁৰ ৰাজত্বকালতে গৌৰৰ নবাৱ হোচেন চাহৰ হাতত কমতা ৰাজ্যৰ পতন ঘটে। সেই সময়তে কমতা ৰাজপৰিয়ালৰ এগৰাকী বিধৱা মহিলা তেওঁৰ একমাত্ৰ নাবালক পুতেকৰ লগতে আহি সনাতনৰ আশ্ৰয় ভিক্ষা কৰে। সনাতনে দুয়োকো ৰাজধানীতে থাপিলে। পৰৱৰ্তী কালত এই বিধৱাৰ কোঁৱৰে গৈ ফিঙুৱা কোঁৱৰ নামে খ্যাত হ'ল। সনাতনে নিজ কন্যাক ফিঙুৱাৰ হাতত অৰ্পণ কৰে।

খেন বংশৰ পতন আৰু কোঁচ বংশৰ অভ্যুত্থানৰ এই মধ্যবৰ্তীকালীন সময়ছোৱাত কামৰূপ অঞ্চল সাময়িকভাৱে মোগলৰ শাসনাধীন হৈ পৰে।

ইফালে ঠায়ে ঠায়ে বহুতো ভূঞা মূৰ দাঙি একোজন স্বয়ম্ভূ ৰজাত পৰিণত হয়। এই ভূঞাসকল মুছলমানসকলৰ সৈতে সংঘৰ্ষত লিপ্ত হয়। মঠ-মন্দিৰ ধ্বংস কৰাৰ উপৰিও নিৰীহ প্ৰজাৰ ওপৰতো অত্যাচাৰ কৰে। এনেবোৰ কাৰণত সৰ্বসাধাৰণ প্ৰজা অতিষ্ঠ হৈ পৰাত তেওঁলোকে সংঘবদ্ধভাৱে বিদ্ৰোহ ঘোষণা কৰে। ৰজালীতো তেনে বিদ্ৰোহ হোৱাৰ কথা মুছলমান ঐতিহাসিকৰ বিৱৰণীত উল্লেখ আছে। 'বাহাৰিস্তান-ই-ঘাইবি'ত এজন অজ্ঞাতনামা ৰজা আৰু সনাতন কোঁচৰ নেতৃত্বত মোগল ৰাজহ সংগ্ৰহৰ বিৰুদ্ধে গোৱালপাৰা আৰু কামৰূপত সশস্ত্ৰ কৃষক বিদ্ৰোহ দীৰ্ঘদিন ধৰি চলাৰ কথা পোৱা যায়। এই অজ্ঞাতনামা ৰজা কোন জনা নাযায়।

শ্ৰীপতি ভূঞা

কমতাৰ ৰজাসকলৰ আমোলত শ্ৰীপতি সৰস্বতী নামৰ এগৰাকী ভূঞাৰ নাম পোৱা যায়। শঙ্কৰদেৱৰ পূৰ্বপুৰুষ চণ্ডীবৰৰ সৈতে এওঁ কামৰূপলৈ অহা। দুৰ্লভ নাৰায়ণ ৰজাই [খৃঃ ১৩৩০—১৩৫০] তেওঁক ভোটৰ উপদ্ৰৱৰপৰা ৰক্ষাৰ বাবে মানাহ আৰু কালদিয়া নদীৰ মধ্যৱৰ্তী ভূখণ্ডৰ শাসনকাৰ্যত অধিষ্ঠিত কৰে। বৰনগৰৰ ভেৰাগ্ৰামত থাকি তেওঁ শাসনকাৰ্য পৰিচালনা কৰে। শ্ৰীপতিৰ পুত্ৰ লক্ষ্মীপতি। লক্ষ্মীপতিৰ পুত্ৰ জগন্নাথ। সেই সময়ৰ কমতাৰ ৰজা দুৰ্লভেন্দ্ৰৰ লগত সংঘৰ্ষ লগাত ৰাজ্য হেৰুৱাই জগন্নাথে ব্ৰহ্মপুত্ৰৰে দৰঙলৈ উজাই যায় আৰু তাতে স্বাধীনভাৱে ৰাজ্য পাতি বাস কৰিবলৈ লয়। দুৰ্লভেন্দ্ৰৰ কাল ১৩৬৫—৭০[১]। উল্লেখযোগ্য কথা, মহাপুৰুষ ভট্টদেৱৰ পূৰ্বপুৰুষ প্ৰিয়ব্ৰত সৰস্বতী শ্ৰীপতি ভূঞাৰ সৈতে একেলগে কামৰূপলৈ আহে। দুয়োৰো উপাধি সৰস্বতী হ'লেও শ্ৰীপতি ভূঞা কায়স্থ আৰু প্ৰিয়ব্ৰত সৰস্বতী ব্ৰাহ্মণ কুলৰ। কিন্তু দুয়ো একে সম্প্ৰদায়ৰ আৰু গুৰু-শিষ্যৰ সম্বন্ধ থকা শঙ্কৰাচাৰ্যৰ গোবৰ্দ্ধন মঠৰ সন্ন্যাসী। 'সৰস্বতী' দশনামী শঙ্কৰাচাৰ্য্য সন্ন্যাসীৰ এটা নাম বা উপাধি।

শ্ৰীপতি ভূঞাৰ সৈতে অহা লোকসকলৰ ভিতৰত চন্দ্ৰগিৰিও এজন। দুৰ্লভ নাৰায়ণে এওঁক কালদিয়া আৰু মানাহ নদীৰ মাজৰ ভূখণ্ডৰ দক্ষিণ অঞ্চলৰ ভূঞাপদত নিযুক্তি দিয়ে। চন্দ্ৰগিৰিৰ পুতেক পদ্মগিৰি। পদ্মগিৰিৰ

১। পুৰণি কামৰূপত একে নামৰ তিনিজন ৰজাৰ নাম পোৱা যায়। প্ৰথমজন ত্ৰয়োদশ-চতুৰ্দশ শতিকাৰ। এওঁৰ আমোলত চণ্ডীবৰ ভূঞা আছে। দ্বিতীয়জন পঞ্চদশ-ষোড়শ শতিকাৰ।

পুত্ৰ হৰিগিৰি। হৰিগিৰিৰ পুত্ৰ ৰাম ৰায়। এওঁ ৰজা নীলাম্বৰৰ সমসাময়িক। কমতাৰাজ্য ধ্বংস হ'লত ৰাম ৰায়ৰ পুত্ৰ গন্ধৰ্বৰায়ে দক্ষিণপাৰে কিছু ঠাই অধিকাৰ কৰে, আৰু কৃষ্ণ ৰায়ে পিতাকৰ ৰাজ্যতে [কালদিয়া আৰু মানাহাৰ মধ্যৱৰ্তী দক্ষিণ খণ্ড] স্বাধীনভাৱে ভূঞা হৈ উঠে। কৃষ্ণ ৰায়ে পূৰ্বৰ শ্ৰীপতি ভূঞাৰ বংশৰ জগন্নাথৰ ৰাজ্য [অৰ্থাৎ মানাহ আৰু কালদিয়া নদীৰ মধ্যৱৰ্তী উত্তৰ খণ্ড] অধিকাৰ কৰি লয়। কৃষ্ণ ৰায়ৰ পুত্ৰ পৰম ব্ৰহ্মদেৱ। কোঁচৰজা

গন্ধৰ্বৰায় আৰু কৃষ্ণৰায় ভূঞা

বিশ্বসিংহৰ সৈতে সংঘৰ্ষৰ কালত গন্ধৰ্ব ৰায় আৰু কৃষ্ণ ৰায় প্ৰথমছোৱাত নাৰায়ণ গোমঠাৰ সহায়ক হয়। গোমঠা বংশাৱলীত গন্ধৰ্ব ৰায়ক বজালীৰ ভূঞা বোলা হৈছে। হৰিনাৰায়ণ দত্তবৰুৱাৰ মতে এইটো লিখকৰ ভ্ৰম। 'ৰাম ৰায়ৰ সময়ত শ্ৰীপতি সৰস্বতী ভূঞাৰ বংশধৰ উজাই যোৱাত মানাহ-কালদিয়াৰ উত্তৰ অঞ্চল তেওঁৰ এলেকাত সোমোৱা বাবে বজালীৰ বুলি উল্লেখ কৰাও অসম্ভৱ নহয়।' [কায়স্থ সমাজৰ ইতিবৃত্ত]

অনুমান হয়, কৃষ্ণ ৰায়ে শ্ৰীপতি ভূঞাৰ ৰাজ্যখণ্ড অধিকাৰ কৰাৰ সময়ত দুয়োভায়েকে একেখন ৰাজ্যকে শাসন কৰে। নীলাম্বৰৰ পতনৰ পিছত দুয়ো দুখন স্বকীয় ৰাজ্যত অধিষ্ঠিত হয়। সম্ভৱ বজালীৰ কিছু অংশ গন্ধৰ্ব ৰায়ৰ ভিতৰুৱা। সেয়ে গোমঠা বংশাৱলীত তেওঁক বজালীৰ ভূঞা বোলা হৈছে।

বিজনী ৰাজ্যখণ্ড সম্বন্ধে জানিবলগীয়া কথা আছে। এই বিজনী

বিজনী ৰাজ্যৰ কথা

[গোৱালপাৰা ৰাজ্যৰ বিজনী ষ্টেট নহয়] কামৰূপ জিলাৰ ভূটান পাদদেশত অৱস্থিত উত্তৰ পূবৰ ক্ষুদ্ৰ অঞ্চল এটিহে।

বিশ্বসিংহৰ আমোলৰপৰাই কামৰূপৰ বিজনী খণ্ডৰ অস্তিত্ব পোৱা যায়। ইয়াৰ প্ৰতিষ্ঠাতা কোন জনা নাযায়। 'বিজনী' নামটোৰ ব্যুৎপত্তিগত অৰ্থও তাৎপৰ্যপূৰ্ণ। কামৰূপ বুৰঞ্জীত আছে—'কুঁৱৰীৰ নথ কটা বেজনী ৰকা বাবে পৰগণাখন বেজনী হ'ল।"

বিশ্বসিংহৰ ৰাজ্য সম্প্ৰসাৰণ কালত বিজনীৰ ভূঞাজনৰ নাম আছিল লক্ষ্মীনাৰায়ণ। বিশ্বসিংহৰ হাতত হাৰি এওঁ ভূটানলৈ যায় আৰু তাতে শক্তি সঞ্চয় কৰি পুনৰ আহি নিজৰাজ্য উদ্ধাৰ কৰে। লক্ষ্মীনাৰায়ণৰ পিছত পৰীক্ষিত নাৰায়ণ। ৰজা গোবিন্দনাৰায়ণৰ দিনত বিখ্যাত শৰাইঘাটৰ যুদ্ধ হয়। এই যুদ্ধৰ আপাহতে আহোমে কামৰূপৰ লগতে বিজনী ৰাজ্যও অধিকাৰ

কৰে। পিছত গোবিন্দনাৰায়ণে ভোট ৰজাৰ সাহায্যত আহোমবপৰা নিজ ৰাজ্য-খণ্ড উদ্ধাৰ কৰে যদিও ভোটৰ কৰতলীয়া হৈ পৰে। খাটাৰাম ভূঞাৰ আমোলত মানে অসম আক্ৰমণ কৰে। মানে বিজনী অঞ্চলতো যথেষ্ট ক্ষতি সাধন কৰে।

মান যোৱাত ইংৰাজে অসম অধিকাৰ কৰে যদিও বিজনীৰাজ্য কিন্তু স্বকীয়াভাৱে ভোটৰ আশ্ৰিত ৰাজ্য হিচাপেই বৈ যায়। ১৮৭১ চনত দেৱগিৰিত হোৱা ভোট আৰু ইংৰাজৰ যুদ্ধৰ ফলত বিজনী ৰাজ্য ইংৰাজৰ খাচ দখললৈ আহে। ইংৰাজ প্ৰতিনিধি জেনেৰেল জেনকিন্স্ চাহাবে খাটাৰাম ভূঞাক এই অঞ্চলৰ মৌজাদাৰ পদ যাচে। বৰ্তমান কৰ্দৈগুৰি গাঁওত থকা উজীৰ পৰিয়ালৰ ভালেমান লোক খাটাৰাম ভূঞাৰ বংশধৰ।

বজালী নামৰ উৎস

বজালী নামটোৰ ব্যুৎপত্তিগত অৰ্থ আজিও সঠিককৈ নিৰূপণ কৰিব পৰা হোৱা নাই। মহাৰাজ নৰনাৰায়ণৰ আমোলত বজালী-চাকলা বোলা হয়। বজালী নামটো সম্বন্ধে কামৰূপ বুৰঞ্জীত আছে, 'বজালীয়া কোঁৱৰে থাইছিল মানে পৰগণে বজালী হ'ল।' বজালীৰ দেৱচৌধুৰী সকলেই হ'ল উক্ত 'বজালীয়া কোঁৱৰ'ৰ বংশধৰ।

১৬১১ খৃঃত মোগলে ৰজা পৰীক্ষিতৰ হাতৰপৰা কামৰূপ অঞ্চল দখল কৰে। ১৬১২ খৃঃত মোগল সম্ৰাট জাহাঙ্গীৰৰ নিৰ্দেশক্ৰমে চেখ ইব্ৰাহিম কৰোৰি নামৰ আমিন এজনৰ হতুৱাই পৰীক্ষিতৰ ৰাজ্যখণ্ড চাৰি চৰকাৰত বিভক্ত কৰায়। ফলত কামৰূপ চৰকাৰৰ অন্তৰ্গত বজালী এখন পৰগণাত পৰিণত হয় আৰু তেতিয়াৰপৰাহে বজালীয়ে এটি প্ৰশাসনীয় গোটৰূপে স্বীকৃতি লাভ কৰে।

বজালী পৰগণা গঠন

বিশ্বসিংহই সিংহাসনত আৰোহণ কৰাৰ সময়ত বজালীৰ পশ্চিমখণ্ডত বেংকটগিৰি ভূঞাই ৰাজত্ব কৰে। তেওঁ কুলৰগুৰি বিজনীৰ ভূঞা বুলি পৰিচিত। বিশ্বসিংহই তেওঁক পৰাজিত কৰে আৰু কৰতলীয়া ভূঞা বা উজীৰ হিচাপে আপোন ৰাজ্যত থাপে। মহাৰাজ নৰনাৰায়ণেও তেওঁক উজীৰৰ মান্যতা দিয়ে। বেংকটগিৰিৰ পিছত তেওঁৰ পুতেক মনোহৰ উজীৰ হয়। কিছু বছৰ উজীৰৰ পদ চলোৱাৰ পিছত মনোহৰে মহাপুৰুষ দামোদৰদেৱৰ ওচৰত শৰণ লয় আৰু উজীৰৰ পদ ইস্তফা দি ধৰ্ম প্ৰচাৰত আত্মনিয়োগ কৰে।

কোঁচৰ ছত্ৰছায়াত

'মনোহৰ দেৱ চৰিত'মতে মনোহৰৰ প্ৰকৃত নাম তাম্ৰধ্বজ। গুৰু দামোদৰ দেৱে 'তাম্ৰধ্বজ নাম তৰ নোহে সুশোভন' বুলি মনোহৰ নাম দিয়ে। মনোহৰ

যেনে নামবৰভাগ, ধৰ্মপুৰ, সৰুক্ষেত্ৰী, উপৰ বৰভাগ, বৰক্ষেত্ৰী, বজালী, জালাহ, সৰুথংশৰ, ভবানীপুৰ আদি ঠাইত ধৰ্মপ্ৰচাৰ কৰে। সেই ঠাইবোৰত তেওঁৰ বংশৰ লোক আজিও বিদ্যমান।

১৫১৫ খৃঃত বিশ্বসিংহই নাৰায়ণ গোমঠাৰ ৰাজ্য আক্ৰমণ কৰে। এই যুদ্ধত দাঁতিকাষৰীয়া বিলকল ভূঞাই নাৰায়ণ গোমঠাক সহায় কৰে, তাৰ ভিতৰত বজালীৰ গন্ধৰ্ব ভূঞাও অন্যতম। নাৰায়ণ গোমঠা প্ৰতিপত্তিশীল ভূঞা। নাৰায়ণ গোমঠা ১৫২০ খৃঃত বিশ্বসিংহৰ হাতত নিহত হয়। নাৰায়ণ গোমঠাৰ পিছত ভোগীৰথ ভূঞা পিতৃ এলেকাৰ গোমঠা পদত নিয়োজিত হয়।

বজালীৰ বুকুৰেদি বৈ যোৱা গোঁহাইকমল আলিটো মহাৰাজ নৰনাৰায়ণৰ দিনতে নিৰ্মিত। এই আলিক কোঁচ আৰু ভোটৰ সীমাৰেখা বুলি কোৱা হয়। আনহাতে ই ব্ৰাহ্মণ্য [বৈদিক] আৰু জনজাতীয় [অবৈদিক] সংস্কৃতিগত বা ধৰ্মগত সীমাৰেখা বুলি মত প্ৰকাশ কৰা হয়। ১৪৮২ শকত [১৫৬০ চনত] তিনি পকৰ ভিতৰত গোঁহাইকমল আলি নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰা হয়।

মাজতে শনিৰ দশা পৰা বুলি মহাৰাজ নৰনাৰায়ণে বৰনগৰত [খিলা-বিজয়পুৰ] দ্বিতীয় ৰাজধানী পাতি বাৰ বছৰ থাকেহি। বৰনগৰ আৰু বজালী নিকটবৰ্তী পৰগণা। কাজেই বজালী ৰাইজৰ ওচৰ সংস্পৰ্শ ঘটি এই কালছোৱাত আলি-পদূলি, সত্ৰ-দেৱালয়, মঠ-মন্দিৰ, শিক্ষা-প্ৰতিষ্ঠান আদি গঢ়ি উঠে। ভট্টদেৱ, বকুলকায়স্থ, পুৰুষোত্তম বিদ্যাবাগীশ আদি কেবাগৰাকী বিশিষ্ট পণ্ডিতে ৰাজ-পৃষ্ঠপোষকতাত অসমীয়া সাহিত্য-সংস্কৃতি আৰু ধৰ্মলৈ অমূল্য বৰঙণি আগবঢ়াই থৈ গৈছে।

অন্নশালা, পানীশালা আদি পুখুৰীয়ে বজালীত কোঁচৰজা গৰাকীৰ প্ৰজা-হিতকৰ কামৰ সাক্ষ্য বহন কৰে। গোবিন্দপুৰ সত্ৰও মহাৰাজ নৰনাৰায়ণৰ আমোলতে দামোদৰ দেৱৰ শিষ্য ভগবান দেৱে ১৪৭০ শকত প্ৰতিষ্ঠা কৰে।

দৰঙী কোঁচ ৰজাসকল

পৰীক্ষিত নাৰায়ণৰ পতন হ'লত কিছু বছৰ বজালী পৰগণা মোগলৰ তলত থাকে। পিছত আহোমৰ কৰতলীয়া হিচাপে বলিত নাৰায়ণৰ অধীনলৈ যায়। ১৬৩৭ খৃঃত বলিত নাৰায়ণ স্বৰ্গী হ'লত বংশানুক্ৰমে মহেন্দ্ৰনাৰায়ণ, চন্দ্ৰনাৰায়ণ, সূৰ্যনাৰায়ণ, ইন্দ্ৰনাৰায়ণ ৰজাই বজালী শাসন কৰে। এই ৰজাসকল দৰঙীৰজা নামে খ্যাত। তেওঁলোকে অনেকক ব্ৰহ্মোত্তৰ, দেৱোত্তৰ আৰু নিষ্কৰভূমি দান কৰে। আলি-পুখুৰীও নিৰ্মাণ কৰাই দিয়ে। ১৬৮২ খৃঃত মোগল সেনাপতি মনচুৰ খাঁই সূৰ্যনাৰায়ণক

যুদ্ধত ধৰুৱাই বন্দী কৰি লৈ যায়। তেতিয়া ভায়েক ইন্দ্ৰনাৰায়ণ ৰজা হয়। সেই সময়তে আহোম ৰজা গদাধৰ সিংহই ইন্দ্ৰনাৰায়ণৰ অধীনত থকা কামৰূপ খণ্ড খাচ দখললৈ নিয়ে।

ভোটৰ উপদ্ৰৱ

স্বৰ্গদেও জয়ধ্বজ সিংহৰ দিনত কামৰূপ-দৰঙৰ উত্তৰ অংশত ভূটীয়াসকলে উপদ্ৰৱ চলায়। জয়ধ্বজ সিংহই ভোটক খেদি অঞ্চলটো উদ্ধাৰ কৰে। শেষত দুয়োপক্ষৰ ভিতৰত সন্ধি স্থাপন হয়। সন্ধিৰ চৰ্ত অনুসৰি লাভ কৰা পূবে কালদিয়া নদীৰপৰা নাওশালী আৰু পশ্চিমে ভোটাও মুহিতাবাৰ অন্তৰ্গত ঠাইখিনিৰ দুৱাৰ ৰক্ষাৰ ভাৰ বজালীয়া চৌধুৰীক অৰ্পণ কৰে।

চম্পাগুৰি : চাপাগুৰি

পৰীক্ষিত নাৰায়ণৰ ভায়েক চন্দ্ৰনাৰায়ণে আহোমৰ লগত চম্পাগুৰিত [বৰ্তমান চাপাগুৰি] ৰণ কৰে। সুকুমাৰ মহন্তৰ ‘অসম বুৰঞ্জী’ত এই যুদ্ধৰ কথা উল্লেখ আছে—“পাচে ভৱনাথ কাৰ্জিৰে আচামৰে কিছু যুদ্ধ হ’ল। আচামৰ ভোৰোলা বৰুৱা পৰিল। পাচে বৰদেৰলীয়া ভাগি আহিল। চাপাগুৰিত চন্দ্ৰনাৰায়ণক চিৰাম কোঁৱৰে থৈ ভৱনাথ কাৰ্জী বেহাৰলৈ গ’ল…। সেইবেলা চন্দ্ৰনাৰায়ণৰ পুতেক জয়নাৰায়ণ ৰঙালৰপৰা আহি ৮দেৱৰ চৰণত শৰণাপন্ন হ’লহি।…পাচে বাহুলি ফুকন, লাপেতি ফুকন চাপাগুৰিতে কোঠ মাৰিলেগৈ।” আজি কিছুদিনৰ আগতে ককলাবাৰীত পৰীক্ষিত ৰজাৰ নাম কটা দুটা পিতলৰ বৰটোপ উদ্ধাৰ হৈছে।

বাজখোৱা
বৰুৱা
চৌধুৰী

শৰাইঘাটৰ যুঁজত আহোম সৈন্যই কামৰূপখণ্ড মানাহলৈকে পুনৰ দখল কৰে। কামৰূপৰ যাৱতীয় শাসন সুদৃঢ়ভাৱে সংগঠিত কৰা হ’ল আৰু নিৰ্দ্ধাৰিত জায়গিৰ ধন বা ৰাজহ সংগ্ৰহ কৰিবলৈ চৌধাৰী, পাটোৱাৰী নিযুক্ত কৰা হ’ল। বজালী পৰগণাৰ শাসনৰ তত্ত্বাৱধানত থাকিল পানী অভয়পুৰীয়া ৰাজখোৱা নামৰ আহোম বিষয়া এগৰাকী। তেওঁ চৌধুৰীসকলৰ ৰাজহ সংগ্ৰহত নজৰ দিয়ে।

দৰাচলতে ১৬৮২ খৃঃৰপৰাহে বজালী আহোমৰ পোনপটীয়া শাসনলৈ আহে। গুৱাহাটীৰ বৰফুকনৰ অধীনত চৌধুৰী, বৰুৱা খিতাপধাৰী বিষয়াৰদ্বাৰা শাসন ব্যৱস্থা পৰিচালনা কৰা হ’ল। বজালীৰ উত্তৰখণ্ড পাণবৰীয়া চৌধুৰী আৰু দক্ষিণখণ্ড কাজীবৰুৱাৰ অধীনত আছিল। কাজীবৰুৱা জাতত কলিতা আৰু বৰ্তমানৰ ভিত্‌কা গাঁও আছিল তেওঁৰ বাসস্থান। তেওঁ খন্দা পুখুৰীটো আজিও বৰপুখুৰী নামে পৰিচিত।

গদাধৰ আৰু ৰুদ্ৰসিংহৰ দিনত বজালীত বিশেষ কিবা প্ৰজাহিতকৰ কাম হোৱাৰ নজিৰ নাই। শিৱসিংহই বহুতো ব্ৰাহ্মণক ব্ৰহ্মোত্তৰ আৰু নিষ্কৰভূমি দান কৰা তামৰ ফলি আৰু পেৰাকাকত পোৱা গৈছে। শিৱসিংহই
প্ৰজাহিতকৰ কাম পৰ্বতীয়া গোঁহাইক দান কৰা অনেক মাটি বজালীত আছে। সম্প্ৰতি চৰকাৰে নতুন ভূমিনীতি প্ৰৱৰ্তন কৰি সেইবোৰ অধিগ্ৰহণ কৰিছে। ৰাজেশ্বৰ সিংহ, প্ৰমত্ত সিংহ আৰু লক্ষ্মী সিংহয়ো বহু ব্ৰাহ্মণ, সত্ৰ, দেৱালয়ক ভূমি দান কৰি গৈছে আৰু বৰ্তমানলৈকেও বংশানুক্ৰমিক সেইবোৰ ভোগ কৰি আছিছে।

মানপলনি : স্বাধীনতাৰ বেলিমাৰ মানৰ আক্ৰমণে বজালী অঞ্চলৰ উল্লেখযোগ্যভাৱে নহ'লেও কিছু ক্ষতি নকৰাকৈ থকা নাই। আজিও বুঢ়া-বুঢ়ীৰ মুখত মানৰ অত্যাচাৰৰ কাহিনীবোৰ শুনিলে গাৰ নোম শিয়ৰি উঠে।

মানে বজালীৰ দক্ষিণখণ্ডতহে বেছিকৈ অত্যাচাৰ কৰে। মানুহৰ ধন লুটি নিয়া, সুন্দৰী তিৰোতাক বলপূৰ্বক ধৰি নিয়া, কেঁচুৱা দলিয়াই আম পাৰি খোৱা কথাবোৰ এতিয়া সাধুকথা যেনহে লাগে। ভুৰি পৰিহৰেশ্বৰ দেৱালয়ৰ সৰ্গদেও শিৱসিংহ মহাৰাজে দান কৰা তামৰ ফলিখন মানৰ আক্ৰমণতে হেৰায়। পিছত তাৰ সলনি ইংৰাজে পেৰাকাকত কৰি দিয়ে।

১৮২৬ চনত ইংৰাজ আৰু বৰ্মাৰ মাজত হোৱা ইয়াণ্ডাবু সন্ধিৰ পিছত অসম দেশ ইংৰাজৰ শাসনাধীন হৈ পৰে। সেই সূত্ৰে বজালীও ইংৰাজ শাসনৰ অন্তৰ্ভুক্ত হয়। ইংৰাজে দেশ লোৱাৰ লগে লগে ৰজাদিনীয়া শাসন নীতিবো সলনি ঘটে।

আহোম ৰাজত্ব ইংৰাজৰ অধিকাৰলৈ অহাৰ পিছতে বজালী কিছু বছৰ পৰগণা হিচাপে চলে। ১৮৩৪ চনত সমগ্ৰ অসমখন জিলাত বিভক্ত কৰা
সামৰণি হ'ল। পূৰ্বৰ পৰগণাক চাৰ্কলত পৰিণত কৰি একোখন জিলাৰ অন্তৰ্ভুক্ত কৰা হ'ল। সম্প্ৰতি বজালী চাৰ্কল কামৰূপ জিলাৰ এটি প্ৰশাসনীয় গোট।

পবিত্র স্থান

শ্ৰীহেম চন্দ্ৰ শৰ্মা

অসমৰ ধৰ্ম আৰু সংস্কৃতিৰ ক্ষেত্ৰত ইয়াৰ সত্ৰ, দেৱালয় তথা মঠ-মন্দিৰসমূহে এক বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। কামৰূপ জিলাৰ বৰপেটা মহকুমাত অৱস্থিত বজালী অঞ্চলেও এই ক্ষেত্ৰত যথাযোগ্য বৰঙণি দিব পৰাটো নিঃসন্দেহে গৌৰৱৰ কথা। এই পৱিত্ৰ স্থানসমূহে একালে যেনেকৈ বজালীৰ ধৰ্মীয় ঐতিহ্য আৰু পৰম্পৰাক ৰক্ষা কৰি আহিছে, আনহাতে ই বজালীৰ কৃষ্টি-সংস্কৃতিতো অৱদান দিব পাৰিছে।

বজালীৰ বিভিন্ন অঞ্চলত ভালেকেইখন দেৱালয় আছে। তাৰ ভিতৰত সৰিহ মৌজাৰ চন্দ্ৰশেখৰ আৰু শ্ৰীশ্ৰীপৰিহৰেশ্বৰ, চাপাগুৰি মৌজাৰ কুঁজিদেওৰ আৰু বাস্কা মৌজাৰ শ্ৰীপুৰুদেওৰ দেৱালয় উল্লেখযোগ্য।

চন্দ্ৰশেখৰ দেৱালয়ৰ বৰ্তমান একো চিন-মোকাম নাই। এই দেৱালয়খন পাটাচাৰকুছিৰ ওচৰৰ ৰৰনলীকুছি গাঁওত অৱস্থিত বুলি অনুমান কৰা যায়। শৈৱধৰ্মানুষ্ঠান বুলি পৰিচিত দেৱালয়খনৰ বৈশিষ্ট্য, বিগ্ৰহৰ বিশেষত্ব আদিৰ বিষয়ে বৰ্তমান একো জনা নাযায়। প্ৰায় একশ পঁচিশ বছৰমান আগতে বাৰঙা গাঁওত (বৰ বাতাবাৰী) খাল এটি খান্দোতে হেনো প্ৰায় তিনি ফুটমান তলত এটি শিৱলিংগ পোৱা যায়। শিৱলিংগটো পাঁচ ফুটমান ওখ। শিৱলিংগটোৰ সন্মুখৰ ফালে তিনি ফুটমান তলত এটি নাৰীমূৰ্তি আছে। নাৰীমূৰ্তিটো প্ৰায় এক ফুটমান ওখ।

চন্দ্ৰশেখৰ দেৱালয়

ইয়াৰপৰা অনুমান কৰা হৈছে যে এসময়ত তাত এখন শৈৱদেৱালয় আছিল। কিন্তু কোনে, কেতিয়া এই দেৱালয় স্থাপন কৰিছিল তাক সঠিককৈ জনা নাযায়। বহুতে অনুমান কৰে যে, স্বৰ্গদেৱ শিৱসিংহই শ্ৰীশ্ৰীপৰিহৰেশ্বৰ দেৱালয় স্থাপন কৰে। বৰৰজা ৰাণী ফুলেশ্বৰীয়ে হেনো চন্দ্ৰশেখৰ দেৱালয় স্থাপন কৰে।

উত্তৰ বজালী মৌজাৰ ৰতনপুৰ গাঁওত ৩০ চলি বন্দোবস্তিৰ আগলৈকে ৫৭ বিঘা ২ কঠা দেৱোত্তৰ মাটি চন্দ্ৰশেখৰ দেৱালয়ৰ নামে পাট্টা চলি আছিল। ইয়াৰপৰা এইটো সহজে অনুমান কৰিব পাৰি যে 'চন্দ্ৰশেখৰ' নামৰ দেৱালয় এখন এসময়ত বজালীত আছিল আৰু মাটি বৃত্তি দান কৰালৈ চাই আহোমসকলৰ কোনোবা ৰজাই এই দেৱালয় স্থাপন কৰি ইয়াৰ পৃষ্ঠপোষকতা কৰে। এই শিৱলিংগটো পোৱা ঠাইৰ ওচৰতে প্ৰায় তিনিকুৰি পোন্ধৰ বছৰমান আগতে কালদিয়া নদীত এটা বুদ্ধমূৰ্তিও হেনো পোৱা যায়। ই বিশেষ তাৎপৰ্যপূৰ্ণ।

পৰিহৰেশ্বৰ দেৱালয় বজালী তথা গোটেই অসমতে সৰ্বজনবিদিত এক শৈৱধৰ্মানুষ্ঠান। ই পাঠশালা টাউনৰপৰা প্ৰায় আঢ়ৈ কিলোমিটাৰ দক্ষিণে ডুবি গাঁওত অৱস্থিত। এই দেৱালয়ৰ বিগ্ৰহটি শিৱলিংগ আৰু ই এটি গহ্বৰৰ মাজত থকা এচটা শিলৰ ওপৰত প্ৰতিষ্ঠিত। ইয়াৰ তলত গৌৰীপীঠ। শিৱলিংগ আৰু গৌৰীপীঠৰ উপৰিও ইয়াত বিষ্ণু, ৰাধা-কৃষ্ণ, গোপাল আৰু দুৰ্গামূৰ্তিত পূজা হয়।

শ্ৰীশ্ৰীপৰিহৰেশ্বৰ দেৱালয়

ইয়াৰ উপৰিও গোটেই বছৰতে ইয়াত বঙালী বিহু, জন্মাষ্টমী, দুৰ্গাপূজা, লক্ষ্মীপূজা, মাঘবিহু, শিৱৰাত্ৰি, দোল আদি উৎসৱ-পৰ্ব হৈ থাকে।

এই দেৱালয়খন স্বৰ্গদেৱ শিৱসিংহই প্ৰতিষ্ঠা কৰি মাটি-বৃত্তি দান কৰে। এওঁৰ দিনতে ডুবি পৰিহৰেশ্বৰ দেৱালয়ত দেৱদাসী নৃত্যৰ প্ৰচলন হয়।

কুঁজিদেওৰ দেৱালয় আলাহবাটৰপৰা তিনি কিলোমিটাৰমান উত্তৰে কুঁজিদেওৰ গাঁওত অৱস্থিত। এইখন ভুটীয়াৰজাৰ আমোলৰ আগৰ কৃষ্ণ-মূৰ্তিৰ দেৱালয় বুলি বহুতে অনুমান কৰে। আন কিছুমানৰ মতে ভুটীয়া-ৰজাইহে এই দেৱালয় স্থাপন কৰে। ইয়াত এটি সোণৰ দেৱীমূৰ্তিও আছে। ভুটীয়াসকলে দিয়া এই সোণৰ দেৱীমূৰ্তিটো চেনা উজীৰ নামৰ মৌজাদাৰে ইয়াত প্ৰতিষ্ঠা কৰা বুলি জনা যায়। ভূ-সম্পত্তি দানৰ অৱশ্যে কোনো প্ৰমাণ পোৱা নাই। এশ হাতমান দীঘল ঘৰ এটাৰে এই দেৱালয়খন।

কুঁজিদেওৰ দেৱালয়

এই দেৱালয়খন পিছত কেনেকৈ শাক্ত হৈ পৰিল সেইটো জনা নাযায়। বৰ্তমান ইয়াত দুৰ্গাপূজা আৰু কালীপূজা সমাৰোহেৰে হয়। পূজাত বলি দিয়াৰ প্ৰথাও আছে। আগেয়ে ইয়াত নৰ-বলি হোৱা বুলিও শুনা যায়।

পিছলৈ অৱশ্যে ম'হ, ছাগলী আদিহে বলি দিয়া হয়। এই প্ৰথা বৰ্তমানো প্ৰচলিত।

শ্ৰীপুৰদেওৰ দেৱালয়

শ্ৰীপুৰদেওৰ দেৱালয় জালাহবাটৰপৰা প্ৰায় দহ কিলোমিটাৰ উত্তৰ-পূবে অৱস্থিত। ই শাক্ত ধৰ্মানুষ্ঠান। আগেয়ে ইয়াত কেনে ধৰণৰ পূজা-পাতল হৈছিল, সেই বিষয়ে সবিশেষ জনা নাযায়। বৰ্তমান অৱশ্যে ইয়াত কালীপূজাৰ প্ৰচলন আছে। এই দেৱালয়তো বলি দিয়া নিয়ম আছে।

ফিঙুৰাৰ বাথৌ মন্দিৰ

ফিঙুৰাগড়ৰ ওচৰত (ককলাবাৰী মৌজাত) কছাৰীসকলৰ 'বাথৌ' পূজাৰ মন্দিৰ আছে। বৰ্তমান এই অঞ্চলত বসবাস কৰি থকা কছাৰীসকলে 'বাথৌ' পূজাৰ উপৰিও বছৰত এবাৰকৈ সৰ্পপূজা পাতে। তেওঁলোকে দীপাৱিতাৰ সময়ত বাথৌ মন্দিৰতে কালীপূজাৰো আয়োজন কৰে। সেই পূজাত ছাগলী, হাঁহ, পাৰ আদি বলি দিয়া হয়। জনশ্ৰুতিমতে ফিঙুৰাৰজাই 'বাথৌ' মন্দিৰতে বজা আৰিমত্তৰ পত্নী বন্দিনী বঙ্গমালাক ঘটকৰ হতুৱাই বলি দিয়ায়। তেওঁৰ ৰাজত্বকালত বজালীত বাথৌ আৰু কালীপূজা পূৰ্ণোদ্যমে প্ৰচলিত আছিল বুলিও জনা যায়।

বজালীৰ বিভিন্ন স্থানত স্থাপিত সত্ৰ আৰু নামঘৰসমূহে এই অঞ্চলৰ ধৰ্মীয় আৰু সাংস্কৃতিক পৰম্পৰা ৰক্ষা কৰি আহিছে। সত্ৰসমূহৰ ভিতৰত তলত উল্লেখ কৰা কেইখন বিশেষভাৱে লেখত লবলগীয়া।

অকয়া সত্ৰ

বজালীৰ মাণিকপুৰ মৌজাত অৱস্থিত অকয়া সত্ৰ বৰ্তমান এখন মহাপুৰুষীয়া সত্ৰ। মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱৰ আগতে অকয়া বামাচাৰ মাৰ্গৰ থান আছিল। তাৰ পিছত আউনী-আটিৰ সত্ৰাধিকাৰে উজনীৰপৰা আহি দামোদৰী আৰ্হিত ইয়াত সত্ৰ এখন স্থাপন কৰে আৰু ইয়াৰ পিছত ১৬২০ শকত ই হৰিদেৱী সত্ৰৰূপে প্ৰতিষ্ঠিত হয়। পুনঃ পৰিচালনাৰ খেলিমেলিৰ বাবে পিছত মহাপুৰুষীয়া সত্ৰত পৰিণত হয়। অকয়া সত্ৰত থকা এখন পোৰা কাকতত পোৱা মতে মহাৰাজ শিৱসিংহই ১৬৬০ শকত ৭৫০ বিঘা মাটি অকয়া সত্ৰক দান কৰাৰ কথাও পোৱা যায়। বৰ্তমাৰ এই সত্ৰৰ কাম কাজবোৰো ভালদৰে চলি আছে।

আনন্দপুৰ সত্ৰ

আনন্দপুৰ সত্ৰ পুব-বজালী মৌজাৰ মৰিপুৰ-আনন্দপুৰ গাঁওত অৱস্থিত। ই এখন চৈতন্যপন্থী সত্ৰ বুলি কোৱা হৈছে। নিত্যানন্দৰ বংশধৰ বাসুদেৱৰপৰা কামৰূপত বহা বংশক

স্তৱনার্থে এই সত্ৰ স্থাপন কৰা বুলি জনা যায়। এই সত্ৰৰ নামত লিপি-খেৰাজ মাটিও আছে।

উত্তৰ বজালী মৌজাৰ ৰতনপুৰ গাঁৱৰ কালজিৰাপাৰা সত্ৰখন শ্ৰীশ্ৰীগোপাল দেৱৰ এখন প্ৰধান সত্ৰ। ভৱানীপুৰীয়া শ্ৰীশ্ৰীগোপালদেৱ স্থাপিত কালজাৰ সত্ৰৰ অধিকাৰ ৺শ্ৰীৰামদেৱৰ মিশ্ৰৰ নাতি ৺নৰনাথ মিশ্ৰ অধিকাৰীয়ে আত্ম-কন্দল লগাত প্ৰায় ছয়পুৰুষ আগতে তিনিকুৰি ভকত লগত লৈ আহি ৰতনপুৰ গাঁওৰ পূব-অঞ্চলত বাস কৰে আৰু তেৱেঁই কালজিৰা-পাৰা সত্ৰ স্থাপন কৰে। কালজাৰৰপৰা অহাৰ কাৰণে এই সত্ৰৰ নাম কালজিৰাপাৰা সত্ৰ বথা হয়। ৺নৰনাথ মিশ্ৰ অধিকাৰীৰ বংশধৰসকলে আজিও কালজিৰাপাৰা সত্ৰৰ অধিকাৰ হৈ সত্ৰৰ কাম-কাজবোৰ চলাই আছে। এই সত্ৰত বৰ্ত্তমান দৌল, অষ্টমী আদি পৰ্ব পালন কৰা হয়।

কালজিৰাপাৰা সত্ৰ

পূৱবজালী মৌজাৰ গোবিন্দপুৰ গাঁওত থকা গোবিন্দপুৰ সত্ৰ শ্ৰীশ্ৰীদামোদৰ-দেৱৰ এখন প্ৰধান সত্ৰ। এই গোবিন্দপুৰ সত্ৰখন শ্ৰীশ্ৰীদামোদৰদেৱৰ প্ৰিয় শিষ্য ভগৱানদেৱে স্থাপন কৰে। ভগৱানদেৱে বাস্কামৌজাৰ শ্ৰীপুৰ গাঁওত আৰু ভট্টদেৱে গোবিন্দপুৰৰ ওচৰৰ বিছানকুছি গাঁওত জন্মগ্ৰহণ কৰে। যি সময়ত দামোদৰদেৱ আদি মহাপুৰুষসকলে পাটবাউসী অঞ্চলত ধৰ্ম প্ৰচাৰ কৰিছিল, সেই সময়ত ভট্টদেৱ আৰু ভগৱানদেৱে পাটবাউসীলৈ গৈ মহাপুৰুষ দামোদৰদেৱৰ ওচৰত শৰণ লৈছিল। দামোদৰদেৱে ভগৱানদেৱক উত্তৰ অঞ্চলত ধৰ্মপ্ৰচাৰ কৰিবলৈ আদেশ দিয়ে। গুৰুৰ আদেশমতে ১৪৭০ শকত তেওঁ গোবিন্দপুৰত সত্ৰ স্থাপন কৰি ধৰ্মপ্ৰচাৰ কৰিবলৈ লয়।

গোবিন্দপুৰ সত্ৰ

আহোম ৰাজত্বৰ সময়ত স্বৰ্গদেৱ ৰুদ্ৰসিংহ আৰু শিৱসিংহই এই সত্ৰখন সুচাৰুৰূপে চলাবলৈ বহুতো মাটি-বৃত্তি দান কৰে। এই মাটিৰ পৰিমাণ আছিল ৩৭৭ পুৰা। ইয়াৰোপৰি নকুছি সত্ৰত লক্ষ্মীসিংহই, ধৰ্ম্মপুৰত শিৱসিংহই, আনন্দপুৰত লক্ষ্মীসিংহই আৰু নিমীযাত ভোটৰ ৰজাই এই সত্ৰৰ নামত মাটি দান কৰে। ৰজাসকলে সত্ৰক মাটি-বাৰী দান কৰা ফলি, মোহৰ, পেৰাকাকত আদি সত্ৰাধিকাৰসকলৰ হাতত বৰ্ত্তমানো আছে বুলি জনা যায়।

গোবিন্দপুৰ সত্ৰৰ কেইখনমান শাখাসত্ৰও আছে। আমবাৰী, আনন্দপুৰ, কচুবা, গাড়ীসত্ৰ, দেলৈগুৰি, ধৰ্মপুৰ, নকুছি, নিমীৰা, মহিৰা, পনিয়া,

মটৰখুৰি, সোনাকুচি আদি। এই আটাইবোৰৰ মাজত দান কৰা মাটিৰ পৰিমাণ প্ৰায় ৩০০০ পুৰা।

গোবিন্দপুৰ সত্ৰৰ বিগ্ৰহ শ্যামৰায়। এইটো শিলৰ মূৰ্ত্তি।

সত্ৰত তিনি প্ৰসঙ্গ নাম হয়—তিৰোতা আৰু পুৰুষ উভয়ে। বিগ্ৰহক পূজা-পাতলো হয়। আগেয়ে ভোগ দিয়া নিয়ম আছিল, বৰ্ত্তমান নাই। সত্ৰত দৌল, অষ্টমী, পচতি আদি সকলোবোৰ কৃষ্ণলীলা কৃত হৈছিল। বিহুৰ সময়ত ইয়াত মালযুঁজও হৈছিল।

১৮৯৭ চনত বৰ ভুঁইকপত থেৰৰ মূল কীৰ্ত্তন ঘৰটো ভাঙি পৰাত তাৰ ঠাইত নতুন 'নামঘৰ' সজা হয় যদিও সেইটোও প্ৰাকৃতিক দুৰ্যোগত ধ্বংস হয়। বৰ্ত্তমান তাত এটা নতুনকৈ ঘৰ সজা হৈছে। নামঘৰ পুনৰ নিৰ্ম্মাণৰো প্ৰস্তুতি চলোৱা হৈছে।

পাটাসত্ৰ পুবৰঙ্গালী মৌজাৰ পাটাছাৰকুছিত অৱস্থিত। ই এখন হৰিদেৱী সত্ৰ। স্বৰ্গদেৱ শিৱসিংহৰ দিনত আগ্ৰাৰ শাখাসত্ৰ হিচাপে এই সত্ৰখন

পাটাসত্ৰ

পাটাছাৰকুছিত স্থাপন কৰা হয়। সত্ৰখন প্ৰথমতে কালদিয়া নদীৰ পশ্চিমপাৰে, এতিয়া যি ঠাইত বঙলা আৰু থানা আছে, সেই ঠাইতে আছিল। পিছত কালদিয়া নদীৰ কাৰণে বিপদাপন্ন হোৱাত, সত্ৰখন নি নদীৰ পূবপাৰে স্থাপন কৰা হয়। বৰ্ত্তমানো সত্ৰখন কালদিয়া নদীৰ গৰাখহনীয়াৰ কবলত পৰিছে। এই সত্ৰৰ বিগ্ৰহ শ্ৰীশ্ৰীবাসুদেৱ।

উত্তৰ বঙ্গালী মৌজাৰ বৰবামাখাটা গাঁওত বামাখাটা সত্ৰ অৱস্থিত। মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱে ধৰপেটাৰ ওচৰত সুন্দৰীদিয়া সত্ৰ স্থাপন কৰাৰ

বামাখাটা সত্ৰ

সময়ত বামাখাটা গাঁওৰ ভকতে তেওঁৰ ওচৰলৈ গৈ শৰণ লয় আৰু বামাখাটাতো সত্ৰ এখন স্থাপন কৰিবলৈ অনুৰোধ জনায়। কিন্তু মহাপুৰুষজনাই হেনো নিজে নাহি এগছ বত্তি ভকতসকলৰ হাতত দি পঠায়। ভকতসকলে এই বত্তিগছ স্থাপন কৰি বামাখাটাত মহাকবীয়া সত্ৰ স্থাপন কৰে।

ভালুকী সত্ৰখন বঙ্গালীৰ সৰিহ মৌজাৰ বৰভালুকী গাঁওত অৱস্থিত।

ভালুকী সত্ৰ

প্ৰায় চাৰিকুৰি বছৰৰ আগতে এটি মঠ সাজি এই সত্ৰ স্থাপন কৰা হয়। ইয়াত দৌল উৎসৱ পালন কৰা হয়। ই এখন দামোদৰী সত্ৰ।

সৰিহ মৌজাৰ সিদ্ধপুৰ (জালিবাটা) গাঁওত সিদ্ধপুৰ সত্ৰ অৱস্থিত। মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱৰ প্ৰধান শিষ্য ৺জগন্নাথদেৱে কামৰূপৰ বলিয়াকুছিত সত্ৰ স্থাপন কৰে। তাৰ পিছত ধৰ্মপ্ৰচাৰৰ বিস্তৃত আঁচনি গ্ৰহণ কৰাৰ লগে লগে আন আন ঠাইতো সত্ৰ স্থাপনৰ প্ৰয়োজন হোৱাত ৺জগন্নাথদেৱৰ পুত্ৰ ৺জয়ৰামদেৱক উত্তৰ কামৰূপৰ সিদ্ধপুৰ গাঁওত সত্ৰ স্থাপন কৰিবলৈ পঠায়। জনশ্ৰুতিমতে তেওঁ সত্ৰখন স্থাপন কৰি বিভিন্ন ঠাইত ধৰ্মপ্ৰচাৰ কৰিবলৈ লয়। শ্ৰীশ্ৰীহৰিদেৱৰ মহাপ্ৰভুৰ ধৰ্মমতৰ ওপৰত গভীৰ শ্ৰদ্ধা পোষণ কৰি ভগৱানৰ আৰাধনাত তেওঁ সিদ্ধিলাভ কৰে বাবেই এই সত্ৰ সিদ্ধপুৰ সত্ৰ নামে অভিহিত।

সিদ্ধপুৰ সত্ৰ

শিৱসিংহ স্বৰ্গদেৱৰ দিনত এই সত্ৰৰ পৰিচালনাৰ কাৰণে নিষ্পিখেৰাজ ভূমি দান পোৱা হয়। সত্ৰত স্থাপিত বিগ্ৰহটো ভগৱানৰ পূৰ্ণ অৱতাৰ শ্ৰীকৃষ্ণৰ কৃষ্ণবৰ্ণ প্ৰস্তৰ মূৰ্তি। দুইকাষে ৰাধা-ৰুক্মিণী বিৰাজমান।

হৰিপুৰ সত্ৰ পূব-বজালী মৌজাৰ হৰিপুৰ (বৰভালা) গাঁওত অৱস্থিত। সত্ৰখন স্থাপন কৰে মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱৰ প্ৰিয়শিষ্য জগন্নাথদেৱে। মহাপুৰুষ হৰিদেৱৰ নামানুসৰি সত্ৰৰ নাম ৰখা হয় হৰিপুৰ সত্ৰ। সত্ৰৰ বিগ্ৰহ শ্ৰীশ্ৰীবাসুদেৱ। ইয়াত 'হৰিদেৱী' আৰু 'দামোদৰী' দুই পন্থৰ লোকেই নৱবিধ ভক্তিৰে শ্ৰীশ্ৰীবাসুদেৱ বিগ্ৰহৰ সেৱা, গুৰুৰ তিথি, জন্মাষ্টমী, দৌল আদি উৎসৱ পালন কৰে। সত্ৰৰ সত্ৰাধিকাৰ ৺সূৰ্যকান্তদেৱ গোস্বামীয়ে মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱৰ স্মৃতি ৰক্ষাৰ্থে বিশেষ চেষ্টা কৰে। তেওঁৰ উদ্গনিতে সৰ্থেবাৰীত এখন হৰিদেৱ ধাম স্থাপন হয়। তেওঁ ৰনগঞাগিৰি ৰচিত 'মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱ' নামৰ চৰিত পুথি সম্পাদন কৰি উলিয়ায় আৰু বহুৰি ৰাইজৰদ্বাৰা প্ৰকাশ কৰে।

হৰিপুৰ সত্ৰ

এই সত্ৰবোৰৰ উপৰিও বজালীত কুৰোবাহা, কাৰহানা, বেজকুছি আদি বহুতো সত্ৰ আৰু শাখাসত্ৰ আছে। সত্ৰবোৰৰ উপৰিও বজালীৰ প্ৰায় প্ৰত্যেক গাঁওতে 'নামঘৰ' বা 'কীৰ্তনঘৰ' আছে। এই নামঘৰবোৰত গঞাবাইজে মহাপুৰুষসকলৰ তিথি, উৎসৱ, পৰ্ব আদি পালন কৰে।

বজালী অঞ্চলত বহুতো থান আছে। সেইবোৰৰ ভিতৰত তলত দিয়া কেইখনৰ নাম বিশেষভাৱে উল্লেখযোগ্য।

গৰখীয়া গোসাঁইৰ থান—সৰিহ হাউলীৰ (নিজসৰিহ) গৰখীয়া গোসাঁইৰ থানত থকা মূৰ্তিটো বুদ্ধমূৰ্তি বুলি অনুমান কৰা হয়। এই মূৰ্তিটো বহুবছৰ

পূৰ্বে কালদিয়া নদীত পোৱা হয়। সময়ত মূৰ্তিটো এভাল আঁহত গছৰ তিনিটা ভালৰ ঠেঁপেনাত থাকি 'গৰখীয়া গোসাঁই' নাম দিয়ে আৰু তেতিয়াৰপৰা ই 'গৰখীয়া গোসাঁইৰ থান' হিচাবে বৰ্তমানো চলি আছে। বৰ্তমান আঁহত গছৰ সেই থেপেনাটোৱে মূৰ্তিটো চাৰিওকালে আগুৰি ধৰিছে। মূৰ্তিটো প্ৰায় অদৃশ্যমান অৱস্থাত আছে। গৰু-ম্ৰাসুৰি হেৰালে বা বেমাৰ আদি হ'লে এই গৰখীয়া গোসাঁইৰ থানত প্ৰসাদ আৰু ভোগ দিলে পৰম উপকৃত হোৱা বুলি জনবিশ্বাস আছে।

ভূতেপোৱাৰ (আঙুলিয়া) নৰসিংহ থানৰ মূৰ্তিটো 'নৰসিংহ' মূৰ্তি। এই থানখন ভূটীয়াসকলে পতা বুলি অনুমান কৰা হৈছে। আগৰপৰাই ইয়াত শিৱপূজা, কালীপূজা আদিৰ প্ৰচলন আছে। তদুপৰি ইয়াত দৌল আদিও হয়।

কক্লাবাৰীৰ বাসুদেৱৰ থানৰ মূৰ্তিটো দুই ভুজযুক্ত কৃষ্ণমূৰ্তি। কিছুবছৰ পূৰ্বে মূৰ্তিটো কোনোবাই চুৰ কৰি নিছে। মূৰ্তিটো পিতলৰ আৰু তাত ভূটীয়ালিপিত আখৰ খোদিত আছিল বুলি প্ৰকাশ। দৌল উৎসৱ বৰ্তমান মূৰ্তি থকা ঠাইত পালন কৰা হয়।

বুঢ়া গোসাঁইৰ থান—জালাহৰ বুঢ়া গোসাঁইৰ থানৰ মূৰ্তিটো পিতলৰ চতুৰ্ভুজ বিষ্ণুমূৰ্তি। ইয়াতো ভূটীয়ালিপিত খোদিত আখৰ থকা দেখা যায়। এই থানত শিৱপূজা, কালীপূজা, দৌল আদি হয়।

উলুবাৰ ভোগেশ্বৰ গোসাঁইৰ থান বজালী তথা অসমৰ এখন বিখ্যাত থান। থানখন উলুবা গাঁৱত কালদিয়া নদীৰ পশ্চিমপাৰত অৱস্থিত। ই কেতিয়া, কেনেকৈ স্থাপিত হৈছে তাৰ কোনো বুৰঞ্জীমূলক প্ৰমাণ পোৱা নাযায়। যথোন লোক প্ৰবাদমতে—পবিহৰেশ্বৰ দেৱালয়ৰ নিচিনা এটি জনশ্ৰুতি প্ৰচলিত। থানত এটি 'মন্দিৰ' আৰু এটি 'নামঘৰ' আছে। বৰ্তমান বাইজৰ দান-বৰঙণিৰে এই মন্দিৰ আৰু নামঘৰ নকৈ সজা হৈছে। থানৰ বিষয়ে এটি জনবিশ্বাস আছে যে—কোনো সন্তান-হীনা তিৰোতাই সন্তান পাবলৈ আৰু কোনো অবিবাহিতা গাভৰুৱে ভাল দৰা পাবলৈ, প্ৰসাদ-ভোগ আদি দি 'বৰ' মাগিলে ভোগেশ্বৰ গোসাঁই প্ৰভুৱে তেওঁলোকৰ মনৰ কামনা পূৰ্ণ কৰে। প্ৰতি বছৰে গোটেই মাঘৰ মাহতে, বিশেষকৈ মাঘবিহুৰ কেইদিন এই থানলৈ দূৰ-দূৰণিৰপৰা অহা অসংখ্য যাত্ৰীৰ সমাবেশ বিশেষভাৱে মন কৰিবলগীয়া। তদুপৰি প্ৰচলিত

ভোগেশ্বৰ গোসাঁইৰ থান

প্ৰবাদমতে কোনো দেউৰীয়ে গোসাঁই প্ৰভুক দিয়া বস্তু হৰণ-ভগন কৰিলে বা বিলাই দিয়াত আপোন-পৰ কৰিলে দেউৰীৰ বংশ লোপ হয়।

শিৱ-ভাঙুৰাৰ থান

আলিথাটাৰ শিৱ-ভাঙুৰাৰ থানখন কালদিয়া নদীৰ পাৰত অৱস্থিত। থানৰ প্ৰাকৃতিক দৃশ্য অতি মনোৰম। ইয়াত ডুডাল প্ৰকাণ্ড থোপগছ আছে। ডাঙৰ জোপা থোপগছৰ তলতে শিৱ-মন্দিৰটো। থানৰ মাহাত্ম্যৰ গুণত বহুবি ঠগী-ঠুগা দিয়া হয়। তাৰোপৰি শিৱৰাত্ৰিৰ দিনা আৰু বঙালী বিহুৰ 'সাতবিহু'ৰ দিনা এই থানত ডাঙৰ উৎসৱ হয়।

উক্ত কেইথনৰ উপৰিও পাঠশালা, পাটাছাৰকুছি, ৰবলা আৰু বাৰঙ্গাত শিৱৰ থান; টঙাৰকুৰত গোপাল-গোসাঁইৰ থান; কাৰহানাত বিষ্ণুৰ থান; আৰু লাউথাটা আৰু গোপালগাঁওত ভূটীয়াসকলৰ থান আছে। এই থান-বোৰতো 'শিৱৰাত্ৰি' আদি উৎসৱ পালন কৰা হয়।

এই অঞ্চলৰ মুছলমান বসতিপূৰ্ণ স্থানসমূহত মছজিদ আছে। উত্তৰ অঞ্চলত একাধিক গীৰ্জাও নিৰ্মিত হৈছে। পাঠশালা, পাটাছাৰকুছি, ফিঙুৱা আদিত দুৰ্গাপূজাৰ মন্দিৰো বৰ্তমান। বৌদ্ধ মঠ লক্ষ্য কৰা নাযায়। সৎসঙ্গী মঠ আদিও প্ৰতিষ্ঠিত হব ধৰিছে। ভালেমান মঠ, সত্ৰ, থান অযত্নত মৰহি যাব ধৰিছে। বজালীত থকা সত্ৰ, মঠ, মন্দিৰ, থান, দৌল আদিৰ সংৰক্ষণ আৰু ইয়াৰ পূৰ্ণাঙ্গ ইতিবৃত্ত প্ৰণয়ন কৰাটো নিতান্তই প্ৰয়োজন বুলি আমি ভাবোঁ।

স্থানীয় উপ-ভাষাৰ বৈশিষ্ট্য

শ্ৰীভূপেন্দ্ৰ নাথ শৰ্মা

ভাষাৰ আঞ্চলিক ৰূপবিলাকক উপভাষা বোলে। কোনো এক নিৰ্দিষ্ট ভৌগোলিক পৰিবেশৰ বিস্তৃতি যদি বেছি হয়, তেনেহলে সেই ঠাইৰ জনসমষ্টিৰ মাজত যোগাযোগৰ অভাৱৰ হেতু সেই ঠাইত প্ৰচলিত একেটা ভাষাৰ মাজতে কিছুমান আঞ্চলিক ৰূপ দেখা যায়। একোটা ভৌগোলিক পৰিবেশৰ ভিতৰুৱা ঠাইৰ মাজত প্ৰাকৃতিক, সামাজিক আৰু ৰাজনৈতিক কাৰণৰ বাবে যোগাযোগৰ অভাৱ হ'ব পাৰে। তেনেকৈ গঢ়ি উঠা ভাষাৰ আঞ্চলিক ৰূপৰ মাজত সাধাৰণতে ধ্বনিতাত্বিক, ৰূপতাত্বিক আৰু শব্দগত পাৰ্থক্য পৰিলক্ষিত হয়। উদাহৰণ স্বৰূপে অসমীয়া ভাষাৰ প্ৰধানকৈ তিনিটা আঞ্চলিক ৰূপ বা উপভাষা আছে— যেনে উজনি অসমৰ উপভাষা (বৰ্তমানৰ অসমীয়া মাতৃ ভাষা), কামৰূপ অঞ্চলৰ উপভাষা (মধ্য যুগৰ অসমীয়া সাহিত্যৰ ভাষা) আৰু পশ্চিম অঞ্চল অৰ্থাৎ গোৱালপাৰাৰ উপভাষা।

উপভাষাৰ ভিতৰতে আকৌ স্থানীয় উপভাষাৰো সৃষ্টি হ'ব পাৰে। উপভাষা সৃষ্টিত যিবিলাক পৰিস্থিতিয়ে সহায় কৰে স্থানীয় উপভাষা সৃষ্টিতো সেইবোৰেই প্ৰভাৱ পেলায় বুলি ভাষাতত্ববিদসকলে অভিমত দিয়ে। ভাষাতত্ববিদ Bloomfield-এ কৈছে যে এটা নতুন ভাষাৰ মাজত যিমান আঞ্চলিক ৰূপ বা স্থানীয় উপভাষা দেখা যায় শ শ বছৰ পুৰণি ভাষা এটাৰ মাজত উপভাষা আৰু স্থানীয় উপভাষা বেছিকৈ পৰিলক্ষিত হয়। উপভাষাবিলাকৰ মাজত যেনেকৈ ধ্বনিগত, ৰূপগত আৰু শব্দগত পাৰ্থক্য দেখা যায়, তেনেকৈ একোটা উপভাষাৰ মাজত থকা স্থানীয় ভাষা বিলাকৰ মাজতো সেই তিনি শ্ৰেণীৰ পাৰ্থক্য থাকে। কামৰূপী ভাষাৰ ভাষাতত্ববিদ পণ্ডিত ড° উপেন্দ্ৰ নাথ গোস্বামীয়ে কামৰূপী উপ-ভাষাৰ তিনিটা স্থানীয় উপ-ভাষাৰ বিষয়ে আলোচনা কৰিছে। কামৰূপী উপ-ভাষাৰ স্থানীয় উপভাষা কেইটা হ'ল—(ক) পশ্চিম

অঞ্চলৰ উপভাষা (বৰপেটা, বজালী আদি অঞ্চলৰ কথিত ভাষা), (খ) মধ্য অঞ্চলৰ উপভাষা (নলবাৰী আৰু তাৰ ওচৰ-পাজৰৰ ঠাইৰ কথিত ভাষা) আৰু (গ) ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ উপ ভাষা (ছয়গাঁও, বকো আদিৰ কথিত ভাষা)।

অসমীয়া ভাষাৰ উপ-ভাষাৰ বিষয়ে আজিও গভীৰ অধ্যয়ন বা গৱেষণা হোৱা নাই। অসমৰ ইমুৰৰপৰা সিমুৰলৈ অসমীয়া ভাষাৰ গভীৰ অধ্যয়ন হ'লে ইয়াৰ প্ৰতিটো উপভাষাৰ মাজত থকা স্থানীয় উপভাষাবিলাকৰ বৈশিষ্ট্য-সমূহ উদ্ধাৰ হ'ব। এই স্থকীয়া বৈশিষ্ট্যসমূহ বিচাৰি উলিয়াব পৰিলে ভাষাৰ ভিত্তিত অসমৰ মানচিত্ৰ অঙ্কন কৰিব পৰা যাব। এই মানচিত্ৰত উপভাষা-বিলাকৰ মাজত যি ধ্বনিগত পাৰ্থক্য দেখা যাব তাক ধ্বনি ৰেখাৰদ্বাৰা, শব্দৰ গঠন প্ৰণালীৰ ক্ষেত্ৰত যি পাৰ্থক্য থাকিব তাক ৰূপ ৰেখাৰদ্বাৰা আৰু শব্দমালাৰ মাজত যি পাৰ্থক্য দেখা যাব তাক শব্দ ৰেখাৰদ্বাৰা বুজাব পাৰি। উপভাষা-বিলাক ভালদৰে পৰ্যালোচনা কৰি চালে দেখা যাব যে অসমৰ প্ৰায় আঠ-দহ মাইল অন্তৰে অন্তৰে কথিত ভাষাৰ মাজত পাৰ্থক্য আছে। অসমীয়া ভাষা এটি পূবণি ভাষা। প্ৰায় দশম-একাদশ শতিকা মানৰপৰা অসমীয়া ভাষা ব্ৰহ্মপুত্ৰ উপত্যকাত চলি আহিছে। অসমৰ এই বিস্তৃত ব্ৰহ্মপুত্ৰ উপত্যকাত বসবাস কৰি থকা জনসমষ্টিৰ মাজত যোগাযোগৰ ক্ষেত্ৰত বহুত বাধা আছিল। সেইহেতু অসমীয়া ভাষাৰ উপ-ভাষাবিলাক সৃষ্টি হৈছে। উপভাষা-বিলাকৰ ভিতৰতে আকৌ স্থানীয় ভাষা বৰ বেছি পৰিমাণে সৃষ্টি হোৱাৰ কাৰণ, অসমীয়া মানুহৰ নিজৰ ঘৰৰ ভিতৰতে বা নিজৰ গাঁওৰ ভিতৰতে আৱদ্ধ থকা স্বভাৱ বুলি অনুমান কৰিব পাৰি। অৱশ্যে আগৰ দিনতকৈ আজিকালি অসমীয়া মানুহে এঠাইৰপৰা আনঠাইলৈ বেছিকৈ অহা-যোৱা কৰে আৰু সেই হেতু আগতে অসমীয়া মানুহৰ কথিত ভাষাত স্থানীয় খণ্ডতা যিমান পৰিলক্ষিত হৈছিল বৰ্তমান কিন্তু সি অখণ্ড ৰূপ লব ধৰা দেখা যায়। পিছপৰা গাঁওৰ মানুহ আৰু তিৰোতা মানুহে ভাষা বেছিকৈ সংৰক্ষণ কৰে। কাৰণ তেওঁলোকৰ আন ঠাইৰ লগত সংযোগ কম হয়। সেইবাবে অসমৰ স্থানীয় উপভাষাবিলাকৰ বিষয়ে জানিবলৈ হ'লে ভিতৰুৱা গ্ৰাম্যাঞ্চলৰ লোক আৰু তিৰোতাৰ ভাষাৰপৰা উচ্চাৰণ পদ্ধতি, শব্দৰ গঠন প্ৰণালী আৰু শব্দমালা সংগ্ৰহ কৰি অধ্যয়ন কৰিব লাগিব।

আমাৰ এই প্ৰবন্ধত কামৰূপী উপভাষাৰ স্থানীয় উপভাষা—বজালী অঞ্চলৰ কথিত ভাষাৰ এটি থূলমূল আভাস বা আংশিক আলোচনা দাঙি

ধৰিবলৈ চেষ্টা কৰা হৈছে। ইয়াত এই আংশিক আলোচনাৰ জৰিয়তে দেখুৱাব খোজা হৈছে যে এই স্থানীয় উপভাষাবিলাকৰ গভীৰ অধ্যয়নৰপৰা অসমীয়া ভাষাৰ স্বকীয়া স্বকীয়া বৈশিষ্ট্যসমূহ ওলাই পৰিব আৰু অসমীয়া ভাষাৰ শব্দভাণ্ডাৰো বৃদ্ধি পাব আৰু ভাষাৰ ক্ৰমবিকাশৰ পথো মুকলি হ'ব।

ড° উপেন্দ্ৰনাথ গোস্বামীয়ে মধ্য কামৰূপৰ উপভাষাৰ লগত পশ্চিম কামৰূপৰ উপভাষাৰ বিবোৰ পাৰ্থক্য দৰ্শাইছে সেইবোৰ কিছুমান আমাৰ বজালী অঞ্চলৰ উপভাষাতো প্ৰযোজ্য বুলি কব পাৰি। উদাহৰণস্বৰূপে কব পাৰি—

(ক) বজালীৰ উপভাষাত শকা—আ—ধ্বনি নলবাৰী অঞ্চলত—অ ধ্বনিৰূপে উচ্চাৰিত হয়—

বজালী	নলবাৰী
কাপাল	কপাল
বাপা	ব'পা
জাঁউৰে, জাঁৰে	জঁৰে
বাতাহ	বতাহ

(খ) বজালীৰ ভাষাৰ—উ—ধ্বনি নলবাৰীত —অ—হয়, যেনে—

বজালী	নলবাৰী
ভুথ	ভথ

(গ) কেতিয়াবা আকৌ বজালীৰ ভাষাৰ—অ—ধ্বনি নলবাৰীত—আ—হয়, যেনে—

বজালী	নলবাৰী
চতল	চতাল
কলহ	কলাহ

(ঘ) বজালীৰ ভাষাত য'ত—উ—ধ্বনি থাকে নলবাৰী অঞ্চলত—ও—লৈ ৰূপান্তৰ হোৱা দেখা যায়—

বজালী	নলবাৰী
জুক	জোক
কুক	কোক

দুই অঞ্চলৰ ভাষাৰ মাজত ধ্বনিগত পাৰ্থক্য থকাৰ উপৰিও শব্দৰ গঠন ৰীতিত

পোৱা বিভিন্ন প্ৰত্যয়, বিভক্তি আদি আৰু শব্দমালাৰ মাজতো পাৰ্থক্য পোৱা যায়।

বজালী অঞ্চলৰ স্থানীয় উপভাষাত শব্দৰ গঠন প্ৰণালীৰ ক্ষেত্ৰত কিছুমান সুকীয়া বৈশিষ্ট্য আছে। মান্য ভাষাৰ নিচিনা এই অঞ্চলৰ উপভাষাত বিশেষ্য, বিশেষণ, সংখ্যাবাচক শব্দ আৰু প্ৰথম আৰু দ্বিতীয় পুৰুষৰ বাহিৰে অন্য সৰ্বনাম পদৰ পিছত নিৰ্দিষ্ট কৰি বুজাবলৈ কিছুমান প্ৰত্যয়, শব্দ বা শব্দাংশ ব্যৱহাৰ কৰা হয়। এই অঞ্চলৰ উপভাষাত যদিও কিছুমান প্ৰত্যয় সাধাৰণতে কিছুমান বিশেষ শব্দৰ লগত যোগ হয় তথাপি বেছিভাগ ক্ষেত্ৰতে কোন প্ৰত্যয় কোনো শব্দৰ লগত যোগ হয় সঠিককৈ কোৱা টান; যেনে—সাপ-খৰ—সাপ-ডেল, জৰিখৰ—জৰি-ডেল, জেঠি-খৰ—জেঠি-ডেল ইত্যাদি। বজালী অঞ্চলত ব্যৱহাৰ হোৱা নিৰ্দিষ্ট বাচক প্ৰত্যয়বোৰৰ নলবাৰী, বৰপেটা আদিৰ স্থানীয় উপভাষাৰ লগত পাৰ্থক্য দেখা যায়। তলত কিছুমান নিৰ্দিষ্ট বাচক প্ৰত্যয়ৰ ব্যৱহাৰ দেখুওৱা হ'ল—

বজালীৰ উপভাষাত নিৰ্দিষ্ট বাচক প্ৰত্যয়

(ক) —খেন—ধাৰা-খেন, মুখ-খেন, ইচকুল-খেন, বেৰা-খেন, কিতাপ-খেন, দুৱাৰ-খেন, কাটৰী-খেন, ইয়া-খেন, সিয়া-খেন, যিয়া-খেন। কম পৰিমাণৰ বস্তুক বুজাবলৈ—খেনি ব্যৱহাৰ হয়, যেনে—পানী-খেনি, ভজলুক-খেনি, মুন-খেনি, মিঠৈ-খেনি ইত্যাদি। পুৰণি অসমীয়াত এইবিলাক প্ৰত্যয়ৰ সলনি—খান, —খানি প্ৰত্যয় ব্যৱহাৰ হৈছিল, যেনে—কান্থা-খানি, ৰথ-খান, পুত্ৰখানি আদি। O.I.A. খণ্ড>খান, খেন (খেন+ই>খানি)।

(খ) খৰ—O.I.A. খণ্ড>—খৰ

বিছা-খৰ, জুক-খৰ, কেঁচে-খৰ, দৰথ-খৰ, পাঘা-খৰ, কুমজেলুকা-খৰ।

(গ) —তু—বিশেষ্য, সৰ্বনাম আৰু বিশেষণৰ পিছত ব্যৱহাৰ হয়, যেনে—গৰু-তু, মানহু-তু, বাতি-তু, গিলাছ-তু, চলি-তু, নাক-তু, চখু-তু, ছাতা-তু, ই-তু, সি-তু জুন-তু, কুন-তু, সৰু-তু, ডাঙৰ-তু।

(ঘ) —খিলা—তলত দিয়া বস্তুবিলাকৰ এখনক বুজাবলৈ ব্যৱহাৰ হয়, যেনে—পাণ-খিলা, পাত-খিলা, কাগজ-খিলা।

(ঙ) —চাকলা—কোনো বস্তুৰ পাতলকৈ এৰোৱা একো টুকুৰাক বুজাবলৈ ব্যৱহাৰ হয়, যেনে—আম-চাকলা, আলু-চাকলা।

(চ) —চতা/ফালা—দীঘল আৰু বহল বস্তুক বুজাবলৈ ব্যৱহাৰ হয়, যেনে—বাঁহ-চতা/ফালা, কাঠ-চতা/ফালা।

(ছ) —চোঁইহা—সৰু আৰু দীঘল তৰকাৰী জাতীয় বস্তুক বুজাবলৈ ব্যৱহাৰ হয়, যেনে—লাউ-চোঁইহা, কুমুৰা-চোঁইহা।

(জ) —তপা—পনীয়া কম পৰিমাণৰ বস্তুক বুজাবলৈ ব্যৱহাৰ হয়, যেনে—চাহ-তপা, পানী-তপা।

(ঝ) —ডেল—দীঘল বস্তুক বুজাবলৈ ব্যৱহাৰ হয়, যেনে—গাছ-ডেল, মালা-ডেল, টাঙান-ডেল, চুলি-ডেল।

(ঞ) পেত—সৰু বস্তুক বুজাবলৈ ব্যৱহাৰ হয়, যেনে—জতা-পেত, কাণ-পাচা-পেত, শাখা-পেত, পাণ-পেত, চামচ-পেত।

কিছুমান নিৰ্দ্দিষ্টবাচক প্ৰত্যয় সমূহ অৰ্থত বিশেষ্য পদৰ পাছত ব্যৱহাৰ হয়, যেনে—আতি, —বুন্দা, —কচা, —জৰা, —বজা, —ডাঙুৰি, —আথা, —চুপা, —ডবলা, —থকা, —থান, —লাদা, —মুঠা, —মাথা, —সেইক, —সপৰা, —সপা ইত্যাদি। প্ৰতিটো প্ৰত্যয়ৰ চানেকি স্বৰূপে কিছুমান উল্লেখ কৰা হ'ল—খৰি-আতি, খেৰ-বুন্দা, চুলি-কচা, কাপুৰ-জৰা, কইহাৰ-বজা, ধান-ডাঙুৰি, কল-আথা, বাঁহ-চুপা, ধান-ডবলা, কল-থকা, কাপুৰ-থান, গৰৰ-লাদা, চাউল-মুঠা, চেনি-মাথা, পাউৰা-সেইক, পাটা-সপৰা, গৰু-সপা, আপি-সপা।

কিছুমান শব্দত বহুবচন বুজাবলৈ মূল শব্দত 'কেই' আৰু 'কে' যোগ কৰি তাৰ পিছত নিৰ্দ্দিষ্ট বাচক প্ৰত্যয় যোগ কৰা হয়, যেনে—দুৱাৰ-কেই-খেন, পাথা-কেই-ডেল, জুক-কেই-খৰ, মাছ-কেই-টা, পাঘা-কে-ডলা, বাঁহ-কে-ডলা, খৰি-কে-ডলা।

বজালী অঞ্চলৰ উপভাষাত অনিৰ্দ্দিষ্ট বুজাবলৈ নিৰ্দ্দিষ্ট বাচক প্ৰত্যয়—খেন, —পেত, —খৰ, —ডেল আদিৰ আগত—আ—আক—আক—বহে আৰু তাৰ পাছতহে বিশেষ্য পদটো ব্যৱহাৰ হয়, যেনে—আ-খেন-কাপুৰ, আ-খেন-দুৱাৰ, আ-খেন-ইচকুল, আক-পেত-শাখা, আক-পেত-ইচকেল, আক-ডেল-বাঁহ, আক-বজা-ঘাঁহ, আক-খৰ-জৰী।

অনিৰ্দ্দিষ্ট বাচক প্ৰত্যয়

এটা, দুটা বা তাতকৈ বেছি বস্তুক অনিৰ্দ্দিষ্ট কৰি বুজাবলৈ সংখ্যাবাচক পদৰ পাছত—'মেন—যোগ কৰি তাৰ পাছত বিশেষ্য পদ যোগ হয়, যেনে—এটা-মেন-মানুহ, তিনটা-মেন-তিৰি, চাইৰটা-মেন-টাকা।

কিছুমান বিশেষণ পদৰ পাছত মেন প্ৰত্যয় যোগ হৈ তাৰ পিছত বিশেষ্য পদ যোগ হৈ অনিৰ্দ্দিষ্ট বস্তু বা প্ৰাণীক বুজায়, যেনে—এক্তি-মেন-মানুহ,

সেন্তি-মেন-ধান, বেন্তি-মেন-ধান, কেন্তি-মেন-বেহৰ, আৰ্ ৰি-মেন-মুন, এথ্খুদ-মেন-চেনি, আথ্খুদ-মেন-মুন, এক-ন্তিল-মেন-মিঠে, এথ্নি-মেন-চাউল, সেথ্নি-মেন-মাহ, অলপ-মেন-গাখীৰ, বেথ্নি-মেন-পানী।

বহুবচনৰ অনিৰ্দিষ্ট বুজাবলৈ—এক—শব্দৰ পাছত মাথা—, সপা—আদি ব্যৱহাৰ হয়, যেনে—এক-সপা-চলি, এক-মাথা-গৰু, এক-মাথা-আপা, এক-সপা-গৰৰ, এক-সপা-আবাব।

অনিৰ্দিষ্ট কাল বুজাবলৈ তলৰ শব্দবিলাক ব্যৱহাৰ হয়, যেনে—তুই-চাইৰ-দিন, তিন-চাইৰ-দিন, আঠ-দচ-দিন।

ওচৰ আৰু দূৰত থকা এটাতকৈ বেছি বস্তুক অনিৰ্দিষ্ট কৰি বুজাবলৈ—ইয়া, —সিয়া, —থিয়া আদি বিশেষ্য পদৰ আগত ব্যৱহাৰ হোৱা দেখা যায়, যেনে—ইয়া-কল, সিয়া-কল, থিয়া-কাপুৰ।

আমাৰ ভাষাৰ এটা প্ৰধান বিশেষত্ব হ'ল এই ভাষাত ব্যৱহাৰ হোৱা সম্বন্ধবাচক বিশেষ্য পদ আৰু প্ৰত্যেক পুৰুষৰ সম্বন্ধবাচক পদবিলাকৰ শেষত ব্যৱহাৰ হোৱা বিশেষ বিশেষ প্ৰত্যয়বিলাক। অসমীয়া ভাষাৰ এই বিশেষত্ব কামৰূপী উপভাষা আৰু বজালী অঞ্চলৰ স্থানীয় উপভাষাৰ মাজতো পোৱা যায়। অসমীয়াত একে সম্বন্ধ বুজাবলৈ বয়সত ডাঙৰ বা সৰু অনুসাৰে ভিন ভিন শব্দ ব্যৱহাৰ হয়। বজালী অঞ্চলৰ উপভাষাতো তেনে শব্দ আছে। তলত বজালী অঞ্চলৰ উপভাষাত থকা সম্বন্ধবাচক বিশেষ্য পদ আৰু ভিন ভিন পুৰুষত ব্যৱহাৰ হোৱা প্ৰত্যয়বিলাকৰ তালিকা এথন দিয়া হ'ল—

(Margin note: সম্বন্ধবাচক বিশেষ্য পদ আৰু তাত ব্যৱহাৰ হোৱা প্ৰত্যয়)

বজালীৰ উপভাষাত নিৰ্দিষ্ট বাচক সম্বন্ধ বুজোৱা বিশেষ্য

সম্বন্ধ বুজোৱা শব্দ	মোৰ ↓	তোৰ ↓	তোমাৰ ↓	তাৰ বা তাইৰ ↓
		প্ৰত্যয়	প্ৰত্যয়	প্ৰত্যয়
১। আই	আই, মা	মায়-এ—	মায়েৰা-এৰা—	মায়ক—এক—
২। দেউতা	বাপা, পিতা, পিতি	বাপে, পিতে	বাপেৰা, পিতেৰা	বাপেক, পিতেক
৩। দাদা, কাকা, দাদি	দাদা, কাকা, দাদি	দাদে, কাকে, দাইদে	দাদেৰা, কাকেৰা, দাইদেৰ	দাদেক, কাকেক, দাইদেক

সম্বন্ধ বুজোৱা শব্দ	মোৰ ↓	তোৰ ↓	তোমাৰ ↓	তাৰ বা তাইৰ ↓
		প্ৰত্যয়	প্ৰত্যয়	প্ৰত্যয়
৪। ভাই	ভাই	ভায়ে	ভায়েৰা	ভায়েক
৫। বাই	বাই	বায়ে	বায়েৰা	বায়েক
৬। বইনি	বইনি	বইনে	বইনেৰা	বইনেক
৭। বোৌ	বোৌ	বয়ে	বয়েৰা	বয়েক
৮। দেওৰ	দেউৰ	দেউৰে	দেউএৰা	দেউৰেক
৯। ননদ	ননদ	নন্দে	নন্দেৰা	নন্দেক
১০। খুৰশালী	খুৰশালী, খুৰহালী	খুৰশাইলে	খুৰশাইলেৰা	খুৰশাইলেক
১১। বইনে, কুৰ্মা	বইনে, কুৰ্মা	বইনে, কুৰ্মে,	বইনেৰা, কুৰ্মেৰা	বইনেক, কুৰ্মেক
১২। ভিনিহী	ভিন্হী	ভিন্হে	ভিন্হেৰা	ভিন্হেক
১৩। শালপতি	শালপতি	শালপইতে-এ’	শালপইতেৰ	শালপইতেক
১৪। জেঠপতি	জেঠপতি	জেঠপইতে	জেঠপইতেৰ	জেঠপইতেক
১৫। জাঁৱে বা জোৱাই	জাউঙে	জাউঙে	জাউঙেৰ	জাউঙেক
১৬। ভনী জোৱাই	বন-জাউঙে	বন-জাউঙে	বন-জাউঙেৰ	বন-জাউঙেক
১৭। শহুৰ	শহুৰ	শউৰ্হে	শউৰ্হেৰ	শউৰ্হেক
১৮। শাহু	শাহু	শাউহে	শাউহেৰ	শাউহেক
১৯। মোমাই	মামা	মামে	মামেৰ	মামেক
২০। মামী	মামী	মাইমে	মাইমেৰ	মাইমেক্
২১। জী জীয়ৰী	জী, আপী	জীৰে, আপী	জীৰেৰ, আপী	জীৰেক, আপী
২২। ল’ৰা	চলি, আপা	চলি, আপা	চলি, আপা	চলি আপা

সম্বন্ধ যুজোৱা শব্দ	মোৰ ↓	তোৰ ↓	তোমাৰ ↓	তাৰ বা তাইৰ ↓
		প্ৰত্যয়	প্ৰত্যয়	প্ৰত্যয়
২৩। ভাই-বোৱাৰী	ভাই-বৰী	ভাই-বৰে	ভাই-ব-এৰ	ভাই-বৰেক
২৪। তাৱৈ	তাউৱে, তাউঙে	তাউএ', তাউঙএ'	তাউৱেৰ, তাউঙৰ	তাউৱেক, তাউৱেঙ
২৫। আমৈ	আমে	আউমে	আউমেৰ	আউমেক
২৬। পৈঁহা	পৈঁহা	পেঠৈ	পেঠৈৰ	পেঠৈক
২৭। পৈঁহী	পেঁহী	পেইহে	পেইহেৰ	পেইহেক
২৮। সখী	সখী	সইখে	সইখেৰ	সইখেক
২৯। জেঠা	জেঠা	জেঠৈ	জেঠৈৰ	জেঠৈক
৩০। জেঠী	জেঠী	জেইঠৈ	জেইঠৈৰ	জেইঠৈক
৩১। খুৰা, দাদা	খুৰা, দাদা	খুত্তে, দাদে	খুত্তেৰ দাদেৰ	খুত্তেক, দাদেক
৩২। খুৰী	খুৰী	খুইৰে	খুইৰেৰ	খুইৰেক

নব্য ভাৰতীয় আৰ্যভাষা গোষ্ঠীৰ আন প্ৰাদেশিক ভাষা বিলাকত সম্বন্ধ বাচক পদ বিলাকৰ পাছত এনেকুৱা প্ৰত্যয়ৰ ব্যৱহাৰ নহয়। G. A. Grierson য়ে কৈছে যে তিব্বতো—বৰ্মান ভাষা গোষ্ঠীৰ বড়ো ভাষাতো সম্বন্ধ বাচক পদৰ পাছত—আ-ফা—, নাম-ফা, —বি-ফা আদি প্ৰত্যয় যোগ হৈ বেলেগ বেলেগ পুৰুষৰ সম্বন্ধ বুজায়। অসমীয়া ভাষাতো তেনে অনাৰ্য ভাষাৰ প্ৰভাৱতে এই বৈশিষ্ট্য বিলাক দেখা দিব পাৰে। সম্বন্ধবাচক পদ-বিলাকৰ পাছত যোগ হোৱা প্ৰত্যয় বিলাকে এই পদ-বিলাকক কিছুপৰিমাণে হলেও নিৰ্দিষ্ট বাচক আৰু অনিৰ্দিষ্টবাচক অৰ্থ প্ৰকাশত সহায় কৰিছে। ইয়াৰ উপৰিও মাত্ৰ অসমীয়াত আন মানুহক সম্বোধন কৰি মাতিবলৈ বেলেগ বেলেগ পুৰুষত বেলেগ বেলেগ সম্বোধনবাচক শব্দ ব্যৱহাৰ কৰা হয়। আমাৰ বজালী অঞ্চলৰ স্থানীয় উপভাষাতো মানুহক সম্বোধন কৰিবলৈ বেলেগ বেলেগ পুৰুষত বেলেগ বেলেগ শব্দ ব্যহাৰ কৰা হয়, যেনে—

হায়ে, আয়ে, উৰে—তুচ্যাৰ্থত

হায়েবা,—এয়েবা—মান্যাৰ্থত

বজালীৰ স্থানীয় উপভাষাৰ ৰূপ ৰেখা সম্বন্ধে বিস্তৃত আলোচনা কৰিবলৈ হলে এই অঞ্চলৰ উপভাষাৰ ধ্বনিতত্ত্ব, ৰূপতত্ত্ব আৰু শব্দ মালাৰ বৈশিষ্ট্যসমূহ বিচাৰ কৰা আৱশ্যক। ইয়াত মাত্র এই অঞ্চলৰ উপভাষাৰ ৰূপতাত্ত্বিক গঠন বা শব্দ গঠন প্ৰণালীৰ কেইটামান বিষয়ৰহে পৰিচয় দিবলৈ চেষ্টা কৰা হৈছে।

সংস্কৃত চর্চা

শ্রীৰঘুনাথ দেৱ চৌধুৰী

সংস্কৃত ভাষা আৰ্য সভ্যতাৰ প্ৰাণকেন্দ্ৰ। এই ভাষাৰ অৱলম্বনত প্ৰাচীন ভাৰতীয় সাহিত্য আৰু ভাৱধাৰা আজিও কালজয়ী হৈ আছে। বিজ্ঞানসম্মত ব্যাকৰণ, ছন্দ, অলঙ্কাৰ, দৰ্শন, জ্যোতিষ, আয়ুৰ্বেদ, তন্ত্ৰ, আধ্যাত্মিক তত্ত্ব, কাব্যনাট আদি একত্ৰে এই ভাষাত বিদ্যমান। বেদ, উপনিষদ, বেদাঙ্গ আদিয়ে ভাৰতীয় সংস্কৃতিক সুদৃঢ় বান্ধোনত বান্ধি ৰাখিছে। সংসাৰী মাত্ৰৰে অস্থায়ী বা স্থায়ী দুখ নিবৃত্তিৰ বাবে "শ্ৰীমদ্ভাগৱদগীতা" সৰ্বকালীন আৰু বিশ্বতোমুখ ভগৱন্মুখ নিসৃত অমৰ বাণী। 'শ্ৰীমদ্ভাগৱত' মানবীয় জ্ঞানেৰে জুখিব নোৱাৰা গভীৰতম আধ্যাত্মিক তত্ত্বৰ সৰ্বজ্ঞান-গৰ্ভ অমৰ গ্ৰন্থৰ দৰে গ্ৰন্থ অপৰ সাহিত্যত নাই। তন্ত্ৰ সাহিত্যৰ শ্ৰেষ্ঠ 'শ্ৰীশ্ৰীচণ্ডী' শক্তিমাৰ্গৰ এক অতুলনীয় সাৰ্বজনীন গ্ৰন্থ। অজস্ৰ ভাৱধাৰাৰ সংস্কৃত গ্ৰন্থৰাজিয়ে ভাৰতবৰ্ষক এক জীৱন্ত সংস্কৃতি আৰু সাহিত্যৰ বিশাল ক্ষেত্ৰত পৰিণত কৰিছে।

ভাৰতক জানিবলৈ হ'লে সংস্কৃত মাধ্যমৰ মনোৰাজ্যখনহে চাব লাগিব। ধৰ্মৰক্ষাত সংস্কৃত একমাত্ৰ লাইখুটা। চতুৰ্বেদ, উপনিষদবোৰ, পিছলৈ ৰামায়ণ, শ্ৰীমদ্ভাগৱত, পুৰাণ আৰু তন্ত্ৰশাস্ত্ৰবোৰ হিন্দু ধৰ্মৰক্ষাৰ মুখ্য অৱলম্বন। ষড়দৰ্শন, নাট্যশাস্ত্ৰ, নাটক, কাব্য, গল্পানুলম্বী আখ্যান আৰু ৰাজন্যচৰিত আদিয়ে সাহিত্যৰ সহস্ৰাধিক দিশত সংস্কৃত সাহিত্যই শীৰ্ষস্থান অধিকাৰ কৰি আছিছে। ব্যাপক জ্ঞানগৰ্ভ আৰু মধুৰ ৰসাত্মক হোৱাৰ কাৰণে ইউৰোপৰ পণ্ডিতসকলে বেদৰপৰা কাব্যলৈ সংস্কৃতৰ সৰ্বশাস্ত্ৰ মন্থন কৰি জগতত ৰসামৃত বিতৰণ কৰি ভাৰতক গৌৰৱমণ্ডিত কৰিছে। মেক্সমুলাৰ বা উইলচনৰ দৰে, বিজ্ঞানসম্মত ব্যাপক অধ্যয়ন নহ'লেও ভাৰতবৰ্ষৰ বহু একনিষ্ঠ পণ্ডিতে নিজস্ব ৰুচি অনুসৰি কোনো কোনো দিশত সম্যক আৰু সূক্ষ্ম অধ্যয়নেৰে জ্ঞানৰ ভাণ্ডাৰ বিতৰণ কৰিছে।

সংস্কৃত প্ৰাদেশিক ভাষাসমূহৰ গুৰি। মূল ভাষাটোৰপৰা অতীতৰ আৰু বৰ্ত্তমানৰ বহু প্ৰাদেশিক বা আঞ্চলিক ভাষাৰ শব্দ সম্ভাৰবৰাবা পুষ্ট। জনসাধাৰণৰ মাত-কথা আৰু লিখিত ভাষাবোৰ সংস্কৃতৰ ওচৰত ঋণী। প্ৰাদেশিক ভাষাবোৰৰ ওপৰত সংস্কৃতৰ প্ৰভাব অবিচ্ছেদ্য আৰু অপৰিহাৰ্য। সংস্কৃত ভাষা আৰু ইয়াৰ কেন্দ্ৰীভূত ঐতিহ্যৰ বাহিৰে বিভিন্ন প্ৰদেশৰ মানুহৰ মাজত ঐক্যবোধৰ হেতু, প্ৰাণৰ বন্ধন আৰু হৃদয়ৰ যোগসূত্ৰ একো নাই।

(ক) খৃঃ ষোড়শ শতিকাত কোচবিহাৰৰ ৰজা নৰনাৰায়ণৰ শাসন কালত বজালীত সংস্কৃত চৰ্চা হৈছিল। ভৰদ্বাজ ঋষিগোত্ৰীয় চৌকা পানীশালা (বৰ্ত্তমান পাঠশালা নগৰৰ উত্তৰ অংশ)ৰ দ্বিজ গঙ্গাধৰৰ পুত্ৰ, দ্বিজ পুৰুষোত্তমক ৰজাই বাল্যকালতে ৰাজধানীলৈ নি ওঠৰ মাহ ৰাখি, বালকৰ মেধাৰ পৰিচয় পাই কাশীত অধ্যয়ন কৰিবলৈ পঠায়। তাত সংস্কৃত অধ্যয়ন কৰি কম সময়তে সৰ্বশাস্ত্ৰতে ব্যুৎপত্তি লাভ কৰি আহে। তেওঁৰ জ্ঞানত মুগ্ধ হৈ ৰজাই পুৰুষোত্তমক বজালী (চাকলা মোগলৰ আমোলৰ পৰগণা) পৰগণাৰ চাকলাদাৰ পতাৰ উপৰিও পুৰুষোত্তমক দ্বাৰ-পণ্ডিত নিযুক্ত কৰে। ৰজাৰ আদেশত পণ্ডিতে ব্যাসকুছি সত্ৰ স্থাপন কৰি গুৰুৰ আদেশত কথা-গীতা আৰু কথা-ভাগৱত নামৰ দুখন অসমীয়া গদ্য পুথি ৰচনা কৰে।

(খ) খৃঃ সপ্তদশ শতিকাত, বৈকুণ্ঠদেৱ (ভট্টদেৱ) এগৰাকী সৰ্বশাস্ত্ৰজ্ঞ পণ্ডিত আছিল। বৰ্ত্তমানৰ পশ্চিম বাস্কাৰ শ্ৰীপুৰ দুৱাৰৰ দুৰ্গাদেৱীৰ পীঠত থকা অৱস্থাত গোবিন্দপুৰ সত্ৰৰ গোসাইবৰ্গৰ পূৰ্বপুৰুষ, ভগৱানদেৱৰ লগত বৈকুণ্ঠদেৱে বিজয়নগৰৰ ৰাজটোলৰ পণ্ডিত গোপালদেৱৰ ঠাইত সংস্কৃত অধ্যয়ন কৰি বিদগ্ধ পণ্ডিত হয়। বৈকুণ্ঠদেৱে জন্মস্থান বিছানকুছিলৈ নাহি পাটবাউসীত দামোদৰ দেৱৰ লগত থাকে। দুয়োজন পণ্ডিতে তেওঁৰ ঠাইত শৰণ লয়। গুৰুৰ আদেশত ভগৱানদেৱে উত্তৰলৈ আহি কালদিয়া নদীৰ পাৰত গোবিন্দপুৰ নাম দি সত্ৰ এখন পাতে। তেওঁ ইয়াত সংস্কৃত শিক্ষাৰ কাৰণে চতুষ্পাঠী কৰে আৰু পণ্ডিত ৰাখে। ভট্টদেৱ গুৰুৰ আজ্ঞাত ব্যাসপাৰাত সংস্কৃত ভাষাৰ উজুপাঠ, ব্যাকৰণ আদি ৰচনা কৰে।

(গ) বজালীৰ মুগুৰীয়া গাঁৱৰ বকুল কায়স্থই ও নৰনাৰায়ণ ৰজাৰ অনুগ্ৰহত কাশীত, পুৰুষোত্তমৰ সহপাঠী হৈ সংস্কৃত অধ্যয়ন কৰে। সংস্কৃতৰ পণ্ডিত হৈ আহি তেওঁ ৰজাৰ আদেশত সংস্কৃত ভাষাৰ 'লীলাৱতী' গণিত অসমীয়ালৈ অনুবাদ কৰে।

(ঘ) পুৰুষোত্তমৰ পুত্ৰ পীতাম্বৰেও কাশীত সংস্কৃত অধ্যয়নকৰি বহু শাস্ত্ৰত পণ্ডিত হৈ আছে। ৰজাৰ অনুগ্ৰহত তেওঁ পৈতৃক ভূ-সম্পত্তিৰ উত্তৰাধিকাৰী হোৱাৰ উপৰিও ৰঘুদেৱ ৰজাৰ আদেশত বিজয়নগৰত থাকি, প্ৰাচীন স্মৃতিক ভিত্তি কৰি সংস্কৃতত নানা বিষয়ৰ কেবাখনো গ্ৰন্থ ৰচনা কৰে। কোঁচৰজাৰ ৰাজ্যত, মোগলৰ লগত যুদ্ধ-বিগ্ৰহ হোৱাত দৰঙৰ ৰজাই এওঁক দৰঙলৈ নিয়ায়। তাত ব্যৱস্থা গ্ৰন্থবোৰৰ ৰচনা সম্পূৰ্ণ কৰে। যথাসময়ত তাৰপৰা আহি ৰতনপুৰত উচ্চাঙ্গৰ সংস্কৃত চতুষ্পাঠী এখন খুলি তাত সংস্কৃত শিক্ষাৰ পাতনি মেলে। বজালী আৰু উত্তৰ কামৰূপত ধৰ্মকৃত্যবোৰ পীতাম্বৰ ন্যায়বাগীশৰ মতত সম্পন্ন হয়। সেই মতক বাগীশৰ মত বুলি কোৱা হয়।

(ঙ) কামৰূপৰপৰা দ্বাৰকা ৰাজ্যলৈ, সংস্কৃত ধৰ্ম্ম আৰু সংস্কৃতৰ সোঁত বয়। আমাৰ দেশৰ ৰজা সকলক কেন্দ্ৰ কৰি, সংস্কৃত ভাষাৰ সাধু তাত প্ৰচলিত। প্ৰশস্তি, শাসন, ভূমিদান, যুদ্ধ বিগ্ৰহাদিৰ ফলৰ চমু বৰ্ণনা সংস্কৃত ভাষাত লিখা হয়। বহু বিষয়ৰ নিজৰ আঞ্চলিক ভাষাত লিখা হলেও তামৰ ফলিবোৰৰ প্ৰশস্তিবচন সংস্কৃত শ্লোকত লিখা হৈছিল। খৃঃ সপ্তম শতিকা মানৰপৰা প্ৰাচীন কামৰূপত সংস্কৃত চৰ্চা হৈছিল বুলি প্ৰাগ্‌জ্যোতিষৰ ৰজা কুমাৰ ভাস্কৰ বৰ্মণৰ বজালীৰ অন্তৰ্গত ভুবিৰ তামৰ ফলি আৰু নিধনপুৰৰ তামৰ ফলি দুখনে সাক্ষ্য দিয়ে। উভয় ফলিতে প্ৰশস্তি সংস্কৃতত খোদিত কৰা। অন্যান্য ৰজাসকলৰ ভূমিদান আদিৰ ফলিবোৰৰ প্ৰশস্তিও সংস্কৃতত খোদিত কৰা। বজালীখণ্ড কামৰূপৰ অন্তৰ্গত। যিহেতু সংস্কৃত চৰ্চা বজালীৰপৰা আঁতৰত থকা বুলি কল্পনা কৰা অসম্ভব।

(চ) নিৰ্ভৰযোগ্য তথ্য আৰু পুৰাতাত্ত্বিক সত্য উদ্ধাৰ নোহোৱালৈ বজালীৰ কোনো অংশতে শুক্ল যজুৰ্বেদ ৰচনা হোৱা কথা বিশ্বাস আৰু কিংবদন্তিত বৈ থাকিব। যজুৰ্বেদান্তৰ্গত কাণ্বশাখা কামৰূপতে ৰচিত থকা বুলি প্ৰমাণ কৰিবৰ থল আছে। শুক্লাৰপাৰ গাওঁ, কণ্বাচল নাম দুটাই ইয়াৰ সন্ধেদ দিয়ে। গৱেষক পণ্ডিতে এই নামগত সাদৃশ্যতোত মনোনিৱেশ কৰা উচিত।

(ছ) খৃঃ অষ্টাদশ শতিকাত ভেতিয়াৰ সৰিহ নামৰ বৰ্তমানৰ পুৰণ হাউলীৰ আজিৰ অৱহেলিত ঐতিহ্যপূৰ্ণ ৰব পুখুৰীৰ পাৰত বজালীয়া চৌধাৰীসকলে তিনি পুৰুষলৈ উচ্চমান বিশিষ্ট এখন গুৰুকুল পদ্ধতিত সংস্কৃতটোল চলায়। বজালীয়াখেৰ ঘৰে এই টোল চলাইছিল যিহেতু এই টোলৰ নাম "বজালী-চতুষ্পাঠী"। এই শিক্ষানুষ্ঠানত কাইথেলি পঢ়োৱা হয়। জয়বল্লভ দেৱ চৌধাৰী,

প্ৰাণপতি দেৱ চৌধাৰী আৰু কৃষ্ণবল্লভ দেৱ চৌধাৰীয়ে বজালী চতুষ্পাঠী চলায়। চৌধাৰীসকলে পণ্ডিত আৰু ছাত্ৰৰ খোৰাকো বহন কৰে।

এই টোলৰ অস্তিত্ব নোহোৱা হোৱাত 'একে বজালীয়াথেৰ ঘৰ'ৰে সৰিহ বৰপুখুৰী ত্যাগ কৰি কালদিয়া নদীৰ পাৰত নতুনকৈ বসতি কৰিবলৈ লোৱা এক অংশৰ পুখুৰীপৰীয়া বুলি জনাজাত চৌধুৰী পৰিয়ালে যোৱা শতিকাৰ আদিৰে পৰা তিনি পুৰুষ অবধি নিজৰ টোলতে এখন চতুষ্পাঠী চলাই ক্ষৌত্ৰৰ দাহুদী গাঁওৰ সনাতন শৰ্মাচাৰ্য আছিল সৰিহ চাকলা 'ন-বজালী চতুষ্পাঠী' নামৰ টোলখনৰ এজনা অধ্যাপক। খৃঃ অষ্টাদশ আৰু উনবিংশ শতিকাৰ সৰিহৰ "বজালী চতুষ্পাঠী" আৰু সৰিহ চাকলাৰ "ন-বজালী চতুষ্পাঠী" দুখন আছিল ব্ৰাহ্মণ্য ধৰ্মৰ শিক্ষানুষ্ঠান। বৰপেটা সাহিত্য-সভাৰপৰা ১৯৭৭ চনত সম্পাদিত আৰু প্ৰকাশিত 'সাহিত্য মুকুৰ' নামৰ প্ৰবন্ধ সংকলনত শ্ৰীনন্দ তালুকদাৰ ডাঙৰীয়াই লিখা 'উনবিংশ শতিকাৰ বৰপেটা' শীৰ্ষক বহু বিষয়ৰ পোহৰ পেলোৱা মূল্যৱান প্ৰবন্ধত উক্ত বিষয়ে উল্লেখ কৰিছে (পৃঃ ১১১)। তেখেতে বোধহয় Dr. H. K. Barpujariৰ ভাষা অনুবাদৰূপত দিছে। "ইংৰাজ ৰাজত্বৰ পূৰ্বে আমাৰ দেশত টোল, পাঠশালা আৰু মাদ্ৰাছাই আছিল শিক্ষানুষ্ঠান। ডেভিড স্কটে শাসনভাৰ গ্ৰহণ কৰিয়ে উজনি আৰু নামনি অসমত ১৮২৬ খৃঃত এঘাৰখন স্কুল স্থাপন কৰিছিল। গুৱাহাটী, নীলাচল, নহৰাৰ, পাটিদৰং, হাজো, বজালী, শিলা, বিশ্বনাথ, নগাওঁ আৰু দেশ-দৰঙত (মঙ্গল দৈ) স্কুলসমূহ স্থাপন কৰিছিল।" এই এঘাৰখন বিদ্যালয়ৰ ভিতৰত এখন স্থাপিত হয় বৰপেটাৰ ওচৰৰ বজালীত। শিক্ষা ব্যৱস্থা সংস্কৃত আৰু গুৰুকুল পদ্ধতিৰে চলোৱা হয়। পাঠ্যৰ বিষয় হ'ল ৰত্নমালা ব্যাকৰণ, স্মৃতি, ভাগৱত, লীলাৱতীৰ অঙ্ক শাস্ত্ৰ, আয়ুৰ্বেদ আৰু জ্যোতিষ শাস্ত্ৰ বুলিও তথ্যই সাক্ষ্য দিয়ে।

সৰিহ চাকালাৰ টোলখন কিছুদিনলৈ অচল হোৱাৰ পিছত, ডেভিদস্কটৰ আদেশত এই টোলখন জীৱিত কৰি চৰকাৰী ব্যৱস্থাত এই বিদ্যালয় চলে। তেতিয়াৰ প্ৰতিপত্তিশালী নকৈ হোৱা পূব বজালী মৌজাৰ মৌজাদাৰ কৃষ্ণনাথ দেৱ চৌধুৰীৰ পৰামৰ্শত উক্ত চৰকাৰী ব্যৱস্থা লোৱা হয়। বেঙ্গল সংস্কৃত বোৰ্ড গঠন হোৱাৰ আগলৈ যোৱা শতিকাত কাশী, থাগ্ৰাৰাৰী আৰু নবদ্বীপ কামৰূপৰ তথা বজালীৰ ছাত্ৰৰ উচ্চ শিক্ষাৰ ঠাই হিচাপে ই সুখ্যাতি অৰ্জন কৰে। পিছত বেঙ্গল বোৰ্ড গঠন হোৱাত অসমৰ টোলবোৰৰ ছাত্ৰই

এই বোৰ্ডৰ পৰীক্ষা দিয়ে। শ্ৰীহট্টত আসাম সংস্কৃত বোৰ্ড গঠন হোৱাত, অসমৰ ছাত্ৰই এই বোৰ্ডৰ পাঠ্যক্ৰমত আদ্য, মধ্য আৰু উপাধি পৰীক্ষা দিব পৰা হয়। শ্ৰীহট্ট পূৰ্ব-পাকিস্থানলৈ যোৱাত, অসম সংস্কৃত ব’ৰ্ড গুৱাহাটীলৈ আহে। ১৯৭৪ চনত অসমত সংস্কৃত শিক্ষাৰ সংশোধনী পাঠ্যক্ৰমৰ ব্যৱস্থা হয়। সেইমতে মডেলটোল হয়। চৰকাৰী ব্যৱস্থাত মডেল টোল চলাত ব্যক্তিকেন্দ্ৰি আৰু দুৰ্বল টোলবোৰ মৰি যায়।

বজালী অঞ্চলত গঢ়ি উঠা সংস্কৃত শিক্ষাৰ অনুষ্ঠান সমূহক দুই শ্ৰেণীত ভগাব পাৰি। সমাজে চলোৱা টোল আৰু অধ্যাপকে নিজে চলোৱা টোল। সৰিহ আৰু সৰিহ চাকলাৰ টোলৰ উপৰিও যোৱা শতিকাৰ আগভাগৰ পৰা ভোগপুৰ গাঁৱত প্ৰতিষ্ঠিত সংস্কৃত টোলখনে আৰ্য আৰু ব্ৰাহ্মণ্য সংস্কৃতি ৰক্ষা কৰি আছে। এই গাঁৱৰ উন্নত টোলৰ পৰা বজালী আৰু বজালীৰ বাহিৰৰ বহু ছাত্ৰই ইতিপূৰ্বে বাহিৰৰ পৰা অনা অধ্যাপকৰ অধ্যাপনাত কৃতবিদ্য হৈছে। ১৮৭৫ চনৰ আগৰ কালছোৱাত, ভোগপুৰৰ টোলত অধ্যাপনাৰত পণ্ডিতসকলৰ ভিতৰত যথাক্ৰমে পাণ্ডুলাৰ ধীৰেশ্বৰ ভট্টাচাৰ্য মহামহোপাধ্যায়, দাহদীৰ সনাতন শৰ্মা, কৈহাটীৰ হংসনাথ দেৱ গোস্বামী, শিমলুগুৰীৰ মহীধৰ ভট্টচাৰ্য হাঠীৰপিঠিৰ চন্দ্ৰ কান্ত শৰ্মা আৰু বৰপেটাৰ ওচৰৰ নগাঁৱৰ মহীনাথ শৰ্মা। এই টোলৰ নাম বৰ্তমানে মহাবিষ্ণু মোডেল টোল কৰা হৈছে।

বনগাওঁ সংস্কৃত শিক্ষাৰ কেন্দ্ৰ। যোৱা শতিকাৰ মাজভাগৰপৰা গঞাই এই টোল চলাই আছে। পণ্ডিত জীৱেশ্বৰ গোস্বামীয়েও ইয়াতে প্ৰাথমিক বিদ্যা লাভ কৰে। পাট্টাচাৰকুছি আৰু ইয়াৰ ওচৰে পাজৰে থকা গাঁওবোৰত বিভিন্ন সময়ত বিভিন্ন চেষ্টাত সমাজগত বা ব্যক্তিগত ভাবে এখন এখনকৈ কেবাখনো টোল স্থাপিত হয় আৰু কালত মৰহিও যায়। পাট্টাছাৰকুছি অঞ্চলৰ সংস্কৃত শিক্ষাৰ ভৱিষ্যতে গোৰা হিন্দু সমাজে উদাৰ পন্থা লবলৈ চলোৱা সামাজিক সংস্কাৰৰ বাট-কাটোতা পণ্ডিত গঙ্গাধৰ বিদ্যাৰত্নৰ ঘৰ পাটা সত্ৰত। তেওঁৰ হাতেৰে কেবাখনো টোল স্থাপিত হয়। পাট্টাচাৰকুছিত অৱস্থিত তেওঁৰ শেষ চেষ্টাৰ আদৰ্শৰ টোলখন গা-কৰি উঠিব ধৰোতেই তেওঁৰ ৫৫ বছৰ বয়সত অকাল মৃত্যু হয়। পিচত লক্ষ্মীকান্ত বিদ্যাবিনোদে গঙ্গাধৰ বিদ্যাৰত্নৰ নামত গঙ্গাধৰ টোল পাতে। ইয়াৰ ওচৰৰে টঙ্গাৰকুৰ, বাৰঙ্গা আৰু বামুনকুছিৰ টোলৰ অধ্যাপক আছিল পণ্ডিত দেৱকান্ত গোস্বামী। যোৱা শতিকাৰ শেষ ভাগত ভালুকীত এখন টোল স্থাপিত কৰা হয়। বিংশ শতিকাৰ আদি ভাগত

ঢুলীপাৰাতো এখন টোল স্থাপিত হয়। ভট্টদেৱৰ জন্মস্থান বিছানকুছি গাঁৱতো এখন টোল স্থাপিত হয়। কামৰূপ সংস্কৃত বিদ্যালয় নামৰ চৰকাৰী সাহায্য পোৱা তিনিজনীয়া অধ্যাপকৰ দ্বাৰা চলোৱা কলেজৰ সমকক্ষ উচ্চাঙ্গৰ বিদ্যালয় এখন ১৯৫৬ চনত মাহিলী ২৫ টকীয়া সাহায্যত আৰম্ভ কৰা হয়। ইয়াৰ অধ্যক্ষ লক্ষ্মীকান্ত বিদ্যাবিনোদ, সহকাৰী অধ্যাপক জীৱেশ্বৰ গোস্বমী ষড়দৰ্শন তীৰ্থ, কনক ন্যায়শাস্ত্ৰী, দেৱকান্ত দেৱ গোস্বামী, গিৰীশ চন্দ্ৰ শৰ্মা সাংখ্য ব্যাকৰণ তীৰ্থ আৰু ঘনকান্ত গোস্বামী কাব্য ব্যাকৰণ তীৰ্থ। জীৱেশ্বৰ গোস্বামী নাহিলেই। কনক ন্যায়শাস্ত্ৰী পদত্যাগ কৰাত টোলখন পাট্টাচাৰকুছিলৈ স্থানান্তৰিত কৰা হয়। এই টোল পূৰ্ববৎ সাহায্য প্ৰাপ্ত হিচাপে চলি থাকে। লক্ষ্মীকান্ত গোস্বামীৰ মৃত্যুত ইয়াৰো অপমৃত্যু ঘটে। ইয়াৰ পিছত ছবছৰ কাললৈ দেৱকান্ত গোস্বমী, প্ৰানকৃষ্ণ শৰ্মা আৰু ৰজনী কান্ত গোস্বামীয়ে এখন সুকীয়া টোল চলায়।

গোবিন্দপুৰ সংস্কৃত শিক্ষাৰ কেন্দ্ৰ আছিল। পণ্ডিত হৰিশচন্দ্ৰ গোস্বামীয়ে নিজৰ ঘৰতে টোল চলায়। পিছত তেওঁ নকুল চন্দ্ৰ গোস্বামীৰ লগত কীৰ্ত্তন ঘৰৰ ওচৰত অইন এখন টোল স্থাপন কৰে। শ্ৰীভবেন্দ্ৰ নাৰায়ণ গোস্বামীয়েও নিজৰ ঘৰত এখন টোল চলায়। বৰ্ত্তমান শতকৰ আদি ভাগৰ পৰা মুণ্ডৰীয়াত সেই গাঁৱৰে পণ্ডিত শ্ৰীহৰগোবিন্দ শৰ্মাই নিজৰ চেষ্টাত টোল এখন চলাই থকাৰ পিছত ১৯৬৪ চনত তেওঁ মহাবিষ্ণু সংস্কৃত বিদ্যালয়লৈ অধ্যক্ষ অহাত সেই টোল মৰি যায়।

সৰ্বানন্দ বেদন্তবাগীশে ৰতনপুৰৰ নিজৰ ঘৰতে নিজা টোল চলায়। পিছত চৌখুটীত গঠন কৰা আৰু সমাজৰপৰা চলোৱা বজালী চতুষ্পাঠীৰ টোলতো তেওঁ অধ্যাপনা কৰে। গাড়ীসত্ৰত বজালীৰ দ্বিতীয় মোডেল টোল চলোৱা হৈছে।

মহাবিদ্যালয়, উচ্চতৰ মাধ্যমিক, আৰু মাধ্যমিক বিদ্যালয়ত সংস্কৃত শিক্ষাৰ ব্যৱস্থা হৈ থকাৰ বাবে বজালীত সুকীয়া উচ্চাঙ্গ সংস্কৃত টোলৰ আৱশ্যকতা বোধ কৰা নাযায়। বৰ্ত্তমানে টোলৰপৰা অহা স্নাতকসকলে মহাবিদ্যালয়ত সংস্কৃত শিক্ষক হৈছেহি।

পূৰ্বৰ জ্ঞানকৰী সংস্কৃত শিক্ষা আৰ্থিক অনাটনৰ বশত অৰ্থকৰী বিদ্যালৈ ৰূপান্তৰিত হৈছে। গুৰু হব লাগিলে আৰু পুৰোহিত হব লাগিলে সংস্কৃত জনা দৰকাৰ। গুৰুৰ বৰ্তমানে সংস্কৃত শিক্ষা নালাগে। পৌৰোহিত্যৰ

যাবে কম সংখ্যক ছাত্ৰইহে সংস্কৃত পঢ়ে আৰু উপাধি লবৰ যত্ন কৰে বিদ্যালয়ত সংস্কৃত শিক্ষক হবলৈ। এই শিক্ষকবো বেতন আকৰ্ষনীয়। গতিকে পূৰ্বৰ জ্ঞানকৰী বিদ্যাৰ ঠাইত সংস্কৃত অৰ্থকৰী বিদ্যাত ৰূপান্তৰিত হৈছে।

সংস্কৃত মৃতভাষা নহয়। অসমীয়া সাহিত্য আৰু কোনো ভাষা বিনা সংস্কৃতে চলাধুলি ভৱাই ভুল। সংস্কৃত শব্দ সম্ভাৰ, ৰাতৰি কাকত আৰু পৰিভাষাই পৰিবেশন কৰি বৃদ্ধি কৰি আছে। অসমীয়াৰ জননী সংস্কৃতৰ অধ্যয়ন আৰু চৰ্চা কৰিলে মাতৃভাষা অসমীয়া বলবান হব। আজি কিছু বছৰ পূৰ্বে গঠিত বঙ্গালী সংস্কৃত পৰিষদে এই বিষয়ত উচিত ভূমিকা বহন কৰিব লগা আছে। সংস্কৃত চৰ্চা সকলো ভাষা প্ৰেমিকৰে কাম্য।

আমাৰ লোক-সাহিত্য

শ্ৰীসুৰেন্দ্ৰ নাথ শৰ্মা

গাঁওৰ মানুহ নিৰক্ষৰ, লেখা-পঢ়াৰ ক্ষেত্ৰত নোম-নেগুৰ বৰ্জিত। সেইবুলি কিন্তু তেওঁলোকক পেৎলাইকৈ হাঁহিবৰ শক্তি নাই। হাঁহিব লাগে যদি চহৰ নগৰৰ বুকুত অতদিনে বৰমেল পাতি বৰ বৰ বচনৰ ফান্নুছ উৰাই ঢোলে-দগৰে নদীৰ সিপাৰকৈ খেদি নিৰক্ষৰতাৰ ভিকাচন ভাগিবলৈ প্ৰয়াস প্ৰদৰ্শন কৰা আমাৰদৰে মথাকহে আৰু বাহাদুৰি যদি দিব লাগে দিব লাগিব গাঁওৰ সেই অঠগু-বানহু আৰু জয়ৰাম মনমিলইঁতক যিসকলে ক-খ নাজানিও (নজনাৰ বাবে?) মনৰ তলিৰপৰা অহা কথাবোৰ নিৰ্ভ জুৰাকৈ মুখে মুখে বিলাই যাব পাৰিছে। তেওঁলোকৰ কথাত পাণ্ডিত্যৰ মোখনী নাই সঁচা, কিন্তু তাৰ আঁৰত অভিজ্ঞতাৰ সমৰ্থনো যে নাই তেনে নহয়। বিদ্যালয়-মহাবিদ্যালয়-বিশ্ববিদ্যালয়ৰ শিক্ষা নাথাকিল বুলিয়েই অভিজ্ঞতাৰ সাধাৰণ পঢ়াশালিত ঢাৰিতে বহি হ'লেও যে তেওঁলোকে পাঠদিয়েক পঢ়া নাই তেনেকৈ ভাবিবৰ যো নাই। তেওঁলোকৰপৰা যি পোৱা গৈছে তাত ভাষাৰ ভূষণ, ব্যাকৰণৰ বিচাৰ বা বাহ্যিক সাজ-পাৰ নাথাকিব পাৰে, কিন্তু সি সাৰশূন্য, ৰসহীন বা ভাববিবৰ্জিত কেতিয়াও নহয়। তেওঁলোকৰ কথাবোৰ হাতবগৰা নহয় যে সজাই-পৰাই পৰিবেশনৰ প্ৰয়োজন হ'ব। আপোনা-আপুনি নিজ অভিজ্ঞতাৰ আৰু মনোভাৱৰপৰা যি বিভাৱে ওলাইছে তাকেই সেইভাবে চিধাকৈ তেওঁলোকে প্ৰকাশ কৰিছে।

আকৌ, নিৰক্ষৰ নহ'লেই যে যথাৰ্থ শিক্ষিত আৰু নিৰক্ষৰ হ'লেই যে অশিক্ষিত তাকো কব নোৱাৰি। গাঁৱৰ নিৰক্ষৰসকলৰ অনেকে মুখে মুখে শুনিয়ে শাস্ত্ৰাদিৰ আখ্যান আখ্যায়িকা আৰু এনেকি তাত্বিক বা নীতিমূলক বিষয়বোৰো যেনেকৈ জানে আৰু বুজে, আধুনিক শিক্ষিতসকলৰ কেতবোৰে তেওঁলোকৰ সেই জ্ঞানৰ ওচৰ চাপিবলৈ টান পাব বুলি কলেও

অত্যুক্তি কৰা নহয়। তৰ্ক বিতৰ্কেৰে কোনো মত প্ৰতিপন্ন কৰিবলৈ তেওঁলোক সক্ষম হ'ব পাৰে, কিন্তু বিশ্বাস আৰু আস্থা তেওঁলোকৰ সবল। এনে জ্ঞান আৰু সবলতাৰ ভেটিতো কত গীত-মাত, বাক্য-বচন তেওঁলোকে পৰিবেশন কৰিছে, কত তন্ত্ৰ-মন্ত্ৰ ৰচি গোপনে অভ্যাস কৰিছে।

বিচক, আমি লোক-সাহিত্য বুলিছোঁ সি বিসকলৰ পৰা আহিছে, সিসকলে তাক সাহিত্য হ'ব বুলি সৃষ্টি কৰা নাছিল। সেইবোৰ হ'ল অভিজ্ঞতা, মনৰ ভাব, উচ্ছ্বাস, আবেগ, বিশ্বাস প্ৰভৃতিৰ নিজৰ ভিতৰতে ঘৰুৱা ভাষাত মৌখিক প্ৰকাশ। আজিৰ শিক্ষিত সমাজে লোকসাহিত্য হিচাপে স্বীকৃতি দি পাহৰণিৰ গ্ৰাসৰপৰা সেইবোৰ ৰক্ষা কৰিবলৈ কৰা প্ৰয়াস সঁচাকৈয়ে সমীচীন হৈছে।

লোকসাহিত্য সাহিত্যিক আখ্য মুষ্টিমেয় কেতবোৰৰ অৱদান নহয়। ই সৰ্বসাধাৰণৰ উমৈহতীয়া অৱদানহে। সাধাৰণ সমাজৰ বহুজনে কোনো এক অভিজ্ঞতা বা অনুভূতি লাভ কৰে আৰু সেই উমৈহতীয়া অভিজ্ঞতা বা অনুভূতিৰ আধাৰত লোকসাহিত্যৰ ভিতৰৰপৰা কিবা এবিধৰ সৃষ্টি হয়। কোনো অজানিত কোনোবাৰ মাধ্যমেৰে সি প্ৰকাশ পালেও দোভাগ ৰাতি বন্তিৰ তেল পুৰি সেই কোনোবাজনে তাক উলিওৱা নহয়। তেওঁ জানে যে বহুজনৰ কথাকেহে তেওঁ কৈছে। এই ক্ষেত্ৰত তেওঁ কোনো ধনস্বাৰে অধিকাৰী বুলি নাভাবে।

লাঠি হাতত লোৱা লাখুটি। আমাৰ সকলোৱে জানে। ই হাতত থাকিলে এজন বন্ধু থকা যেন লাগে। এচলা পানী পাৰ হব'লৈ হ'লে তাৰ গভীৰতাৰ জোখ লোৱাত লাঠীডাল ব্যৱহাৰ কৰিবপৰা যায়। ইয়াৰে কালসাপকো বধিব পাৰি আৰু কুকুৰে খেদি আহিলে জোকাৰি ভয় দেখুৱাব পৰা যায়। ব'ঠাৰ অভাৱত অগত্যা নাও চলোৱাত বা বাওঁকা নহ'লে ভাৰ বৈ নিয়াতো লাঠীডাল কামত আহে। পীৰা ঢাৰি নাথাকিলে লাঠীকে পাৰি বহা যায় আৰু হাঁকুটীৰ অভাৱত তাৰে পাণ পাৰবও পাৰি। তামোল খাই চুণকণ মছিবলৈ অইন একো নাথাকিলে লাঠী কামত লাগে। লাঠীৰ গুণৰ এই বিভিন্ন অভিজ্ঞতা বিভিন্ন জনৰ আছে। এই সকলোবোৰকে গোটাই কোৱা হ'ল—

হাতৰ সখা। পানীৰ জখা (জোখা)॥
সাপ দেখি ফেলি (পেলাজি) মাৰি।

নাই পীৰা বইহলি (বহিলি) পাৰি ॥
নাই বৈঠা (ব'ঠা) হবি পাৰ।
নাই বাস্কা (বাওঁকা) বইলি (বলি) ভাৰ॥
নাই হাকুটী (হাঁকুটী) পাল্লি (পাৰিলি) পাণ।
কুকুৰে খেদালি (খেদিলে) মাল্লি (মাৰিলি) হান॥
তামুল (তামোল) খাই মুছ্লি (মছিলি) চুণ।
এই নটা লাঠীৰ গুণ॥

গাঁওত মাছলৈ যোৱা, মাছ মৰা দস্তুৰ। নদী-নলা, খাল-বিলৰ উপৰিও বান-বাৰিষা অ'ত ত'ত বন্ধ হোৱা পানী; মাছ পোৱা গৈছিল। খাবৰ আজি দিহ নাই—গৃহিণীয়ে উলিয়াবলৈকেহে পালে, গিৰিহঁতে ডোলডাল বেৰপেটীত খুহি কুকটো পাচৰফালে ওলোমাই জাকৈখনকে কান্ধত পেলাই ওলাই গ'ল, এসাজ দুসাজৰ মাছ লৈ আহিল গৈ। জাল পতা, বৰশী, টোপা বোৱা এইবোৰতো আছেই। কাৱৈ, গড়ৈ, মাগুৰ আৰু সেইলেখীয়া মাছ টো বা খালীত জীয়াই থৈ তাৰেপৰা উলিয়াই উলিয়াই খোৱা হয়। পঁইতা ভাতৰ লগত পোৰা মাছ এক পৰম দিহ। কোনো বোৱাৰীয়ে লোভ এৰাব নোৱাৰি কোনো নোহোৱাত আঁৰকৈ গড়ৈ মাছ এটি জুইত দিয়া একো বুজিব নোৱাৰা কথা নহয়। কথাই কথাই তেনে এক ঘটনাই ওলালগৈ। জহৰ দিন, হলেও জুইশালত তুহঁৰ জুই। ঘৰত ডাঙৰ ডাঙৰ গড়ৈ মাছ। সেইখিনি পৰৰ ঘৰতো কেও কোনো নাছিল। বোৱাৰীজনীয়ে ভাবিলে মাছ পোৰাদিয়ে ততাতৈয়াকৈ এমুঠি পাৰিলে ধৰা যাওক। ইফালে সিফালে চাই এছাৰমাৰি পেলাই মাৰি গড়ৈ মাছ এটি তুহঁৰ জুইত সোমাই দিলে। বেচেৰীৰ পাছে ভাগ্য বেয়া আছিল। হেন সময়তে ক'ৰবাৰ পৰা শহুৰেক ওলালহি। ভিতৰ সোমাই ডুখৰি পীৰাখনতে বহি ললে। পোৰা মাছৰ বাচ পাই বুঢ়াৰ আৰু উৰহীৰ ওৰ পাবলৈ বাকী নৰল। হলেও মনে মনে থাকিল বুঢ়া। ইফালে উচ্পিচ্ লগালে বোৱাৰীয়েকে। গোমৰ ফাকহৈ যায় বুলি বেচাৰীৰ আৰু তত্ নাই। অগত্যা সাহ গোটাই বোৱাৰীয়েকে মাত লগালে—জহৰ মহৰ কাল। শহুৰ বুঢ়া বাহিৰ অল্লিহে (ওলালেহে) ভাল॥—যেন শহুৰেকৰ বাবে আৰু বেথাৰ সীমা নাই। একেই জহকালি, ঘৰ গৰম, তাতে আকৌ মহৰ কামোৰ; তেনেস্থলত ঘৰৰপৰা ওলাই বুঢ়া শহুৰেকে চোতালত বা-বতাহ লগোৱাহে ভাল। পাছে কলে কি হব, সকলো মিছা,

শহুৰেকে যে ইতিমধ্যে আচল ঘটনাৰ উমান পাই গৈছে। বুঢ়ায়ো মুখ মেলিলে— জহো যাক (যাওঁক) বৈ, মহো যাক (যাওঁক) বৈ।

তুইঁৰ তলৰ ধুম গড়ৈটু (গড়ৈটো) সিও যাক (যাওঁক)

ডৈ (ডেই)॥

—মোলো মোক আৰু আভুৱা ভাবিব নালাগে। বিয়ে নহওক মই আৰু নোলাইছোঁ। মই ভিতৰত থকা বাবে তুইঁৰ তলত কোনোবাই খোৱা ডাঙৰ গড়ৈ মাছটোও যদি ডেই যায় মোৰ লৰচৰ কৰিবৰ নাই। ভদ্ৰলোক শহুৰেকে চিধাকৈ ভেদভাঙি নিদিলেও বা গালি-শপনি নাপাৰিলেও যোৱাৰীয়েকে ভিতৰি মৰিযোৱা যেন পালে। হলেও লেতেৰা এক অৱস্থাৰপৰা নিজকে বচাবলৈ যোৱাৰীয়েকৰ আৰু কথলৈ প্ৰয়োজন নহ'ল যে তেওঁ কেতিয়াও গড়ৈমাছটো জুইত দিয়া নাই, এনেয়ে জঁপিয়াই আহি কিবাকৈ সেইদৰে পৰিছে হবলা, কাৰণ শহুৰেকে কোনো প্ৰশ্নকে তোলা নাছিল। কোনোবাই কোনো স্বাৰ্থপৰ উদ্দেশ্য পুৰাবলৈ মতলব আটি অইন কোনোবাক তেওঁৰ অতি আপোন যেন দেখুৱাই কিবা কৰিবলৈ কলে অন্যজনে যেতিয়া তাক বুজিপাই সেইমতে কাম কৰিবলৈ অসন্মত হয় তেতিয়া এই ঘটনাটোৰ উপমা দিয়া হয়।

সেই নেদেখা দিনৰ বৰ ভুঁইকপঁটোৰ কথা। সৰুকালতে ডাঙৰৰ মুখে শুনিছিলোঁ। মানুহৰ বৰ এলাই আথানি হৈছিল। ল'ৰা তিৰোতাৰ হাতত ধৰি কলৈ যাওঁ কত পাকোগৈ, কতজনে যে লৰি-ধাপৰি ফুৰিছিল। জোকাৰণিৰ ওপৰত জোকাৰণি। ঘৰদুৱাৰ, গছ বিৰিখৰ হৰ্ হৰ্ মৰ্ মৰ্ মৰ্ শব্দ। পাতাল ফুটি ওলোৱা বালিয়ে বালি আৰু ডকাফুটি ওলোৱা পানী। কোনো কোনো ঠাই বালিয়ে পুতি পেলায়; কিছুমান ঠাইত আকৌ পানী উঠাৰ বাবে নাও পৰ্যন্ত ব্যৱহাৰ কৰিব লগা হয়। কুলা-চালনী, ঢেঁকী-খুৰানি, বাচন-বৰ্তন প্ৰভৃতি কত যে আচবাব আৰু অন্যান্য লাগতিয়াল অলাগতিয়াল বস্তু মাটি আৰু বালিৰ তলত পোত গ'ল তাৰ আৰু সীমা সংখ্যা নাই। তহহিলদাৰ আৰু সেইলেখীয়া যোত্ৰবানসকলৰ হাতীয়ো ঠায়ে ঠায়ে বালিয়ে পুতি পেলায়। এনেকি কাঁথিৰ কোণত বহি থকা তিনিমুৰীয়া বুঢ়া এজনো তলৰপৰা উঠা বালিত পোত যায়, সকলোৱে ধৰাধৰিকৈ কোদালেৰে খান্দিহে তেওঁক উলিয়ায়। ভুঁইকঁপৰ জোকাৰণিত গুৱাহাটী হেন চহৰৰো পকীদালানঘৰ খহি পৰে। সেই সময়ত মাটিত বন্ধা-বঢ়া কৰিবৰ উপায় নাছিল। তেনে

অৱস্থাত মানুহে কৰে কি—শাৰী শাৰীকৈ খুটা পুতি চাং পাতি লয়, চাঙৰ ওপৰত গাতে গা লগাই কাঠৰ তক্তা বা বৰ ডাঠকৈ কল প্ৰভৃতিৰ পাত পাৰি দিয়ে আৰু তাৰে ওপৰত ডাঠকৈ মাটি তুলিহে ভাত ৰান্ধি খায়। কিছুমনে আকৌ নিজৰ ঘৰ-দুৱাৰ এৰি নিৰাপদ ঠাইত উঠিবলগা হয়। তেনে নিৰাপদ এক স্থান আছিল শ্যামৰায় গোঁসাইৰ ঘৰ। শ্যামৰায় গোঁসাইৰ ঘৰ (গাঁওৰ মানুহে ছামৰা গহেৰ ঘৰ বুলি কয়) বুলিলে বজালীৰ গোবিন্দপুৰ সত্ৰকে বুজায়। ই এক দামোদৰীয়া সত্ৰ, শ্যামৰায় (ভগৱান শ্ৰীকৃষ্ণৰ এক নাম) ইয়াৰ বিগ্ৰহ। সত্ৰৰ নামঘৰত অঞ্চলৰ অনেকে ভুঁইকঁপৰ সময়ত আশ্ৰয় লৈছিল আৰু আপইতা কঠালবোৰকে কাটি কাটি খাইছিল। তাৰে বৰ্ণনা দি গাঁওৰ মানুহে কয়—

জেঠৰ মাহৰ বাৰ দিন যাবত (যোৱাত) সময় ভাঠীবেলা (ভাটীবেলা)।
পশ্চিমৰপে (পৰা) ভুইকুপ (ভুঁইকঁপ) আহি তিন্‌টা (তিনিটা)
মাল্লাক (মাৰিলে) ঠেলা॥
যতমেনি (যতমানে) গাছ (গছ) বিৰিখ হৰ্‌হৰ্‌ কৰে।
তিৰী-ছলিক হাতত ধৰি দাউৰা দাউৰি (দৌৰাদৌৰি) কৰে॥
তলোৰপে (তলৰপৰা) উঠি আহে ডকা-ফুটা পানী।
বাপুসকলে উঠি পাছে নাৱ আনলাক (আনিলে) টানি॥
কুলা পুত্‌লাক (পুতিলে) চাংলী (চালনী) পুত্‌লাক আৰো (আৰু)
পুতলাক পাচি।
জাগাই জাগাই পুতি ফেল্লাক (পেলালে) তহছিলদাৰৰ হাঠী (হাতী)॥
ঢেকী পুত্‌লাক পথলি (খুবলি) পুত্‌লাক আৰো (আৰু)
পুত্‌লাক থুৰা (থোৰা)।
কাঁথিৰ কনাত (কোণত) পুতি ফেল্লাক তিনিমুইৰা (তিনিমুৰীয়া) বুঢ়া॥
বাপুসকলে উঠি বুলে (বোলে) কদল খেনি (কোদালখন) আন।
ধৰাধৰি কৰি সকলে বুঢ়াটুক (বুঢ়াটোক) থান॥
কথাগিলা (কথাবোৰ) কইছুমেনি (কৈছোঁমানে) কয়ে (কৰ্নে)
থাকা ধৰি।
গুৱাহাটীৰ পকী-দালান আছে পৰি-পৰি॥
খুটা দিছ্‌লু (দিছিলোঁ) শাৰী শাৰী ৰনকে দিছ্‌লু পাত।
চাঙোৰ (চাঙৰ) উপ্‌ৰোত (ওপৰত) মাটি তুলি ৰান্দি (ৰান্ধি)
খাইছলু (খাইছিলোঁ) ভাত॥

হাম্ৰা (শ্যামৰায়) গহেৰ (গোসাঁইৰ) ঘৰোত (ঘৰত) আমি
আছ্লু (আছিলোঁ) তিনি ৰাতি ।
আপেলেইতা (আপইতা) কাঠলগিলা (কঠালবোৰ) খাইছ্লু
(খাইছিলোঁ) কাটি কাটি ॥

গীত আকাৰে সুৰ লগাই ইয়াক গাব পৰা যায়। পাছে এই বেৰেৰিৰাংথন গাই আমি কিয় সক হ'ম ? তাতকৈ গাম—

ভূমিকম্প হয়ে গেলো।
মন একবাৰ হৰি বোলো ॥
—নহয় জানো ?

বিহুতে নে কিহবাত ক'ৰবাত কাণত পৰিছিল এটি গোৱালপৰীয়া গীত—

বাপ্ ৰে বাপ ! নাপাকং মই কামাই কৰিবাৰ।
কামাই কৰিতে নাপাকং মই কিসে ?
কামাই কৰিতে নাপাকং মই এই কমৰৰ বিষে।
হাল বায়া আইলা সোৱামী কামতো হলো সাৰা।
ঢেকিৰ শালত জুইৰা থৈছু সাতদিনীয়া বাৰা ॥

* * * *

ভাত খায়া আইলা সোৱামী ময়ো কাটুং গুৰা।
চাট কৰিয়া তুলিয়া দে তই দুটি মানুষেৰ চুৰা ॥

গীতটোৰ সুৰ-সঞ্চৰ বৰ উপাদেয়। শুনিলে ভাল লাগে। শ্ৰোতাসকলে গীতটো বৰকৈ উপভোগ কৰিছিল ইয়াৰ আঁৰত থকা ঘটনাটোৰ বাবেও। গিৰিয়েক কামিলা, হয়তো তিৰী-লেকৰাও আৰু ঘৈণীয়েক তেনেই এলাইবাহু আৰু ধোদ। কঁকালৰ বিষত থোৱা আৰু তামোলকণ কটাৰ বাহিৰে ঘৈণীয়েকে একোকে কৰিব নোৱাৰে বুলি কৈ বেচেৰা গিৰিয়েকৰ হতুৱাই হাল বাই অহাৰ পাছতো ধান বনাৰ পৰা চুৰা পেলোৱালৈকে সকলোখিনি কামকে কৰাইছে।

এনে ধৰণৰ ঘটনা গোৱালপাৰাৰ বাহিৰে অন্য ঠাইতো নঘটা নহয়। প্ৰায় অৱিকল এনেকৈয়ে আমাৰ গাঁৱলীয়া লোকে এক বৰ্ণনা মুখে মুখে আওৰাই আনন্দ লাভ কৰে। সুৰ লগাই গোৱা হ'লে কাণত এদিনলৈকেও পৰা নাই। সুৰ সংযোগেৰে যে গাব নোৱাৰি তেনে নহয়, পাছে তাকে কৰিবলৈ কোনোবাই মন কৰিলেহে আকৌ !

ৰাতিপুৱাৰ পৰা পথাৰত হাল বাই গিৰিয়েক উভতিলত ঘৈণীয়েকে অভ্যৰ্থনা জনাই কৈছে যে গোটেই পুৱাবেলাটো এনেকৈ হাল বাবলৈ পোৱাটো গিৰিয়েকৰ পক্ষে বৰ সুখৰে কথা। তেওঁৰ হলে বৰ দুখ যে খুবলিত ধান পেলাই এতেপৰে বাট চাই থাকিব লগা হৈছে। সি যি কি নহওক, সমস্যা যে তেওঁ স্বামীগুৰুক কৈছে যে তেওঁ এতিয়া ধানখিনি বানি চাউলখিনি চৰি উলিয়াব লাগে। ইয়েই কিবা বোলেনে—"দাদিগ্‌দিগাৰ পাত্ৰ, ধান বানিলেহে ভাত।" চাউলখিনি চালি-জাৰি উলিওৱাৰ পাছত কাৰলতিত কলহ লৈ পানী আনিবলৈকেও গিৰিয়েকক ঘটালৈ তেওঁ যাবলৈ কৈছে। ঘৰত জুইৰ ব্যৱস্থা নাই যেতিয়া গিৰিয়েকেই কাষৰ কোনোবা এঘৰৰপৰা তাক অনাৰ দিহাকেৰা কৰক আৰু দিহলৈ বুলি সোপাচেৰেক পুৰৈশাকো চালৰপৰা পাৰি দিয়ক। ইমানেই কৰিলে যেতিয়া শাকধান কুটি ভাতগালৰ লগতে আঞ্জাকেৰাও ৰান্ধক, কোনো ভয় নাই, তেওঁ কাষতে থাকিব। ভাত-আঞ্জা হৈ যোৱাৰ পাছত দুজনৰে বাবে আঠীয়া কলৰ পাতত ভাত বাঢ়ি দিবলৈ গিৰিয়েকক কোৱা হৈছে। নিজৰ বাবেতো গিৰিয়েকে ভাত বাঢ়িবই, লগতে তেওঁৰগালো বাঢ়ি দিয়ানো কি কথা! খাই-দাই উঠাৰ পাছত কামবো প্ৰায় শেষেই পৰিল। বাকী কেৱল পাত দুখন পেলাই চুৰা ঠাইকণ মছা। ঘৈণীয়েকে আৰু তাৰপৰা পতিদেৱতাক বঞ্চিত কৰিবলৈ খোজা নাই। পাছে তভাতৈয়া কৰিবৰ একো প্ৰয়োজন নাই। তামোলখন আগেয়ে মুখত ভৰাই চুৰাদুখন পাছত পেলালেও হ'ব। চুৰা ঠাইধান মছা মাৰি নিয়ানো আৰু কি কথা! বৰ্ণনাটো হ'ল—

হাল মেলি আইহ্‌লা (আহিলা) প্ৰভু পৰম সুখীয়া।
ঢেঁকীৰ বাৰ জুৰি প্ৰভু আছু (আছোঁ) ৰখিয়া॥
ধানমুঠি বানা প্ৰভু খুদমুঠি থৰা (থোৱা)।
কাৰত কলসী লই পানীৰ ঘাটে যৰা (যোৱা)॥
ইঘৰ-সিঘৰ কৰি প্ৰভু আনি দিয়া জুই।
চালৰপে (পৰা) পাৰি দিয়া সপাচেৰা (সোপাচেৰেক) পুই (পুৰৈ)॥
শাকথেনি (খিনি) কুটা প্ৰভু ভাতথেনি ৰান্দা (ৰান্ধা)।
কাৰোত (কাষত) ৰইছু (ৰহিছো) প্ৰভু নাই একো ধান্দা॥
গাইঠা (গাঠীয়া) ধানৰ ভাত প্ৰভু আইঠা (আঠীয়া) কলৰ পাত।
একেলগে বাঢ়ি আনা দুয়োজনৰ ভাত॥

খাই-দাই উঠি প্ৰভু মুখে দিয়া গুৱা।
একেলগে লৈ যৰা (যোৰা) দুয়োতাৰ চুৰা॥

একে একে সোপাকে ঘৈণীয়েকে গিৰিয়েকক কৰিবলৈ দিছে, কিন্তু কিবা এটি কৰিবলৈ কোৱাত এনেভাৱে ক'ৰ খোজে যেন সেইটোহে মাথোন গিৰিয়েকে কৰিব লাগে, বাকীখিনি ঘৈণীয়েকেই কৰিব। সেই তামোল খাব খোজা কোনোবাই কোৱাৰ দৰে—মোৰ সকলো আছে, কেৱল তামোল এটা, পাণ এখিলা, চুণকেৰা আৰু মুখত খোৱা ধপাতকণ কটাৰী এখনেৰে দিলেই হ'ব, কাটি দিলে কটাৰীৰো আৰু প্ৰয়োজন নাই।

কোনো কোনো মানুহে সোপাকে ঢালি দিয়ে, কিন্তু এটোপাও হলে নিগৰি নোলায়। বাহিৰত এনেনো উদাৰ আৰু বহল মনৰ, আচলত হ'লে অতি কৰাইচ, কিপিণৰো কিৰ্পিণ। খাবলৈ বহুৱাই কয়—হ'ব হ'ব, আৰু নেলাগে, বোপাৰ পকৰাৰ আধাৰে আধাৰ; নহ'লে অলপ দিয়কে বোপা, নে কি কোৱা? বোপাইনো এতিয়া লাগে বুলি কয় কেনেকৈ? তাকেই কয়—

দেইতীৰ (দিয়তীৰ) ঘৰক খাইতী (খাঁতী) আইছি (আহিছে)
কি দিম দিম কৰে।
তেত্‌লীৰ (তেঁতেলীৰ) পাতত ভাত দি দি
অকলিকাদা (ওকোল-মোকোল) কৰে॥

বৰ আশা কৰি খাবলৈ বুলি দিয়তীৰ ঘৰলৈ খাঁতী আহিছে। দিয়তীৰ আৰু সোধ-পোছৰ ভাব দেখুওৱাৰ অন্ত নাই; কি কৰিব কি নকৰিব, ক'ত থ'ব ক'ত ল'ব লাগিল। খাবলৈ দিলে কিন্তু কলপাততো নহয়, তেঁতেলীৰ পাতহে। কম ডাঙৰ পাত নে তেঁতেলীৰ! দকচি থাওক এতিয়া যিমান পাৰে। তেঁতেলীৰ পাতত বাঢ়ি দিয়া ইবিধ-সিবিধ, নানাবিধ খাই খাই খাঁতীৰ যে বঁতিয়াই-উকলিয়াই পেলাব লগা অৱস্থা হ'ব নক'লেও বুজিব পৰা যায়।

ইয়াৰ লগতে মনলৈ আহে—

বায়ে বাই (বাই অ' বাই) তোৰ মমতত মৰু (মৰোঁ)
খইহ্‌লা (খলিহা) মাছৰ দুইপিঠি খাই গোটে-পিটে (গোটে-গোটে)
এৰু (এৰোঁ)॥

বুজি পালেনে এতিয়া বায়েকলৈ ভনীয়েকৰ পীৰিতিৰ কোষ? এলাউলা মাছ নহয়, একেবাৰে খলিহনা। এইহেন মাছটোৰ দুপিঠিহে মাথোন ভনীয়েকে

একৰাই খাইছে, অৱশিষ্ট মাছটো গোটে গোটে বায়েকলৈ বুলি মৰমতে এৰি থৈছে, তপালি তপালি বায়েকে এতিয়া খোৱাহে কথা।

বায়েক-ভনীয়েকৰ কথা-বতৰাৰ আলমত আৰু এক বৰ্ণনা—

বায়ে থাই (থাই অ' থাই) একদুণ (এদোণ) চাউলত পিঠা কেইখেন (খন) পাই (পোৱা যায়)।

এ বৈনী (ভনী)

অতাবা জান্লি (অঁতাব জানিলে) এখেন-আদখেন (এখন-আধাখন)

অতাবা নাজান্লি (অঁতাব নেজানিলে) চক লেটপেটাওতে থাই (যায়)॥

ইয়াত বায়েকে যেন আগৰ ঘটনাৰ প্ৰতিশোধহে ল'বলৈ বিচাৰিছে। চাউলৰ অনেক পিঠা গুড়ি ভনীয়েকে দেখে, কিন্তু পিঠাৰ বেলিকা হ'লে বেচাৰীয়ে ভাগকে নাপায়। কেনেকৈনো পাব! বায়েকে যে সকলোখিনিকে নিজৰটোত পেলায়। ভনীয়েকেও হয়তো ঘটনা বুজে। ভনীয়েকে একো নজনাৰ দৰে বায়েকক এতিয়া সুধিছে—এদোণ চাউলৰ গুড়িৰপৰা আন্দাজ কিমানখনমান পিঠা ওলাব পাৰে। নিজৰ গোপন মতলব আছে যেতিয়া বায়েকেতো আৰু ভেদ ভাঙি ক'ব নোৱাৰে। সেয়ে তেওঁ ভনীয়েকক কৈছে যে অঁতোৱাজন পাকৈত হ'লে সেই পৰিমাণৰ পিঠাগুড়িৰপৰা এখন বা আধাখন পিঠা স্বচ্ছন্দে ওলাব পাৰে। অঁতাব নাজানিলে কিন্তু চকত লেও লাগিয়েই সি উদি হয়, পিঠা আৰু নোলায়।

কিবা এটা বিষয়লৈ সমূলি মন নাই, কিন্তু কিবাকৈ লগৰ লগত তাত সোমাই দেখা গ'ল যে বেচ লাভ আছে। লাভৰ মুখ দেখিলে স্বভাৱতে প্ৰলোভন জন্মে আৰু প্ৰলোভনত পৰিলে আন্তৰিকতা নথকা বিষয়ৰ প্ৰতিও অনুৰাগ থকা যেন দেখুৱাব লগা হয়। মাকৰ লগত তেওঁৰ সৰু ল'ৰাটো নামলৈ যায়। পাছলৈ গৈ এনে এক অৱস্থা পালে যে মাক ক'ৰবালৈ ওলালেই ল'ৰাটোৱে ভাবে যে নিশ্চয় নামলৈ যাব। সি আৰু মাকৰ লগ নেৰাই হ'ল, যাতে মাকে তাক কোনোমতে ঘৰত এৰি যাব নোৱাৰে। নাম ভাল লাগে বুলিহে যে নামলৈ তাৰ এনে ধাউতি সি কিন্তু নহয়। মাহ-চাউল আৰু কল-নাৰিকলৰ আশাতহে নামলৈ তাৰ ইমেন মতি। বয়স বাঢ়ি অহাতো মাহ-চাউলৰ লোভ সি এৰিব নোৱাৰিলে। শেহত গৈ তেওঁ মালা-মন্ত্ৰ লৈ ভকতেই হ'ল—

আই গেছিল (গৈছিল) নাম গাইবা (গাবলৈ) মেয়ো গেছ্লু (গৈছিলোঁ) লগত ।

মাহু-গান্ধী খাবা (খাব) পাই ময়ো হলু (হলোঁ) ভকত ॥

এইদৰে কত কথাই যে গাঁৱত প্ৰচলিত। সকলো অন্তৰৰপৰা ওলোৱা আৰু শিক্ষাপ্ৰদ। মনতপৰা আকৌ কেইটিমান উল্লেখ কৰা যাওক। যাৰ যি নাই তাকে লৈ কত যে তেওঁৰ বৰ বৰ কথা। মোৰ ধন নাই, থকা হ'লে গুটি টকাৰে বাট-ঘাট বন্ধাই দিলোহেঁতেন। অমুকৰ পুতেকে যোলে এনে কুকাণ্ডখন কৰিলে, তথাপি বাপেকে আকৌ তাৰ গুণকেহে বখানে; ভাগ্য ভাল যে মোৰ বেটা-পো নাই, থকা হ'লে কোবাই লাচ্ কৰি দিলোঁহয় বাপেকে। এনে অৰ্থ বুজাবলৈ ব্যৱহাৰ কৰা হয়—

যাৰ তিৰি নাই একে কিলে মাৰে।
যাৰ গৰু নাই নন্দন বুনত (বনত) চাৰে॥

আচলত সাৰপদাৰ্থ একো নাই, কিন্তু বৰ বোলাই দেখুওৱাৰ অপচেষ্টা—তাকে বুজাবলৈ গাঁৱৰ ফালে ক'ব—

বহ্ইবা (বহিব) নুজুৰে (নোজোৰে) ৰামপীৰা নাউ (নাম)।
তিনডাল (তিনিডাল) কলে হেতি (সৈতে) মেদিনীফাটা
গাউ (গাঁও) ॥

বহিবলৈ নাটে, কিন্তু নামত হ'লে ৰামপীৰা বা বৰপীৰা। গাঁওখনত গছ বুলিবলৈ তিনিজোপা মাথোন কল, কিন্তু তাৰ নামটো হ'লে পৃথিৱী জুৰি ছাটি-ফুটি যোৱা বুলি দেখুওৱা হয়।

নিজৰ যিথিনি আছে তাৰ আপডাল কৰা বা সাৱধানতা লোৱা প্ৰত্যেকৰে কৰ্তব্য। আৰু জিনিচবো আৱশ্যকবোধে তদবিৰ কৰা নিশ্চয় বেয়া নহয়, কিন্তু সেয়া হ'ব লাগে, নিজৰথিনিৰ আৱশ্যকীয় তদাৰক কৰাৰ পাছতহে, তাৰ সোপাকে তত্বাৱধানৰ অভাৱত নষ্ট হ'বলৈ দি নহয়। নিজৰ সকলো-খিনিকে অন্যৰ মুখলৈ এৰি সেইলেখীয়া পৰৰখিনি চম্ভালিবলৈ গ'লে স্বভাৱতে মানুহে সমালোচনা কৰি কয়—

আপনাৰ (আপোনাৰ) চাৰিপুৰা বাৰ বান্দাৰে (বান্দৰে) খাই (খায়)।
পৰৰ চাৰিপুৰাক মুনিহ দিবা (দিব) যাই (যায়) ॥

ইচ্ছা কৰিয়ে নিজৰ পথাৰৰ পকাধান গৰু-ম'হ, এন্দুৰ-চৰাই প্ৰভৃতিক খাই তছিলং কৰিবলৈ দি অন্যৰ পথাৰৰ ধান দাই দিবলৈ গ'লে মানুহে কিয়নো বাক তেনেকৈ নক'ব ?

খোৱা হয় ভোক গুচাবলৈ। কেৱল ফুৰ্তি বা সোৱাদৰ বাবে খোৱা হ'ল এক চখ বা আমোদহে। ভোকত আক সোৱাদৰ বিচাৰ-খোচাৰ থাকিব নোৱাৰে। ভোকেই তাতৰ আঞ্জা। আকৌ মেকুৰী পোহা হয় এন্দুৰ, নিগনি, ডালসলিয়া মাৰিবলৈ, ভাল জাত বা সঁচৰ বুলিয়ে কেৱল তাৰ মাছ-গাখীৰ খোৱা সহিবলৈ নহয়। কাম চাইহে দাম, কামৰ জোখতহে বস্তুৰ মূল্য—

কাঠৰ বিড়ালী (বিড়লী) হক ইন্দুৰ (এন্দুৰ) মাত্ৰ ধৰক।
সদৰ (সোৱাদৰ) মুৰত তিনটা (তিনিটা) লাথি (লাথি)
পেট মাত্ৰ ভৰক ॥

ধৰক. মোৰ আক আপোনাৰ মাজত বাকৈয়ে চিনাজনা আছে, কিন্তু এদিনলৈকেও অহা-যোৱা হ'লে নাই বা অনেক দিন আপুনি আমাৰ ঘৰলৈ অহা নাই। চহৰৰ হেম উকীল ডুজনৰে পৰিচিত। এবাৰ কিবা কামত আহি উকীল আমাৰ ঘৰতে উঠিলত গম পাই তেওঁক দেখা কৰিবলৈ আপুনি আমাৰ ঘৰত ওলালহি। আপোনাক হঠাতে তেনেকৈ দেখি মই ক'ম—আজি দেখোঁ পুবৰ বেলি পশ্চিমে! ও বুজিছোঁ বুজিছোঁ--

কাৰ ধৰি (কাৰ বাবে) কাৰ মুখ।
দহ্‌মীৰ ধৰি (দোমাহীৰ বাবে) পিঠাৰ মুখ ॥

এইদৰে গাঁৱত কত যে ধাৰ নকৰা কথা কাণত পৰে—

ৰথ ইচ্ছাই ৰথুনী (ৰথিনী)।
কৃষ্ণ ইচ্ছাই ৰুকুনী (ৰুক্মিণী) ॥

কল ইচ্ছাই পোলি (পুলি)।
মাক ইচ্ছাই ছোৱালী (ছলি) ॥

পৰে ক ত আপুন হয়।
ধুলাই ক'ত মাথা (মথা) লয় ॥ ইত্যাদি

আকৌ সেই—

শুক মোৰ বান্ধৱ, কিনো অদভুত ভৈলা।
মাজ সাগৰত শিল উপজিলা।
চাষৰ নাৱ তল গৈলা ॥

*   *   *

মাজ সাগৰত পছুৰ থটথাটি
সৰোবৰৰ মাজে গাছ।
গাছৰে উপাৰে (ওপৰে) পদ্দ্ ফুল (পদ্মফুল) ফুটিছে
পৰ্বত উপাৰে মাছ ॥

এইবোৰ, দেহবিচাৰৰ গীত, আইনাম, ধাইনাম, বিয়ানাম, জৰা-ফুকা মন্ত্ৰ আৰু কত কিযে আছে।

স্বাধীনতা আন্দোলনৰ জিলিঙনি

শ্ৰীহৰেন শৰ্মা

বিদেশী শাসক আৰু শোষক বৃটিছৰ বিৰুদ্ধে ১৭৭৩ চনতেই ভাৰতত প্ৰথম বিদ্ৰোহ হয়। অসম তেতিয়া স্বাধীন ৰাজ্য। উনৈশ শতিকাৰ তৃতীয় দহকতহে অসম বৃটিছৰ অধীনলৈ যায়। ১৮৭৫ চনৰ চিপাহী বিদ্ৰোহৰ সময়ত বজালীত কিবা আন্দোলন হৈছিল নে নাই তাৰ কোনো গম পোৱা নাযায়। ১৮৬৯ চনত বৃটিছ চৰকাৰে হঠাতে মাটিৰ খাজনা বৃদ্ধি কৰাৰ কাৰণে বজালীবাসী ৰাইজৰ মনত প্ৰথম বিপ্লৱৰ ভাব জাগি উঠে। এই খাজনা বৃদ্ধিৰ প্ৰতিবাদ কৰে বজালীৰ গোবিন্দপুৰ (কুঁৱাৰা) গাঁৱত প্ৰথম ৰাইজ মেল বহে। এই মেলত কেৱল খাজনা বৃদ্ধিৰ প্ৰতিবাদ কৰাই নহয়, খাজনা বন্ধ কৰিবলৈও সিদ্ধান্ত লোৱা হয়। উক্ত মেলত সমবেত হোৱা জনতাক দমন কৰিব নোৱাৰাৰ কাৰণে দাৰোগা ৺দেবেন্দ্ৰ নাথ শৰ্মাৰ চাকৰি গ'ল। এই আন্দোলনৰ প্ৰথম অৱস্থাত বজালীৰ ৰাইজ কৃতকাৰ্য হয়। পিছত কেইজনমান দেশদ্ৰোহীৰ কাৰণে বহুতো মুখিয়াল লোকে পুলিচী নিৰ্যাতন, জেল-জৰিমনা আদি শাস্তি ভুগিব লগীয়াত পৰে। ফলত ৰাইজৰ হৈ মাত মাতোঁতা নোহোৱা হ'ল আৰু চৰকাৰৰ খাজনা বৃদ্ধিৰ সিদ্ধান্ত বাহাল থাকিল।

পাতনি

বেছি মাটি থকা লোক সকলৰ স্বাৰ্থত আঘাত পৰাৰ বাবেই তেওঁলোকেই আন্দোলনৰ নেতৃত্ব আৰু তেওঁলোকৰদ্বাৰা প্ৰভাৱান্বিত কিছু সংখ্যক সৰ্বসাধাৰণ লোককো আন্দোলনলৈ টানে সঁচা। প্ৰকৃত ৰাইজৰ আন্দোলন হোৱা হলে মুখিয়াল কেইজনক আটক কৰাৰ লগে লগে আন্দোলন মাথামিল হৈঁতেন।

১৮৯৪ চনত বজালীত দ্বিতীয় ৰাইজমেল বহে। ইয়াতো খাজনা বৃদ্ধিৰ প্ৰতিবাদ কৰি খাজনা বন্ধ কৰিবলৈ ৰাইজ দৃঢ়প্ৰতিজ্ঞ হয়। নকৈ বহা থানাৰ কাষতে পাটাছৰকুছিৰ বৰ্ত্তমানৰ বালিকা বিদ্যালয়ৰ ঠাইত ৰাতি ৰাইজ মেল

ৰহিছিল। এই বাবে চৰকাৰী বিষয়া হবেশ্বৰ তহবিলদাৰে অন্যান্য বিষয়াৰ সৈতে খাজনা বন্ধ আন্দোলন দমন কৰিবলৈ যৎপাৰোনাস্তি চেষ্টা কৰিও অকৃতকাৰ্য হৈ আন্দোলনৰ নেতৃত্ব কৰা লোকসকলৰ তালিকা এখন চৰকাৰক দিয়ে। চৰকাৰে মিলিটাৰী আৰু পুলিচৰদ্বাৰা মুখিয়াল লোকসকলক ধৰাই নি আটক কৰি ৰাখে। উক্ত আন্দোলনত আগ ভাগ লোৱা আঠজন লোকে ফাটেক, জৰিমনা নাইবা দৈহিক উৎপীড়ন ভোগ কৰে। এই লোকসকলক পুলিচে অমানুষিক অত্যাচাৰ কৰে।

ইয়াৰ পিছত সুদীৰ্ঘ ছাব্বিশ বছৰকাল কোনো বিপ্লৱ আদি হোৱাৰ ভু পোৱা নাযায়।

১৯২১ চনত সৰ্বভাৰতীয় আন্দোলনৰ পৰিপ্ৰেক্ষিতত বজালীতো অসহযোগ আন্দোলন গঢ় লৈ উঠে। ইয়াৰ উদ্দেশ্য আছিল—(১) বিলাতী বস্ত্ৰ বৰ্জন, (২) খাজনা বন্ধ, (৩) মাদক দ্ৰব্য বৰ্জন, (৪) আদালত বৰ্জন, (৫) পঞ্চায়ত গঠন। উক্ত উদ্দেশ্যবোৰ প্ৰচাৰ কৰিবলৈ পাটাছাৰকুছিত এখন বিৰাট ৰাজহুৱা সভা হয়। ইয়াৰ পিছত গোটেই বজালীতে আন্দোলন বিয়পি পৰে। চৰকাৰে আন্দোলন দমাবলৈ পঁচিশজন মুখিয়াল লোকক গ্ৰেপ্তাৰ কৰি কাৰাদণ্ড দিয়ে। এই সময়ত বজালী কংগ্ৰেছৰ জন্ম হোৱা নাই।

অসহযোগ আন্দোলনৰ উদ্দেশ্য কেইটা সফল হলেও দুখীয়া জনসাধাৰণৰ কোনো উপকাৰ নহলহেঁতেন। গৰীবে বিলাতী বস্ত্ৰ লোৱা নাছিল, হাতে বোৱা কাপোৰহে ব্যৱহাৰ কৰিছিল। মদ আৰু কানি খাবলৈ তেওঁলোকৰ পইচা নাছিল। গৰীবৰ কাৰণে আদালতলৈ যোৱাৰ প্ৰশ্নই নাছিল। খাজনা বন্ধ কৰিবলৈ মাটি নাছিল। পঞ্চায়তৰ ৰায় সদায় ধনীৰ পক্ষেহে গ'লহেঁতেন।

১৯৩০ চনত ডুবিৰ ৰাজহুৱা সভাত বজালীত প্ৰথম এড্ হক্ কংগ্ৰেছ কমিটি এখন গঠিত হয় আৰু উক্ত কমিটিয়ে আইন অমান্য আন্দোলনৰ পাতনি মেলে। উক্ত আন্দোলনত বজালীৰ সাত গৰাকী লোকক সভাত বক্তৃতা দিয়া আৰু গাঁজাৰ দোকানত পিকেটিং কৰা অপৰাধত গ্ৰেপ্তাৰ কৰি কাৰাদণ্ড দিয়ে।

১৯৪০ চনৰ সত্যাগ্ৰহ আন্দোলনত উনৈশ গৰাকী বিশিষ্ট কংগ্ৰেছ কৰ্মীয়ে সত্যাগ্ৰহ কৰে। তেওঁলোকৰ চাৰি জনকহে চৰকাৰে গ্ৰেপ্তাৰ কৰি কাৰাদণ্ড দিয়ে। বাকী সকলক চৰকাৰে গ্ৰেপ্তাৰ নকৰাত কংগ্ৰেছৰ উৰ্দ্ধতম কৰ্তৃপক্ষৰ নিৰ্দ্দেশ মতে তেওঁলোকে ঘৰৰ বাহিৰত থাকি চাৰিমাহ সংগঠনৰ কাম কৰে। কংগ্ৰেছৰ মূলনীতি আছিল অহিংস।

শ্ৰমিক, কৃষক আৰু মধ্যবিত্ত জনসাধাৰণে ইংৰাজৰ শোষণ আৰু উৎপীড়নৰ-পৰা মুক্ত হ'বলৈ জাতীয় কংগ্ৰেছৰ নেতৃত্বকেই মানি লৈ ৪২অৰ স্বাধীনতা সংগ্ৰামত জঁপিয়াই পৰিছিল। অৱশ্যে কংগ্ৰেছৰ নেতৃত্ব মানিও জনতাই বহুতো ক্ষেত্ৰত অহিংসনীতি নামানি হিংসাৰ আশ্ৰয় লৈছিল। কিন্তু জনসাধাৰণৰ মাজত উপযুক্ত সংগঠন নোহোৱা বাবেই '৪২অৰ আন্দোলন সফল নহ'ল।

৪২ অৰ গণ আন্দোলন

১৯৪৮ চনৰ ৮ আগষ্টত নিখিল ভাৰত কংগ্ৰেচ কমিটিয়ে 'ভাৰত ত্যাগ' প্ৰস্তাব গ্ৰহণ কৰে। পিছদিনাখন ৯ আগষ্ট তাৰিখৰ ৰাতিপুৱাতেই মহাত্মা গান্ধী প্ৰমুখ্যে ভাৰতৰ নেতৃস্থানীয় লোকসকলক বৃটিছ চৰকাৰে গ্ৰেপ্তাৰ কৰে। গোটেই ভাৰত জুৰি এই বাতৰি বিজুলী সঞ্চাৰে বিয়পি পৰাৰ লগে লগে ভাৰতীয় জনমানসত বিপ্লৱৰ জুই জ্বলি উঠে আৰু 'কৰিম নাইবা মৰিম' মন্ত্ৰত দীক্ষিত হৈ ভাৰতৰ অগণন জনতাই মুক্তি আন্দোলনত জঁপিয়াই পৰে।

১৯৪২ চনৰ বজালীৰ স্বাধীনতা আন্দোলন মূলতঃ ছাত্ৰ আন্দোলন। জাতীয় কংগ্ৰেছৰ নিৰ্দেশত বজালীৰ কলেজীয়া ছাত্ৰসকলে এই আন্দোলন সফল কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰে। আগষ্ট মাহৰ মাজ ভাগত বজালীৰ ছাত্ৰসকলৰ প্ৰতিনিধিমূলক সভাত সৰ্বসন্মতিক্ৰমে সমূহ ছাত্ৰই ধৰ্মঘট কৰাৰ সিদ্ধান্ত লয়। বজালীত তেতিয়া মাত্ৰ দুখন হাইস্কুল আছিল—বজালী হাইস্কুল আৰু পটাছাৰকুছি বিদ্যাপীঠ। বজালী হাইস্কুলৰ ছাত্ৰসকলে স্কুল ত্যাগ কৰি আন্দোলনৰ প্ৰধান কেন্দ্ৰ পাঠশালাত বিছনাপত্ৰ লৈ আহি যোগদান কৰে। পটাছাৰকুছিৰ কিছুসংখ্যক ছাত্ৰই পুলিচে গ্ৰেপ্তাৰ কৰি অনা লোকসকলক থুৱাবলৈ সদৰিকৈ এটি বন্ধনশালা খোলে। ইয়াৰ পিছত অন্যান্য স্কুলৰ ছাত্ৰসকলেও স্কুল ত্যাগ কৰি সমূহ ছাত্ৰৰ লগত স্বাধীনতা আন্দোলনত জঁপিয়াই পৰে।

বাইজৰ মাজত দুই চাৰিজন প্ৰতিবিপ্লৱী থকাৰ নিচিনা ছাত্ৰসকলৰ মাজতো প্ৰতিক্ৰিয়াশীল সৰু দল এটা আছিল। তেওঁলোকে ধৰ্মঘট নকৰি স্কুললৈ গৈছিল যদিও ছাত্ৰৰ অভাৱত স্কুল আপোনা আপুনি বন্ধ হ'বলৈ বাধ্য হৈছিল।

আন্দোলন সুচাৰুৰূপে পৰিচালনা কৰিবলৈ বজালীৰ কংগ্ৰেছকৰ্মী আৰু ছাত্ৰসমষ্টিক লৈ এখন যুটীয়া কৰ্মপৰিষদ গঠিত হয় আৰু জাতীয় কংগ্ৰেছৰ

নির্দেশ ৰূপায়িত কৰাৰ সিদ্ধান্ত উক্ত পৰিষদে গ্ৰহণ কৰে। পৰিষদৰ ডিৰেক্টৰ আৰু সাধাৰণ সম্পাদক কংগ্ৰেছকৰ্মীৰ মাজৰপৰা লোৱা হয়। ছাত্ৰসকলে নিজাকৈ এখন Executive Head of Workers আৰু এজন General Officer Commending বাচি লয়। গোটেই বজালীত ছাত্ৰনেতা একোজনৰ অধীনত কেৰাজনো কৰ্মী দি তেত্ৰিশটা শিবিৰ পৰিচালনা কৰা হয়। শিবিৰৰ যাৱতীয় খৰচ বহন কৰে ৰাইজে।

কৰ্ম পৰিষদ

সৰ্বসাধাৰণ ৰাইজৰ দৈহিক আৰু আৰ্থিক সহায়তাই ইয়াকে বুজায় যে তেওঁলোকে আৰ্থিক অবস্থাৰ পৰিবৰ্তনৰ কাৰণে বিদেশীৰ হাতৰপৰা শাসনভাৰ কাঢ়ি লোৱাটো নিতান্ত প্ৰয়োজন বুলি উপলব্ধি কৰিছিল।

২৭ আগষ্ট তাৰিখে ৰাতি সৰভোগৰ বিমানঘাটি, চৰকাৰী কাৰ্যালয় আৰু মিলিটাৰী কেম্পবোৰ তাৰ স্থানীয় ৰাইজে বিপ্লবী ব্ৰজনাথ শৰ্মাৰ নেতৃত্বত জ্বলাই দিয়ে।" পিছদিনাখন ৰাতিপুৱা মিলিটাৰী ৰেলগাড়ী এখন পাঠশালাত আহি উপস্থিত হয় আৰু সেই সময়ত বানপানীয়ে পাঠশালা আৰু সৰুপেটাৰ মাজৰ ৰেলপথ বিচ্ছিন্ন কৰা বাবে পাঠশালাতেই ৰৈ থাকিবলগীয়া হয়। সিদিনাখন (২৮।৮।৪২) ৰাতি পাঠশালাৰ পশ্চিমে থকা চৰকাৰী পথৰ আটাইবোৰ বাহৰ দলং পুৰি পেলোৱা হয়—যাতে মিলিটাৰীয়ে মটৰেৰেও সৰভোগলৈ যাব নোৱাৰে।

বিমানঘাটি প্ৰজ্বলন

সমান্তৰাল চৰকাৰ গঠন কৰাটো বজালীৰ ৰাইজৰ স্বাধীনতা আন্দোলনলৈ আগবঢ়োৱা এটি বিশিষ্ট ভূমিকা। বৃটিছ চৰকাৰৰ লগত সকলো প্ৰকাৰে অসহযোগ কৰি শাসন-যন্ত্ৰ সম্পূৰ্ণৰূপে অচল কৰিবলৈ আৰু শাসনভাৰ ৰাইজৰ হাতলৈ আনি ৰাইজৰদ্বাৰাই পৰিচালনা কৰিবলৈ বজালীত সমান্তৰাল চৰকাৰ গঠিত হয়। ইয়াৰ উদ্দেশ্যসমূহ ৰূপায়িত কৰিবলৈ কিছুমান প্ৰশাসনীয় আৰু আৰ্থিক ব্যৱস্থা গ্ৰহণ কৰা হয়।

সমান্তৰাল চৰকাৰ

(ক) **পঞ্চায়ত গঠন :**—তেত্ৰিশটা শিবিৰৰ জৰিয়তে গাঁৱে গাঁৱে পঞ্চায়ত গঠন কৰি মেল মোকৰ্দমা গাঁৱতেই নিষ্পত্তি কৰা হয়। তদুপৰি গোটেই বজালীৰ গাঁৱ পঞ্চায়তসমূহৰ ওপৰত এখন কেন্দ্ৰীয় পঞ্চায়ত গঠন কৰি গাঁৱ পঞ্চায়তৰ পৰা অহা আপীলসমূহ বিচাৰ কৰি মীমাংসা কৰা হয়।

প্ৰশাসনীয় ব্যৱস্থা

(খ) **কাছাৰী বৰ্জন :** কোনো মোকৰ্দমা যাতে কাছাৰীলৈ নাযায় তাৰবাবে কৰ্মীসকলে ৰাইজক বুজাই, অনুৰোধ কৰি ৰাইজৰদ্বাৰা কাছাৰী বৰ্জন আন্দোলন সফল কৰি তোলে।

(গ) **খাজনা বন্ধ অভিযান :** প্ৰত্যেক শিবিৰৰ অধীনত থকা গাঁওসমূহত খাজনা নিদিবলৈ অনুৰোধ কৰি খাজনা দিয়া একেবাৰে বন্ধ কৰা হয়।

(ঘ) **প্ৰচাৰ-পত্ৰিকা প্ৰকাশ আৰু প্ৰচাৰ :** স্বাধীনতা আন্দোলনৰ কৰ্মসূচী ৰাইজৰ মাজত ব্যাপকভাৱে প্ৰচাৰ কৰিবলৈ বিশেষ প্ৰচাৰ-পত্ৰিকা কিছুমান প্ৰকাশ কৰা হয়। তাৰ এটি নমুনা তলত দিয়া ধৰণৰ আছিল :

* * * এতিয়া আপুনি স্বাধীন লোক। স্বাধীন লোকৰ দৰে তলত দিয়া নিৰ্দেশবোৰ পালন কৰক :

(১) সকলোপ্ৰকাৰ খাজনা বন্ধ কৰক।

(২) চৰকাৰী কৰ্মচাৰীসকলক চাকৰি এৰিবলৈ কওক। নেৰিলে বন্দী কৰক।

(৩) বন আইন ভঙ্গ কৰক।

(৪) কাছাৰীঘৰ, জেলখানা, পুলিচ থানা আদি চৰকাৰী অফিচবোৰ দখল কৰক। তাত থকা কৰ্মচাৰীসকলে বাধা দিলে তেওঁলোকক বন্দী কৰক।

(৫) আমাক পৰাধীনতাত ৰাখিবলৈ কৰা উপায়বোৰ ধ্বংস কৰক। যেনে—ৰেল লাইন, চৰকাৰী ৰাস্তা, জাহাজ, পোষ্ট অফিচ, টেলিগ্ৰাফ আদি।

দ্ৰষ্টব্য : পুলিচ কৰ্মচাৰীক য'তে পায় ত'তে বন্দী কৰক। বন্দী অৱস্থাত সিবিলাকক খুৱাই-বুৱাই ৰাখিব। মুঠতে যিকোনো উপায়ে চৰকাৰক অচল কৰক। সদায় মনত ৰাখিব—গান্ধীজী আমাৰ নেতা, তেওঁ আমাক অহিংস থাকিবলৈ উপদেশ দিছে। সেইবাবে যাতে কোনো প্ৰাণীৰ বিনাশ নহয় তাৰ বাবে লক্ষ্য ৰাখক। * * *

কৰ্তব্য সাধন কিম্বা মৃত্যু

(ঙ) **জেল স্থাপন :** আন্দোলন-বিৰোধী লোকক আটক কৰি ৰখাৰ কাৰণে কলবগুৰিত এখন কাৰাগাৰ স্থাপন কৰি তাত বহুতো অপৰাধীক আটক কৰি ৰখা হয়।

(চ) **চোৰাংচোৱা আৰু বাৰ্তাবাহক নিয়োগ:** তিনিজন চোৰাং-চোৰা আৰু তিনিজন বাৰ্তাবাহক নিয়োগ কৰা হয়। তেওঁলোকে যুটিছ চৰকাৰৰ চোৰাংচোৱাগিৰি কৰাৰ কাৰণে দুজন লোকক ধৰি শাস্তি দি এৰি দিয়ে।

(ছ) **পহৰাৰ ব্যৱস্থা:** চুৰি-ডকাইতিৰ বিৰুদ্ধে গাৱেঁ গাৱেঁ ৰাতি পহৰা দিয়াৰ ব্যৱস্থা কৰা হয়। এই ব্যৱস্থাত গাৱঁলীয়া ডেকাসকলে পূৰ্ণ সহযোগ আগবঢ়ায়।

(জ) **দেশদ্ৰোহীৰ বিৰুদ্ধে ব্যৱস্থা:** আন্দোলনৰ বিৰোধিতা কৰিবলৈ যাতে ভয় কৰে তাৰ বাবে কিছুমান দেশদ্ৰোহীৰ ঘৰ-দুৱাৰ জ্বলাই দিয়া হয়।

(ক) **ধান নিয়ন্ত্ৰণ:** ধান নিয়ন্ত্ৰণ সমিতিৰ বিনানুমতিত বজালীৰ বাহিৰলৈ ধান নিয়াটো একেবাৰে বন্ধ কৰা হয়। তলত

২। আৰ্থিক ব্যৱস্থা ধান নিয়ন্ত্ৰণ সম্পৰ্কীয় প্ৰচাৰ-পত্ৰিকা এখনৰ নমুনা দিয়া হ'ল:

বুলেটিন নং—২

* * * কিছুমান স্বাৰ্থান্বেষী মানুহে চোৰাং ধান বেচা-কিনা কৰি আৰু খেতিয়ক ৰাইজৰ মাজত ভুল প্ৰচাৰ কৰি আমাৰ ধান নিয়ন্ত্ৰণ ব্যৱস্থা ব্যৰ্থ কৰিব খুজিছে। তদুপৰি যুদ্ধ আহি আমাৰ নিচেই ওচৰ চাপিছে। তাৰ ফলত ৰেল-গাড়ী আদিৰে বস্তু চলাচল বন্ধ হ'লে আকাল হোৱাৰ সম্ভাৱনা। তাৰ প্ৰতিকাৰৰ বাবে ৰাইজে সময় থাকোঁতে বজালীৰ উৎপন্ন বস্তু বাহিৰলৈ যোৱা বন্ধ কৰক। বজালীৰ বেপাৰীয়ে বজালীৰ বাহিৰলৈ নিজে ধান আদি নি বিক্ৰী কৰিব নোৱাৰিব। বজালীৰ বাহিৰৰপৰা অহা কিনোতাই পাঠশালালৈ আহি কেৱল খোৱাৰ বাবদ বজালীৰ বেপাৰী বা খেতিয়কৰপৰা কিনিব লাগিব। সেই কিনা-বেচাৰ বাবে উপযুক্ত অনুমতি পত্ৰ ল'ব লাগিব। ৰেলগাড়ীৰে বজালীৰ কোনো উৎপন্ন বস্তু বাহিৰলৈ যাব নোৱাৰিব। নাৱৰীয়া বেপাৰীসকলে কেৱল ঘাটতহে ধান কিনিব পাৰিব। * * *

—কাউঞ্চিল অৱ এক্‌চন
১।১১।৪২

ধান-বাঁহ আদি যাতে বিনানুমতিত বজালীৰ বাহিৰলৈ যাব নোৱাৰে তাৰ বাবে পোহৰা আৰু কালদিয়াত কড়া পহৰাৰ ব্যৱস্থা কৰা হয়।

(খ) **মিলিটাৰী আৰু পুলিচৰ যোগানত বাধাদান:** পাট্টাছাৰকুছি থানাত, পাঠশালা বজাৰ আৰু ৰেল ষ্টেচনত পুলিচ নাইবা মিলিটাৰীক লাগতিয়াল বস্তু যোগান ধৰা বন্ধ কৰা হয়।

(গ) **সূতা কটা আৰু কাপোৰ বোৱাত গুৰুত্ব দান:** সকলো ৰাইজক যিমানদূৰ সম্ভৱ হাতে কটা সূতাৰে কাপোৰ বৈ ল'বলৈ নিৰ্দেশ দিয়া হয় আৰু সূতা কাটিবলৈ ৰাৰ্ধা যঁতৰ যোগান ধৰা হয়।

(ঘ) **হাট-বজাৰ নিয়ন্ত্ৰণ:** নিৰ্দিষ্ট ঠাইৰপৰা আঁতৰত হাট বহুৱাই দলৈক কৰ নিদিবলৈ নিৰ্দেশ দিয়া হয়। ভুমনী বজাৰ বন্ধ কৰিবলৈ টিহু-ভুমনী ৰাস্তাৰ দলংবোৰ জ্বলাই দিয়া হয়।

শ্বহীদ মদন ৰ উতা

সিদিনা ২৫ চেপ্তেম্বৰ। চৌখুটি, নিত্যানন্দ আৰু জালাহত 'নগাওঁ দিৱস' পালন কৰিবলৈ তিনিখন সভা আহ্বান কৰা হয়। নিত্যানন্দ আৰু চৌখুটিৰ সভা চলি থকা অৱস্থাতে জালাহত গুলী চালনা হোৱাৰ খবৰ আহে। খবৰটো আহিছিল বিকৃত হৈ এইদৰে—গুলী চালনাৰ পিছত দাৰোগা তুলাৰাম, পুলিচ চালামত আৰু শম্ভুক আটক কৰা হৈছে, ৰাইজে মিলি কি শাস্তি দিয়ে দিব লাগে। প্ৰকৃত ঘটনাটো আছিল—ৰাইজে পুলিচক আটক কৰিব খোজাৰ লগে লগে পুলিচে গুলী চলায়, কাৰণ ৰাইজ আৰু ছাত্ৰ এই বিষয়ত অনভ্যস্ত আছিল। জালাহৰ গুলী চালনাত পমেৰাম দাস নামৰ মানুহ এজন আহত হয় আৰু ৮খৰ্গেশ্বৰ তত্‌লাৰ হাতত বেয়নেটৰ খোঁচ লাগে। গুলীৰ আৱাজ শুনা মাত্ৰেই বহুতো ভয়াতুৰ মানুহে নদীত গৈ ডুব দিছিল। কিন্তু এনে বীৰ আৰু উৎসাহী কৰ্মীও আছিল যিয়ে পুলিচৰ বন্দুকৰ আগতে সাহসেৰে বুকু পাতি দিছিল। শ্ৰীজানকীবালা বৈষ্ণৱিনী আৰু তিনিজন ডেকাকৰ্মীয়ে বন্দুকৰ আগত বুকু পাতি দি পলাব খোজা জনতাক উৎসাহ দিছিল।

খবৰ পায়েই চৌখুটি আৰু নিত্যানন্দৰ ৰাইজ জালাহ অভিমুখে ধাবিত হয়। ছাত্ৰকৰ্মীসকল আগত থাকে আৰু 'তুলাৰামৰ মাথা লাগে', 'তুলাৰামৰ তেজ পিম' আদি ধ্বনি কৰি আগ বাঢ়ি যায়। পুলিচৰ লগত ৰাইজৰ ভেটাভেটি হয় বিহাবাৰীত। দাৰোগা তুলাৰামক তিনিজন বন্দীৰে সৈতে পুলিচ চালামত আৰু শম্ভুৰ লগত আহি থকা দেখি ৰাইজ উত্তেজিত হৈ উঠে আৰু বন্দী তিনিজনক এৰি দিবলৈ তুলাৰামৰ ওচৰত দাবী কৰে। সেই দাবীৰ উত্তৰ তুলাৰামে দিয়ে গুলীৰে। গুলীত বজালী হাইস্কুলৰ বৰ্তমান

শ্ৰেণীৰ ছাত্ৰ মদন বৰ্মণ আৰু সাহেবীৰ কৃষক ডেকা ৰাউতা কোঁচ শ্বহীদ হয়। লগতে আন কেৰাজনো ছাত্ৰ আহত হয়। ৰাইজ ছেদেলি-ভেদেলি হৈ পৰে। পুলিচ যোৱাৰ পিছত মদন আৰু ৰাউতাৰ মৃতদেহ দুটা ঘৰলৈ পঠোৱাৰ ব্যৱস্থা কৰা হয়। নিত্যানন্দত ষাঠি লৈ ৰাস্তাৰ কাষত পুলিচক মাৰিবলৈ খাপ লৈ থকা মেমেৰাম ভড়ালীক পুলিচে আঁতৰৰপৰাই দেখা পাই আঁঠুত গুলী কৰি বগৰাই থৈ পাট্টাছাৰকুছি থানালৈ গুচি যায়।

বিয়াল্লিছৰ গণ-আন্দোলনত বজালীৰ মহিলাসকলেও সক্ৰিয় অংশ গ্ৰহণ কৰে। চৰকাৰৰ ১৪৪ ধাৰা আইন অমান্য কৰি মহিলাসকলে মেল-মিটিং কৰে আৰু এটা বিৰাট মহিলা সমদলে পাট্টাছাৰকুছি থানা অধিকাৰ কৰিবলৈ গৈ পুলিচৰ মাৰপিট খায়। শ্ৰীমতী স্নেহতী কলিতা আৰু শ্ৰীমতী দময়ন্তী কলিতাই পুলিচৰদ্বাৰা প্ৰহৃত হৈ পাট্টাছাৰকুছি ডাক্তৰখানাত চিকিৎসাধীন হৈ থাকে।

আন্দোলনত মহিলাসকল

১৯৪৩ চনৰ ছাব্বিছ জানুৱাৰীত পাঠশালাত এখন বিৰাট মহিলা সভা অনুষ্ঠিত হয়। তাত ৺চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে সভানেত্ৰিত্ব কৰে। পুলিচে আহি বাধা দিয়াত মহিলাসকলৰ লগত পুলিচৰ সংঘৰ্ষ লাগে যদিও পুলিচে শইকীয়ানীক গ্ৰেপ্তাৰ কৰি পাট্টাছাৰকুছি থানালৈ লৈ যায়।

পুৰুষ আৰু মহিলা উভয়ৰে থানা দখল কৰিব পৰাকৈ নাইবা পুলিচক আটক কৰিব পৰাকৈ সংগঠনৰ অভাৱ আছিল। তথাপি ৰাইজ এইবিলাক কামলৈ আগবাঢ়ি গৈছিল তেওঁলোকৰ বহুদিনীয়া সঞ্চিত ক্ষোভ প্ৰকাশ কৰিবলৈ।

২৭।১।৪৩ তাৰিখে পাঠশালা ৰেল ষ্টেচনত বোমা বিস্ফোৰণ ঘটোৱা হয়। সেই বিস্ফোৰণত কোনো মানুহৰ প্ৰাণহানি নহ'ল। ৺ফেলন দাস নামৰ বেজকুছিৰ মানুহ এজনে বোমাটো ষ্টেচনৰ ভিতৰত থৈছিল।

বোমা বিস্ফোৰণ

ৰাস্তাৰ দলং আৰু দেশদ্ৰোহীৰ ঘৰ পোৰা কাৰণে ওচৰৰ ৰাইজে পাইকাৰী জৰিমনা আৰু পুলিচ-মিলিটাৰীৰ অত্যাচাৰ সহিবলগীয়া হয়।

দাৰোগা তুলাৰামে ভবিছিল যে কিছুমান মানুহক ধৰি আনি মাৰপিট কৰিলেই ভয় খাই মানুহে আন্দোলনৰপৰা বিৰত হ'ব। সেই কাৰণে মধেমধে যাকে য'তে পায় ধৰ-পাকৰ কৰি পাট্টাছাৰকুছি থানাত নৃশংসভাৱে শাস্তি বিহিবলৈ ধৰে। কিছুমানক নাকেমুখে তেজ ওলোৱাকৈ মাৰপিট কৰে। ৺গঙ্গা তালুকদাৰ

পাইকাৰী জৰিমনা আৰু পুলিচ-মিলিটাৰীৰ অত্যাচাৰ

পুলিচৰ লাঠীৰ কোবত কিছুদিন পিছত মৃত্যুমুখত পৰে। পুলিচৰ অত্যাচাৰত শিবিৰৰ কৰ্মীসকলে ৰাতি হলে চন বাৰীৰ মাজতহে থাকিবলগীয়া হৈছিল।

মিলিটাৰীয়ে লাগতিয়াল বয়বস্তু কিনিবলৈ নাপাই পাঠশালা বজাৰৰ দোকানীসকলৰ ওপৰত নানা অত্যাচাৰ কৰে; দোকানৰ দুৱাৰ ভাঙি হ'লেও সোমাই গৈ দোকানীক বস্তু বেচিবলৈ বাধ্য কৰে। ষ্টেচনৰ আশে-পাশে থকা গাওঁবোৰতো মিলিটাৰীয়ে ভয় দেখুৱাই গৃহস্থৰ ঘৰৰপৰা খোৱা বস্তু আদায় কৰে।

১৯৪৩ চনৰ ফেব্ৰুৱাৰী মাহৰপৰা লাহে লাহে আন্দোলনৰ কাম শিথিল হৈ পৰে। ইয়াৰ কাৰণ—ৰাইজৰ বহুতে জেললৈ গৈ আটক হৈ থাকে আৰু কিছুমানে পুলিচৰ কোবত অৰ্দ্ধপঙ্গু হৈ পৰি থাকে। তথাপি ৰাইজে আন্দোলন একেবাৰে পৰিহাৰ কৰা নাছিল। কলৰগুৰিত থকা শিবিৰটো পিছত এখন আশ্ৰমত পৰিণত কৰা হয় আৰু এই আশ্ৰমৰ জৰিয়তে ১৯৪৭ চনলৈকে অৰ্থাৎ ভাৰত স্বাধীন হোৱা সময়লৈয়ে মুক্তি আন্দোলনৰ কাম চলাই ৰখা হয়।

সামৰণি

মঠ-মন্দিৰৰ স্থাপত্য, ভাস্কৰ্য আৰু পুৰাতত্ত্ব

ড° নিশিপদ চৌধুৰী

অসমত মঠ-মন্দিৰ, প্ৰাসাদ আৰু দুৰ্গ বা গড় সজোৱা কাৰ্য সম্ভৱ গুপ্ত যুগৰপৰা আৰম্ভ হয়। ষষ্ঠ শতাব্দীৰপৰা ত্ৰয়োদশ শতাব্দীৰ ভিতৰত অৰ্থাৎ প্ৰাক্-আহোম যুগত বিভিন্ন ঠাইত বহুত মঠ-মন্দিৰ, প্ৰাসাদ আদি নিৰ্মাণ কৰা হৈছিল। কিন্তু সেই যুগৰ কোনো এটা মন্দিৰ বা প্ৰাসাদ বৰ্তমান মূলগত অৱস্থাত নাই।* সেইবোৰৰ ধ্বংসাৱশেষ অসমৰ বিভিন্ন ঠাইত সিঁচৰতি হৈ পৰি আছে। প্ৰাচীন যুগত যে অসমত মঠ-মন্দিৰ আৰু প্ৰাসাদ নিৰ্মাণ কৰা হৈছিল এই বিষয়ে আমি পুৰণি সাহিত্য আৰু অভিলেখসমূহৰপৰা জানিব পাৰোঁ। সেই মঠ-মন্দিৰসমূহ শিৱ, সূৰ্য, বিষ্ণু, দেৱী আদি বিভিন্ন দেৱ-দেৱীৰ নামত উছৰ্গা কৰা হৈছিল। কামৰূপত সূৰ্য মন্দিৰ এটা নিৰ্মাণ কৰা সম্পৰ্কে মাৰ্কণ্ডেয় পুৰাণত (অধ্যায় ১০৯) উল্লেখ আছে। হিউৱেনচাঙৰ টোকাৰপৰা সেই সময়ত (৬৪৩ খৃঃ) কামৰূপত বহু শ শ দেৱ-দেৱীৰ মন্দিৰ থকাটো জনা যায়। অতি ওখ শিৱ মন্দিৰ এটা ভাগি পৰাত ৰজাই নিজে মেৰামতি কৰায় বুলি বনমাল দেৱৰ তেজপুৰ অভিলেখত লিপিবদ্ধ আছে। ৰত্নপালৰ গুৱাহাটী অভিলেখত উল্লেখ আছে যে কামৰূপত নিৰ্মাণ কৰা শুভ্ৰ বগা ৰঙৰ মন্দিৰটোত শম্ভুৰ মূৰ্তি প্ৰতিষ্ঠা কৰা হৈছিল। বনমালদেৱৰ নগাঁও তামৰ ফলিত উল্লেখ আছে যে ৰজাই শাৰীকৈ সজোৱা ৰাজপ্ৰাসাদসমূহৰ বহুসংখ্যক কোঠা আছিল। এই কোঠাবোৰ ভাস্কৰ্য শিল্পৰদ্বাৰা সুশোভিত।

ৰত্নপালৰ বৰগাঁও অভিলেখত দুৰ্জয় নামৰ নগৰ এখনৰ উল্লেখ আছে। নগৰখনত থকা চমকপ্ৰদ প্ৰাসাদসমূহ ৰজাৰ শাসনকৰ্তাই নিৰ্মাণ কৰিছিল। শিৱ মন্দিৰ এটা নিৰ্মাণ সম্পৰ্কে উল্লেখ আছে শিলিমপুৰ অভিলেখত।

ওপৰত উল্লেখ কৰা বিৱৰণীসমূহৰপৰা প্ৰাচীন অসমত মঠ-মন্দিৰ, প্ৰাসাদ আদি যে নিৰ্মাণ কৰা হৈছিল জানিব পৰা যায়। দুখৰ বিষয়, ইয়াৰ কোনো

এটাও বৰ্তমান অক্ষত অৱস্থাত নাই। ভাৰতৰ বিভিন্ন ঠাইৰ তুলনাত অসমৰ স্থাপত্যসমূহ ক্ষণস্থায়ী। এই প্ৰাচীন সম্পদসমূহৰ ধ্বংসৰ মূল কাৰণ অসমৰ জলবায়ু আৰু প্ৰাকৃতিক দুৰ্যোগ। গছ-গছনি, লতা এইবোৰো ধ্বংসৰ আন এটা প্ৰাকৃতিক কাৰণ। সঘনে পৰিষ্কাৰ কৰিবলৈ এৰিলে গছ-গছনি, লতা গজি উঠে আৰু দ্ৰুত গতিৰে এইবোৰ বাঢ়ি স্থাপত্য সম্পদসমূহ ভাঙি ধ্বংসস্তূপত পৰিণত কৰে। নিৰ্মাণৰ বাবে ব্যৱহৃত সজুলি আৰু স্থাপত্যৰ গঠন-আকৃতিৰ ওপৰতো কীৰ্তি-চিনসমূহৰ স্থায়িত্ব বহুপৰিমাণে নিৰ্ভৰ কৰে।

চতুৰ্থ শতাব্দীৰপৰা দ্বাদশ শতাব্দীলৈ—এই কালছোৱাৰ অসমৰ ভাস্কৰ্য আৰু স্থাপত্যৰ ইতিহাস বৰ্তমান নিৰ্ণয় কৰা হৈছে। অসমৰ বিভিন্ন ধ্বংসস্তূপত উদ্ধাৰ হোৱা চৌকাঠ বা শিৰপট্টিত থকা মন্দিৰৰ আকৃতি বা নমুনাসমূহৰপৰা অনুমান কৰিব পাৰি যে অসমৰ স্থাপত্য কলাৰীতি গুপ্ত যুগৰ মন্দিৰ আৰু উৰিষ্যাৰ মন্দিৰৰ কলাৰীতিৰে প্ৰভাৱান্বিত। উৰিষ্যাৰ মন্দিৰৰ প্ৰভাৱ আৰু গুপ্ত ৰীতিৰ স্ৰোত এই—দুয়োটা সোঁত অসমত সোমাইছিল। এই দুটা স্থাপত্য ৰীতিৰ অনুকৰণত অসমৰ স্থাপত্য-ভাস্কৰ্য গঢ়ি উঠিছিল।

অসমৰ প্ৰাচীন মন্দিৰসমূহ নিৰ্মাণ কৰা পদ্ধতি এনেকুৱা ধৰণৰ : (১) মুখ্য মন্দিৰলৈ সোমাই যোৱা পথত মন্দিৰৰপৰা অলপ আঁতৰত তোৰণ নিৰ্মাণ কৰা হয়; (২) তোৰণৰ পিছত মন্দিৰত প্ৰৱেশ দ্বাৰ বা দুৱাৰ; (৩) মণ্ডপ; (৪) অন্তৰাল অৰ্থাৎ প্ৰৱেশ চ'ৰা; আৰু শেষত (৫) গৰ্ভগৃহ য'ত বিগ্ৰহ প্ৰতিষ্ঠা কৰা হয়।

মূৰ্তি-বিগ্ৰহ স্থাপন কৰা শিল বা ইটাৰ আবাসৰ নাম গৰ্ভ-গৃহ; গৰ্ভগৃহ মন্দিৰৰ মূল কেন্দ্ৰ। ইয়াত এখন মাথোন দুৱাৰমুখ। মন্দিৰৰ বিভিন্ন অংশৰ নাম সুকীয়া 'পিৰামিড' আকাৰৰ ওপৰলৈ উঠি যোৱা ভাগৰ নাম 'শিখৰ', অন্তৰ্ভাগক বোলা হয় 'গৰ্ভগৃহ'। সমূহীয়াকৈ এই পবিত্ৰ স্থানক 'বিমান' বোলা হয়। ভেটিৰ নমুনা শক্তি-উপাসনাৰ সৃষ্টিচক্ৰ অথবা শ্ৰীচক্ৰৰ আৰ্হিৰপৰা গ্ৰহণ কৰা যেন অনুমান হয়। ইয়াত নটা ত্ৰিভুজ থাকে—চাৰিটা ওপৰমুৱাকৈ আৰু পাঁচটা তলমুৱাকৈ। নটা ত্ৰিভুজৰ ভাৰকেন্দ্ৰ একেটাই হয়। শ্ৰীচক্ৰৰপৰা চুক-কোণবোৰ কাটি উলিওৱা হয়। অসমৰ মন্দিৰৰ গৰ্ভগৃহৰ বৈশিষ্ট্য হ'ল—মণ্ডপতকৈ গৰ্ভগৃহৰ ভেটি কিছু তলত সজোৱা হয়। ইয়াৰ ব্যতিক্ৰম মাথোন দুই-এটাতহে পোৱা গৈছে।

দেৱ-দেৱতা বিগ্ৰহ প্ৰতিষ্ঠা কৰা মূল গৰ্ভাংশৰ ওপৰত বিমান অংশ নিৰ্মাণ

কৰা হয়। বিমানক আকৌ বেলেগ বেলেগ ভাগত ভাগ কৰা হয়ঃ (১) পাদ বা পিষ্ট (ভৰি); (২) জঙ্ঘা (কঁকাল—উৰু); (৩) গণ্ডী বা কান্ধ (ডিঙি) আৰু (৪) শিখৰ বা মস্তক (মূৰ)। শিখৰক কেন্দ্ৰ কৰি স্থপতিসকলে তেওঁলোকৰ নিজস্ব কল্পনা আৰু থলুৱা বৈশিষ্ট্যৰ সমন্বয়ত একোটি স্থাপত্য ৰীতি গঢ়ি তোলে। এই বৈশিষ্ট্যবোৰৰ ওপৰত ভিত্তি কৰি বিভিন্ন স্থাপত্য-শৈলীৰ নামকৰণ হয়। শিখৰৰ গঢ় অনুসৰি মন্দিৰসমূহক তিনি শ্ৰেণীত বিভক্ত কৰা হৈছে।

(১) নাগৰ—এই প্ৰকাৰৰ মন্দিৰ উত্তৰ ভাৰতৰ আদৰ্শত গঢ়া—ভেটিটো চাৰিচুকীয়া; সমুখভাগ শুক-নাশা (চৰাইৰ ঠোঁট) সমন্বিত, শিখৰ ক্ৰমান্বয়ে এঢলীয়া হৈ শীৰ্ষ বিন্দু এটাত মিলি যায়। শীৰ্ষ বিন্দুটো য'ত মিলে তাত এটা আমলক আৰু আমলকৰ ওপৰত এটা কলহ থাকে। কলহটোৰ ওপৰত থাকে মন্দিৰৰ বিশেষ চিহ্ন—ত্ৰিশূল চক্ৰ ইত্যাদি।

(২) বেসৰ—এইবিধ মন্দিৰ বিন্ধ্য পৰ্বতৰপৰা অগস্ত্যলৈকে (নাচিক) দক্ষিণাত্যৰ এই অঞ্চলটোত দেখা যায়। ইয়াৰ ভেটি ঘূৰণীয়া, কক্ষাকৃতি, ডিম্বাকৃতি নাইবা চাৰিকোণীয়া হয়। এইবিধ মন্দিৰৰ শিখৰ মূলতঃ নাগৰ শৈলীৰ শিখৰৰ নিচিনা; কিন্তু খুটিনাটিবোৰত দ্ৰাবিড় শৈলীৰ প্ৰভাৱ দেখা যায়।

(৩) দ্ৰাবিড়—এইবিধ মন্দিৰ দক্ষিণ ভাৰতৰ স্থাপত্য শৈলীৰ আধাৰত নিৰ্মিত। ইয়াৰ ভেটি চাৰিচুকীয়া, ছয়চুকীয়া, আঠচুকীয়া আৰু আয়তাকাৰ আদি বিভিন্ন আকৃতিৰ। শিখৰ সাধাৰণতে আঠ বা ছয় শৰীয়া আৰু শিখৰ পিৰামিডৰ দৰে। শিখৰৰ প্ৰতি থলপত মন্দিৰৰ বিগ্ৰহৰ প্ৰতিকৃতি থাকে। ইয়াত আমলক নাথাকে; ওপৰত থাকে স্তূপিকা বা স্তূপী।

অসমৰ প্ৰাচীন মন্দিৰসমূহৰ বেছিসংখ্যক মন্দিৰত অকল গৰ্ভগৃহ আৰু মণ্ডপহে আছিল। সেইবোৰক মন্দিৰ নুবুলি মঠ বোলাহে শ্ৰেয়। হয়তো সেইবোৰত বাঁহ-খেৰেৰে নিৰ্মাণ কৰা ক্ষণস্থায়ী মণ্ডপ আছিল। সময়ত সেইবোৰৰ অস্তিত্ব হেৰাই যায়।

নীলাচল পাহাৰত থকা কামাখ্যা মন্দিৰ আৰু হাজোৰ হয়গ্ৰীৱ-মাধৱ মন্দিৰ কোঁচ ৰজাসকলৰ দিনত পুনৰ্নিৰ্মাণ কৰা হৈছিল। কামাখ্যাৰ মন্দিৰৰ গৰ্ভগৃহৰ ওপৰত থকা শিখৰ আৰু শিখৰৰ নিম্নাংশৰ বিভিন্ন শৃঙ্গ আৰু প্ৰাসাদৰ বেৰৰ ওপৰ অংশবোৰ বিশেষত্বপূৰ্ণ। এই ক্ষুদ্ৰাকৃতিৰ শিখৰবোৰক তিলক বা অঙ্গ-শিখৰ বোলা হয়।

আহোম যুগত নিৰ্মিত শিৱদ'লত গৰ্ভগৃহ, অন্তৰাল, মণ্ডপ আৰু তোৰণ আছে। ইয়াৰ শিখৰ নাগৰ শৈলীৰ শিখৰৰ প্ৰকাৰবিশেষ। শুকনাসাত কিছুমান পোন শিৰ আছে। চাৰিওফালে শিখৰত আকৌ কিছুমান ক্ষুদ্ৰ শিখৰ আছে যাক অঙ্গ-শিখৰ বা অঙ্গ-মঞ্জৰী বোলা হয়। এইটো উত্তৰ ভাৰত আৰু বঙ্গদেশত দেখা যায়।

শিৱসাগৰৰ গৌৰীসাগৰৰ পাৰত থকা দেৱীদ'লত শিৱদ'লৰ লেখিয়া তিলক বা অঙ্গ-শিখৰ আছে। মোগল স্থাপত্য বা বঙ্গগৃহৰ অনুকৰণত ইয়াত ইটাৰ চালেৰে নিৰ্মিত অন্তৰাল দেখা যায়। আহোম যুগৰ মন্দিৰবোৰত আমলক নাই, স্বৰ্ণখচিত একোটাকৈ কলহহে থাকে।

প্ৰায় ষোড়শ শতিকাৰপৰা বৈষ্ণৱ ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰৰ লগে লগে দেশৰ ঠায়ে ঠায়ে সত্ৰ স্থাপন দ্ৰুত গতিত বাঢ়িবলৈ ধৰে। দেশৰপৰা ভাস্কৰ্য শিল্প ক্ৰমাগত অন্তৰ্হিত হৈ পৰাত সত্ৰৰ মন্দিৰ—যিটোক কীৰ্তনঘৰ বোলা হয়,—সেইটো বাঁহ, কাঠ, খেৰ আদিৰে নিৰ্মাণ কৰিবলৈ ধৰা হয়। স্থাপিত হোৱা সত্ৰৰ কেন্দ্ৰ গৰ্ভগৃহ নহয়; মণ্ডপহে—যিটোক নামঘৰ বা কীৰ্তনঘৰ বোলা হয়। গৰ্ভগৃহক মণিকূট, ভঁৰালঘৰ বা ভাঁজঘৰ বোলা হয়। মণিকূট এটা সুকীয়া ঘৰ। কীৰ্তনঘৰ আহল-বহল আৰু দুয়োকাষে বাৰাণ্ডা থকা। ঘৰৰ চাল বাঁহ খেৰৰ। বৰ্তমান এইবোৰত কাঠ আৰু টিনৰ ব্যৱহাৰ হয়। কীৰ্তনঘৰৰ ভিতৰ অংশ কাঠৰ সুন্দৰ শিল্প-কৰ্মমণ্ডিত। কীৰ্তনঘৰ আৰু মণিকূটৰ ওপৰত একোটা স্তূপী বা টুপ থাকে। কীৰ্তনঘৰৰপৰা অলপ আঁতৰত থাকে বাট-চ'ৰা বা তোৰণ। বাট-চ'ৰাৰ ওপৰত চাল থাকে কিন্তু বেৰ নাথাকে।

অসম আৰু বঙ্গদেশত সাধাৰণ মানুহৰ ঘৰ বাঁহ, কাঠ আৰু খেৰৰ। অসমত কাঠ, বাঁহ আৰু খেৰ যথেষ্ট পৰিমাণে পোৱা যায় বাবে ইয়াত বসবাস কৰা ঘৰ আৰু মঠ বা গোসাঁইঘৰসমূহ বাঁহ, কাঠ আৰু খেৰৰ দ্বাৰা নিৰ্মাণ কৰা হৈছিল। অথৰ্ব বেদত এনেকুৱা বাঁহ-কাঠৰদ্বাৰা নিৰ্মিত ঘৰৰ উল্লেখ আছে। সাধাৰণ থকা ঘৰবোৰ বাঁহৰ খুটা আৰু বাঁহৰ চালেৰে তৈয়াৰ কৰি খেৰেৰে ছোৱা হৈছিল। ঘৰৰ চাল আছিল দুখন বা চাৰিখন। 'চতুষ্পক্ষ ওছডিহ' (অথৰ্ব বেদ ৩-৭,৩) 'তৃণামধিৰোহ বংশোগ্ৰ বিৰাজন…তৃণং বাশানা' (অথৰ্ব বেদ ৩-১২, ৫,৬)।

কাঠ, বাঁহ আৰু খেৰ আদিৰে নিৰ্মাণ কৰা মঠ-মন্দিৰ সম্ভৱ প্ৰাচীন কালত অসমত যথেষ্টসংখ্যক আছিল। সৰ্বসাধাৰণে কম খৰচত মঠ-মন্দিৰ বা

গোসাঁইঘৰ সাজি তাত পূজা-পাতল কৰিছিল। বৰ্ত্তমান সময়ত এনেকুৱাকৈ লজা নামঘৰ বা গোসাঁইঘৰৰ প্ৰচলন অসমত বৰ বেছি।

বজালী অঞ্চলত ষোড়শ শতিকাৰ মাজভাগলৈ শাক্ত, শৈৱ, তান্ত্ৰিক আৰু উপদেৱতাৰ পূজা-সেৱা চলিছিল। বজালী পৰগণাৰ দক্ষিণ অংশত ডুবিৰ পৰিহৰেশ্বৰ দেৱালয় অতি প্ৰাচীন। সম্ভৱ, এই মন্দিৰটো খৃষ্টাব্দ সপ্তম শতাব্দীৰ আগৰ। ভাস্কৰবৰ্মাৰ ডুবি তামৰ ফলিয়ে এই ঠাইখনৰ বৈশিষ্ট্য আৰু প্ৰাচীনতা প্ৰমাণ কৰে। সম্ভৱ, সেই সময়ত মন্দিৰটো বাঁহ আৰু খেৰেৰে নিৰ্ম্মিত আছিল। মন্দিৰটোৰ গৰ্ভগৃহ আৰু অন্তৰালহে আছিল। মণ্ডপ বা নাটমন্দিৰটো কাঠ আৰু টিনৰ, এইটো পিছত সজোৱা। বৰ্ত্তমান এই মন্দিৰটো নকৈ নিৰ্ম্মাণ কৰিবলৈ ধৰিছে। মন্দিৰৰ কাষতে পুৰণি পুখুৰী এটা আছে। চাৰিকোণীয়া শিলাখণ্ড মন্দিৰৰ ওচৰত আৰু পুখুৰীটোত পোৱা যায়। এই শিলৰ টুকুৰাবোৰ মন্দিৰ নিৰ্ম্মাণত ব্যৱহৃত হৈছিল নে নাই জনা নাযায়।

ডুবিৰ পৰিহৰেশ্বৰ দেৱালয়ৰ বিগ্ৰহ শিৱলিঙ্গ। আহোম ৰজাৰ দিনত দেৱালয় সুচাৰুৰূপে চলাবলৈ ৰজাই ব্ৰহ্মোত্তৰ নিষ্কৰ ভূমি দান দিছিল। ৰাণী ফুলেশ্বৰীয়ে দেৱালয়ত দুৰ্গাপূজাৰ প্ৰচলনৰ বাবে পিতলৰ দুৰ্গামূৰ্ত্তি দান কৰে। তেতিয়াৰপৰা দেৱালয়ত বলি-বিধানসহ দুৰ্গাপূজা হয়।

জিলাৰ গেজেটিয়াৰ মতে দেৱালয়ৰ লাখেৰাজ ১,২৮০ বিঘা, নিস্পিখেৰাজ ১,৭৬০ বিঘা মাটি। লক্ষ্মীসিংহৰ দিনত আনুমানিক ১৭৭০ খৃঃত দ'লটো নতুনকৈ সজোৱা হয়। আহোম ৰজাই মাটিবাৰী দান দিয়া তামৰ ফলিখন নাই। বৃটিছৰ দিনত সত্ৰ-দেৱালয় পৰিদৰ্শন কৰা চৰকাৰী কৰ্ম্মচাৰী এজনৰ মন্তব্যটোহে পেৰা কাগজত (দলৈৰপৰা) পোৱা গৈছে। সেইটো হ'ল—"৺বিলেশ্বৰ, ৺পিঙ্গলেশ্বৰ, ৺পৰিহৰেশ্বৰ এতদ্দেশে মান আক্ৰমণ কালিনে ফলি হাৰাইবাৰ দৰুণে ৭৭৪ পুৰা মাটি ও ৫৪ গোট পাইক দেওয়া গেল।"

ডুবিৰ ওচৰৰ গাড়ীসত্ৰ গাঁৱৰ শ্ৰীলক্ষ্মীকান্ত শৰ্মাই ঘৰৰ ভেটি খান্দোতে ১৯৫১ চনত ছয়ন তামৰ ফলি পায়। কামৰূপৰ ৰজা কুমাৰ ভাস্কৰবৰ্মাৰ এই ফলিকেইখন ৰজাৰ মোহৰযুক্ত এডাল তামৰ তাঁৰেৰে বন্ধা আছিল। ষষ্ঠ ফলিখন ভাগি টুকুৰা টুকুৰি হৈ আছিল। পিছত সেইখন ফলি হেৰাল। বৰ্ত্তমান পাঁচখন ফলি অসম ৰাজ্যিক সংগ্ৰহালয়ত সংৰক্ষিত আছে। এইখন তাম্ৰপত্ৰ কামৰূপ ৰজাসকলৰ উদ্ধাৰ হোৱা তাম্ৰপত্ৰসমূহৰ ভিতৰত প্ৰাচীনতম।

মোহৰটোত এটা হাতীৰ মূৰ্তি আৰু এধাৰ শাৰী আখৰ আছে। ভাস্কৰ-বৰ্মাৰ পূৰ্বপুৰুষ নৰকাসুৰ-ভগদত্তৰপৰা বৰ্মণ ৰজাসকলৰ আৰু কেবাগৰাকী ৰাণীৰো নাম ইয়াত উল্লেখ আছে।

অভিলেখৰ ভাষা সংস্কৃত আৰু হৰফ উত্তৰ ভাৰতীয় ব্ৰাহ্মী। ইয়াত তাৰিখৰ উল্লেখ নাই যদিও আখৰৰ গঠন অনুযায়ী খৃষ্টীয় সপ্তম শতিকাৰ আদিৰ বুলি অনুমান হয়। লিপিখন গদ্য আৰু পদ্য উভয়তে আছে।

মাটি দান দিয়া এইখন দানপত্ৰ। ভাস্কৰ বৰ্মণৰ কোনো এজন পূৰ্বপুৰুষে দুজন ব্ৰাহ্মণক মাটি দান দিছিল। ভুৰিৰ তামৰ ফলিত ভাস্কৰবৰ্মাই আকৌ নতুনকৈ লিখাই আগৰ ব্ৰাহ্মণজনৰ বংশৰ লোকক মাট দান দিয়ে।

আৰম্ভণীতে ইয়াত শিৱক প্ৰণাম জনাইছে। ভাস্কৰ বৰ্মণৰ বংশাৱলীৰ বিষয়ে এইখন লিপিৰপৰা জানিব পাৰি। ভাস্কৰ বৰ্মণৰ পূৰ্বপুৰুষসকল নৰক, ভগদত্ত, বজ্ৰদত্তৰপৰা আৰম্ভ কৰি পুষ্য বৰ্মণ, সমুদ্ৰ বৰ্মণ, কল্যাণ বৰ্মণ, গণপতি বৰ্মণ, মহেন্দ্ৰ বৰ্মণ, নাৰায়ণ বৰ্মণ, মহাভূতি বৰ্মণ, চন্দ্ৰমুখ বৰ্মণ, স্থিৰ বৰ্মণ, সুস্থিৰ বৰ্মণ আৰু সুপ্ৰতিষ্ঠিত বৰ্মণৰ নাম পোৱা যায়। ইয়াত ভাস্কৰ বৰ্মণক সুপ্ৰতিষ্ঠিত বৰ্মণৰ ভ্ৰাতৃ হিচাপেহে উল্লেখ আছে।

এই তাম্ৰপত্ৰত সুপ্ৰতিষ্ঠিত বৰ্মণ আৰু ভাস্কৰ বৰ্মণে গৌড়ৰ ৰজা এজনৰ লগত হোৱা যুদ্ধৰ কথা লিপিবদ্ধ আছে। পিতৃ সুস্থিৰ বৰ্মণৰ মৃত্যুৰ পিছত সুপ্ৰতিষ্ঠিত বৰ্মণ ৰজা হয়। তেওঁ তেতিয়া কম বয়সীয়া ডেকা। সুপ্ৰতিষ্ঠিত বৰ্মণৰ আন এটা নাম 'অৰিদমনেন্দ্ৰ' বুলি ইয়াত উল্লেখ আছে। যেতিয়া গৌড়ৰ সৈন্যই তেওঁৰ ৰাজ্য আক্ৰমণ কৰিবলৈ জলপথেৰে কামৰূপৰ ফালে আগুৱাই আহে তেতিয়া দুয়ো ভাই-ককাই (সুপ্ৰতিষ্ঠিত বৰ্মণ আৰু ভাস্কৰ বৰ্মণ) অকণো ভয় নকৰি শত্ৰুসৈন্যক পৰাস্ত কৰিবৰ অভিপ্ৰায়ে নিজৰ সৈন্য-সামন্ত লৈ আগুৱাই যায়। ইয়াত সুপ্ৰতিষ্ঠিত বৰ্মণ আৰু ভাস্কৰ বৰ্মণক বলৰাম আৰু অচ্যুতৰ লগত তুলনা কৰিছে। দুয়ো ভ্ৰাতৃয়ে দেশ ৰক্ষাৰ বাবে বলৰাম আৰু অচ্যুতে বাণাসুৰৰ লগত নিৰ্ভীকভাৱে যুদ্ধ কৰাৰ নিচিনাকৈ ধনুকাঁড়েৰে শত্ৰুৰ লগত যুদ্ধ কৰিছিল। এই যুদ্ধত দুয়ো ভ্ৰাতৃৰ সুপৰিচালনাত কামৰূপৰ সৈন্যই গৌড়ৰ সৈন্যৰ বহুতো হাতী চোকা কাঁড়েৰে বিদ্ধি ৰণৈত পেলাইছিল, যেনেকৈ পূৰ্বেও শত্ৰুসৈন্যৰ হাতী কামৰূপৰ সৈন্যই কাঁড় মাৰি ৰণস্থলিৰপৰা খেদাই পঠাইছিল বা হত্যা কৰিছিল। অৱশেষে গৌড়ৰ সৈন্যই চাৰিওফালৰপৰা আক্ৰমণ কৰি আগুৱাই আহি অৱশেষত সুপ্ৰতিষ্ঠিত বৰ্মণ

আৰু ভাস্কৰ বৰ্মণক যেটি ধৰি বন্দী কৰে। বন্দী কৰি দুয়ো ভ্রাতৃক গৌড়লৈ লৈ যায়। তেওঁলোকৰ মহৎ গুণ দেখি গৌড়াধিপতিয়ে কিছুদিনৰ ভিতৰতে মুক্তি দিয়ে। তেওঁলোকে নিজ দেশলৈ ঘূৰি আহি ৰাজ্য শাসনত লাগিল। সুপ্রতিষ্ঠিত বৰ্মণৰ অলপ কেইদিনমানৰ ভিতৰতে মৃত্যু হোৱাত, ভাস্কৰ বৰ্মণ কামৰূপৰ ৰজা হয়। শাসনকাৰ্যত ভাস্কৰ বৰ্মণে কৃতকাৰ্যতা লাভ কৰিব পাৰিছিল। তেওঁ নিজে এগৰাকী কবি আৰু সঙ্গীতপ্ৰিয় আছিল।

এই তাম্রপত্রত উল্লেখ আছে যে স্থিত বৰ্মণে তেওঁৰ ৰাজধানী কামৰূপৰ আন ঠাইৰপৰা তুলি আনি ব্ৰহ্মপুত্ৰৰ পাৰত নকৈ স্থাপন কৰে।

সুপ্রতিষ্ঠিত বৰ্মণ আৰু ভাস্কৰ বৰ্মণে কোন গৌড়াধিপতিৰ লগত যুদ্ধ কৰিছিল তেওঁৰ নাম এই লিপিত উল্লেখ নাই। ড° সৰকাৰে গৌড়াধিপতি শশাঙ্ক বুলি মন্তব্য আগবঢ়াইছে।

বজালী অঞ্চলত প্রাচীন ভাস্কৰ্য বেছি পোৱা নাযায়। প্রাচীন ভাস্কৰ্য সাধাৰণতে প্রাচীন মন্দিৰসমূহৰ বেৰত লগোৱা হৈছিল। বজালী অঞ্চলত তেনেকুৱা প্রাচীন শিল বা ইটাৰদ্বাৰা নিৰ্মিত মন্দিৰ নাছিল। ইয়াত থকা পুৰণি মন্দিৰসমূহ বাঁহ, কাঠ আৰু খেৰৰ। সেয়ে ভাস্কৰ্যৰ ক্ষেত্ৰত বজালী অঞ্চল সমৃদ্ধ নহয়। শিলৰ কেইটামান মূৰ্তিহে এই অঞ্চলত পোৱা গৈছে। ইয়াৰ ভিতৰত টিহু নদীত পোৱা অলঙ্কৃত শিলৰ চতুৰ্ভুজ বিষ্ণুমূৰ্তিটো উল্লেখযোগ্য। এই মূৰ্তিটো বৰ্তমান অসম ৰাজ্যিক সংগ্ৰহালয়ত আছে। মূৰ্তিটোৰ মাফ ৬৬·৫ × ২৪ চেঃমিঃ।

ইয়াত চতুৰ্ভুজ বিষ্ণু সমপাদ-স্থানক ভঙ্গীত পদ্মপীঠত উপবিষ্ট। শিৰত কিৰীট মুকুট, কাণত কুণ্ডল, ডিঙিত কণ্ঠহাৰ আৰু মালা, শৰীৰত উপবীত আৰু বৈজয়ন্তী, হাতত কেয়ুৰ আৰু কঙ্কন, ভৰিত নূপুৰ, কঁকালত কটিসূত্ৰ পৰিধান কৰিছে।

হাতত থকা আয়ুধ ক্ৰমে পদ্ম, গদা, চক্ৰ আৰু শঙ্খ। বিষ্ণুৰ দুয়োফালে পৰিচৰ্যা ৰূপত দুগৰাকী নাৰীমূৰ্তি পদ্মপীঠৰ ওপৰত ত্ৰিভঙ্গ ভঙ্গীত উপবিষ্ট। তেওঁৰ সোঁফালে থকা নাৰীমূৰ্তিটো লক্ষ্মী; সোঁহাতেৰে ধৰি আছে চোৰৰ আৰু বাঁওহাতখন ককালত আছে। বাঁওফালে থকা নাৰীমূৰ্তিটো সৰস্বতী; বীণা এখন দুয়ো হাতেৰে ধৰি আছে। লক্ষ্মীৰ সোঁফালে আৰু সৰস্বতীৰ বাঁওফালে ক্ষুদ্ৰ দুটি নাৰীমূৰ্তি আছে; তেওঁলোক ক্ৰমে জয়া আৰু বিজয়া।

শিলাপটুৰ দুয়োকাষে, লক্ষ্মী আৰু সৰস্বতীৰ ওপৰত তলৰপৰা ওপৰলৈ

ক্ৰমে গজসিংহ (গজব্যাস), মগৰ, হংস বৰ সুন্দৰকৈ খোদিত কৰা আছে। ইয়াত এইকেইটা মূৰ্তি অলঙ্কাৰ হিচাপেহে আছে। শিলাপট্টৰ একেবাৰে ওপৰৰ জোঙা অংশটো ভাগি যোৱাত কীৰ্তিমুখৰ সামান্য অংশহে বৰ্তমান দেখা যায়। কীৰ্তিমুখৰ দুয়োকালে আছে হাতত মালা লৈ থকা উৰন্ত বিদ্যাধৰৰ মূৰ্তি।

শিলাপট্টৰ নিম্ন অংশত পদ্মপীঠৰ তলত গৰুড় আৰু গৰুড়ৰ দুয়োকালে দুটাকৈ ভক্তৰ মূৰ্তি আছে।

এই বিষ্ণুমূৰ্তিটো সুন্দৰকৈ অলঙ্কৃত। ইয়াৰ ভাস্কৰ্য শৈলীলৈ চাই পাল ভাস্কৰ্য শৈলীৰ প্ৰভাৱ সুস্পষ্ট দেখা যায়। এই মূৰ্তিটো খৃষ্টীয় একাদশ-দ্বাদশ শতিকাৰ।

অলপতে অসম ৰাজ্যিক সংগ্ৰহালয়ৰ ফালৰপৰা চতুৰ্ভুজ বিষ্ণুমূৰ্তি এটা পুৰণি ভৱানীপুৰ সত্ৰৰপৰা সংগ্ৰহ কৰিছে। এই মূৰ্তিটো পুৰণি ভৱানীপুৰ সত্ৰত অৱহেলিত হৈ পৰি আছিল। মূৰ্তিটোৰ ডিঙি অংশত ভাগি দুডোখৰ হৈ আছে। শিলাপট্টৰ ওপৰৰ অংশৰ দুয়ো দাতিৰ অংশ দুটা ভাগি হেৰাইছে। বৰ্তমান মূৰ্তিটোৰ মাফ—দৈৰ্ঘ্য ৮৯ চেঃমিঃ × প্ৰস্থ ৪৫ চেঃমিঃ।

এই মূৰ্তিটোত চতুৰ্ভুজ পদ্মপীঠৰ বিষ্ণু ওপৰত সমপাদ ভঙ্গীত উপবিষ্ট। শিৰত কিৰীট মুকুট, কাণত কুণ্ডল, ডিঙিত হাৰ; আৰু হাতত অঙ্গদ আৰু কঙ্কন। তেওঁ পৰিধান কৰিছে কটি সূত্ৰ আৰু বৈজয়ন্তী। হাতত থকা আয়ুধ ক্ৰমে (তলৰ সোঁহাতৰপৰা) পদ্ম, গদা, চক্ৰ আৰু শঙ্খ।

বিষ্ণুৰ দুয়োফালে দুগৰাকী পাৰ্শ্বদেৱী—ক্ৰমে লক্ষ্মী আৰু সৰস্বতী। দুয়ো পদ্মপীঠৰ ওপৰত ত্ৰিভঙ্গ ভঙ্গীত উপবিষ্ট। সৰস্বতীৰ হাতত বীণা। লক্ষ্মীৰ সোঁফালে আৰু সৰস্বতীৰ বাঁওফালে দুটা ক্ষুদ্ৰ নাৰী মূৰ্তি—ক্ৰমে জয়া আৰু বিজয়া। তেওঁলোক ক্ৰমে লক্ষ্মী আৰু সৰস্বতীৰ পৰিচাৰিকা।

শিলাপট্টৰ তল অংশত অৰ্থাৎ পদ্মপীঠৰ তলত গৰুড়; গৰুড়ৰ দুয়োফালে তিনিটাকৈ মুঠ ছজন ভক্ত আছে। ভক্তকেইজনে আঁঠু লৈ আৰাধনা কৰি আছে।

শিলাপট্টৰ একেবাৰে ওপৰত কীৰ্তিমুখ আৰু দুয়োফালে উৰন্ত বিদ্যাধৰৰ মূৰ্তি খোদিত আছে। বৰষুণ আৰু ৰ'দত পৰি থকা বাবে মূৰ্তিটো ক্ষয়প্ৰাপ্ত হৈছে।

ভাস্কৰ্য শৈলীৰ ফালৰপৰা এইটো দশম-একাদশ শতিকাৰ মূৰ্তি।

পাঠশালাৰপৰা প্ৰায় ৪ কিঃমিঃ পুবে ভাগৱতীপাৰা গাঁৱত কোনো মন্দিৰৰ বেৰত ব্যৱহৃত শিলাখণ্ড এটা মাটি খান্দোতে উদ্ধাৰ হৈছে। এই চতুৰ্কোণীয় শিলাখণ্ড চাৰিটা লঘু স্তম্ভই সুকীয়া তিনিটা অংশত বিভক্ত কৰিছে। সেই অংশ তিনিটাৰ সোঁমাজৰ অংশত আছে এটা পুৰুষৰ মূৰ্তি। তেওঁ উৎকটিকাসন ভঙ্গীত বহি আছে। সোঁহাতখন অভয় মুদ্ৰাত আৰু বাঁওহাতখন বাঁও আঁঠুৰ ওপৰত আছে। বাঁওফালৰ অংশত মিথুন-মূৰ্তি খোদিত আছে। দুয়ো প্ৰেমপাশত আবদ্ধ। সোঁফালে থকা অংশত আন এযোৰ মিথুন-মূৰ্তি। ইয়াতো যুৱক আৰু যুৱতীয়ে প্ৰেমপাশত আবদ্ধ হৈ আছে। এনেকুৱা কামোদ্ৰেককাৰী মূৰ্তি সাধাৰণতে শিৱ মন্দিৰসমূহৰ বেৰত দেখা যায়। এই শিলাখণ্ড সম্ভৱ কোনো শিৱ মন্দিৰৰ বেৰত আছিল। শিল্প শৈলীৰ ফালৰপৰা এইটো নৱম-দশম শতিকাৰ মূৰ্তি।

ওপৰত বৰ্ণনা কৰা তিনিটা মূৰ্তিৰ উপৰিও বজালী অঞ্চলত আহোম যুগৰ মূৰ্তি বহুকেইটাৰ সন্ধেদ পোৱা গৈছে। সেইবোৰ মূৰ্তি পিতল আৰু শিলৰ। আহোম যুগৰ মূৰ্তিকেইটাৰ ভিতৰত বিশেষকৈ দুৰ্গা, মহিষাসুৰ-মৰ্দিনী, লাৰুৰা গোপাল, বংশীবাদন আৰু নৰসিংহৰ মূৰ্তি প্ৰধান।

সহায় লোৱা গ্ৰন্থপঞ্জী

১। কামৰূপ শাসনাৱলী—সম্পাদক, পণ্ডিত পদ্মনাথ ভট্টাচাৰ্য, বিদ্যাবিনোদ
২। পবিত্ৰ অসম—সম্পাদক, ড° মহেশ্বৰ নেওগ
৩। শ্ৰীৰঘুনাথ দেৱ চৌধুৰী—"ধুৰঙ্গীৰ বাটে বাটে বজালী" প্ৰগতি, ১৯৭৩
৪। ঐ —"বজালীৰ পটভূমিত পাটাছাৰকুছি" অৰণি, ১৯৭৭
৫। E. A. Gait—History of Assam
৬। Percy Brown—Indian Architectures (Buddhist & Hindu Period)
৭। Dr. R. D. Choudhury—Archaeology of Brahmaputra Valley
৮। do—"কুমাৰ ভাস্কৰ বৰ্মাৰ ডুবি লিপিৰ মূল 'কথা'"···প্ৰগতি, ১৯৭৩

৯। P. D. Choudhury—"A new set of Copper plate Inscription of Bhaskarvarma" —Journal of the Assam Research Society, Vol. XI, No. 3 & 4, Vol. XII, No. 1 & 2

১০। Dr. N. P. Choudhury—Historical Archaeology of Central Assam

১১। do—হিউৱেনচাং

১২। R. M. Nath—"The Background of Assamese Architecture"; Aspects of the Heritage of Assam, 1959

১৩। Dr. D. C. Sircar—Doobi Copper Plate of Bhaskarvarma, Epigraphia Indica, Vol. XXX, Pt. VII

১৪। do—Gauda—Kāmarūpa struggle in the sixth & seventh centuries', Indian Historical Quarterly, Vol. XXVI, pp. 241-46

১৫। District Gazettee

কৃষিৰপৰা উদ্যোগলৈ

শ্ৰীমাধৱ চন্দ্ৰ অধিকাৰী

"যাৰ নাই ধান, তাৰ নাই মান। ধানেহে ধন, তাৰ অৰ্দ্ধেক সোণ॥"

ডাকপুৰুষৰ এই প্ৰবচনটি বজালীৰ কৃষকৰ ক্ষেত্ৰত বিশেষভাৱে প্ৰযোজ্য। বৰপেটা মহাকুমাৰ উত্তৰ-পূব খণ্ডত বজালী অঞ্চল অৱস্থিত। ই কৃষিপ্ৰধান ঠাই। কামৰূপ জিলাৰ ভিতৰত এই অঞ্চলতেই ধান, তামোল-পাণ, মৰাপাট, সৰিয়হ, নাৰিকল আদিৰ খেতি বেছিকৈ হয়। পূবে কালদিয়া আৰু পশ্চিমে পোমৰা নদীয়ে বজালী অঞ্চলক সাৰুৱা কৰি বৈ গৈছে। অসমৰ বিভিন্ন ঠাইৰ দৰে বজালীৰ মাটিও খেতিৰ কাৰণে বিশেষ উপযোগী। সাৰুৱা মাটি

কৃষিত বজালী

আৰু সুবিধাজনক জলবায়ুৰ বাবে কৃত্ৰিম সাৰ প্ৰয়োগ নকৰাকৈয়ে ভাল উৎপাদন হয়। কৃষকসকলে আগেয়ে অনাখৰী থকা বাবে কৃষি প্ৰণালীও পুৰণি হৈয়ে থাকে। নাঙল আৰু গৰুই একমাত্ৰ সমল। বছৰ বছৰ জুৰি একেডৰা মাটিতে একেটা খেতি কৰি থাকে। সাৰ দিয়া প্ৰথা সীমিত। পথাৰত ধান সিঁচা বা ৰোৱাৰ পিছত কৃষকে প্ৰকৃতিৰ ওপৰতে নিৰ্ভৰ কৰে। স্বাধীনোত্তৰ কালছোৱাত খেতিয়কসকলে সাধাৰণ পুথিগত শিক্ষা লাভ কৰে যদিও বৈজ্ঞানিক ভিত্তিত ব্যক্তিগত শিক্ষা লাভ কৰিব নোৱৰাৰ বাবে কৃষি উৎপাদনৰ ক্ষেত্ৰত পিছপৰি থাকিব লগা হয়।

তথাপি বজালী কৃষিৰ ক্ষেত্ৰত ৰাহি অঞ্চল বুলি খ্যাত। ক'বলৈ গ'লে ধান উৎপাদনৰ ওপৰত সমগ্ৰ মহাকুমাটোৱেই ইয়াৰ ওপৰত নিৰ্ভৰশীল। চলিত শতিকাৰ ষষ্ঠ দশকলৈকে এই সুনাম ৰক্ষা কৰাৰ পিছত বজালী অঞ্চল প্ৰাকৃতিক দুৰ্যোগৰ সন্মুখীন হয়। আন ঠাইৰ তুলনাত কম হ'লেও ১৮৯৭, ১৯৫০ চনৰ ভূমিকম্প আদি প্ৰাকৃতিক পৰিবৰ্তনৰ ফলত কৃষি ব্যৱস্থাৰ বহু পৰিবৰ্তন ঘটে। আগেয়ে নদীৰ গতিত কোনো বাধা নথকাৰ ফলত বানপানী হয় যদিও উক্ত সময়ৰ দৰে প্ৰলয়ঙ্কৰী নহয়। বানপানীয়ে কঢ়িয়াই অনা

সাবেই খেতিপথাৰ সাকৰা কৰি ৰাখে। নদীবোৰৰ গতি নিয়ন্ত্ৰণ কৰাৰ ফলত যদিও বানপানীৰ প্ৰকোপ কমিছে, আনফালে তাৰ ফলত মাটিৰ উৰ্বৰা শক্তি যথেষ্ট হ্ৰাস পাই গৈছে। সুখৰ বিষয় যে আজি কেইবছৰমানৰপৰা কৃষকসকলে বৈজ্ঞানিক ভিত্তিত খেতি কৰিবলৈ আগবাঢ়ি অহা দেখা গৈছে। উন্নত বীজ, আৱশ্যকীয় ৰাসায়নিক সাৰ, কীটনাশক ঔষধ, নানা যন্ত্ৰপাতি আদি ব্যৱহাৰ কৰাও দেখা যায়। অৱশ্যে এই ক্ষেত্ৰত সাধাৰণ কৃষকসকল উপকৃত হ'ব পৰা নাই যেন লাগে। ব্যয়বহুল এই যন্ত্ৰপাতি পাবৰ বাবে ব্যক্তিগত সম্পত্তি জামিন দিয়া আদি নানা আহুকালৰ সন্মুখীন হ'ব লগা বাবে দুখীয়া কৃষকসকলে ইচ্ছা থকা সত্ত্বেও আগবাঢ়িব পৰা নাই।

অঞ্চলটোত উৎপাদিত কৃষিসামগ্ৰী সৰবৰাহৰ ক্ষেত্ৰত দেশ স্বাধীন হোৱাৰ আগলৈকে কোনো সুবিধাজনক ব্যৱস্থা নথকা বুলিয়েই ক'ব পাৰি। গোহাঁই-কমল আৰু কোঠৰ আলিয়ে এই ক্ষেত্ৰত বৰঙণি দিছিল যদিও তাৰ অৱস্থাও উন্নত নাছিল। গৰুগাড়ীয়েই আছিল একমাত্ৰ পৰিবহনৰ উপায়। কালদিয়া আৰু পো-মৰা নদীয়েদি সমগ্ৰ বজালীৰ উৎপাদিত সামগ্ৰী নাৱেৰে বাহিৰলৈ সৰবৰাহ হৈছিল। এই ক্ষেত্ৰত কালদিয়া নদীৰ কুৱাৰা, নাওশালি, পাটাৰ ঘাট আদি আৰু পো-মৰা নদীৰ কঠালমুৰী, মহাৰাণী আদি ঘাট উল্লেখযোগ্য। বৰ্ত্তমান বজালী বাট-পথেৰে সমৃদ্ধ। অতি ভিতৰুৱা ঠাইৰ-পৰাও যাতায়াতৰ বিশেষ অসুবিধা নাই। বাট-পথ, গাড়ী-মটৰ আদি যথেষ্ট হোৱাৰ উপৰিও পাঠশালা ষ্টেচনৰপৰা ৰেলেৰে বিভিন্ন সামগ্ৰী সৰবৰাহত সুচল হৈছে। বজালীৰ প্ৰধান উৎপাদিত সামগ্ৰীসমূহ হৈছে—ধান, মৰাপাট, সৰিয়হ, কুঁহিয়াৰ, তামোল-পাণ, নাৰিকল আদি। এইবোৰ খেতিৰ উৎপাদন ৰাহি হয়। এই ৰাহি উৎপাদিত সামগ্ৰীবোৰ ৰাজ্যৰ তথা ৰাজ্যৰ বিভিন্ন ঠাইলৈ যায়।

জাতীয় চৰকাৰে কৃষি বিষয়ত গুৰুত্ব আৰোপ কৰি কৃষি বিষয়ক বিভিন্ন তথ্যাদি একত্ৰিত কৰাৰ প্ৰয়াস কৰিছে। সুখৰ কথা, বজালী সংমণ্ডলৰ কৃষিকাৰ্য্যৰ গুৰুত্ব উপলব্ধি কৰি জাতীয় চৰকাৰে বজালীক কৃষি মহকুমা হিচাপে ঘোষণা কৰিছে আৰু ইয়াৰ সদৰ পাঠশালা নগৰত স্থাপিত হৈছে। ইয়াৰ উপৰি আঞ্চলটোৰ উত্তৰ প্ৰান্তত ভূটান পাহাৰৰ পাদদেশত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ যুগ্ম প্ৰচেষ্টাত ককিলাবাৰীত এখন বিস্তৃত কৃষিপামো গঢ়ি উঠিছে।

বজালী এলেকাৰ সৰ্বমুঠ মাটিকালি ৪০১'৩ বৰ্গমাইল। বীজপাম দুখন, পুলিবাৰী দুখন। পাম চাৰিখনৰ মুঠ মাটিকালি ৭০ একৰ। ইয়াত বিভিন্ন ফল, গছ, ফুল আদিৰ পুলি আৰু শস্যৰ উন্নত বীজ উৎপাদন কৰা হয়। কৃষি মহকুমাটোৰ খেতিৰ উপযোগী মাটিৰ পৰিমাণ মুঠ ৬১,৭৬৯'৯৪ হেক্টৰ বা ৪,৬৩,২৭৫ বিঘা। গো-বিজাৰ্তৰ পৰিমাণ ১,৭৯৫ হেক্টৰ বা ১৩,৪৬২'৫ বিঘা। পানী যোগান ব্যৱস্থাৰ ভিতৰত আছে—(ক) গভীৰ নলীনাদ (খ) বোৰঁতী ডোং (গ) অগভীৰ নলীনাদ (ঘ) লিফ্‌ট্ ইৰিগেচন। এইবোৰ ব্যৱস্থাৰে ২৮০ হেক্টৰ বা ২,১০০ বিঘা মাটিত পানী যোগানৰ ব্যৱস্থা আছে। প্ৰস্তাৱিত ভূমুকি জলসিঞ্চন আঁচনিত ৮,৫০০ হেক্টৰ বা ৫৯,৭৫০ বিঘা মাটি সামৰা হৈছে। ভৱিষ্যতে এই আঁচনিত অধিক মাটি সামৰিব পৰাৰ থল আছে।

উৎপাদিত ধানৰ পৰিমাণ প্ৰায় ১,৭৩,৫০০ কুইন্টল। মহকুমাৰ কৃষি তথ্যমতে যোৱা বছৰটোৰ উৎপাদন আগৰ বছৰৰ তুলনাত ৫ শতাংশ বৃদ্ধি পাইছে। এই মহকুমাই ভৱিষ্যতে কৃষিৰ উৎপাদন বৃদ্ধিৰ বাবে বৰ্তমান নিবিড় কৃষি (বেনৰ প্ৰজেক্ট) আঁচনিৰ জৰিয়তে উৎপাদন বৃদ্ধিৰ চেষ্টা চলাবলৈ হাতত লৈছে। ভাৰতীয় বাজ্যিক কৃষি পাম নিগমৰ তত্বাবধানত গঢ়ি উঠা ককিলাবাৰী পামখন পাঠশালাৰপৰা ৩৫ কিলোমিটাৰ দূৰত। বনবীয়া হিংস্ৰ জীৱ-জন্তুৰে অধ্যুষিত অঞ্চলটোত ১৯৭১ চনৰ ১১ অক্টোবৰত কৃষিপামখন আৰম্ভ হয়। পোনতে কিছুদিন পাঠশালাত কাৰ্য্যালয় ৰাখি তাৰ পিছত পামৰ নিজা ঠাইলৈ স্থানান্তৰিত কৰে। বৰ্তমান পামখনে দহ হাজাৰ একৰ মাটিত খেতি কৰি আছে। পামখনৰ উদ্দেশ্য অকল উৎপাদন কৰাই নহয়, উন্নত জাতৰ বিধান চুবুৰীয়া কৃষকসকলৰ মাজত বিতৰণৰ ব্যৱস্থা কৰা, স্থানীয় জনজাতীয় লোকক পামৰ কামত নিযুক্ত কৰা, বৈজ্ঞানিক কৃষি পদ্ধতিৰ শিক্ষা দিয়া, ফল মূল, গছ-গছনি প্ৰতিপালন, মাছ পোহা আদি কামত স্থানীয় যুৱকক শিক্ষিত কৰি তোলা আদি কৃষিপামখনৰ লক্ষ্য।

মানুহৰ আৱশ্যকতাৰ ফলতে কোনোবা এসময়ত মুদ্ৰাৰ উদ্ভাৱন আৰু প্ৰচলন হ'ল। মুদ্ৰা হ'ল বিনিময়ৰ মাধ্যম। মুদ্ৰাৰ প্ৰচলন নোহওঁতেও

বাণিজ্যত বজালী

মানুহে নিজৰ থকা বস্তুটো সলাই আনৰপৰা নথকা বস্তুটো আনিছিল। এনে বিনিময় প্ৰথাই কেতিয়াবা অসুবিধাজনক অৱস্থা পায়গৈ। মুদ্ৰাৰ ব্যাপক প্ৰচলনে সেই অসুবিধা আঁতৰাইছে। বজালী

অঞ্চলতো তাহানিৰেপৰা বিনিময় প্ৰথাৰে বাণিজ্য কৰ্ম সম্পাদিত হৈছিল। ইয়াৰ উৎপাদিত প্ৰধান সামগ্ৰী ধান, মাহ, মৰাপাট, সৰিয়হ, তামোল, পাণ, বাঁহ আদিৰ বিনিময়ত নিমখ, সূতা আদি লাগতিয়াল বস্তু সলাই লৈছিল। বাণিজ্যৰ ক্ষেত্ৰত অঞ্চলটোৰ সম্পৰ্ক মহকুমাৰ দক্ষিণ-পশ্চিম অঞ্চলৰ লগত ঘনিষ্ঠ। পৰিবহন ব্যৱস্থা জলপথ হোৱা বাবে ব্ৰহ্মপুত্ৰৰপৰা চাউলখোৱা হৈ উপনদী কালদিয়া আৰু পোমৰাৰে উজাই আহি মুদৈসকলে এই অঞ্চলত বেহা-বেপাৰ চলায়। এই অঞ্চলৰ বাইজৰ বাবে তেওঁলোকে আৱশ্যকীয় বস্তু লৈ আহে আৰু ভটিয়াই যাওঁতে এই অঞ্চলত উৎপাদিত তেওঁলোকৰ আৱশ্যকীয় সামগ্ৰী লৈ যায়। এই অঞ্চলৰ লোক কাচিৎহে বেপাৰ-বাণিজ্যলৈ বাহিৰলৈ যায়।

বজালীৰ লগত বহিঃৰাষ্ট্ৰৰ ব্যৱসায়-বাণিজ্য চলাৰ প্ৰমাণ পোৱা যায়। ভূটানৰ লগত বজালীবাসীৰ ওতপ্ৰোতঃ সম্বন্ধ। ভূটীয়াসকলে বোকোচাত কমলা-টেঙা, লা, জাত্ৰাং আদি লৈ ভৈয়ামলৈ নামি আহি এই অঞ্চলত সেইবোৰ সলাই ইয়াৰপৰা নিমখ, তেল, এৰীবাহ আদি লৈ যায়। এই অঞ্চলৰ বিশেষকৈ জনজাতীয় লোকসকলে এৰীপলু পোহে। অতীতৰেপৰাই বজালীত এৰী, পাট আৰু মুগাৰ বহুল প্ৰচলন আছে। ভূটীয়াসকলে জনজাতীয় লোকৰপৰা এৰীবাহ লৈ যায় আৰু ঘূৰি আহি এৰীসূতা দি তাৰ বিনিময়ত বিভিন্ন বস্তু বা নগদ ধন নিয়ে। জনজাতীয় লোকসকলে সেই সূতাৰপৰা এৰী ৰৰকাপোৰ বৈ লয় আৰু বিক্ৰী কৰে। ভূটীয়াসকলে তেনেদৰে ঘূৰি ফুৰোঁতে জনজাতীয় লোকসকলৰ লগত ঘনিষ্ঠ সম্পৰ্ক গঢ়ি উঠিলে তেওঁলোকে তৈয়াৰ কৰা 'চুঙাচুঙ্ৰী' দি ডাঙৰ কুৰ্মা বা মিতিৰ পাতি লয়। 'চুঙাচুঙ্ৰী' ভূটীয়াসকলৰ এবিধ অতি প্ৰিয় খাদ্য। চুঙাত বিশেষভাৱে পঁচোৱা এবিধ সুস্বাদু শুকান মাছেই 'চুঙাচুঙ্ৰী'। এইবিধ বস্তু দি তেওঁলোকে গভীৰ সম্পৰ্কও স্থাপন কৰে। অতীতত চীনৰ লগতো বজালীৰ বাণিজ্যিক সম্পৰ্ক থকাৰ উমান পোৱা যায়। চীনৰ ধৰ্মীয় প্ৰভাৱ, কেতবোৰ তান্ত্ৰিক আচাৰ-নীতি বজালীৰ অধিবাসীসকলৰ জনজীৱনত দেখা যায়। এইবোৰ ৰাষ্ট্ৰৰ লগত যোগাযোগৰ মাধ্যম আছিল একমাত্ৰ পদব্ৰজ। এইবোৰ পথ অতি বিপদসঙ্কুল হোৱা বাবে এই ৰাষ্ট্ৰবোৰৰ লগত বহুল বাণিজ্যিক সম্পৰ্ক গঢ়ি উঠাত বাধা আহি পৰে। বজালীবাসী ৰাইজৰ বিশেষ অভাৱ নিমখৰ। ইয়াৰ ৰাইজে নিমখৰ সলনি খাৰ ব্যৱহাৰ কৰে। অপৰ্যাপ্ত কল গছৰপৰা খাৰ

তৈয়াৰ কৰি লয়। যেনেকৈ, পানীখাৰ আদি পুৰিও গোটাখাৰ, বখলাখাৰ আদি প্ৰস্তুত কৰি ব্যৱহাৰ কৰে। নিমখৰ দুষ্প্ৰাপ্যতাক লৈ কিছুমান ফঁকৰাক সৃষ্টি হোৱা মন কৰিবলগীয়া। 'হাবাওত নুন লওা দেহাৰ বা কি অৱস্থা' আদি প্ৰচলিত ফঁকৰাবোৰে এই অঞ্চলটোত নিমখৰ দুষ্প্ৰাপ্যতাৰ কথাকে বুজায়।

আগতে ব্যৱসায়-বাণিজ্য আদি বৃত্তিগত পদ্ধতিত চলে। কৃষক, কমাৰ, কুমাৰ, ধোবা, নাপিত, কঁহাৰ, সোণাৰী আদিয়ে নিজ নিজ বৃত্তি চলায় আৰু নিজৰ উৎপাদিত সামগ্ৰী আৰু কাৰ্যসমূহ সালসলনি কৰি লয়। প্ৰাক্-স্বাধীন কালত ইংৰাজসকলৰ আগমনৰ লগে লগে এই অঞ্চললৈ পশ্চিমবঙ্গ, বিহাৰ, ৰাজস্থান আদিৰপৰা নানা লোকৰ সোঁত বয়। বৰ্তমান স্বাধীনোত্তৰ কালছোৱাত আগৰ সেই গৌৰৱোজ্জ্বল বাণিজ্য লোপ পালে। আগৰ সেই বৃত্তিগত বাণিজ্য এতিয়া স্থানীয় অধিবাসীসকলৰ হাতত নাই বুলিলেই হয়। বৃত্তিগতই হওক বা অবৃত্তিগতই হওক সকলো বাণিজ্য আজি প্ৰায় বহিৰাগতৰ হাতত একচেতিয়া। বজালীৰ স্থায়ী বাসিন্দাসকলৰ হাতত বৃহৎ ব্যৱসায় নাই বুলিবই পাৰি। বজালীৰ স্নায়ুকেন্দ্ৰ পাঠশালাত তামোল, নাৰিকল, ধান, মৰাপাট আদি উৎপাদিত সামগ্ৰী স্থানীয় ব্যৱসায়ীসকলৰ যোগেদি কিনা-বেচা হোৱাটো গৌৰৱৰ কথা। বাহিৰৰপৰা অহা কাপোৰ, তেল, চাবোন, ফাইল, ঔষধ, চামৰা আদি সামগ্ৰী বহিৰাগত ব্যৱসায়ীৰ একচেতিয়া ব্যৱসায় হৈ পৰিছে। ধোবা, নাপিত, কুমাৰ, বাঢ়ৈ আদিৰ কামো প্ৰায় বহিৰাগতৰ হাতত। যি দুই-চাৰিৰ তেনে বৃত্তিগত ব্যৱসায় আছে তেওঁলোকৰো কৰ্ম-বিমুখতা আৰু প্ৰতিযোগিতামূলক বজাৰৰ ফলত নাজল-নাথল অৱস্থা। ব্যৱসায়িক ভিত্তিত আজিকালি গৰু-ম'হৰ গাড়ীৰ প্ৰচলন নাইকীয়া হ'ল। তাৰ ঠাই ল'লেহি ৰিক্সা-ঠেলাই। অভাৱৰ তাড়ণাত দুই-একে ৰিক্সা-ঠেলা চলাবলৈ লোৱাও দেখা গৈছে। স্থানীয় অধিবাসীসকলে এনেদৰে শামুকীয়া বৃত্তি অৱলম্বন কৰিলে অচিৰে তেওঁলোকে নিজৰ ঘৰতে মগনীয়া হৈ পৰিবলৈ সৰহ দিনলৈ বাট চাব নালাগিব।

উদ্যোগৰ ক্ষেত্ৰত বজালী অতি পিছপৰা অঞ্চল। ইয়াত বৃহৎ উদ্যোগতো নায়েই, মজলীয়া উদ্যোগো নাই বুলিব পাৰি। মজলীয়া উদ্যোগৰ ভিতৰত বজালীত পাঁচটা ইটা উদ্যোগ আছে। আন মজলীয়া উদ্যোগৰ ভিতৰত তিনিটা ধান বনা কল, এটা কাঠ কটা কল, এটা আটা কল, দুটা তেল পেৰা কল আৰু কেবাটাও ধান বনা ক্ষুদ্ৰ কল আছে। অঞ্চলটোৰ স্নায়ুকেন্দ্ৰ পাঠশালাত

চাবিটা লক হুপাথানা আছে। তাৰে এটা অনুষ্ঠানৰ, এটা অংশীদাৰ ভিত্তিক, বাকী দুটা ব্যক্তিগত লোকৰ। বজালীৰ বিভিন্ন ঠাইত থকা লক লক বিঘুট বেকাৰীবোৰ মালিকীস্বত্ব। চাইকেল, মটৰ আদিৰ মেৰামতি কৰা ক্ষুদ্ৰ

উদ্যোগত বজালী

উদ্যোগ কিছু আছে। তাৰে এখনৰ বয়ন প্ৰায় তিনিকুৰি বছৰৰো অধিক হৈছে। কুটীৰ শিল্পৰ ভিতৰত তাঁতশাল বজালীৰ প্ৰায় ঘৰে ঘৰে। বহুবৰ আৱশ্যকীয় গামোছা, মেখেলা-চাদৰ আদি এই শালবোৰত শিপিনীসকলে বৈ লয়। তাঁতশিল্প ব্যৱসায়িক ভিত্তিত গঢ়ি উঠাও লক্ষ্য কৰা যায়। কমাৰ, কুমাৰ আদি শিল্প মৃতপ্ৰায়। ক্ষুদ্ৰ কুটীৰ শিল্পৰ ভিতৰত আগৰে পৰা ঘৰে ঘৰে ঢেঁকীৰ ব্যৱহাৰ প্ৰচলিত। ঢেঁকীৰে ধান বানি গাঁৱৰ বাৰী-বিধবাসকলে পেট প্ৰবৰ্তোৱাও লক্ষ্য কৰা যায়। বৰ্তমান চুকে-কোণে গঢ়ি উঠা ক্ষুদ্ৰ ধান বনা কলবোৰৰ বাবে এই শিল্পৰ প্ৰায় বিলুপ্তি ঘটাৰ উপক্ৰম হৈছে।

বজালী অঞ্চলটোত উদ্যোগৰ ক্ষেত্ৰত যথেষ্ট সা-সুবিধা, কেঁচামাল আদি থকা সত্বেও স্থানীয় বাইজ আৰু জাতীয় চৰকাৰে তাৰ প্ৰতি সমূলি উদাসীন হৈ থকাটো দুখৰ কথা। অঞ্চলটোত উৎপাদিত কেঁচামাল ঠাইতে ব্যৱহাৰ কৰিব পৰাকৈ ইয়াত এটা বৃহৎ কাগজ কল বহুৱাব পৰা সকলোবোৰ সা-সুবিধা আছে। বজালীত উৎপন্ন হোৱা নাৰিকলৰপৰা বিভিন্ন সামগ্ৰী উৎপাদনৰ বাবে ইয়াত এটা বৃহৎ উদ্যোগ গঢ়ি তুলিব পাৰি। কেইবছৰমানৰ আগতে পাঠশালাৰ এজন স্থানীয় যুৱকে নাৰিকলৰ লাড়ু আৰু তেল তৈয়াৰ কৰা উদ্যোগ আৰম্ভ কৰে। কিন্তু আৰ্থিক অভাৱ আৰু উপযুক্ত বজাৰৰ অভাৱত সি সফল নহ'ল। এনেবোৰ উদ্যোগৰ ক্ষেত্ৰত চৰকাৰৰ সহায়-সহযোগৰো আৱশ্যক। বজালীত যথেষ্ট তামোল উৎপন্ন হয়। এই তামোলবোৰ ফালি শুকাই বাহিৰলৈ চালান দিয়া হয়। তামোলৰপৰা বিভিন্ন ধৰণৰ 'চুপাৰী', বং আদি প্ৰস্তুত কৰাৰ বাবে উদ্যোগ গঢ়ি তোলাৰ যথেষ্ট থল আছে। ধান কলবোৰত ধান বনাৰ পিচত তুঁহবোৰ এনেয়ে পুৰি পেলোৱা হয়। এই তুঁহবোৰৰপৰা মূল্যবান তেল উলিয়াব পাৰি। এই ভিত্তিতো উদ্যোগ গঢ়ি উঠাৰ সুবিধা আছে। অঞ্চলটোৰ বিভিন্ন ঠাইত গঢ়ি উঠা বিদ্যালয়, মহাবিদ্যালয়, নানা কাৰ্যালয় আদিৰ বাবে আৱশ্যক হোৱা 'চক্', 'চিয়াহী', 'ব্লেদ', 'পিন', 'ফাইল' আদি নানা সামগ্ৰী তৈয়াৰ কৰাৰ বাবে উদ্যোগ গঢ়ি উঠাৰ সুবিধা আছে। তেনে উদ্যোগ গঢ়াৰ বাবে প্ৰস্তুতি চলোৱাও লক্ষ্য কৰা যায়। কুঁহিয়াৰৰ জাবৰি,

ধানৰ নৰা, নৰিয়হৰ ঠাঁৰি আদিৰপৰা ঘৰৰ চাল, বেৰ আদিৰ বাবে আৱশ্যকীয় 'কাৰ্ড-বোৰ্ড' তৈয়াৰ কৰিব পৰা উদ্যোগ গঢ়ি তোলাৰ বাবেও কেঁচামাল তথা সকলো সা-সুবিধা আছে। এইবোৰ ঔদ্যোগিক সম্ভাৱনা থকা সত্ত্বেও স্থানীয় যুৱক তথা চৰকাৰে কাৰ্যক্ষেত্ৰত আগবাঢ়ি নহাটো আচৰিত কথা। উদ্যোগৰ ক্ষেত্ৰত আগবাঢ়িব পাৰিলেহে একোখন ঠাইৰ দ্ৰুত উন্নয়ন হয়। বজালীৰো সামগ্ৰিক দ্ৰুত উন্নয়ন নিৰ্ভৰ কৰিছে অচিৰেই সম্ভাব্য উদ্যোগৰ ক্ষেত্ৰত ইয়াক আগবঢ়াই নিয়াৰ ওপৰত।

নাট্য আৰু কলা চৰ্চা

শ্ৰীবিনোদ শৰ্মা

প্ৰাক্-শংকৰী যুগত বজালীত কেনেকুৱা ধৰণৰ নাট্য কলাৰ চৰ্চা হৈছিল তাৰ কোনো সম্ভেদ পোৱা নাযায়। আপেক্ষিকভাৱে প্ৰাচীন অধিবাসী বড়ো আৰু কছাৰীসকলৰ মাজত বহুতো স্বকীয় কলা-কৃষ্টি পোৱা যায় যদিও সেইবোৰ গীতি-প্ৰধান। তাত নাটকীয় গুণ নাই বুলিলেও হয়। সমকালীন আন জনজাতিৰ মাজতো তেনেকুৱা নাটকীয় গুণবিশিষ্ট কিবা অনুষ্ঠান আছিল বুলি ক'ব নোৱাৰি।

বজালীৰ নাট্য কলাই যাইকৈ অঙ্কীয়া ভাওনাৰ মাজেদিহে বিকাশ লাভ কৰিছে। কিন্তু পুতলা নাচ আৰু ওজাপালি, অঙ্কীয়া ভাওনাৰ পূৰ্বতে প্ৰচলিত কলা। সেয়ে নাট্য কলাৰ দিক্ নিৰ্ণয় কৰিবলৈ যোৱাৰ আগেয়ে পুতলা নাচ আৰু ওজাপালিৰ কথাও আলোচনা কৰাটো উচিত হ'ব।

দক্ষিণ বজালী অঞ্চলৰ একমাত্ৰ ভালুকী গাঁৱত 'পুতলা নাচ'ৰ দল এটি আছিল। এয়া আছিল কুৰি শতিকাৰ তৃতীয় দশকৰ শেষভাগৰ কথা।

পুতলা নাচ

এই অঞ্চলৰ পুতলা নাচৰ বাটকটীয়া হ'ল—ৰামেশ্বৰ পণ্ডিত, জন্ম মথুৰাপুৰ গাঁৱত। তেওঁৰে খুলশালীয়েক ভালুকী গাঁৱৰ অনিৰুদ্ধ শৰ্মা এই পুতলা নাচৰ প্ৰচাৰক। ইয়াকে দেখি একে গাঁৱৰে শ্ৰীহৰগোবিন্দ শৰ্মাই এই কলা হাতত লয়। ক'বলৈ গ'লে, শ্ৰীহৰগোবিন্দ শৰ্মাৰ দিনতে এই কলাই প্ৰসাৰ লাভ কৰে।

প্ৰথমছোৱাৰ নাটবোৰ পুৰাণ-মহাভাৰতৰপৰাই বুটলি অনা। কিন্তু পিছলৈ এই নাটৰ আমূল পৰিবৰ্তন ঘটে। জনতাৰ মনোৰঞ্জনৰ বাবে ৰচা নাট জনতামুখী হ'ল। গৰুৰে হাল বোৱা, কোৰ মৰা, শস্যৰ পোক নিবাৰণৰ বাবে প্ৰতিষেধক পাউদাৰ চটিওৱা, মটৰগাড়ী চলোৱা, চাইকেল চলোৱা, ঢেঁকীৰে ধান বনা, তেল পেৰা, মহ নিবাৰণ কৰিবলৈ ডি-ডি-টি চটিওৱা, দমকলেৰে পানী চটিওৱা, আকাশীজাহাজ চলোৱা, তাঁতশালেৰে কাপোৰ বোৱা, যঁতৰেৰে সূতা কটা, গৰুগাড়ী চলোৱা, গাড়ী-মটৰৰ দুৰ্ঘটনা ঘটোৱা, ভীষণ

ভীষণ সাপৰ খেলা দেখুৱাই দৰ্শকক আমোদ দিয়াৰ উপৰিও দৰ্শকক বৰ্ত্তমানলৈ টানি অনা হৈছিল। এই নাচ সংস্কৃত পুতলা নাচৰ আৰ্হিৰ। সংস্কৃত নাটৰ সূত্ৰধাৰ আৰু পুতলা নাচৰ সূত্ৰধাৰ একেই। পাণিনিৰ এই সূত্ৰ হ'ল—'পৰাশৰ শিলালিভ্যাং ভিক্ষু—নট সূত্ৰয়ো'; 'নট সূত্ৰ' মানে সূত্ৰকাৰে ৰচিত নাট্য কৰ্মৰ বিধি-বিধান। অতীতৰপৰাই সূত্ৰধাৰে নাটকৰ সূত্ৰ ধৰি অহিছে। পুতলা নাচতো সূত্ৰধাৰে নাটৰ গুৰি ধৰে।

বঙ্গালীৰ এই পুতলা নাচৰ জনপ্ৰিয়তা লাহে লাহে লোপ পাই অহাৰ মূল কাৰণ প্ৰযোজকৰ অৰ্থ-সংকট বুলি বহুতে কয়। কিন্তু দৰাচলতে এই কলাৰ লোপ পোৱাৰ মূল কাৰণ হ'ল উনৈশ শতিকাৰ তিনিদহকত মূৰ দাঙি উঠা অসমীয়া গায়ন-বায়ন আৰু যাত্ৰাভিনয়ৰ জয়যাত্ৰা।

ঢুলীয়া অসমৰ প্ৰাচীন লোক কলা। ধৰ্ম মন্দিৰবোৰত ঢুলীয়াৰ বিশেষ তাৎপৰ্যপূৰ্ণ ভূমিকা মুই কৰিব নোৱাৰি। উনৈশ শতিকাৰ প্ৰাৰম্ভণিৰপৰাই বঙ্গালীত ঢুলীয়াৰ প্ৰাদুৰ্ভাৱ লক্ষ্য কৰা যায়। ওজাপালি আৰু পুতলা নাচৰ দৰে ঢুলীয়াকো নাট্য আন্দোলনৰ পূৰ্বৰাগ বুলি কোৱা হয়।

ঢুলীয়া

বঙ্গালীৰ ৰৰবাগ আৰু নিত্যানন্দ-পাণবাৰীত আজিৰপৰা ৩৫।৪০ বছৰ পূৰ্বলৈকে ঢুলীয়াৰ দল আছিল। ঢুলীয়া দুই প্ৰকাৰৰ। সভা গোৱা ঢুলীয়াৰ দল ডাঙৰ। বাজনা, গীত-নাচ, কুস্তি, ভাওনা এওঁলোকৰ কাৰ্যসূচীৰ ভিতৰত পৰে। মাঙ্গলিক ঢুলীয়াই অকল বাজনা বজায়। ঢুলীয়াক নাট্যান্দোলনৰ পূৰ্বৰাগ বুলি এই কাৰণতে কোৱা হয়—ইয়াৰ অভিনয় আৰু আজিৰ অভিনয়ৰ মাজত যথেষ্ট সাদৃশ্য আছে। তদুপৰি ইয়াত ব্যৱহাৰ কৰা বাদ্য আজিৰ নাটকতো ব্যৱহাৰ কৰা দেখা যায়।

নাট্য গুণবিশিষ্ট গীত, নৃত্য, মুদ্ৰা আৰু সংলাপ এই অনুষ্ঠানত লক্ষ্য কৰা যায়। বঙ্গালীতো ওজাপালিৰ পৰম্পৰা অতি প্ৰাচীন। কিন্তু ইয়াৰ উৎপত্তি বিচাৰিবলৈ গ'লে কোঁচ ৰজাসকলৰ ৰাজত্ব কাললৈ উভতি যাব লগা হয়।

ওজাপালি

মহাৰাজ নৰনাৰায়ণৰে সৈতে মনোমালিন্য হৈ ৰঘুদেৱ কামৰূপলৈ আহোঁতে লগত বহুতো মুছলমান বণুৱা, সম্ভ্ৰান্ত বিষয়া আৰু ওজাপালি আহিছিল বুলি উল্লেখ পোৱা যায়। বঙ্গালীত ওজাপালি হিন্দু আৰু মুছলমান—দুয়ো সম্প্ৰদায়ৰ মাজতে প্ৰচলিত আছিল। মুছলমান ওজাপালিৰ পৰিধেয় বস্ত্ৰ আছিল গাত জামা-কাপোৰ, মূৰত কুৰ্তা আৰু ভৰিত নেপুৰ। ভাওনাৰ ভাওৰীয়াৰ দৰে ডাইনাপালিজনে হনুমানৰ নিচিনা পাছৰ

পিনে অসুৰ নেজ এডাল জাবি লৈছিল। বৰাচলতে দেৱ-দেৱী পূজা ইছলাম ধৰ্মৰ বিৰুদ্ধ। সেয়ে এই কলা আজি মুছলমান সম্প্ৰদায়ৰ মাজত নাই। গড়ৰ সোণা ওজা ঊনবিংশ শতিকাৰ শেষাৰ্দ্ধত প্ৰকাশ পোৱা এজন বিখ্যাত ওজা।

হিন্দু ওজাপালিয়ে গোৱা গীতৰ সুৰ মুছলমানসকলৰ সুৰতকৈ সুললিত। এওঁলোকে সাধাৰণতে সুকবি নাৰায়ণদেৱৰ পদ গায়। ঊনবিংশ শতিকাৰ মধ্যাংশত নৱগ্ৰহ (চিত্ৰাচল) দেৱালয়ৰ ৺লেইতা ডাইনা পালিয়ে বজালীত কেবাটাও দলক শিকাইছিল। আগেয়ে ওজাজনে কাণত কেৰু, হাতত গামখাৰু আৰু মূৰত সত্ৰীয়া পাগুৰী মাৰিছিল। ডাইনা পালিয়ে চাপকন পিন্ধিছিল। বিছানকুছি গাঁৱৰ ৺কৃষ্ণকান্ত ওজা ঊনবিংশ শতিকাৰ শেষাৰ্দ্ধৰ খ্যাতনামা ওজা। কুৰি শতিকাৰ শেষাৰ্দ্ধৰ মুগুৰীয়া গাঁৱৰ শ্ৰীবক্ষেশ্বৰ ডাইনা পালি প্ৰখ্যাত। চুলীয়াপাৰাৰ ৺নিধিৰাম ওজা, আতহু ডাইনা পালি, মুগুৰীয়াৰ শিশু ওজা, দৈশিঙৰীৰ তথিত ওজা অগ্ৰগণ্য।

নাটকীয় গুণ আৰু নৃত্য মুদ্ৰা আদিলৈ লক্ষ্য কৰিলে সংস্কৃত নাটৰ সূত্ৰধাৰ আৰু ওজাপালিৰ ডাইনা পালিৰ মাজত বিশেষ কোনো পাৰ্থক্য নাই। তদুপৰি পুতলা নাচৰ মুদ্ৰা আৰু ওজাপালি নাচৰ মুদ্ৰাৰ মাজতো তেনেকুৱা কোনো পাৰ্থক্য দেখা নাযায়। সেয়ে ওজাপালিত সংস্কৃত নাটৰ প্ৰভাৱ পৰা বুলি নিঃসন্দেহে ক'ব পাৰি।

মাঙ্গলিক পূজা-পাৰ্বণত, ওজাপালিৰ সৌন্দৰ্য বিকাশত, সামাজিক ঐতিহ্য-পূৰ্ণ অনুষ্ঠানত দেওধনী নাচৰ প্ৰচলন থকা গম পোৱা যায়। ঐন্দ্ৰজালিক নাচ চিৰকুমাৰী ব্ৰত, ৰঙা বসন, মুক্ত বেণী, কপালৰ তগৰপীয়া তেজৰঙা ফোঁট, হাতত বলি কটা দা এই নাচৰ বিশেষ বৈশিষ্ট্য। বাইজৰ মনোৰঞ্জন, সমাজৰ মঙ্গল কামনা, কলা কৃষ্টিৰ সাধনা এই নাচৰ বিশেষ উদ্দেশ্য। বজালীৰ গাতি গাঁৱৰ অহেৰী আৰু নাচে নামৰ দুগৰাকী দেওধনী জীৱিত আছে।

দেওধনী নাচ

দধিমথনৰ নাটৰ ভাষা ব্ৰজাবলী—'এহি শুনিয়ে শ্ৰীকৃষ্ণ বুলয়—শ্ৰীকৃষ্ণ বোলে মাই যশোদা তোমাৰ স্তন পান কৰিতে বহুত ইচ্ছা হৈছে।' কিন্তু নাটৰ গীত আৰু সংলাপত বজালীৰ থলুৱা ভাষাৰ প্ৰভাৱ উপলব্ধি কৰা যায়—'দধি মথিবা নৱে—কৃষ্ণই আখুতি ধৰে'। দধিমথন ভাওনা ওজাপালি আৰু অঙ্কীয়া ভাওনাৰ মিশ্ৰিত ৰূপ।

দধিমথন

'২০ গৰাকী গোৱালীৰ ১০ দধিমথনত উঠা বিৰাট ঘৰ-ঘৰি শব্দ, মথনৰ দণ্ডৰ ওপৰত ধুনীয়াকৈ লগোৱা মৰাপাটৰ চুলি কেইকোছাৰ ইপাকে-সিপাকে বেজ খোৱা পাকঘূৰণি, গোৱালীসকলৰ সোঁহাত আগুৱাই বাঁওহাত পিছুৱাই আৰু ইয়াৰ ওলোটা টানৰ লগে লগে সৰ্বশৰীৰৰ হেচেঙেৰদী নৃত্য-ভংগিমা আদি পাঠকবোৰাৰ নামৰ তালে তালে সাময়িক মিলনত এক অভূতপূৰ্ব আনন্দদায়ক শ্ৰৱণীয় আৰু দৰ্শনীয় এক সপোনপুৰীৰ মধুৰ প্ৰকাশৰ সৃষ্টি হয়।' [কামৰূপত দধিমথন উৎসৱ : যদুনাথ দেৱ চৌধুৰী।] উৎসৱৰ খাই অভিনেতা শ্ৰীকৃষ্ণ। আঠ-ন বছৰৰ এটি ধুনীয়া ল'ৰাক শ্ৰীকৃষ্ণ সজোৱা হয়। তেওঁৰ মূৰত ময়ূৰৰ পাখি, হাতত বাঁহী, ডিঙিত বনমালা, কপালত চন্দনৰ দীঘল ফোঁট, গাত আটিলকৈ বন্ধা উত্তৰীয়, ভৰিত নেপুৰ, পিন্ধনত হালধীয়া চুৰিয়া থাকে। গাঁৱৰ মহিলাৰ মাজৰপৰাই যশোদা, ৰোহিণী, গোৱালনী, পুতনা ৰাক্ষসী ভাও সাজে। পদ গোৱা ওজাপালিসকল পুৰুষ। সৰিহ মৌজাৰ গোবৰকুছি গাঁৱৰ ৺সভাৰাম পাঠক দধিমথনৰ প্ৰখ্যাত ওজা আছিল। আজি দধিমথনৰ কোনো প্ৰচলন নাই। ইয়াৰ কাৰণ—ব্যয়বহুলতা, গোৱালনী সংগ্ৰহ আৰু সমাজৰ ধৰ্মীয় বিশ্বাসৰ বিলোপ।

ভূৰি পৰিহৰেশ্বৰ দেৱালয় বজালীৰ প্ৰাচীনতম ধৰ্মানুষ্ঠান। দুপৰীয়া পূজাৰ সময় আৰু সন্ধিয়াৰ আৰতিৰ সময়ত দেৱদাসীসকলৰ সাজপাৰ—তলে লহঙা বা মেখেলা, বুকুৰ ওপৰত টানি টানি মেৰিয়াই মূৰৰ ওপৰত খোপা চকাকৈ এহাতমান বহল আৰু দহ হাতমান দীঘল এখন ৰিহা, মূৰৰ ওপৰত জিলমিলিয়া কাপোৰ, গাত এটি চোলাও পিন্ধিব পাৰে। তেওঁলোকে হাতে-কাণে যিমান পাৰে সিমান সোণ-ৰূপৰ গহনা আঁৰিছিল। গলপতা, গলমাঢলী, শুধ সোণৰ কাণৰ সোণা, নাকফুল, ৰূপৰ এচটা কৰধ্বনি, হাতত মুঠিথাৰু, বাহুত বাজু, হাত-ভৰিৰ আঙুলি আৰু ভৰিৰ সক গাঠিত ভৰিথাৰু।

দেৱদাসী নৃত্য

নৃত্য আৰম্ভ হোৱাৰ লগে লগে বায়নে খোল আৰু তাল বজায়। দুটা কিম্বা তাতকৈ বেছি খোল বজাই গুৰুঘাটা মাৰি নৃত্য আৰম্ভ কৰাৰ নিয়ম। নাচৰ সময়ত কিবা গীত ব্যৱহাৰ হৈছিল নে নাই কোনোৱে ক'ব নোৱাৰে। খটু বা খৰ্ টঙাল খোচৰা (অৰ্থাৎ থিয়ৈ হাত দুখন পিছলৈ নি মাটিত লগোৱা), খুদ্ (অৰ্থাৎ হাত দুখন মেলি আগলৈ হাউলি মাটিত লগোৱা)—এই নাচৰ কেইটামান বিশেষ ভঙ্গী। পাঠশালাৰ অন্যতম শিল্পী শ্ৰীবস্ন ভালুকদাৰে

পুৰাৰ গোসাঁইৰ স্নানৰ সময়ৰ নাচৰ একাংশ বাজনা উদ্ধাৰ কৰিছে। নৃত্যটিক মনোৰম লিখিকেল্‌ সৌন্দৰ্যই মুগ্ধ কৰে। যদিও লগত গীত নাই, উচ্চ পৰ্য্যায়ৰ অঙ্গচালনাৰপৰা ধৰিব পাৰি নাচটিয়ে সদাশিৱৰ উত্থান, স্নান, প্ৰসাধন আদিৰ বৰ্ণনাকে দিয়ে। নাচৰ মূলগত চলনবোৰ সত্ৰীয়া নৃত্যৰ ওৰা, চটা, ঝুল ওৰা, নানা পাদচালনা আদিৰ লগত মিলে। সত্ৰীয়া মহলৰ খোল আৰু তালেই নটীৰ নাচোনৰ বাদ্য। সত্ৰীয়া চালি নাচৰ ৰামদানিৰ দৰে ইয়াত ৰামদানি বাজনা, গুৰুঘাত শব্দ ব্যৱহৃত হৈছে।' (সত্ৰীয়া নৃত্য—পৃঃ ৪৯)

মহাপ্ৰস্থানৰ পথত আজি এই নৃত্য। ইয়াৰ কাৰণ ৰাজনৈতিক নতুবা ভৌগোলিক নহয়, ইয়াৰ আচল কাৰণ—সামাজিক। শ্ৰীসুৰেশচন্দ্ৰ গোস্বামীয়ে ভাৰতীয় নৃত্য কলাত কোৱাৰ দৰে মন্দিৰৰ নৃত্যৰতা আৰু ধনী সম্প্ৰদায়ে উপভোগ কৰা এই দেৱদাসীসকল সময়ৰ সোঁতত নোহোৱা হ'ল। দৰাচলতে দেৱদাসী প্ৰথাৰ অপমৃত্যুৰ ঘাই কাৰণ আমাৰ তথাকথিত সমাজৰ গন্ধৰ্ব বিদ্যা বা গন্ধৰ্ব সমাজগনৰ প্ৰতি থকা অজ্ঞতা।

সাংস্কৃতিক অনুষ্ঠানসমূহৰ কলা-কৌশল সন্মুখত লৈ অঙ্কীয়া ভাওনাৰ জন্ম দিয়ে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰে। এই ভাওনা ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে যোৱা হৈছিল। সেয়ে প্ৰথম অৱস্থাত ই সত্ৰৰ চাৰিবেৰৰ মাজতে আবদ্ধ আছিল। বজালীত কেইখনমান পুৰণি সত্ৰ আছে। সত্ৰবিশেষত অঙ্কীয়া ভাওনাৰ

অঙ্কীয়া ভাওনা

প্ৰচলন লক্ষ্য কৰা যায়। ১৮৯৭ চনৰ ভুঁইকঁপত আঁতৰি যোৱা মানুহ দুই-চাৰিজনে এতিয়াও পুৰণ ভবানীপুৰ সত্ৰত ভাওনাৰ প্ৰচলন থকাৰ কথা কয়। অকয়া সত্ৰই আজিও শঙ্কৰী কলা-কৃষ্টিক সাৱটি আছে। ভুবন বায়ন, শ্ৰীৰাম বায়ন, বিষ্ণু মেধী অকয়া সত্ৰৰ খ্যাতিমান বায়ন। সত্ৰাধিকাৰ ৺কাশীচন্দ্ৰ গোস্বামীদেৱ এগৰাকী যশস্বী পণ্ডিত আৰু খ্যাতিসম্পন্ন বায়ন আছিল। তেখেতৰ মৃত্যুৰ লগে লগে কালজিৰাপাৰা সত্ৰত গীত-মাত চৰ্চাৰো অৱনতি ঘটে। বামাখাটা সত্ৰত শঙ্কৰী কৃষ্টিৰ ব্যৱস্থা হৈছে।

বজালীৰ গায়ন-বায়ন সৃষ্টি ঊনবিংশ শতিকাৰ মাজভাগত। সূত্ৰধাৰে হাতত চোৰঁৰ লৈ তাকে ঘূৰাই ঘূৰাই গীতৰ যোগেদি নাট আৰম্ভ কৰে। পিছত ভাৱৰীয়াবিলাক আহি তেওঁৰ গীতৰ কথাখিনি অভিনয় কৰি দেখুৱায়। নাটকৰ

গায়ন-বায়ন

মাজে মাজে সূত্ৰধাৰৰ গীত চলে। গীতৰ মাজে মাজে নাটকৰ কাহিনীয়ে অগ্ৰগতি লাভ কৰে। ঊনবিংশ

শতাব্দীৰ শেষত মৰ্কা গাঁৱত প্ৰথম গায়ন-বায়নৰ জন্ম। এই দলৰ সংশ্লিষ্ট ব্যক্তিসকলৰ ভিতৰত দিবাহপতি (সূত্ৰধাৰ), সত্তাৰাম দম (ভাওৰীয়া), মিহিৰাম (বায়ন) প্ৰভৃতিৰ নাম আজিও মানুহে কয়।

ৰামাধাটাৰ গায়ন-বায়নো আপেক্ষিকভাৱে পুৰণি। ৺বলীৰাম বায়ন সেইসময়ৰ খ্যাতনামা বায়ন। ৰামাধাটাৰ অধিকাৰ ৺পদ্মনাথ অধিকাৰী এগৰাকী সুদক্ষ শিল্পী আৰু সঙ্গীত-নাটকৰ অনুৰাগী আছিল। স্বভাৱ কবি ৺কালিদাস খাটনিয়াৰো কালজিৰাপাৰা বায়ন দলৰ অন্যতম উদ্যোক্তা আছিল। ঊনবিংশ শতিকাৰ শেষৰ দহকত জালিখাটা গাঁৱত গায়ন-বায়নৰ এটি দল গঠিত হয়। ৺খৰ্গেশ্বৰ শৰ্মা এই দলৰ অন্যতম উদ্যোক্তা। কুৰি শতিকাৰ প্ৰথম দহকত দক্ষিণ বাওৰ মাছগোৰা পাৰাত ৺ৰামচৰণ গোস্বামীৰ তত্বাবধানত এনে দল এটি গঢ়ি উঠে। অকয়া গাঁৱৰ গায়ন-বায়নৰ নাম বজালীৰ বাহিৰতো প্ৰসিদ্ধ। থাৰানাকা বায়নৰ নাম এই ক্ষেত্ৰত উল্লেখনীয়। কুৰি শতিকাৰ প্ৰথম দশকত ৺সন্তৰাম চৌধুৰীৰ পৰিচালনাত পাঠশালাত গায়ন-বায়ন আৰম্ভ হয়। ধনেশ্বৰ তাঁলুকদাৰ আৰু সন্তৰাম চৌধুৰী সূত্ৰধাৰ আছিল। হতো পাঠক, শুদক বায়ন, বাপুৰাম তালুকদাৰ আদিয়ে বাজনা বজাইছিল। ৰত্নকান্ত তালুকদাৰে নটুৱা নাচিছিল। বেহেলা, হাৰমনিয়ম, খোল, তাল এইবোৰ আছিল বাদ্য যন্ত্ৰ। সেই সময়ত আজিকালিৰ দৰে লাইটৰ ব্যৱস্থা নাছিল। কাৰ্বাইট লাইট, মমবাতি মঞ্চৰ সম্মুখত জ্বলাই লৈ অভিনয় কৰা হৈছিল।

ঊনৈশ শতিকাৰ শেষভাগত যেতিয়া বঙালী নাটৰ অভিনয় নামনি অসমৰ চুকে-কোণে প্ৰচলিত হৈছিল তেতিয়া এচাম লেখকে নাট ৰচনা কৰিবলৈ আৰম্ভ কৰিছিল। ১৯১৬ চনত হেলনা গাঁৱত ৺গোবিন্দৰাম ওস্তাদে

অযাত্ৰিক যাত্ৰা

পূৰ্বৰ গায়ন-বায়নক যাত্ৰাৰ ৰূপ দান কৰে। ১৯২৭ চনত গনাগাঁও বীণাপাণি অপেৰা গঠিত হয়। ১৯৩১ চনত এই দলৰ মৃত্যু ঘটে। ১৯৩৬ চনত হৰিপুৰ গাঁৱত মধ্য বজালী অপেৰাৰ জন্ম হয়। প্ৰথম খণ্ডত (১৯৩৬-৪১লৈ) নৰমলাল দাস আৰু কহিৰাম গাঁওবুঢ়াই, দ্বিতীয় খণ্ডত (১৯৪২-৪৫) ৰামদেৱ গোস্বামী আৰু পুৰাৰাম পাঠকে এই দল পৰিচালনা কৰিছিল।

সমবায় ভিত্তিত অসমৰ চুকে-কোণে থকা এচাম শিল্পী আৰু কলামোদী ৰাইজৰ সহযোগত ১৯৬৪ চনত ৰামাধাটাত 'অসম নটৰাণী নাট্য সমাজ'ৰ জন্ম। পাঁচ বছৰমান কাল সগৌৰবে আনন্দ দান কৰি ১৯৬৯ চনত এই দলটো

মৃত্যুৰ মুখত পৰে। ১৯১০ চনত তালুকীৰ যাত্ৰাদল গঠিত হয় ভদিৰাম কলিতাৰ তত্বাৱধানত। প্ৰায় কুৰি বছৰমান চলি এই দল ভাগি যায়। বামুণকুছি যাত্ৰা পাৰ্টিৰ জন্ম ১৯০৮ চনত। প্ৰায় ১২।১৪ বছৰ থাকি এই দলটো মৰহি যায়। ১৯২৫ চনত দুৰ্গা চৌধুৰীৰ উদ্যোগত পাঠশালাত এটি যাত্ৰাৰ দল গঠিত হৈছিল। তিনি বছৰমান এই দলটো চলিছিল।

পাঠশালাৰ নটৰাজ অপেৰা (জন্ম ১৯৫২ চন) সদানন্দ লহকৰৰ আশাওধীয়া প্ৰচেষ্টাৰ ফল। ই পূৰ্বৰ গতানুগতিক ৰীতি এৰি বিশেষকৈ নৃত্য, গীত আৰু আবহ সঙ্গীতত নতুনত্ব আনে। শ্ৰীপুৰন্দৰ তালুকদাৰৰ প্ৰযোজনাত ১৯৬৩ চনত নিত্যানন্দত 'আৰ্য অপেৰা' নামৰ যাত্ৰাৰ দল এটি গঠিত হয়। বামাখাটা গাঁৱৰ বাঁহবাৰী চুপাত ১৯৩৫ চনত কেইগৰাকীমান উদ্যোগী লোকৰ পৃষ্ঠপোষকতাত 'সঞ্জীৱনী অপেৰা' নামে এটি নাট্য দল গঠিত হয়। ১৯৩০ চনত বামাখাটাত 'শ্ৰীশ্ৰীশঙ্কৰদেৱ অপেৰা'ৰ জন্ম। ১৯২৭-২৮ চনত ডুবিত ভুৱন বায়নৰ প্ৰযোজনাত এটি যাত্ৰাৰ দল গঠিত হয়। এই দলটোৰ বৈশিষ্ট্য আছিল ডুবি দেৱালয়ৰ কেইগৰাকীমান নৰ্তকীৰ ইয়াত অংশগ্ৰহণ।

যাত্ৰা অভিনয় আজি লোপ পোৱাৰ নিচিনা। অথচ যাত্ৰাভিনয় কেনে-ধৰণে থিয়েটাৰধৰ্মী হৈছে আধুনিক যাত্ৰা চালে গম পোৱা যায়। যোগেশ শৰ্মা, সদা লহকৰকে আদি কৰি বহুতো প্ৰখ্যাত শিল্পীয়ে যাত্ৰাত অভিনয় কৰিও যাত্ৰাক জীয়াই ৰাখিব নোৱাৰিলে। ইয়াৰ গতি ক্ৰমাগতভাৱে হ্ৰাস পায়। তাৰ ঠাই দখল কৰে বিপৰীতমুখী থিয়েটাৰ দলসমূহে। বৰ্তমান শতিকাত থিয়েটাৰৰ বাহিৰেও যাত্ৰাৰ এক প্ৰতিদ্বন্দ্বী হ'ল চিনেমা। এই দুই প্ৰভাৱশালী প্ৰতিদ্বন্দ্বীৰে সৈতে সংগ্ৰাম কৰিও যাত্ৰা 'নটৰাজ শিল্পী নিকেতন'ৰ যুগলৈ জীয়াই আছিল। কিন্তু দেখা গৈছে যে যাত্ৰাৰ কোনো সন্মানিত স্থান নাই। স্বদেশী যাত্ৰাৰ মাজেৰে যাত্ৰা জগতত এটি নতুন ভাবধাৰা অহা সত্বেও যাত্ৰা দীৰ্ঘস্থায়ী নহ'ল। ঐতিহাসিক আৰু সামাজিক নাটক ৰচিত হৈছে সঁচা, কিন্তু সামাজিক নাটক জনপ্ৰিয় কৰিব নোৱাৰাটো ইয়াৰ অন্তৰায়ৰ এটি মূল কাৰণ।

উনৈশ শতিকাৰ শেষভাগত যেতিয়া বঙালী নাটৰ অভিনয় অসমৰ চুকে-কোণে প্ৰচলিত হৈছিল, তেতিয়া এচাম লেখকে নাট ৰচনা কৰিবলৈ আৰম্ভ কৰিলে। সেই আদৰ্শত ৺সন্তৰাম চৌধুৰীৰ তত্বাৱধানত পাঠশালা থিয়েটাৰ পাৰ্টিক পাঠশালা নাট্য সমিতি নাম দি ১৯২৩ চনত ভ্ৰাম্যমান

নাট্য দল গঠন হয়। বৰপেটাৰ মতিবাবু আৰু নলবাৰীৰ কমলাকান্ত অধিকাৰী থাকিল দলৰ গীত আৰু বাদ্যৰ প্ৰশিক্ষক হিচাপে। এয়ে অসমৰ প্ৰথম ভ্ৰাম্যমান নাট্য দল। দলৰ সমূহ সামগ্ৰী গৰু-ম'হৰ গাড়ীত এঠাইৰপৰা আন ঠাইলৈ নিয়া হৈছিল।

বজালীৰ ভ্ৰাম্যমান নাট্য দল

কিন্তু কুৰি শতিকাৰ মধ্যাংশত (১৯৬৩ চনত) আগবাঢ়ি আহিল পাঠশালাৰ এজন যুৱক—নাম অচ্যুত লহকৰ। উদ্দেশ্য—মচ খাই যোৱা বেথাভাল ঘঁহি-পিহি নিকা কৰা। তেওঁৰদ্বাৰা প্ৰযোজিত নটৰাজ থিয়েটাৰেৰে ভোগজৰা, জেৰেঙাৰ সতী, হায়দৰ আলি, বেউলা আদি নাটৰ জৰিয়তে এই মত দৃঢ়ভাৱে প্ৰতিষ্ঠা কৰিলে। ঠিক এই দশকতে বহুতো নাট্য দল ঊৰ্দ্ধমুখী-গতিৰ সহায়ক হ'ল। অসম ষ্টাৰ থিয়েটাৰ (১৯৭০ চন), কহিনুৰ থিয়েটাৰ (১৯৭৬ চন) আৰু আৰাধনা থিয়েটাৰৰ (১৯৭৮ চন) নাম বিশেষভাৱে উল্লেখযোগ্য।

কহিনুৰ থিয়েটাৰৰ প্ৰযোজক শিল্পী অভিনেতা ৰতন লহকৰ আৰু আলোক শিল্পী কৃষ্ণ ৰয়ৰ প্ৰচেষ্টা, অসম ষ্টাৰ থিয়েটাৰৰ প্ৰযোজক কুমুদ শৰ্মাৰ নতুনত্বৰ প্ৰতি থকা আগ্ৰহ, আৰাধনা থিয়েটাৰৰ প্ৰযোজক সদা লহকৰৰ কলাৰ প্ৰতি থকা মোহ আৰু ভ্ৰাম্যমান থিয়েটাৰৰ জনক অচ্যুত লহকৰৰ পৰীক্ষা-নিৰীক্ষাৰ প্ৰতি থকা উৎসাহিয়েও ভ্ৰাম্যমান থিয়েটাৰৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰিবলৈ অক্ষম যেন অনুমান হৈছে।

পাঠশালা নাট্য মন্দিৰ (১৯২৪ চন) বজালীৰ প্ৰথম স্থায়ী নাটঘৰ। পাঠশালা নাট্য সমিতিয়ে ভ্ৰাম্যমান নাট্য দল হিচাপে পোৱা লভ্যাংশৰদ্বাৰা এই নাট্য মন্দিৰ গঠিত। পাঠশালা নাট্য সমিতিৰ অভিনয়ৰ টকাৰে কেবাটাও অনুষ্ঠান বিশেষকৈ বজালী হাইস্কুল আৰু ডাক্তৰখানা পুষ্ট হৈছে। স্বনামধন্য নাট্যাভিনেতা ব্ৰজনাথ শৰ্মা আৰু প্ৰসন্নলাল চৌধুৰীয়েও এই নাট্য মঞ্চত অভিনয় কৰি গৈছে।

অবৈতনিক নাট্যানুষ্ঠান

মুগুৰীয়া ভ্ৰাতৃ সংঘক কেন্দ্ৰ কৰি অবৈতনিক নাট্যগোষ্ঠী এটি ১৯২৬-২৭ চনৰ পৰাই চলি আহিছে। প্ৰথমাৱস্থাত নৰনাৰায়ণ দেৱ গোস্বামী আৰু সুৰেন্দ্ৰনাথ শৰ্মাই এই অনুষ্ঠানৰ গুৰি ধৰিছিল। ১৯৪৯ চনত কেইগৰাকীমান ব্যক্তিৰ আশাগুধীয়া যত্নত 'চিত্ৰলেখা' নাট্য মঞ্চ গঢ়ি উঠে। এই নাট্য মঞ্চৰ জৰিয়তে বহুতো নাট মঞ্চস্থ হোৱাৰ উপৰিও আধুনিক নাটৰ পৰীক্ষা-নিৰীক্ষা কৰা হৈছে।

১৯৩২ চনত স্থানীয় মাটিৰ হাকিম ৺চন্দ্ৰমোহন গোস্বামীৰ অনুপ্ৰেৰণা আৰু কান্তেশ্বৰ দেৱ চৌধুৰীকে আদি কৰি বহুতো স্থানীয় লোকৰ সহযোগত পাটাছাৰকুছিত এখন নাট্য সমিতি গঠন হয়। উল্লেখযোগ্য যে এই সমিতিৰ অভিনয়তে সদৌ অসম নাট-মহোৎসৱৰ প্ৰথম আৰু দ্বিতীয় বছৰৰ নাট প্ৰতি-যোগিতাত দুখন নাটকে যোগদান কৰি দৰ্শকৰ প্ৰশংসা লাভ কৰিবলৈ সক্ষম হয়।

বজালীৰ প্ৰগতি সংঘৰ অন্তৰ্গত 'আজাদ ভৱন' এটি স্বয়ংসম্পূৰ্ণ নাট-মন্দিৰ। ১৯৫৮ চনত এই নাটমন্দিৰ স্থাপিত। বজালী অঞ্চলৰ নাট্যামোদী ৰাইজৰ নাট্য কলা চৰ্চাৰ ই এটা সামূহিক প্ৰতিষ্ঠান। ইয়াৰ উপৰিও অঞ্চলটোৰ বিভিন্ন বিদ্যালয়-মহাবিদ্যালয় আদিতো ৰঙ্গমঞ্চ গঢ়ি উঠিছে। বজালীৰ প্ৰত্যেক সংঘ আৰু অবৈতনিক নাট্যানুষ্ঠানতে প্ৰতি বছৰে অন্ততঃ এখন বা দুখন নাট্যাভিনয় হৈছিল। ভ্ৰাম্যমান নাট্যগোষ্ঠীৰ আবিৰ্ভাৱৰ লগে লগে থিয়েটাৰ কৰা উদ্যম লোপ পাই আহিবলৈ ধৰিছে। কলা-সংস্কৃতিৰ ক্ষেত্ৰত ই জানো শুভ লক্ষণ?

বজালী বিচিত্ৰা

[এটি ভৌগোলিক দৃষ্টিপাত]

শ্ৰীজীৱনকৃষ্ণ পাত্ৰ
শ্ৰীনলিনী কুমাৰ শৰ্মা

'Geographical knowledge arises from human curiosity about lands and peoples....' **M. Sorre**

"অঞ্চল এখনৰ প্ৰাকৃতিক আৰু সাংস্কৃতিক লেণ্ডস্কেপৰ সমন্বিত অধ্যয়ন আৰু সেইখনৰ বিবিধ ব্যক্তিত্বৰ ব্যাখ্যা কৰাই ভূগোলৰ কাম।

বজালী এটি মানৱিক অঞ্চল—a human region, কাৰণ ইয়াৰ দুই লক্ষাধিক মানৱ ইয়াৰ ভূগোলৰ এটি অতি বাস্তৱ সত্য। ইয়াৰ প্ৰতিজন সংস্কাৰযুক্ত মানুহৰ গাত সুস্পষ্ট হৈ আছে প্ৰায় পোন্ধৰটি দীঘলীয়া শতিকাৰ পৰিণত পৰম্পৰাৰ ছাপ। অসমৰ আইন কোনো অঞ্চল ইমান মানৱিক নহয়, মাটিৰ ইমান নিকটতম নিবিড়তমো নহয়। ইয়াৰ সুফলা মাটি (good earth) গছকি অনন্ত কালৰেপৰাই বহু মানৱৰ অহা-যোৱা ঘটিছে। বজালীৰ সাংস্কৃতিক পীঠপৃষ্ঠত সেইবোৰ মানুহৰ পদচিহ্ন আছে—'Here really the geography of man dominates over the geography of nature.'

উত্তৰ কামৰূপৰ অন্তৰ্ভাগত এটি অতি গাঢ় সেউজী বিন্দু যেন বজালী—'a green belt, a grain bowl....!' বহু আগন্তুকে উচ্ছ্বসিত কণ্ঠেৰে কোৱা এয়া নতুন নহয়। ধানেই কাজলী পথাৰৰ লখিমী, বাঙলি সংস্কৃতিৰ শ্ৰী আৰু ৰোমাঞ্চিত পৰিচয়—প্ৰতীক অঞ্চলটোৰ। ২৫½° উত্তৰ অক্ষৰেখিক অনুক্ৰমেৰে সৈতে ৯১½° দ্ৰাঘিমাৰ প্ৰতিচ্ছেদনেই ইয়াৰ ভৌগোলিক স্থিতিৰ নিৰ্দেশ কৰে। ২৫৬ খন গাঁও সামৰি লৈ ৩৩৪ বৰ্গমাইল পৰিমিত বজালী ক্ষুদ্ৰতম অঞ্চলৰ

এটি অনন্য সুন্দৰ প্ৰতিভূ, কালান্তক্ৰমে প্ৰশাসনিক বিৱৰ্তনৰ মেৰপাকত পৰি সাজসলনি হৈ আহি এটি অনুৰূপ আয়তক্ষেত্ৰৰ আকৃতি লৈছে। কোঁচ শাসনত চকলা, মোগল-ই-আজমত পৰগণা আৰু ইংৰাজৰ দিনত চাৰ্কল—যেতিয়া যেনে প্ৰশাসনিক পৰিচয় লৈ শিক্ষা-দীক্ষা-সংস্কৃতিৰে শ্ৰীমণ্ডিত বজালী অতীজৰে-পৰাই প্ৰথিতযশা এটি স্বয়ংসম্পূৰ্ণ সাংস্কৃতিক অঞ্চল বুলিলে অতিৰঞ্জন নহ'ব। চুবুৰীয়া অঞ্চলৰে সৈতে তেনে কোনো অমিল নাথাকিলেও বজালীৰ বাক-বচন, আচাৰ-আচৰণ, নীতি-নিয়ম, আবেগ-অনুভূতি আদি সাংস্কৃতিক ব্যক্তিত্বত যে স্বকীয়াত্বৰ এটি ব্যঞ্জনা আছে ই ধ্ৰুব। এটি আবেগিক এনাজৰীৰে বান্ধ খাই থকা সদৌ বজালীবাসীয়ে নিজকে 'বজালীৰ মানুহ' বুলি পৰিচয় দি আত্মগৌৰৱ লাভ কৰে। অন্য কোনোতে নহ'লেও অন্ততঃ বাক-বচনত ধৰিব পৰা যায় কোন বৰপেটীয়া, কোন নলবৰীয়া, কোন বজালীৰ,—বৰপেটা আৰু নলবাৰীৰ কথিত ৰূপত সুৰৰ প্ৰাধান্য লক্ষ্য কৰা যায়। কিন্তু বজালীৰ কথিত ৰূপত সুৰৰ প্ৰাধান্য নাই। অসমীয়া মান্য ভাষাৰ লগতহে বজালীৰ কথিত ভাষাৰ মিল দেখা যায়।

'What is in the name, by what-
ever name you call a rose,
a rose it smells as sweet....!' —Shakespeare

নামো নিৰৰ্থক নহয়, কেতিয়াবা অনুমাত্ৰ হ'লেও কিবা
এটি সত্যলৈ আঙুলিয়ায়। নামৰ হিৰণ্ময় ঢাকনিৰ
তলত একোটা একোটা বিৰাট ইতিহাস ঢকা থাকে;
সত্যদ্ৰষ্টাৰ চকুত ধৰা পৰে।

বুৰঞ্জীত ঠাই নোপোৱা অথচ মানুহৰ মুখে মুখে চলি অহা কথাবোৰ সম্পূৰ্ণ সঁচা নহ'বও পাৰে। তুচ্ছ বস্তুৰো যে কিবা এটি স্বচ্ছতা আছে তাকো নুই কৰিব নোৱাৰি। বজেলীয়া কোঁৱৰ কোন? কোনমতে কুঁৱাবাত আহি গড় পাতিলে, প্ৰিয়তমা ৰাণীক মহাৰাণীত থৈ গণ্যমান্য কৰালে নগণ্য গাঁওখনকে, ৰাহৰ লগালে ৰাহেৰখাটাত…, তেৱেঁই জানো বজেলীয়া কোঁৱৰ—? বিশ্বসিংহৰ তৃতীয় পুত্ৰ নৰসিংহ—?

বিশ্বসিংহ স্বৰ্গী হয়, প্ৰথম আৰু দ্বিতীয় পুত্ৰ মল্লদেৱ
(মহাৰাজ নৰনাৰায়ণ) আৰু শুক্লধ্বজ আছিল

> অধ্যয়নৰতী কালীত। ভ্ৰাতৃদ্বয়ৰ অবৰ্তমানৰ সুযোগ লৈ তৃতীয় পুত্ৰ নৰসিংহই ৰাজপাট থালে। অনতিপলমে মল্লদেৱ আৰু শুক্লধ্বজে ৰাজধানীলৈ আহি পোৱাত ভয়তে নৰসিংহই ৰাণীৰে সৈতে পলাই আহে ভূটান পাহাৰলৈ বুলি। ভূটানলৈ আৰু যোৱা নহ'ল, কালদিয়াৰ পশ্চিম পাবৃত কুঁৱাৰা নামৰ ঠাইত গড় পাতে কুঁৱৰজনে। মহাৰাণীত থ'লে ৰাণীজনীক, যাসৰ ৰজনীবিধূৰ হ'ল ৰাহেৰথাটা ৰামাথাটাত। ইয়ে কিমান দূৰ সত্য ইতিহাসৰ এতিয়ালৈ কোনো সাৰসুৰ নাই।

বজালী তন্ত্ৰ! তন্ত্ৰ সাধনাত অসম ভাৰতত অনন্য, বজালী আকৌ তন্ত্ৰৰ সাধন চৰ্চাৰ অন্যতম পীঠ অসমত। বজালী তান্ত্ৰিকতাৰ লগত ফেৰ মাৰিব নোৱাৰি এসময়ত বৈষ্ণৱ ধৰ্মপ্ৰচাৰকসকলে প্ৰমাদ গণিছিল। সম্ভৱতঃ বজালী তন্ত্ৰৰ প্ৰাধান্যৰ বাবে ঠাইখনৰ নাম বজালী।

'বজালী'—এই নামটোৰ বাবে ইতিহাস নিমাত থাকিলেও বজালী যে ইতিহাস গৰকা এখন ঠাই ই নিশ্চিত। গোহাঞিকমল আলি, ভোটাস্তমুহীতৰা, মহাৰাণীঘাট, কিঙ্কৰাগড়, কুঁৱাৰা,—ইতিহাসৰ ছিন্ন সূত্ৰ য'তে-ত'তে পৰি আছে, কোনোবাই যদি সংযোগ ঘটাব পাৰিলেহেঁতেন! কোঁচ-কছাৰী, ভোট-তিব্বতী, আহোম-অষ্ট্ৰিকৰ সমন্বিত প্ৰভাবেৰে প্ৰভাৱান্বিত আৰু সংস্কাৰলব্ধ বজালীক বুজিবলৈ এটি তীক্ষ্ণ অনুসন্ধিৎসাৰ প্ৰয়োজন।

> It you cannot scale the
> mountain, you cannot view
> the plain…' —**Chinese Saying**

ভূটান পাহাৰৰ টিঙৰপৰা দক্ষিণলৈ চাই পঠিয়ালে বজালীৰ ভূ-পৃষ্ঠৰ মৃদু সুষম অনুক্ৰমৰ এটি প্ৰতীতি জাগে। তৰঙ্গায়িত শ্যাম ৰূপৰ তলত ঢাক খাই আছে সমভূমি এখন। অবস্থিতি সম্পূৰ্ণ ক্ৰান্তীয়,—আকাশ, বতাহ, পানী, মাটি, জীৱ-জন্তু আনকি মানুহৰ মনো। এটি বিৰামবিহীন সমভূমি শিৱালিক প্ৰাচীৰৰ পাদপীঠৰপৰাই এচলীয়া হৈ দক্ষিণত ব্ৰহ্মপুত্ৰৰ প্লাৱনভূমিত পৰিণতি লাভ কৰিছে, কৌণিক নাত ৫°ৰো বেছি নহয়। ই নিচেই সমৰূপী লেণ্ডস্কেপ এটা, বৈচিত্ৰ্যবিহীন কাৰণে আমনিদায়ক, দূৰৰ ওপৰত স্কাইস্কেপ (sky-

scape), কিন্তু বহুৰঙী আৰু বিচিত্ৰা। সমুদ্ৰপৃষ্ঠৰপৰা ঠাইখনৰ গড় উচ্চতা মাত্ৰ ১৫০'। জলবায়ৱিক পৰিবৰ্তনৰ পৰিণাম স্বৰূপ যদি কোনোবা যুৰ ভৱিষ্যতত সাগৰ জলপৃষ্ঠ উত্থিত হয়, তেতিয়াহ'লে দুৰ্ভাগ্য হ'ক বা সৌভাগ্য হ'ক বঙ্গালীৰ সাগৰ অৱগাহন অসম্ভৱ নহ'ব।

নদীবাহিত অৱক্ষেপ অৱদানেৰে বঙ্গালীৰ পৃষ্ঠশ্ৰী সংৰচিত। উত্তৰভাগত স্তূপ অৱক্ষেপৰ অনুক্ৰমিক বিন্যাসৰ ফলস্বৰূপ জন্ম হৈছে এটি গ্ৰেভেল বলয়ৰ। এইভাগৰ মৃত্তিকা সংগ্ৰন্থন শিথিল হোৱাৰ কাৰণে আৰু মৃত্তিকা অণু বিবিধ আকৃতিৰ (প্ৰধানতঃ স্থূল) কাৰণে সততঃ সছিদ্ৰ। হিউমাছ প্ৰচুৰ বাবে এই মাটিৰ বৰণ ক'লা। শিৱালিক বিনিঃসৃত বহু পাৰ্বত্য তটিনী এই গ্ৰেভেল বলয়ত (ডাবৰ) অন্তঃসলিলা হৈ বলয় পাদপ্ৰান্তত নিজৰা হৈ ওলাইছে। আন্তঃস্তৰ পাতালপানীৰ (fossil water) সম্প্ৰসাৰণত ডাবৰ এটি মাধ্যম। পৰ্বত-পাহাৰবোৰ সাইলাখ স্পঞ্জৰ নিচিনা স্বতঃপয়োভৰ। প্ৰকৃতিত এই অদৃশ্য পয়ো সম্পদেই সজীৱ কৰি ৰাখিছে অবিৰাম নিজৰাবোৰক।

দক্ষিণলৈ ডাবৰ বলয় ক্ষীণ হৈ আহি সভা হেকৰায় প্ৰাচীন পলস বলয়ত (old allurium)। এয়া এটি অনুক্ৰমবিহীন বলয়, পকেটসদৃশ প্ৰাচীন পলস প্ৰান্তৰ বঙ্গালীৰ ঠায়ে ঠায়ে। যাযাবৰী নদীবোৰে এৰি যোৱা পৰিত্যক্ত উপত্যকাবোৰেই প্ৰাচীন পলস বলয়, বালিচহীয়া স্বভাৱৰ কাৰণে এইবোৰ অস্বাভাৱিক অম্লতাৰে ক্লিষ্ট। শ শ বছৰৰ দুৰ্জয় বতাহ-বৰষুণে ইয়াৰ ক্ষাৰীয় স্বত্বক ক্ষালন কৰিছেহি।

শিৱালিক পাহাৰক গুহি গুহি শকত হৈছে বঙ্গালীৰ সমভূমিয়ে। বঙ্গালীৰ মাটি-পানী, সৰসতা, সাৰমতা—সমস্তই এই শিৱালিকৰেই দান। পৰ্বতবোৰ পৃথিৱী মাতৃৰ স্তন্য,—সাতসৰী সুবৰ্ণ পলস প্ৰলেপিত সাকৰা সুফলা বঙ্গালীলৈ চাই পঠিয়ালে এই উক্তিৰ সত্যতা উপলব্ধি হয়। বছৰে বছৰে নদীয়ে কঢ়িয়াই অনা মৃত্তিকাণুৰে ভৰি উঠে অৱবাহিকাঞ্চল—good earthৰ গৌৰৱেৰে ভৰি উঠে কৃষকৰ মনো।

> 'Rivers are sometimes bound to a
> country in a way that transcends
> Geography....'

মৌচুমী আহিলে আকাশী পানীৰ ঢৌ বাগৰে বঙ্গালীৰ পথাৰত। কেতিয়াবা যদি মৌচুমী অনুদাৰ হয় তেতিয়া আকৌ অকালতে শুকাই যায়

শত-সহস্ৰ কঠিয়াতলিৰ কলিজা। প্ৰকৃতক পাৰেমানে চকুপানীৰে নৈবেদ্য যাচে ধৰ্মপ্ৰাণ কৃষিপ্ৰাণ কৃষকে। মৌচুমীনিৰ্ভৰ যি কোনো জাতি ভাগ্যবাদী হোৱাটো অস্বাভাৱিক নহয়। 'Water too much or too little'— এই দুই অবাঞ্ছিত পৰিস্থিতিৰ মাজত থাকি প্ৰমাদ গণে বঙালীবাসীয়ে।

পুঃ প্ৰবাহ হ'ল নদী। অন্তঃস্তৰীয় পানী ভূ-পৃষ্ঠত পৰি প্ৰকাশ লাভ কৰে নিজৰা হৈ। বঙালীৰ দুই সীমাত সমান্তৰাল হৈ বৈ গৈছে কালদিয়া আৰু পো-মাৰা নৈ দুখন। বঙালী দৰাচলতে এই দুই নদীৰ প্লাৱনভূমি বা দোৱাব। দোৱাব পয়ো দৰিদ্ৰ নহয়,—ভূগৰ্ভৰ পানীস্তম্ভ মাত্ৰ ২০' তলত। অৱলুপ্ত প্ৰাচীন নদীশয্যাত পৰি থকা নলকূপবোৰৰ মুখৰপৰা অনবৰত এনেয়ে পানী নিজৰি থাকে।

১৮৫৭ ভূমিকম্পত বহু বাৰিধাৰ বিকৃত হৈ বিকল্প পথ যে লৈছিল ইয়াত অণুমাত্ৰও সন্দেহ নাই। বঙালীৰ প্ৰাচীন পুষ্পভদ্ৰা আজি ক'ত? ভাৰতীয় সৰস্বতীৰ নিচিনাকৈ বঙালীৰ এই ভদ্ৰা সৰস্বতীজনী আজি পাতাল গঙ্গা। ভূটান পাহাৰৰপৰা ওলাই আহি তাৰাবাৰীত লৌতিহ্যৰ লগ লাগি থকা পুষ্পভদ্ৰাৰ পশ্চিম তীৰ যামাথাটা উপকণ্ঠ অঞ্চলত বঙা নীলকণ্ঠৰ নীলকেতন উৰিছিল। তাৰে কোনো সাক্ষ্য নাথাকিলেও সাধু এতিয়াও মানুহৰ মুখে মুখে। পুষ্পভদ্ৰাৰ ছিন্ন সূত্ৰ অতীতত পৰি আছে—বিচাৰিলে পাম। মুদগৰ হাতত লৈ যুঁজি থকা (মানুহে এনেকৈ কয়) মুগুৰীয়া গাঁৱতো পুষ্পভদ্ৰাৰ নাড়ীভূঁক এটি হ'লেও আছে। হাঃ মহাকাল!

কালদিয়া, পো-মাৰা—নদী নহয়, উপনদী ব্ৰহ্মপুত্ৰৰ, ব্ৰহ্মপুত্ৰ আকৌ উপনদী গঙ্গাৰ। এই দুই নদী আৰু দুয়োৰে মাজত বহু জান-জুৰিয়ে বঙালীক নদীমাতৃকা কৰি তুলিছে। নদীশয্যাই বঙালীৰ পৃষ্ঠ ৰেখাঙ্কনৰ একমাত্ৰ বৈচিত্ৰ্য—সকলো এই ভূটান পাহাৰখনৰেই দয়া,—বাৰিষাত নদীবোৰে দুকুল ভহায়, খৰালিতে ক্ষীণ।

কালদিয়া—দৈ, দি, দিয়া অৰ্থে পানী বা নদী। কালদিয়া কচুদেহী—মাটি, পানী আনকি পাৰৰ পথাৰৰ ধানো ক'লা, বঙালীৰ কৌটিকলীয়া কালিন্দী। কালদিয়া কুমাৰী নদী—youthful river, খোজতে যৌৱন সৰে, গতিও সৰে। উলুৱাৰ উলুবন, শেৱাৰী-পোথা-কেতেকীৰ কচুবন, বাঙৰ বৰ পথাৰখনৰ বুকু দুফাল কৰি বাদুণকুছিয়েদি বিমনা হৈ এসময়ত বৈ গৈছিল কালদিয়া দক্ষিণ ফালে। ভূষিত আকৌ দলদোপ, সুকুমাৰী মুখত তুৰকুণীক লগত লৈ

জয়লাল গড়িৰে ১৮৫৭ চনৰ ভূমিকম্পত আকৌ গড়িৰ দুৰ্গতি হ'ল। কালদিয়াই তাৰ উচিত শয্যাৰপৰা তাজেখিনি আঁতৰি যাবলগীয়া হ'ল,—ভোলাৰ পিত, দাবাংপুৰীয়া বিল কাৰ পেটৰ চিগু ভুঁক? খলিহামাৰীৰ মধ্য জানটোৱে ক'ৰ ক'ৰ কোন ক'লৈ গ'ল।

কালদিয়া বঙ্গালীৰ সাংস্কৃতিক ধাৰা,—কত বাওলী ইতিহাস পাৰত সজাই আকৌ ভাঙিছে। কীৰ্তিনাশিনী বুলি বৰ্তমানে গালি নাপাৰোঁ তথাপি বঙ্গালীবাসীৰ হিয়াকোৰত ই সাইলাখ পতিতপাৱনী গঙ্গা। দিনটোৰে ভিতৰত এবাৰ হ'লেও ইয়াৰ বকজা মুখ নেদেখিলে তীৰবাসীয়ে কেতিয়াও শান্তি নাপায়। কাষত ভৰা কলহ লৈ গাঁৱৰ অঙ্গনাই খঞ্জন গতি লয় গাঁৱৰ ফালে। জিকা কাপোৰৰ তলৰপৰা ফুটি উঠা গাভৰু দেহৰ বেথাভঙ্গীলৈ কেথাহিকৈ কামনাৰ চকুৰে চাই লয় গাঁৱৰ দুষ্ট চেঙেলীয়াইঁতে, দেহিঐ—! কালদিয়াই বঙ্গালীৰ বাঞ্ছিত বাৰিধাৰ।

পো-মাৰা নৈৰে নাম। কোনোবা পুত্ৰহাৰা জননীৰ সদ্যজাত পুত্ৰ হেৰাইছিল এই নদীৰ কোবাল সোঁতত। নিশাৰ নৈশব্দ ভেদি কেতিয়াবা অশৰীৰী আত্মাৰ উচুপনি উঠে। পাৰৰ মানুহে মিছা নকয়।

কালদিয়াও যাযাবৰী নদী। পথ এৰি সোঁৱে-বাঁৱে যোৱাৰ বহু প্ৰমাণ আছে। নল মৰি মৰি গজালি মেলে। তেতেলিৰ তলত মৰা পো-মাৰা মৰিছে যদিও ভৱিষ্যতে আকৌ গজালি মেলিব পাৰে। আজি আচল পো-মাৰা মৰা পো-মাৰাৰ পশ্চিম ফালে।

শিৱালিক পাদপ্ৰান্তত শিলত লুকোৱা ৰূপালী বেথাটো হ'ল ৰূপেহী। ৰূপেহী আকৌ দক্ষিণলৈ প্ৰসাৰিত হৈ নাম লয় বান্ধেলিভাল্লা; পিছত আকৌ গৰমৰা, আঙুলিচিঙা, মকৰা আদি নাম লৈ কঠালমুৰীত পো-মাৰা নাম লৈ দক্ষিণমুখী হয়। চৌতেমাৰীয়েদি বোৱা পো-মাৰাটো মৰিল, তাত মৰা সুঁতি এটা চিন হিচাপে হ'লে আছে। দক্ষিণ পাৰত সুঁতি এটি ফিকজৰা হৈ বামুণ-কুটনী, বামুণকুটনী হৈ এন্ধাৰমণি, এন্ধাৰমণি হৈ পুনঃ পো-মাৰাত পৰিছেগৈ।

পো-মাৰা জীয়া নৈ, বাৰিষাত প্লাৱনেৰে পঞ্চমুখ আতঙ্কিত তীৰবাসীয়ে আত্মৰক্ষাৰ্থে যিমানে কুটিল কৌশল অৱলম্বন নকৰিলেও পো-মাৰাই কিন্তু সেইবোৰলৈ একোকে কেৰেপ নকৰে। আমি আচলতে প্লাৱনক প্ৰাকৃতিক দুৰ্যোগ বুলি ক'ব নালাগে, এয়া তাৰ স্বাভাৱিক অৱস্থা। নদীয়ে তাৰ নিজৰ বাবে শয্যা আৰু প্লাৱনভূমি গঠন কৰিছে। মানুহে তাৰ পাৰত বাস কৰিবলৈ লয়

বুলিছে বৰ্তমানে প্লাবন-দুৰ্যোগ নহয় কৰিবলগীয়াত পৰে। নদীৰ প্ৰাকৃতিক প্ৰবাহক বাধা দি আমি উচিত কাম কৰা নাই। প্ৰতিশোধ স্বৰূপে নদীয়ে আমাৰ ওপৰত জাপি দিছে অপৰিসীম অৱক্ষয় আৰু প্লাবন-লাঞ্ছনা। ভূ-কম্পন আৰু ভূ-পৃষ্ঠ বিকৃতৃতাই নদীৰ নিকাশন ক্ষমতা দুৰ্বল কৰিছে কাৰণে প্লাবনৰ যৌবাস্থ্য বাঢ়িছে।

> 'Hast thou not seen that Allah
> causeth water to fall from
> the sky, and we produce there
> with fruits of diverse hues.' —Quran

ভূটান পাহাৰৰ মূৰত আৰু পাতি ক'লীয়া ডাৱৰবোৰ গোট খায়। চেঁচা বতাহে সেইবোৰক ক'লীয়া কৰি তোলে। বৰষুণৰ ধল নামে। বজালীৰ পথ-পথাৰ উপচি পৰে পানীৰে। চেপা খাই থকা শুকান সজীৱতা লাহে লাহে মেল খায়, এটি সেউজী উশৃঙ্খলতা চাৰিওপিনে !

মে' মাহৰ ১৫ তাৰিখ। অসমত মেঘ-মৌচুমীৰ পদশব্দ শুনিবলৈ পোৱা যায়। ৰবৈদেচিলাই আদৰি আনে বঙ্গসাগৰৰ পাৰৰপৰা। লগত আছে পাৰ্শ্বচৰ হিচাপে বজ্ৰ-বিদ্যুৎ, বতাহ-বৰষুণ আৰু বাৰিষাৰ যত বিড়ম্বনা। ভাগি পৰা মেঘৰ কলহৰ কাণেৰে ঢালি দিয়া ধাৰাসাৰ বৰষুণ বজালীত বিৰল নহয়। জুনত ১২৭, জুলাইত ৪১০, আগষ্টত ১৬৪ মিলিমিটাৰ বৰষুণেৰে (১৯৭৭) জল-মৌচুমীৰ তীব্ৰতা সূচিত হয়। আগষ্ট আৰ্দ্ৰতম। বছৰে বছৰে মৌচুমীৰ অনিশ্চয়তাই আতঙ্ক সৃষ্টি কৰে বজালীবাসীৰ মনত। কেতিয়াবা প্লাবন প্ৰশান্ত হয়, কেতিয়াবা আকৌ শাওণত জেঠৰ জুই জ্বলে পথাৰত। তথাপি প্ৰকৃতিৰ অমুদাৰতা গা-সহা হৈছে যেতিয়া তেনে কোনো ব্যাপক বিক্ষোভ বজালীবাসীৰ মনত নকৈ দেখা নিদিয়ে, স্বয়ম্ভু যেন বজালীবাসী অলপতে সন্তুষ্ট। ১৯৭৫, ৭৬, ৭৭ৰ তথ্যাঙ্কৰপৰাই বুজিব পৰা যায় যে বৃষ্টিপাতৰ বাৰম্বাৰতা আৰু পৰিমাণো বাঢ়ি আছে। ১৯৭৬ৰ বোল দিনৰ বৃষ্টিপাতৰ পৰিমাণ হয়গৈ ৪১৭ মিলিমিটাৰ, দক্ষিণ বজালীতকৈ উত্তৰ বজালীত অপেক্ষাকৃত বৰষুণ বেছি।

শীত-গ্ৰীষ্মৰ তাপপৰিসৰো অস্বাভাৱিকভাৱে দীৰ্ঘ নহয়। গ্ৰীষ্মত সৰ্বোচ্চ গড় ৩৭° চেন্টিগ্ৰেড, তেনে কোনো তাপলহৰ (heat wave) বা হিমলহৰে (cold wave) বজালীক ক্লিষ্ট নকৰে। অঞ্চলটোৰ সেউজী আৱৰণে

শীতোষ্ণতাৰ সমতাত্ত্বিক ভাৱসাম্য ৰক্ষা কৰাত ভালেখিনি সহায় কৰে। জাৰকালীন ৰঙালী মনোৰম, এখন নিৰজলা নীলাকাশ ওলমি থাকে মূৰৰ ওপৰত, দৃষ্টিৰ সন্মুখত এটি সৌৰকৰোজ্জ্বল পুষ্পিত ভুবন যেন মেল খাই উঠে, 'eat, drink, be merry'ৰ লেখীয়া উল্লাস উঠে জানুৱাৰীত। ৰঙালীৰ জানুৱাৰী আটাইতকৈ মনোৰম।

বতৰৰ অনিশ্চয়তাই প্ৰায় নৈৰাশ্যেৰে ভৰাই তোলে ৰঙালীবাসীৰ মন। ৰাইজৰ মঙ্গলৰ বাবে শাৰী পাতি মঙ্গল চায় বাপুৰাম মহাজনে। ডাকৰ বচন মুখত আওৰাই বতৰৰ ব্যাখ্যা কৰে সদানন্দ বণা গাঁওবুঢ়াই। জাৰকালীন শাওঁতাৰ কিনকিনীয়া বৰষুণে দুখৰ কলিজা কঁপাই থৈ যায়। ডিচেম্বৰ-জানুৱাৰীত লাউ-বেঙেনাৰ সেউজী চৰে দুগুণ—ডিচেম্বৰত কেতিয়াবা আকৌ শিলাবৃষ্টি, পথাৰৰ লখিমী চোতালৰ চুক নাপায় আহি।

জাৰৰ আকাশ মেঘমুক্ত হোৱাৰ কাৰণে নৈ-বিল-খাল-জানৰপৰা বাষ্পীভৱন তীব্ৰতৰ হয়, ফলত বায়ুমণ্ডলীয় আৰ্দ্ৰতা বাঢ়ে, বৰষুণ সম্ভৱ হয়। নিয়ৰ আক কুঁৱলীৰে সদ্যস্নাতা যেন শীতকালীন শেৱালী সৰা পুৱা। পালেং, বিলাহী, লাউ, বেঙেনাৰ লিহিৰী যৌৱন নিয়ৰ পালে লহপহকৈ বাঢ়ে, যেন এটি প্ৰাচুৰ্যৰ প্ৰতিশ্ৰুতি সকলোতে।

> 'Take off this grain which in my garden
> grows and grows of you, make bread
> of it and that reposes and peace which
> everywhere with so much earnest-
> ness you pursue is only there.'
>
> —**George Herbert**

শোভনা ৰঙালী সেউজী ঐশ্বৰ্যেৰে বিপুলা। বনৰ সেউজী বাগৰি আহে পথাৰৰ সেউজীলৈ, পথাৰৰ সেউজী পথাৰন্তে পাৰ ভাঙে, অনুপূৰক হয় বাৰী-বস্তী সেউজীৰে। কোনো এক ইঞ্চি পৰিমিত ঠায়ো সেউজী দৰিদ্ৰ নহয়। এই সেউজী মায়াই ৰঙালীক মৰমিয়াল কৰি তুলিছে, দিছে এটি সুখকৰ সহজ জীৱন—বনৰ কাঠ, পথাৰৰ ধান, পুখুৰীৰ মাছ, বাৰীৰ তামোল-পাণ···আৰু কত কি! শতজীৱীৰ সংখ্যা ৰঙালীত সৰহ—নহু তালুকদাৰ (খুটাৰগুৰী), কুত্ৰমল পাটগিৰিয়ে (ৰামাখাটা) ৰঙালী বসুন্ধৰাত শতবৰ্ষ ভোগ কৰি স্বৰ্গী হয়। বহল বুকুৰ ডাঠ কলিজাৰ কৃষ্ণকান্ত গাঁৱে-ভূঁঞে আছেই। য'ত প্ৰকৃতি স্বভাৱতঃ অকৃপণা তাত মানুহে আনন্দ অমৃত সুখ আকণ্ঠ পান নকৰিব কিয়! জীৱনৰ বাবে ৰঙালীবাসী প্ৰায়তঃ 'পৰৱায় নস্ত' (damn care)। কিন্তু সুখ

আমো 'কালোহয়ম নিৰবধি'…, আজি কিন্তু কেনা লাগিছে মনত। পৰিশ্ৰমৰ উচিত মূল্য দি বজালীবাসীয়ে স্বাস্থ্য আৰু সম্পদ কিনি ল'বলৈ নাজানিলে। খুটাৰগুৰীৰ শালকেনী বুঢ়ীআইতা জীয়াই থকা হ'লে ক'লেহেঁতেন তেওঁ লকডে কি খাইছিল, কাপত পিন্ধিছিল কি—।

আন-জুৰি, বিল-পিতনিৰে বজালীৰ পৃষ্ঠ ৰেখাভঙ্গী ৰোমাণ্টিক, য'ত পানী ত'তেই মাছ, ত'তেই চিলনীৰ ভোজৰ মেল। কপিলীমাৰীলৈ চাওঁ নে চিথৰবীয়ালৈ নে ভোলাৰপিতলৈ—সকতে জৈৱ সম্পদৰ দ'ম (bio-mass)। মানুহে জীৱৰ eco-system বিনষ্ট কৰি অথবা বিক্ষুব্ধ কৰি কি যে সুখ পায়…! ফলত এই দুৰ্লভ প্ৰোটিন সম্পদ হেৰুৱাই দাৰিদ্ৰ্যক বৰণ কৰিছে। আজি পায় জানো পিতনিৰ মাছ, সেই বাঠানৰ দৈ—? দেহি ঐ…

আগন্তুকৰ প্ৰথম দৃষ্টি পৰে বজালীৰ পৃষ্ঠ স্তৰৰ ওপৰত, This green carpet! য'তে-ত'তে মেটেকাৰে মধুবন,—মেটেকাতেই বজালী। এই অবাঞ্ছিত সেউজী স্তৰ বজালীলৈ অযত্নে নৱাগতা। পথাৰে পথাৰে মানুহ আৰু মেটেকাৰ যুদ্ধ প্ৰায় পঞ্চাশ বছৰ ধৰি বজালীত চলি আহিছে। এইবোৰ জলজ উদ্ভিদ ব্ৰহ্মপুত্ৰইদি পূবদেশৰপৰা ভটিয়াই আহি নামনি অসমত নানা অপন্তৰৰ সৃষ্টি কৰিছে। তথাপি আজি যিবোৰ অবাঞ্ছিত কাইলৈ সেইবোৰ যে আকৌ বাঞ্ছিত সম্পদ নহ'ব কোনে ক'ব পাৰে! সন্ধিৎসু চকুৰে চাই সেইবোৰৰপৰা সম্পদ আহৰণ কৰা বিজ্ঞানৰ পক্ষে কিনো টান?

' বাৰীৰে পাছৰে বাঁহগছ এজুপি পিও মোৰ সহোদৰ ভাই…' —অসমীয়া সংস্কৃতিক bamboo culture বুলি ক'লে অতিৰঞ্জন কৰা নহয়। প্ৰতিজন বজালী গৃহস্থৰে আছে বাঁহ-বেতৰ একোখন বাৰী,—সাংসাৰিক জীৱনৰ ই পৰিপূৰক অনুপূৰকো। ভলুকা, মাকাল, বিজুলি, জাতি বাঁহ আদিৰে জাতিকাৰ বজালী। বাঁহ-বেত এই ঠাইৰে আদিম--অৰ্থনৈতিক আৰু সাংস্কৃতিক জীৱনৰ কেন্দ্ৰভূমি অধিকাৰ কৰিছে। বাঁহ-বেতক বাদ দি বজালীবাসীয়ে জানো কিবা কৰিব পাৰে? ভাৰতৰ আন প্ৰান্তৰ মানুহে ঘৰ সাজে ইটা, মাটি, পাথৰেৰে; কিন্তু অসমীয়াই ঘৰ সাজে বাঁহেৰে, ই দেখিবলৈ ধুনীয়া, শিল্পনিপুণ, স্বাস্থ্যকৰ।

'বাৰীৰ পাছফালে কাকিনী তামোল ঐ…' ঘৰৰ পাছফালে এখন তামোল-পাণৰ বাৰী যুগুত কৰি নোলোৱালৈকে বজালীবাসীয়ে নিজকে কেতিয়াও ভাগ্যবান বুলি নাভাবে। বজালীৰ অৰ্থনৈতিক জীৱনত ই অনন্ত। তামোল-পাণৰ ব্যৱসায় আজিৰ নহয়, ই তাহানিখনৰে। বেঙ্গৰকৰাদেৱৰ 'ক'ত

এনে ধানৰ পথাৰ তামোল-পাণৰ বাৰি'—এই উক্তিৰ সত্য বাখোন বজালীতেই সুন্দৰকৈ অনুভৱ কৰিব পৰা যায়। ই বজালীৰ সাতলৰী সংস্কৃতি। বজালী মৃত্তিকাৰ সচ্ছিদ্ৰতা, সাৰমত্তাই এইবোৰ শস্যৰ বাবে যথেষ্ট অনুকূল। প্ৰতিবেশী বৰপেটা-নলবাৰীত অৱশ্যে নলখাগৰি, মাছ-পক্ষীৰ প্ৰাচুৰ্য আছে, কিন্তু তামোল-পাণৰ ইমান পয়োভৰ নাই। 'বজালীৰ তামোল-পাণ, বৰপেটাৰ আপি'— এনেকৈ শ্লোক মাতি বজালীবাসীয়ে নিজৰ শস্য-সৌভাগ্যৰ পৰিপ্ৰচাৰ কৰে।

বজালীৰ নাৰিকল মণিপুৰৰ মণিকুটত, নেপালৰ পশুপতিনাথ মন্দিৰৰ বিগ্ৰহ বেদিকাত দেখি আচৰিত মানিছিলোঁ। আকাৰ-আকৃতিত বজালী-নাৰিকল সব ঠাইতে চকুত পৰিবলগীয়া। কাৰ খবৰ পাটনাদ কাৰ খবৰ জৰি, দক্ষিণ-পূৰ্ব এচিয়াৰ মালয় সুমাত্ৰাৰ মাটিৰ আদিম সন্তান নাৰিকল আজি বজালীৰ বাৰীবস্তীৰ আগফালৰ আপুৰুগীয়া সম্পদ হ'ল। বজালী-নাৰিকলৰ খেতিৰ আৰম্ভণি হৈছে প্ৰায় এক শতিকাৰ আগৰপৰাই। নাৰিকল কৰলৈ নাপায় বুলি আগৰ কালৰ মানুহৰ বিশ্বাস আছিল। পাণ-তামোল, কল-টেঙা, বাঁহ-বেত বজালীৰ আদিম উদ্ভিদ।

ধানেই বজালীৰ পথাৰৰ শস্য লক্ষ্মী, বজালীৰ সংস্কৃতি সম্পূৰ্ণ ধান্য সংস্কৃতি— pure rice culture। ই দক্ষিণ-পূৰ্ব এচিয়াৰ hoe and garden cultureৰ এটি সুন্দৰ অনুক্ৰম মাত্ৰ। মেনাৰদ, কানাৰদ (ভোগপুৰ ঘটৰৰ মাজত) পথাৰত সম্প্ৰতি বাও, বাঙীৰ বাও, কাজলীৰ বাও, পানী-শালীৰ বাও, সুমলা জহাৰ খেতি আজিকালি আৰু নহয়। নাৰিহাগ্ৰা পথাৰলৈ (কেন্দুগুৰীৰ পশ্চিমে) আহি কোনোবাই যদি পানীমাগৰী হেপাৰ বাও বিচাৰে নিৰাশ হ'বই। নগৰ গাঁও আৰু ঘটৰৰ (বামাথাটাৰ পূব আৰু উত্তৰে) পথাৰত খৰকামুঠি, বেদগুটি, বৰধানাৰ খেতি আজিও আছে। মালিপাৰা পথাৰত ইকৰা বাওৰ খেতি লানি নিচিগাকৈ চলি আছে আগৰপৰাই। আধুনিক জয়া, পুচা আগফালেদি সোমোৱাৰ লগে লগে, বকুলমণি, মাণিকীমাধুৰী (আমাৰ বাপতি সাহোন) পাছফালেদি লৰ মাৰিছে। সেউজ বিপ্লৱ এতিয়া পদূলিৰ মুৰ পাইছে আহি। প্ৰকৃতিৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰ কৰা বজালী-বাসীয়ে 'সেউজী'ক আদৰে কিহেৰে! তথাপি IR-8, dwarf wheat আদি দুৰ্লভ শস্যই বদনকুছি পথাৰত ভুমুকি মৰা দেখিছোঁ।

বজালী কৃষি-সংস্কৃতিৰ ওপৰত মৈমনশিঙীয়া প্ৰভাৱ সুস্পষ্ট। মৈমনশিঙীয়া মুছলমান ভাইসকলে বজালীলৈ আমদানি কৰিছে মৰাপাট, আদা, নহৰু, জলকীয়া আদি শস্য আৰু এটি নতুন কৃষি-পদ্ধতিৰ।

অসমীয়া সাহিত্যলৈ অবদান

শ্ৰীযতীন গোস্বামী

অসমীয়া সাহিত্যলৈ বজালীৰ অৱদান বিশিষ্ট। প্ৰাক্-বৈষ্ণৱী কালৰেপৰা অদ্যাবধি অসমীয়া সাহিত্যৰ বিভিন্ন অংগত এই অঞ্চলৰ লিখকসকলে লানি নিচিগাধাৰে কাম কৰি আহিছে। ষোড়শ শতিকাৰ 'কিতাবত মঞ্জৰী'ৰ লিখক বকুল কায়স্থ আছিল এই অঞ্চলৰে। তেখেতৰ ঘৰ বৰ্ত্তমান পাঠশালা চহৰৰ গাতে লগা গাঁও মুগুৰীয়াত আছিল বুলি জনা যায়। বজালীৰ অন্তৰ্গত পানীশালাৰ পীতাম্বৰদ্বিজ পুৰুষোত্তম বিদ্যাবাগীশৰ পুত্ৰ আছিল। অসমীয়া গদ্য সাহিত্যৰ জনক ভট্টদেৱ বজালীৰে বিচানকুছি গাঁৱৰ বুলি বহুজনে দাবী কৰে। ভট্টদেৱৰে শিষ্য ভক্তিবিবেকৰ অনুবাদক পদ্যগীতাৰ লিখক বজালীৰ সন্তান বুলি ৺প্ৰতাপচন্দ্ৰ গোস্বামীয়ে উল্লেখ কৰি গৈছে। (ড° সত্যেন্দ্ৰনাথ শৰ্মাই গোবিন্দ মিশ্ৰক ভট্টদেৱৰ শিষ্য নহ'বও পাৰে বুলি কৈছে।) কথাসূত্ৰ, সাত্বত তন্ত্ৰ আৰু গীতাসাৰৰ ৰচক ভাগৱত আচাৰ্যও এই অঞ্চলৰে। ৺শৰৎচন্দ্ৰ গোস্বামীৰ মতে ভাগৱত আচাৰ্য (মিশ্ৰ) গোবিন্দ মিশ্ৰৰে ভায়েক। মহাভাৰতৰ শৈল্য পৰ্বৰ উপৰিও দ্ৰোণ পৰ্বৰ ৰচক দামোদৰদাসো বজালীৰে আছিল বুলি বহুজনে অনুমান কৰে।

বৈষ্ণৱ যুগীয় কালছোৱাৰ এনেকুৱা বহুজন লিখক থাকি গ'ল যিসকলৰ প্ৰকৃত পৰিচয় বোধকৰোঁ আমি সোনকালে পোৱা সম্ভৱ নহ'ব। একালত সংস্কৃত চৰ্চাৰ এটি প্ৰধান কেন্দ্ৰস্থল, অকল সংস্কৃত চৰ্চাই নহয় সংস্কৃতৰ ভাঙনিৰে অসমীয়া সাহিত্যক চহকী কৰি জনগণক ৰসাস্বাদন কৰিবলৈ সুবিধা দিছিল এই বজালী অঞ্চলে।

বৈষ্ণৱ সাহিত্য যুগৰপৰা ওলাই আহি পৰৱৰ্তী কালত বিশেষকৈ ইংৰাজ অহাৰ পিছৰেপৰা অসমত যি বঙলা ভাষাৰ প্ৰাদুৰ্ভাৱ হ'ল, সেইছোৱা কালত বঙালী মাধ্যমত গীত-নাট ৰচোঁতাও এই অঞ্চলৰপৰা বহুজন ওলাইছিল বুলি

জনা যায়। 'গায়ন বায়ন' দলৰ উপযোগী 'স্যমন্তক হৰণ' নামৰ নাট এখনি বামুণকুছি গাঁৱৰ ৺ভবেন্দ্রনাথ শৰ্মাই ৰচনা কৰা বুলি শুনা যায়। পাটাছাৰকুছিৰ ওচৰৰ পাটা সত্ৰৰ ৺হংসনাথ গোস্বামীয়ে বৰগীতৰ আৰ্হিত বহুকেইটা গীত নিজে ৰচনা কৰি 'গায়ন বায়ন' দলত গোৱাইছিল। এইবোৰ গীত হেনো আধা বঙলা আধা অসমীয়া। নিত্যানন্দৰ ওচৰৰ কাহাৰপাৰাৰ কোনোবাজন সন্তোৰামে (দাস?) হেনো নিজে অসমীয়া নাটৰ আৰ্হিত নাট ৰচনা কৰি অভিনয় কৰাইছিল।

একাধাৰে অভিনেতা, নাট্যকাৰ, প্ৰবন্ধকাৰ আৰু দিক্‌দৰ্শক ৺সন্তৰাম চৌধুৰীৰ নাম আমি এই যুগৰ বজালীৰ সাহিত্যিকসকলৰ প্ৰথমতে ল'ব লাগিব। তেখেতে 'আসাম হিতৈষী' আদি কৰি আলোচনীত নিয়মীয়াকৈ প্ৰবন্ধ লিখাৰ উপৰিও নিজে গীত-পদ ৰচনা কৰিছিল। তেখেতৰদ্বাৰা ৰচিত ধ্ৰুৱ চৰিত্ৰ নাটক এতিয়ালৈ একমাত্ৰ প্ৰকাশৰ ৰূপত পোৱা গৈছে। ৺চৌধুৰীৰ ঘৰ পাঠশালাৰ ওচৰতে।

অসম সাহিত্য সভা পত্ৰিকা, বাঁহী, আৱাহন আদিত কবিতা প্ৰকাশ হৈ থকা স্বভাৱ কবি ৺ধৰ্মকিঙ্কৰ গোস্বামী আছিল এজন সাংবাদিকো। তেখেতৰে সম্পাদনাত এখন আলোচনীৰ এটা নে দুটা সংখ্যা ওলাইছিল বুলি জনা যায়। তেখেতে ব্যঙ্গাত্মক ৰচনাও লিখিছিল। ৺গোস্বামীৰ ঘৰ নিত্যানন্দৰ ওচৰৰ পিপলা গাঁৱত। 'কবিতাৱলী' তেখেতৰ প্ৰকাশিত একমাত্ৰ কবিতাৰ পুথি।

কালজিৰাপাৰাৰ খাটনিয়াৰ পৰিয়ালৰ অসমীয়া সাহিত্যলৈ অৱদান প্ৰচুৰ। ৺ভৈৰৱচন্দ্ৰ খাটনিয়াৰৰ সেৱা এখন কবিতা সংকলন। তেখেতৰ কেবাখনো কিতাপ অপ্ৰকাশিত হৈ আছে। সেই সময়ৰ বিভিন্ন আলোচনীলৈ তেখেতে অৱদান আগবঢ়াইছিল। তেখেতৰ পত্নী ৺যমুনেশ্বৰী খাটনিয়াৰ অসমীয়া বিশিষ্ট কবিসকলৰ এজনা। অৰুণা তেখেতৰ একমাত্ৰ কবিতা পুথি। ৺যমুনেশ্বৰী খাটনিয়াৰৰ ভনীয়েক ৰামেশ্বৰী খাটনিয়াৰে এসময়ত আলোচনীত নিয়মীয়াকৈ লিখিছিল।

মুণ্ডৰীয়াৰ ৺সোণাপতি দেৱ শৰ্মাই অসমীয়া সাহিত্যৰ কলাকিটিপৰ উচ্চ খাপৰ ৰচনা 'সাহিত্যৰ সাজ' ৰচনা কৰি ভাষা-সাহিত্যলৈ বিশিষ্ট অৱদান দিয়াৰ উপৰিও ৺শৰ্মাই কেবাখনো কবিতা আৰু উপন্যাস ৰচনা কৰি গৈছে।

বুদ্ধিদীপ্ত হাস্যৰসিক গল্পকাৰ ৺হলীৰাম ডেকাই তেখেতৰ মাধ্যমিক শিক্ষাকাল পাটাছাৰকুছিত কটাই সেই কালতেই অসমীয়া সাহিত্যলৈ বিশিষ্ট অৱদানৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে।

ৰবিনচন ক্ৰুচ', হৰচন্দ্ৰ সাধু, প্ৰাচীন নগৰৰ ইতিহাস, সংসাৰ চিত্ৰ আদিৰ ৰচক ৺চিন্তাহৰণ পাটগিৰিয়ে অকল শিশু-সাহিত্য আৰু ঐতিহাসিক ৰচনাতে আবদ্ধ নাছিল, তেখেতে বহুবছৰ ধৰি একেৰাহে পৰিশ্ৰম কৰি ভাগৱতখন সম্পূৰ্ণকৈ অনুবাদ কৰি গৈছে।

হৰিপুৰ সত্ৰৰ সূৰ্যকান্ত গোস্বামীয়ে বহুসংখ্যক ভক্তিমূলক গীত ৰচনা কৰি প্ৰকাশৰ সুযোগ নাপালে। তেখেতৰে সম্পাদনাত 'মহাপুৰুষ শ্ৰীশ্ৰীহৰিদেৱ' ছপা হৈ ওলাইছে।

মহিলা জগতৰ কাৰণে জীৱন দান কৰি যোৱা ৺চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে প্ৰগতিশীল দৃষ্টিভংগীৰে সাহিত্য অধ্যয়ন কৰি বহুসংখ্যক প্ৰবন্ধ দি গৈছে। 'অভিযাত্ৰী' ৺শইকীয়ানীৰ সম্পাদনাত প্ৰকাশ পাইছিল। 'পিতৃভিঠা' তেখেতৰ প্ৰকাশিত একমাত্ৰ উপন্যাস।

বহুকেইখন ভক্তিমূলক গ্ৰন্থ আৰু কবিতা পুথিৰ ৰচক ৺কালিদাস খাটনিয়াৰৰ ঘৰ কালজিৰাপাৰা সত্ৰত। আধুনিক যুগৰ কবি হ'লেও ৺খাটনিয়াৰে তেখেতৰ ৰচনাত পৌৰাণিক পদ্যৰীতি ব্যৱহাৰ কৰিছিল। গান্ধী গীতা, ভাগৱত মাহাত্ম্য, পঞ্চতন্ত্ৰ, ন্যায়ৰত্নমালা আদি ভালেকেইখন গ্ৰন্থৰ তেখেত লিখক।

শিশু-সাহিত্য, জীৱনী-সাহিত্য আৰু আলোচনামূলক সাহিত্যত উল্লেখযোগ্য অৱদান আগবঢ়াই যোৱা শিক্ষাবিদ ৺হৰেন্দ্ৰনাথ শৰ্মাৰ ঘৰ বামুণকুছি গাঁৱত। অসমীয়া শিশু-আলোচনী 'পখিলা'ৰ সম্পাদনা কৰিও তেখেতে এক নতুন দিশ নিৰ্ণয় কৰি থৈ গৈছে। জোৱানডাৰ্ক, কামালপাছা, পদ্মিনী, সত্যসন্ধৰ প্ৰথম খোজ, সময় বালিৰ খোজবোৰ, অসমীয়া বচন-ভংগী আদিৰ উপৰিও বহুকেইখন পাঠ্যপুথিৰ তেখেত ৰচক। 'বাণী প্ৰকাশিকা' নামেৰে অসমীয়া অভিধান, Anglo-Assamese Dictionary এখন আৰু English Phrases and Idioms নামৰ অভিধান লিখি থৈ গৈছে।

এসময়ত আৱাহনকে ধৰি প্ৰায়বোৰ অসমীয়া আলোচনীত চিন্তাগধুৰ প্ৰবন্ধৰে অসমীয়া সাহিত্যলৈ বিশিষ্ট অৱদান আগবঢ়োৱা শ্ৰীৰঘুনাথ দেৱ চৌধুৰীয়ে অদ্যাবধি নিয়মীয়াকৈ লিখি থকাটো মন কৰিবলগীয়া। 'প্ৰকৃতি দৰ্শন', 'মানৱ সভ্যতা', 'শকুন্তলা' আদি তেখেতৰে অৱদান। শ্ৰীচৌধুৰীৰ ঘৰ পাটাছাৰকুছিত।

ৰাজনৈতিক সাহিত্য ৰচনাত এক বিশেষ দিশ দৰ্শোৱা শ্ৰীধৰণীধৰ দাসৰ বিপ্লৱপথা বিপ্লৱলৈ, গান্ধী আৰু লেনিন, সমবায় আৰু সমাজবাদ, ত্ৰিধাৰা, শিখা, ৰূপান্তৰ আদি ৰচনাৰ উপৰিও তেখেতে অভিযান নামৰ আলোচনীও সম্পাদনা কৰিছিল। শ্ৰীদাসৰ ঘৰ ভুতেপোৱাবড়ীত।

৺দীননাথ শৰ্মাৰ সুযোগ্য সম্পাদনাত যুগ সৃষ্টিকাৰী মাহেকীয়া আলোচনী 'আৱাহন' প্ৰকাশ পাইছিল। অসমীয়া চিন্তাশীল সাহিত্যিক গোষ্ঠী এটা প্ৰতিষ্ঠা কৰি সাহিত্য জগতলৈ নেতৃত্ব দান কৰোঁতাসকলৰ ভিতৰত ৺শৰ্মাৰ নাম বিশেষভাৱে উল্লেখযোগ্য। 'পাৰিজাত' নামৰ শিশু-আলোচনী এখনো তেওঁ উলিয়াইছিল। ৺শৰ্মাৰ ঘৰ বামুণকুছিত।

দাৰ্শনিক আৰু প্ৰগতিশীল সাহিত্যকাৰ ৺ভবানন্দ দত্তই ইংৰাজী আৰু অসমীয়া—উভয় বিধতে পুথি ৰচনা কৰি গৈছে। তেখেত এজন বিশিষ্ট কবি হিচাপেও পৰিচিত। ৰবীন্দ্ৰ প্ৰতিভা, দৃষ্টি আৰু দৰ্শন, অসমীয়া কবিতাৰ কাহিনী, Philosophy and India আদি ৺দত্তৰ উল্লেখযোগ্য অৱদান। ৺দত্তৰ ঘৰ ৰতনপুৰত।

ৰতনপুৰৰে আন এজন অসমীয়া সাহিত্য জগতলৈ ডিটেক্টিভ ৰচনাৰ ধাৰা বোৱাই দিয়া ৺প্ৰেমনাৰায়ণ দত্ত। 'প্ৰণয়ৰ স্মৃতি', 'নিয়তিৰ নিৰ্মালি', 'প্ৰাণৰ পৰশ', 'সৎকাৰ', 'পফেল ফেলতুঃ ফেলুঃ', 'ৰস মাধুৰী' আদি বহু ধেমেলীয়া নাটক, লঘু ৰচনা, গল্প-উপন্যাসৰ ৰচক।

বামুণকুছিৰ ৺হৰগোবিন্দ শৰ্মাই 'আৱাহন' আৰু 'পাৰিজাত'ত কাম কৰি 'পাতালপুৰী'ৰে অসমীয়া শিশু-সাহিত্য জগতলৈ এক বিশিষ্ট দান আগবঢ়াইছে।

পাটাছাৰকুছিৰ ৺হৰেশ্বৰ শৰ্মাই 'ব্ৰহ্মপুত্ৰ অভিযান' কবিতাৰ উপৰিও 'বস্ত্ৰ-শিল্পৰ ইতিবৃত্ত' নামৰ তথ্যগধুৰ পুথি ৰচনা কৰিছে।

চাৰিআলিৰ (চেউনী) শ্ৰীকাদেৰ আলীয়ে 'পৱিত্ৰ কোৰাণ', 'মুক্তিৰ সন্ধানত'কে ধৰি কেবাখনো তথ্য-গধুৰ আৰু ইছলামিক গ্ৰন্থ ৰচনা কৰি প্ৰকাশ কৰিছে। তেখেতে একাগ্ৰতাৰে পুথি ৰচনাত লাগি আছে। অসমীয়া ভাষাত তথ্য-গধুৰ ইছলামিক সাহিত্য সম্ভৱতঃ শ্ৰীআলিৰ হাততে প্ৰচুৰভাৱে ৰচিত হৈছে।

অসম সাহিত্য সভাৰ প্ৰাক্তন পত্ৰিকা সম্পাদক অধ্যাপক শ্ৰীৰজনীকান্ত দেৱ শৰ্মাই 'মুদ্ৰাৰাক্ষস'ৰ উপৰিও ভালেমান সংস্কৃতমূলক গ্ৰন্থ সম্পাদনা আৰু

অনুবাদ কৰিছে। 'আধুনিক অসমীয়া অভিধান'বো তেখেত আন এজন প্ৰণেতা। শ্ৰীশৰ্মাৰ ঘৰ পাটাছাৰকুছিত।

অসম সাহিত্য সভাৰ প্ৰাক্তন পত্ৰিকা সম্পাদক শ্ৰীযতীন গোস্বামী গল্প-উপন্যাসৰ উপৰিও 'অসমীয়া ভাষা আৰু সাহিত্যৰ ইতিহাস', 'বিশ্ব পৰিচয়', 'ৰাগমতী দেখিছোঁ' আদিৰ ৰচক। 'বুঢ়া আৰু সাগৰ', 'বিচাৰ'কে ধৰি কেবাপনো বিশ্ববিখ্যাত কিতাপৰ অনুবাদকো তেখেতেই। 'নতুন প্ৰবাহ', 'যোগাযোগ'কে ধৰি কেবাখনো পত্ৰিকাৰ তেখেত সম্পাদক। শ্ৰীগোস্বামীৰ ঘৰ পাটাছাৰকুছিত।

স্বৰ্গীয় ভবানন্দ দত্তৰ পত্নী শ্ৰীমতী নীলিমা দত্ত আধুনিক অসমীয়া শ্ৰেষ্ঠ কবি-সকলৰ মাজৰ অন্যতমা। তেখেতৰ 'শৈলশিখৰ', 'মহৎলোকৰ ল'ৰালিকাল','নাৰীৰ মুক্তি', 'শিশু বিকাশ' আদি কেবাখনো বিভিন্ন বিভাগৰ পুথি প্ৰকাশ পাইছে।

'গুলৰ নাম সেৱালি', 'সপোন সুৰভি' আদিৰ লিখক পাঠশালাৰ (ৰৰৰাৎ) শ্ৰীফুলেন বৰ্মণৰ গল্প-উপন্যাসে ইতিমধ্যে পাঠকৰ সমাদৰ লাভ কৰাত সমৰ্থবান হৈছে।

নাট্য সাহিত্যত গোবিন্দপুৰৰ শ্ৰীঅভয় ডেকাই বজালী অঞ্চলৰ বহুসংখ্যক নাটকৰ ৰচক হিচাপে কৃতিত্বৰ দাবী কৰিব পাৰে। তেখেতৰ 'গৰাখহনীয়া', 'ফেহুজালি', 'সৰগৰ অভিশাপ' আদি নাটকে অসমত সমাদৰ লাভ কৰিছে। শ্ৰীডেকাৰ পিছতে মুগুৰীয়াৰ শ্ৰীবিনোদ শৰ্মাই 'চিলিম', 'জৰী' আদি কেবাখনো প্ৰতীকধৰ্মী নাট ৰচনা কৰি নাট্য সাহিত্যত নতুনত্ব আৰোপ কৰিবলৈ সমৰ্থ হৈছে।

সাংবাদিক শ্ৰীসতীশচন্দ্ৰ চৌধুৰীয়ে 'জ্যোতিবন্দনা', 'নতুন পৃথিবী', 'মোৰ দেশ', 'জীৱন নদী' আদি পুথি ৰচনা কৰিছে। গল্প, কবিতা, আলোচনা সাহিত্যত কাম কৰি থকাৰ উপৰিও কেবাখনো গ্ৰন্থ শ্ৰীচৌধুৰীৰ সম্পাদনাত প্ৰকাশ পাইছে। শ্ৰীচৌধুৰীৰ ঘৰ পাঠশালাত।

পাঠশালাৰে শ্ৰীমুনীন্দ্ৰনাথ শৰ্মাই গল্প আৰু আলোচনা সাহিত্যত একাগ-পতীয়াভাৱে কাম কৰি আছে। তেখেতৰ 'মৌনবেদনা', 'জীৱনৰ জয়যাত্ৰা', 'গুৰুভক্ত মাধৱদেৱ', 'মানসতীৰ্থ', 'মালবিকা' আদি উল্লেখযোগ্য ৰচনা।

শ্ৰীভূপেন্দ্ৰকুমাৰ দাসৰ 'ৰাজকন্যা তুমি অনন্যা', 'অপেশ্বৰী আইদেউ' আদি কেবাখনো পুথিয়ে ইতিমধ্যে পাঠকৰ সমাদৰ লাভ কৰিছে। শ্ৰীদাসৰ ঘৰ খাৰৰাবাত।

এইবোৰৰ উপৰিও 'বহ্নবতী', 'বিবাহ বিচিত্ৰা'ৰ লিখক শ্ৰীমুকুন্দ শৰ্মা (প্ৰবক্তা), 'সমাজচিত্ৰৰ' ৰচক শ্ৰীহোমেশ্বৰ শৰ্মা, 'বাণবিজয়', 'লাচিত বৰফুকন' আৰু 'পূৰ্ণিমা'ৰ লিখক শ্ৰীযোগেন্দ্ৰনাথ বৰপাটগিৰি, 'কালিদাস'ৰ লিখক শ্ৰীঅম্বিকাপদ চৌধুৰী, 'হিউৱেন চাঙ'ৰ লিখক আৰু বহু প্ৰবন্ধকাৰ ড° নিৰ্মলপদ চৌধুৰী (অসম সাহিত্য সভাৰ সহকাৰী সম্পাদক), 'সাগৰ সন্তান'ৰ লিখক শ্ৰীজীৱনানন্দ দত্ত, 'প্ৰতিফল'ৰ লিখক শ্ৰীউপেন্দ্ৰনাথ দত্ত, 'স্বাধীনতা সংগ্ৰামত অসম' আৰু বহু বুৰঞ্জীমূলক প্ৰবন্ধৰ লিখক ৺কেশৱ নাৰায়ণ দত্ত, 'বিজ্ঞানৰ বিস্ময় বাতৰি'ৰ লিখক শ্ৰীদীপেন্দ্ৰনাথ শৰ্মা, 'ভূগোলৰ 'চাৰিজন বিখ্যাত আৱিষ্কাৰক'ৰ লিখক শ্ৰীমোহনচন্দ্ৰ দেৱ চৌধুৰী, 'মহাৰথী কৰ্ণ' নাটকৰ লিখক শ্ৰীভবেন্দ্ৰনাথ ঠাকুৰীয়া, 'আনাকাৰেনিনা'ৰ লিখক আৰু 'দীপাৱলী'ৰ সম্পাদক শ্ৰীঅচ্যুত লহকৰ, 'স্বাধীনতা যুঁজত বঙালী'ৰ লিখক শ্ৰীনৱকান্ত দাস, 'ৰোমিও জুলিয়েট'ৰ লিখিকা শ্ৰীবীণাপাণি শৰ্মা, 'মেকবেথ'ৰ লিখক শ্ৰীদেৱদত্ত শৰ্মা, 'মইনাৰ ৰামায়ণৰ সাধু' আৰু 'অসম কেশৰী অম্বিকাগিৰী'ৰ লিখিকা শ্ৰীবেণু গোস্বামী, 'বিপ্লৱী', 'মালিক' আদি নাটকৰ লিখক শ্ৰীৰুদ্ৰ চৌধুৰী, 'এপাহ বগা ফুল', 'জীৱন তৃষা'ৰ লিখক শ্ৰীপ্ৰভাত তালুকদাৰ, 'নাৰদ চৰিত'ৰ লিখক ৺পদ্মনাথ দেৱ অধিকাৰী, 'পোহৰ'কে ধৰি কবিতা পুথিৰ ৰচয়িতা শ্ৰীসৰযূ দেৱী, ভাৰতৰ নতুন বুৰঞ্জীৰ লিখক শ্ৰীকৰুণানন্দ দত্ত, '১৮৫৭' (নাটক) আৰু চিকিৎসামূলক বহু চিন্তাশীল প্ৰবন্ধৰ লিখক, মণিপুৰী আৰু অসমীয়া দ্বৈতভাষাৰ সম্পাদক ডা° হোমেশ্বৰ দেৱ চৌধুৰী, পুৰাতত্ব, ভাস্কৰ্য আদি বিভিন্ন দিশত ইংৰাজী আৰু অসমীয়া চিন্তাগধুৰ পুথি আৰু প্ৰবন্ধ লেখক ড° ৰবীন দেৱ চৌধুৰী, বহুকেইখন কাকতে-পত্ৰই নিয়মীয়াকৈ ভাষা-সংস্কৃতি সম্পৰ্কীয় প্ৰবন্ধ-পাতি লিখি থকা শ্ৰীপ্ৰবীণচন্দ্ৰ বৰ্মণ, 'আজিৰ যুগ', 'সাবিত্ৰী', 'পাচালী'ৰ লিখক শ্ৰীদেবেন শৰ্মা, 'শঙ্কৰ ভাৰতী'ৰ লিখক শ্ৰীকমলেশ্বৰ ৰায়, 'স্বদেশৰ গান' কবিতা পুথিৰ ৰচক শ্ৰীপৰমানন্দ গোস্বামী, বহুকেইটা ঐতিহাসিক গল্পৰ গল্পকাৰ, চিন্তাশীল প্ৰবন্ধকাৰ আৰু সাংবাদিক ছেৰিফউদ্দিন আহমদ, আহোম ৰাজত্বকালীন ঐতিহাসিক প্ৰবন্ধকাৰ (ইংৰাজী) শ্ৰীদীননাথ গোস্বামী, 'কণিকা', 'উপহাৰ', 'মহাদেৱ দেশাই' আদিৰ লিখক শ্ৰীসুৰেন্দ্ৰনাথ শৰ্মা, 'মহাত্মা গান্ধীৰ সত্যাগ্ৰহ'ৰ লিখক শ্ৰীবিপিনচন্দ্ৰ দাস, 'অসমত বৌদ্ধ কীৰ্তিস্তম্ভ'ৰ লিখক ৺গঙ্গাৰাম চৌধুৰী, 'ফকৰাগীত ৰহস্য', 'ফকৰা কূট ৰহস্য'ৰ লিখক শ্ৰীহৰেশ্বৰ বেপাৰী, জ্যোতিষ গৱেষণামূলক প্ৰবন্ধ-পাতিৰ লিখক আৰু খ্যাতনামা চিত্ৰশিল্পী শ্ৰীত্ৰৈলোক্যনাথ দত্ত, 'খেলিমেলি'

কবিতা পুথিৰ লিখক ৺নাৰায়ণ দাস, 'মহাপুৰুষ শ্ৰীশ্ৰীশংকৰদেৱ'ৰ লিখক শ্ৰীধৈৰ্য্যধৰ দাসৰ উপৰিও সৰ্বশ্ৰী হেমচন্দ্ৰ শৰ্মা, তাৰক শৰ্মা, অশ্বিনী চৌধুৰী, ৰাণী শৰ্মা, কবীন্দ্ৰ শৰ্মা, মাধৱ অধিকাৰী, মনোমোহন শৰ্মা, ধনবিন্দু শৰ্মা, পঙ্কজ চৌধুৰী, হেমেন শৰ্মা, হেমেন্দ্ৰকুমাৰ শৰ্মা, দীপালী দেৱী, হিৰণ্য চৌধুৰী, অশ্বিনী তালুকদাৰ, মুকুল গোস্বামী, গয়া দেৱী, সুৰেন গোস্বামী, ফণীন্দ্ৰ দেৱ চৌধুৰী, লাৱণ্য দেৱী, বসন্ত শৰ্মা, হেমন্ত শৰ্মা, দশৰথ কাকতি, অৰবিন্দ শৰ্মা, মহিম শৰ্মা, শৈলেন দাস, সদানন্দ চৌধুৰী, চন্দ্ৰ কলিতা, বিশ্বেশ্বৰ গোস্বামী, শিৱচৰণ ঠাকুৰীয়া, শ্যামচৰণ ডেকা, নাৰায়ণ দত্ত, অক্ষেন্দ্ৰ বৰ্মণ, গোপেন্দ্ৰ মোহন দাস, ৺ধীৰেন্দ্ৰ নাথ শৰ্মা, প্ৰভাত বৰ্মণ, ধৰণীধৰ ডেকা, বৈকুণ্ঠ গোস্বামী, মহাৰথ কাকতি আদি বহুকেইজন ন-পুৰণি লিখক-লিখিকাই গল্প, কবিতা, আলোচনা আদিৰে অসমীয়া সাহিত্য ভঁৰালৈ অবদান দি আহিছে।

শিক্ষাৰ ক্ষেত্ৰত বজালী

শ্ৰীৰাজেন্দ্ৰনাথ শৰ্মা

শিক্ষাৰ উদ্দেশ্য হৈছে জ্ঞান লাভ কৰা, সত্যক উপলব্ধি কৰা আৰু সৎ-সমাজ প্ৰতিষ্ঠা কৰা। প্ৰাচীন ভাৰতৰ 'গুৰুগৃহ' আৰ্হিত গঢ়ি উঠা বজালীৰ টোলবোৰ সংস্কৃত সাহিত্য চৰ্চাৰ কেন্দ্ৰস্থল হৈ উঠিছিল। এই টোলবোৰক কেন্দ্ৰ কৰি শিক্ষা-দীক্ষা আৰু সময়ে সময়ে যাগ-যজ্ঞ চলি আছিল আৰু বিজ্ঞানৰদ্বাৰা প্ৰতিষ্ঠিত ক্ৰমবিকাশৰ (theory of evolution) চৰম সত্য উপলব্ধি কৰিছিল।

অন্নাদ্‌ ভৱন্তি ভূতানি পৰ্জ্জন্যাদন্নসম্ভৱঃ।
যজ্ঞাৎ ভৱতি পৰ্জ্জন্যো যজ্ঞ কৰ্মসমুদ্ভৱঃ॥

কবিৰত্ন ভট্টদেৱৰ জন্মস্থান বজালীৰ বিচানকুছি গাঁওতেই। ইয়াতেই তেওঁ সংস্কৃতৰ প্ৰাথমিক শিক্ষা লাভ কৰি উচ্চশিক্ষাৰ বাবে ভেৰাগ্ৰামলৈ যায়। গঙ্গাধৰ বিদ্যাৰত্ন, সৰ্বানন্দ বেদান্তবাগীশ, কনকচন্দ্ৰ ন্যায় শাস্ত্ৰী আদি লোকেও বজালীত টোলীয় উপাধি লাভ কৰি উচ্চশিক্ষাৰ বাবে বাহিৰলৈ যায় আৰু পিছত উলটি আহি সংস্কৃত শিক্ষাৰ বহুল প্ৰচাৰ আৰু চৰ্চা সাধন কৰে। সেই পৰম্পৰা আংশিকভাৱে আজিও চলি আছে। এতিয়াও ভোগপুৰ, গাড়ীসত্ৰ আদি কৰি কেবাখন টোলত সংস্কৃত শিক্ষাৰ চৰ্চা চলি আছে। আৰু শ্ৰীহৰগোবিন্দ শৰ্মাকে আদি কৰি প্ৰবীণ অধ্যাপকসকলে ইয়াৰ গুৰিৰ'ঠা ধৰি আছে। আজিৰ শিক্ষা কেৱল জ্ঞানৰ কাৰণে হ'লেই নহ'ব, জ্ঞানৰ লগতে ই আমাক জীৱিকা দিব লাগিব। ঐতিহ্যপূৰ্ণ সংস্কৃত ভাষা আজি মৃত ভাষাৰূপে পৰিগণিত হৈছে আৰু আজি বিজ্ঞান আৰু কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰত ইয়াৰ প্ৰসাৰতা হ্ৰাস হোৱাত, এই শিক্ষাৰ প্ৰতি আওহেলা হোৱা স্বাভাৱিক। কিন্তু ভাৰতীয় সংস্কৃতি ভালকৈ উপলব্ধি কৰিবলৈ হ'লে ইয়াৰ চিন্তা আৰু চৰ্চা একান্ত আৱশ্যক।

প্ৰাকৃতিক আনুকূল্যত বজালী অঞ্চল বছৰুন। সেউজী বজালীৰ পথিৰী পথাৰ সোণালী ধানেৰে নদন-বদন। স্বাভাৱিকতে মানুহখিনি কঠোৰ পৰিশ্ৰমী নহয়, কিন্তু শিক্ষাৰ প্ৰতি আগ্ৰহশীল। অসমত ইংৰাজী শিক্ষা বিস্তাৰৰ লগে লগে বজালীৰ মাজভাগত অৱস্থিত চৌখুটী ইংৰাজী শিক্ষাৰ কেন্দ্ৰস্থল হৈ পৰিল। পোনপ্ৰথমে উনবিংশ শতিকাৰ শেষভাগত ইংৰাজী শিক্ষাৰ অনুষ্ঠান মাইনৰ স্কুল এখন স্থাপিত হয়। এই বিদ্যালয়তে ইংৰাজী শিক্ষা লাভ কৰি বজালী তথা বজালীৰ বাহিৰৰ ল'ৰাই নিজকে সৌভাগ্যবান বুলি ভাবিছিল। এই অনুষ্ঠানৰপৰা মাইনৰ স্কুলৰ শিক্ষা শেষ কৰি গৌৰীপুৰ, কোচবিহাৰ, বৰপেটা, গুৱাহাটী, নলবাৰী আদি ঠাইত উচ্চ ইংৰাজী শিক্ষা লাভ কৰিছিল ; কিন্তু কেৱল আঢ্যৱন্ত মেধাৱী ছাত্ৰইহে এনে শিক্ষা লাভ কৰিব পাৰিছিল আৰু অতি কম সংখ্যক ছাত্ৰইহে কোচবিহাৰ, কলিকতা আদিলৈ গৈ কলেজীয়া শিক্ষা গ্ৰহণ কৰিছিল। সিন্ধুৰাম চৌধুৰী, কামেশ্বৰ দাস, চিন্তাহৰণ পাটগিৰি, সৰ্বানন্দ দত্ত, সোণাপতি শৰ্মা, লক্ষ্মীকান্ত দাস, হৰেন্দ্ৰনাথ শৰ্মা আদি তীক্ষ্ণ বুদ্ধিৰ ছাত্ৰই কলেজীয়া শিক্ষাৰ সোৱাদ পায়। আনহাতে সন্তৰাম চৌধুৰী, নবেশ্বৰ শৰ্মা, চানাৰাম চৌধুৰী আদি মেধাৱী ছাত্ৰই উচ্চ অসমীয়া শিক্ষা লাভ কৰি বজালীত শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট অৰিহণা যোগায়। চৌখুটী মাইনৰ স্কুল প্ৰতিষ্ঠা হোৱাৰ কিছু বছৰ পিছত পাটাছাৰকুছি, পাঠশালা, নিত্যানন্দ, অঞ্জলী আদি ঠাইত অসমীয়া উচ্চশিক্ষাৰ অনুষ্ঠান এম-ই আৰু এম-ভি স্কুল স্থাপিত হ'ল।

অসমত ইংৰাজী শিক্ষাৰ বিস্তাৰৰ লগে লগে ইয়াৰ প্ৰয়োজনীয়তা উপলব্ধি কৰি ইং ১৯২৬ চনত বজালীৰ কেন্দ্ৰস্থান পাঠশালাত 'বজালী হাইস্কুল' স্থাপন হয়। এই অনুষ্ঠানৰ যোগেদি ইংৰাজী উচ্চশিক্ষাৰ পোহৰ এই অঞ্চলত বিয়পি পৰে। ভৱানন্দ দত্তকে আদি কৰি কেবাগৰাকী মেধা আৰু খ্যাতিসম্পন্ন ব্যক্তি এই বিদ্যালয়ৰ ছাত্ৰ। ভাৰতে স্বাধীনতা পোৱাৰ প্ৰায় দহ বছৰ পিছত এই অনুষ্ঠানখন উচ্চতৰ আৰু বহুমুখী বিদ্যালয়লৈ ৰূপান্তৰিত হয় আৰু কৃতিত্বানুসাৰে এই অনুষ্ঠানটো শিক্ষাদানত ব্ৰতী হৈ আছে।

আনকালে অসমৰ শিক্ষাবিদ ৺হৰেন্দ্ৰনাথ শৰ্মাৰ নেতৃত্বত পাটাছাৰকুছিত আন এখন হাইস্কুল প্ৰতিষ্ঠা হয়। ১৯৩৫ চনত গোটেই জীৱন নিষ্ঠাৰে কাম কৰি এই বিদ্যালয়খন শৰ্মাদেৱে এখন দেখত ল'বলগীয়া অনুষ্ঠান হিচাপে গঢ়ি তোলে। এই বিদ্যালয়খনো একে বছৰতে বজালী হাইস্কুলৰ নিচিনাকৈ উচ্চতৰ

বহুমুখী বিদ্যালয়লৈ ৰূপান্তৰিত হয়। মাত্ৰ চাৰিমাইল ব্যৱধানত অৱস্থিত পাঠশালা আৰু পাট্টাছাৰকুছিত দুখন "উচ্চতৰ" বিদ্যালয় প্ৰতিষ্ঠা হোৱাটোৱে ইয়াকে সূচায় যে এই অঞ্চলৰ মানুহবিলাক শিক্ষাৰ প্ৰতি আগ্ৰহশীল, ছাত্ৰবিলাকৰ একাগ্ৰতা আৰু ধাউতি আছে, লগে লগে মেধাবীও। মাধ্যমিক শিক্ষা পৰিষদে যেতিয়া শিক্ষাৰ এই নতুন আঁচনিৰ কৃতকাৰ্যতা সম্বন্ধে সন্দেহ প্ৰকাশ কৰিছিল, এই দুখন বিদ্যালয়ৰ কৃতকাৰ্যতা আৰু পৰীক্ষাৰ ফলাফল দেখি এই সন্দেহ দূৰ হ'ল। আনহাতে কিন্তু নগৰত প্ৰতিষ্ঠিত হোৱা উচ্চতৰ বিদ্যালয়সমূহে আশানুৰূপভাৱে অগ্ৰগতি লাভ কৰিব নোৱাৰিলে।

১৯৪৭ চনত দেশ স্বাধীন হ'ল। শিক্ষা বিস্তাৰত দেশে বহুত উন্নতি লাভ কৰিলে আৰু বজালী অঞ্চলত—চৌখুটি, নিত্যানন্দ, বাঘমাৰা, লাদেৰী, বনগাঁও, শালবাৰী, হাথিনাপুৰ, লেচেৰা, ভোটেপোৱাৰৰী, ৰতনপুৰ, মাণিকপুৰ, অঞ্জলী, গৰেমাৰী, জালিখাটা, খাৰাধৰা, ভালুকী, ৰৰষৰি, ভুমুৰীয়া আদি গাঁৱতো হাইস্কুল স্থাপন হয়।

বজালী অঞ্চলৰ মানুহখিনি মধ্যবিত্ত শ্ৰেণীৰ লোক। বহুতো মেধাবী ছাত্ৰই আৰ্থিক অনাটনত বাহিৰলৈ গৈ কলেজীয়া শিক্ষা ল'ব নোৱাৰে আৰু উচ্চশিক্ষাৰপৰা বঞ্চিত হয়। এই অৱস্থাটো অনুভৱ কৰি বজালী বাইজে ১৯৫৫ চনত 'বজালী কলেজ' স্থাপন কৰে। এই অনুষ্ঠান স্থাপনৰ বিশেষত্ব এই যে এই অনুষ্ঠানখন কোনো বিশেষ লোকৰ শকত দান-বৰঙণি আদিৰে প্ৰতিষ্ঠা হোৱা নাই। সাধাৰণ বাৰী, দুখুনী আদি কৰি অতি গৰীব লোকৰ অনুদানেৰে প্ৰতিষ্ঠা হৈছে। সেয়েহে এই অনুষ্ঠানটো ৰাইজৰ ইমান মৰমৰ, ইমান আদৰৰ, ইমান প্ৰাণস্পৰ্শী। অতি সুখৰ কথা, ৰাইজৰ শুভেচ্ছা আৰু সবল নেতৃত্বত আজি এই কলেজখন অসমৰ এখন লেখত ল'বলগীয়া কলেজ হিচাপে পৰিগণিত হৈছে। বিজ্ঞান আৰু কলা বিষয়ৰ প্ৰায় সকলো বিষয়তে 'অনাৰ্চ' পৰ্যায়লৈ শিক্ষা দিয়াৰ ব্যৱস্থা আছে। বৰ সুখৰ কথা, বজালী মহাবিদ্যালয়ৰ এটি মহান পৰিকল্পনা আছে। সেইটো হ'ল ইয়াক 'গ্ৰাম্য বিশ্ববিদ্যালয়লৈ (Rural University) ৰূপান্তৰিত কৰা। বজালী অঞ্চল কৃষিপ্ৰধান অঞ্চল। আজিৰ দিনত আঞ্চলিক অনুষ্ঠানবিলাক এনেকুৱা হ'ব লাগে যাতে সেই অঞ্চলৰ প্ৰাকৃতিক সম্পদ বৈজ্ঞানিক দৃষ্টিভঙ্গীত প্ৰসাৰিত কৰি জনসাধাৰণৰ উপকাৰলৈ আনিব পৰা যায়। বজালী মহাবিদ্যালয়ত প্ৰতিষ্ঠিত 'Biological complex'য়ে কৃষি উদ্ভিদ আৰু প্ৰাণীবিজ্ঞানৰ উন্নতি সাধনত

জনসাধাৰণক জ্ঞান আহৰণত সুযোগ দিয়াৰ বাবে ইয়াত শিক্ষাৰ ব্যৱস্থা গ্ৰহণ কৰিব। জানিব পৰা গৈছে যে এই অনুষ্ঠানত অনতিপলমে এটি গৱেষণা আৰু প্ৰশিক্ষণমূলক কেন্দ্ৰ প্ৰতিষ্ঠা হ'ব। এই প্ৰতিষ্ঠানে বিশেষকৈ কৃষি, উদ্ভিদ আৰু প্ৰাণীবিজ্ঞান বিষয়ৰ উন্নতি সাধনত মনোনিবেশ কৰিব। এই পৰিকল্পনা যদি কাৰ্যত পৰিণত হয়, এই অঞ্চলৰ সম্যক উন্নতি সাধন হ'ব, নিবনুৱা সমস্যা দূৰীকৰণ হ'ব আৰু বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে দেশ উন্নতি পথত অগ্ৰসৰ হ'ব। আনকালে এই অনুষ্ঠানটিয়ে ১৯৮০-৮১ চনৰপৰা দুই-তিনিটা বিষয়ত 'স্নাতকোত্তৰ শ্ৰেণী' খোলাৰো যো-জা কৰি আছে।

আজি কেইবছৰমান আগলৈকে বজালী স্ত্ৰী-শিক্ষাত পাছপৰা আছিল, যদিও বজালীৰ জীয়াৰী চন্দ্ৰপ্ৰভা শইকীয়া, ৰামেশ্বৰী থাটনিয়াৰ আদি কৰি কেইগৰাকী মহিলাই শিক্ষা, সমাজ, ৰাজনীতি আদি ক্ষেত্ৰত বিশেষ বৰঙণি আগ বঢ়াইছিল। দেশে স্বাধীনতা পোৱাৰ বহুবছৰ পিছত পাঠশালাত·ছোৱালী হাইস্কুল প্ৰতিষ্ঠিত হ'ল আৰু বৰ্তমানে ইয়াত ৭।৮ খনমান ছোৱালী হাইস্কুল প্ৰতিষ্ঠিত হৈছে আৰু এই প্ৰতিষ্ঠান কেইখনে স্ত্ৰী-শিক্ষাত বিশেষ বৰঙণি আগ বঢ়াইছে। বজালী কলেজত প্ৰায় সাত শ গৰাকী ছাত্ৰী। ই ইয়াকে সূচায় যে বজালীত এখন ছোৱালী কলেজৰ অতি আৱশ্যক। দুই-এক বছৰৰ ভিতৰতে ইয়াত এখন ছোৱালী কলেজ প্ৰতিষ্ঠা হ'ব বুলি ৰাইজে আশাৰে বাট চাই আছে।

দেশ স্বাধীন হোৱাৰ একত্ৰিশ বছৰৰ পিছতো ভাৰতৰ নিৰক্ষৰতা দূৰীকৰণ হোৱা নাই। ২ অক্টোবৰৰপৰা আৰম্ভ হোৱা প্ৰাপ্তবয়স্কৰ শিক্ষা আঁচনিত বজালী কলেজ আৰু বজালী প্ৰগতি সংঘকে আদি কৰি স্বেচ্ছাসেৱী অনুষ্ঠান-সমূহে বিশেষ অংশ গ্ৰহণ কৰাৰ আঁচনি হাতত লৈছে। এনে এটি বাতাবৰণৰ সৃষ্টি হৈছে যে সকলো ছাত্ৰ-ছাত্ৰী, বিশিষ্ট নাগৰিকসকলে ইয়াত সক্ৰিয় অংশ গ্ৰহণ কৰিব আৰু উক্ত আঁচনি কৃতকাৰ্য কৰি তুলিব।

আজি বিজ্ঞানসন্মত শিক্ষাৰ বিভিন্ন আঁচনিৰে দেশ প্ৰগতিৰ পথত আগবাঢ়ি যাওক, লগে লগে বজালীত ইয়াৰ ৰেখাপাত হওক—এয়ে বজালী ৰাইজৰ কামনা।

চিন্তা-চর্চা

অসমীয়া আখৰ-জোঁটনিৰ শৃঙ্খলা

ড° উপেন্দ্ৰনাথ গোস্বামী

কোনো এটা উন্নত বা চহকী ভাষাৰ লেখন-পদ্ধতিৰ এটা সুশৃঙ্খল ৰীতি থাকিব লাগে। তেতিয়াহ'লে সেই ৰীতি অনুযায়ী সকলোৱে ভাষাটো লিখিত ৰূপত ব্যৱহাৰ কৰিব পাৰে। কথিত ৰূপত চলি থকা ভাষা এটাক আধুনিক ভাষা-বিজ্ঞানৰ পদ্ধতিৰে বিশ্লেষণ কৰি বিশিষ্ট ধ্বনিবোৰ উলিয়াই এখন বৰ্ণমালা তৈয়াৰ কৰি ভাষাটো লেখাত প্ৰবৃত্ত হ'ব পাৰি। কিন্তু যিবোৰ ভাষাৰ লেখন-পদ্ধতি প্ৰাচীন, যিবোৰ ভাষা বহু শতাব্দী জুৰি হাতে-লেখা পুথি-পাঁজি, শিলালিপি, তামৰ ফলি আদিত সংৰক্ষিত হৈ চলি আহিছে ; সেই ভাষাবোৰৰ লেখন-পদ্ধতি বা বাণন-পদ্ধতি বা আখৰ-জোঁটনিৰ হঠাৎ বিশিষ্ট ধ্বনিৰ সহায়ত পৰিবৰ্তন কৰিবলৈ যোৱাটো সম্ভৱো নহয়, উচিতো নহয়। এনে ঐতিহ্যপূৰ্ণ ভাষা এটাৰ লেখন-পদ্ধতিত থকা অযুক্তিসঙ্গত কথাখিনি আঁতৰাই যুক্তিৰ আশ্ৰয়ত এটা শৃঙ্খলালৈ আনিবলৈহে যত্ন কৰিব লাগে। গতিকে অসমীয়া ভাষাৰ আখৰ-জোঁটনিৰ পৰিবৰ্তন নহয়, অসমীয়া ভাষাৰ আখৰ-জোঁটনিৰ সুশৃঙ্খল ব্যৱস্থাৰ কথাহে চিন্তাৰ বিষয়।

অসমীয়া ভাষাটো এটা ঐতিহ্যপূৰ্ণ ভাষা। ইয়াৰ লেখন-পদ্ধতিৰ ভিত্তি হৈছে খৃষ্টীয় পঞ্চম শতিকা আৰু তাৰ পৰৱৰ্তী সময়ত পোৱা অনেক শিলালিপি, তামৰ ফলি আদিৰ আখৰৰ বিকশিত ৰূপে সৃষ্টি কৰা সুকীয়া অসমীয়া লিপি বা সুকীয়া অসমীয়া বৰ্ণমালা। এই বৰ্ণমালাত হাজাৰ হাজাৰ হাতে-লেখা অসমীয়া আৰু সংস্কৃত সাঁচিপতীয়া পুথি সংৰক্ষিত হৈছে। ইয়াৰেই ছপা ৰূপত অলেখ অসমীয়া পুথি আৰু কাকত-পত্ৰ ওলাইছে আৰু ওলাই আছে। অৱশ্যে এই আটাইবোৰত অসমীয়া ভাষাৰ বাণন-পদ্ধতি বা আখৰ-জোঁটনিৰ এটা সুশৃঙ্খল ব্যৱস্থাৰ অভাৱ পৰিলক্ষিত হৈ আছে। অসমীয়া সংবাদ-পত্ৰ, আলোচনী, কিতাপ-পত্ৰ সকলোতে এই বিশৃঙ্খলতাই ৰাজত্ব চলাইছে। অলপ মনোযোগেৰে চালে এই আটাইবোৰত তলত দিয়া ধৰণৰ বিশৃঙ্খলতা

দেখা যায়ঃ কাৰ্য্যসূচী, কাৰ্যনিৰ্বাহক; অঞ্চল, অঞ্চল; গোহাৰী, গোহাৰি; ছিট, ফেডাবেচন; প্ৰত্যাবৰ্তন, অভিবৰ্তন; আচনি, আঁচনি; গাবলৈ, খেল-ধেমালী, জিলিঙণি, কটি, সহুৰ, সহাবি, ভোগালি ইত্যাদি। বাতৰি-কাকত, আলোচনী, কিতাপ-পত্ৰ আদিৰ উপৰি অসমীয়া অভিধানতো আখৰ-জোঁটনিৰ অনেক বিপৰ্যয় আছে। সেইবোৰৰ কিছুমান তলত দিয়া ধৰণৰ: লকচি, লেকেচি; কিন্তু চেকনী, চাঁচনী, ছেকনী। থালৈভাঙী, গেদগেদী; কিন্তু ধৰালি। খিৰিকী (হি. খিড়কী), কিন্তু খিচিৰি (হি. খিচড়ী); ভাবী, হুৰবী, পূজাৰী, জুৱাৰী, কিন্তু সোণাৰি। বিশেষণাত্মক এটা শব্দ হ'ল লাহী, কিন্তু আন এটা হ'ল মিহি। তেনেকৈ আউলী-জাউলী, কিন্তু হিয়ালি-জিয়ালি, আকলি-বাকলি। এপিনে পাওঁ আগমনী গীত, আদৰণী সভা, উকথনী পানী; আনপিনে আছে মুকলি অধিবেশন; বাজী, কিন্তু মান্তি। আকৌ হালধি, কিন্তু হালধি-আ, হালধীয়া; চুৰুৰি, কিন্তু চুৰুৰি-আ, চুৰুৰীয়া। ছুৰী (সং. ক্ষুৰিকা), কিন্তু মাখি (সং. মক্ষিকা)। আমি পাইছোঁ চিঠি (হি. চিট্‌ঠী), চুটি (হি. ছোটী), ছুটী (হি. ছুট্‌টী)। এইদৰে তালিকাখন দীঘলাই যাব পাৰি। তেতিয়াহ'লে স্বাভাৱিকতে এইবোৰৰ মাজত কিবা শৃঙ্খলাৰ উপায় আছে নে নাই সেই প্ৰশ্নটো উদয় হ'ব। তাৰ উত্তৰ স্বৰূপে ইয়াকে ক'ব পাৰি যে যুক্তিযুক্তভাৱে নিৰীক্ষণ কৰি অগ্ৰসৰ হ'লে এইবোৰ বেমেজালিৰ অন্ত নপৰাৰ কোনো কাৰণ নাই।

অসমীয়া আখৰ-জোঁটনিৰ সংশোধন কৰিবলৈ হ'লে অসমীয়া ভাষাত কেনে ধৰণৰ কোন কোন ভাষাৰ শব্দ আছে সেই কথালৈ প্ৰথমতে চকু দিব লাগিব। তাৰ পাছত সেইবোৰক কেনে ধৰণে লেখিলে ভাল হ'ব চাব লাগিব। অসমীয়া ভাষাত প্ৰচলিত শব্দবোৰৰ ভিতৰত সৰহ সংখ্যক শব্দ সংস্কৃতীয়া। সংস্কৃতীয়া শব্দবোৰ তৎসম, অৰ্ধতৎসম আৰু তদ্ভৱ শব্দবোৰকে বুজোৱা হৈছে। নানা জ্ঞান-বিজ্ঞানৰ পুথি-পাঁজি অসমীয়াত ৰচনা কৰিবলৈ ওলোৱা সময়ত আৰু অসমীয়া ভাষাই ৰাজ্য-ভাষা আৰু শিক্ষাৰ মাধ্যমৰ ভাষাৰূপে স্থান অধিকাৰ কৰা সময়ত তৎসম শব্দবোৰৰ প্ৰয়োগ দিনে দিনে বাঢ়ি আহিছে। এনে ক্ষেত্ৰত সেই শব্দবোৰক সংস্কৃতৰ মূল ৰূপ অনুযায়ী লেখিলে বেছি যুক্তিসঙ্গত হ'ব আৰু বৰ্তমান সময়ত সেইবোৰ লেখাত যি ধৰণৰ বিশৃঙ্খলতা দেখা গৈছে তাৰ অন্ত পৰিব, ছপাৰ কামতো সুবিধা হ'ব, ন শিকাৰুসকলেও অযথা কিছুমান আখৰ শিকাৰপৰা সকাহ পাব। সচৰাচৰ

ব্যৱহাৰ হোৱা তৎসম শব্দবোৰ এনেকুৱা : সূৰ্য, কাৰ্য, প্ৰৱাহ, প্ৰৱেশ, প্ৰৱল, প্ৰবন্ধ, অঞ্চল, প্ৰত্যাৱৰ্তন, পৰিৱৰ্তন, পৃথিৱী, কৃষিজীৱী, সৱিতা, কবিতা, নামকৰণ, ওতপ্ৰোত, মহত্ত্ব, অৰ্ঘ্য, সান্ধ্য, কাৰ্তিক, জীৱ, শিৱ, ঊৰ্দ্ধ, নিৰ্ধাৰণ, ধৰ্ম, কৰ্ম আদি। অৰ্ধতৎসম শব্দবোৰ লেখোঁতেও তৎসম ৰূপ অনুযায়ী লেখিব লাগিব; যেনে—কৃষি, কিৰিষি; হৰ্ষ, হৰিষ; শ্লাঘা, শলাগ; শকুন, শগুন; বৰ্ধনী, বাঢ়নী। তদ্ভৱ শব্দবোৰ লেখোঁতে সংস্কৃতৰপৰা প্ৰাকৃতৰ মাজেদি আহোঁতে শব্দবোৰে যি ৰূপ লৈছিল সেই অনুযায়ী লেখিব লাগিব; যেনে—সং. ফল্গুন, প্ৰা. ফগ্‌গুণ, অস. ফাগুণ; সং. পৰ্ণ, প্ৰা. পণ্ণ, অস. পাণ; সং. প্ৰগুণ, প্ৰা. পউণ, অস. পোণ।

এটা ভাষাৰ বৰ্ণ-বিন্যাস সচৰাচৰ তিনি ধৰণে কৰা হয়। প্ৰথমতে উচ্চাৰণ অনুসৰি, দ্বিতীয়তে মূল শব্দৰ দৰে, তৃতীয়তে 'জনা লোকসকলে বহুদিন চলোৱা নিয়ম মতে'। 'জনা লোকসকলে বহুদিন চলোৱা নিয়ম মতে' বা প্ৰচলিত নিয়ম মতে যে কিছুমান শব্দ লেখিব লাগিব তাক নুই কৰিব নোৱাৰি। কিন্তু এক সময়ত গৈ আমি যুক্তিৰ ওপৰত সম্পূৰ্ণ ভিত্তি কৰিহে শৃঙ্খলাৰ পিনে আগ বাঢ়িলে ভাল হ'ব। প্ৰচলিত নিয়ম অনুসৰি যিবোৰ শব্দৰ প্ৰচলন বেছি সেইবোৰক বিকল্পৰূপে এতিয়া চলাব পাৰোঁ; যেনে—কৰি, কৰ্ব্বি; হিচাপ, হিছাপ; চাহাৰ, ছাহাৰ; চহৰ, ছহৰ; চৰকাৰ, ছৰকাৰ; আচল, আছল; মচলা, মছলা ইত্যাদি। প্ৰচলিত নিয়মৰ অধীনলৈ আহি কিছুমান তৎসম শব্দকো পৰিৱৰ্তিত ৰূপত ব্যৱহাৰ কৰিবলগীয়া হৈছে বিশেষকৈ সংস্কৃতৰ 'ৱ'ৰ ক্ষেত্ৰত। সংস্কৃত শব্দৰ আৰম্ভণিত থকা 'ৱ' আৰু অন্য বৰ্ণৰ লগত যুক্ত 'ৱ' অসমীয়াত 'ব' ৰূপেহে লেখা হয়; যেনে—বেদ, বিদ্যা, বিশ্ব, কাব্য, গৰ্ব, প্ৰবৃত্তি, প্ৰভাবান্বিত। কোনো শব্দৰ আগত উপসৰ্গ বা আন স্বাধীনভাৱে অৰ্থ থকা শব্দ যোগ হ'লেও আৰম্ভণিৰ 'ৱ' 'ব' হৈয়ে থাকিব; যেনে—অবশ, অবিজ্ঞ, অবিদ্যা, অগ্নিবাণ, অবিৱাহিত, কৰ্তৃবাচ্য, বিশ্ববিদ্যালয়, প্ৰবঞ্চনা। শব্দৰ শেষত লগ লগা প্ৰত্যয়সূচক তৎসম শব্দ 'ৱ' হ'লে 'ৱ' হৈয়ে থাকিব; যেনে—ভাৰতৱাসী, ৰহস্যৱাদ, অদৃষ্টৱাদ। সংস্কৃতৰ 'য'ক শব্দৰ আৰম্ভণিত 'য' ৰূপে লেখা হয়; যেনে—যোগ, যোগী, যজ্ঞ, যৱনিকা, যুক্ত, যোজনা। শব্দৰ মাজ আৰু শেষত হ'লে 'য'ক 'য়' ৰূপে লেখা হয়; যেনে—জয়, আয়োজন, প্ৰয়োজন, নিয়োগ, বিয়োগ, প্ৰয়োগ। কিছুমান ব্যতিক্ৰমো আছে; যেনে—সংযোগ, সংযুক্ত, সংযোজনা, প্ৰযোজনা।

অসমীয়াৰ বৰ্ত্তমানৰ বাণন-পদ্ধতিত তত্ভৱ শব্দৰ ক্ষেত্ৰত যথেষ্ট বিশৃঙ্খলতা দেখা যায় 'ই' আৰু 'ঈ'ৰ ক্ষেত্ৰত। ইয়াতো এটা নিৰ্দ্ধাৰিত ৰীতি ল'ব পাৰি। যিবোৰ শব্দৰ অন্তত মূল সংস্কৃতত-ইকা আছে সেইবোৰক ঈকাৰান্ত হিচাপে লেখিব লাগে; যেনে—কটাৰী, সং. কৰ্ত্তাৰিকা; শেৱালী, সং. শেফালিকা, শেফালী; কুঁৱলী, সং. কুহেলিকা; বাৰী, সং. ৱাটিকা, ৱাটী; ছুৰী, সং. ক্ষুৰিকা; মাখী, সং. মক্ষিকা। অন্য ক্ষেত্ৰত ইকাৰান্তৰূপে লেখিব লাগে; যেনে—ওকণি, ওৰণি, বিচনি, পাহি। যিবোৰ শব্দ বিশেষ্য আৰু বিশেষণ দুয়োভাবে ব্যৱহাৰ হ'ব পাৰে সেইবোৰৰ বিশেষ্য-ৰূপত ইকাৰান্ত আৰু বিশেষণ হ'লে ঈকাৰান্ত ৰূপত লেখিব লাগে; যেনে—আৰন্তণি, কিন্তু আৰন্তণী গীত; সোঁৱৰণি, কিন্তু সোঁৱৰণী গ্ৰন্থ। বিশেষণাত্মক শব্দবোৰো ঈকাৰান্ত ৰূপেহে লেখা হয়; যেনে—কপাহী কাপোৰ; চৰকাৰী চাকৰি। এই নীতি অনুসৰি মুকলী অধিবেশন, চুটী গল্প, ভোগালী বিহু আদিহে হোৱা উচিত। স্ত্ৰীবাচক শব্দবোৰ ঈকাৰান্তৰূপে সচৰাচৰ লেখা হয়। কৰ্তা অৰ্থত ব্যৱহাৰ হোৱা ইকাৰ ঈকাৰ হিচাপে লেখা হয়; যেনে—দোকানী, চুৰৰী, ভাৰী, তামুলী, ভামুলী। জাতি বুজোৱা শব্দক ঈ হিচাপে লেখিব লাগে যেনে—বগলী, ভেকুলী, বাগুলী, কাউৰী। শাক-পাচলি, গছ-লতিকা বুজোৱা শব্দবোৰ ঈকাৰান্তৰূপে লেখা ভাল; যেনে—উৰহী, কোৱাভাতুৰী, ধুন্দুলী, কেতেকী, কেঁতুৰী, হালধী। কোনো ঠাইৰ অধিবাসীসকলক বুজোৱা শব্দৰ 'ই'ক 'ঈ' হিচাপে লেখা নিয়ম আছে; যেনে—নেপালী, কাবুলী। একে উচ্চাৰণ অথচ বিভিন্ন অৰ্থযুক্ত শব্দবোৰক ভিন্নৰূপে লেখিব পাৰিলে ভাল; যেনে—হাড় আৰু হাৰ।

কেতিয়াবা কোনো এটা শব্দক এঠাইত এক ধৰণে আৰু আন এঠাইত অলপ সলনি কৰা ৰূপত লেখিবলগীয়া হয়। পাছ আৰু পিছ শব্দ দুটা এনে ধৰণৰ। লেখক আৰু লিখক শব্দ দুটাৰ বিষয়ে বহুতে নানা কথা কয়। আচলতে লেখকটো সংস্কৃতৰ শুদ্ধ ৰূপ। 'তাৰোপৰি' আৰু 'ওপৰোক্ত' এই দুটা শব্দৰ কিছু প্ৰচলন হৈছে যদিও শব্দ দুটাৰ গঠনত প্ৰত্যেকৰে এটা অংশ অসমীয়া আৰু এটা অংশ সংস্কৃত। গতিকে সিহঁতৰ ঠাইত সংস্কৃতমূলক তদুপৰি আৰু উপৰ্যুক্ত শব্দ দুটাহে ব্যৱহাৰ কৰা উচিত। 'উল্লেখিত' শব্দটোও দোষমুক্ত নহয়। তাৰ ঠাইত উল্লিখিত ৰূপটোহে চলিব লাগে। অসমীয়াত প্ৰচলিত 'ণ'ৰ ব্যৱহাৰৰ কথাটোও চাবলগীয়া। সংস্কৃতৰ কোনো শব্দত 'ঋ, ৰ,

ৰ'ৰ পাছত থকা ন, ণ হৈছে। অসমীয়াতো নীতিগতভাৱে ইয়াক মানি লোৱা হৈছে। সেই অনুযায়ী কিছুমান শব্দত সংস্কৃতমূলক নোহোৱা সত্ত্বেও নৰ ঠাইত ণ লেখা হয়; যেনে, বৰগুণি, পাহৰণি, বেঙুণি, কমাৰণী, মাষ্টৰণী।

সংস্কৃতীয়া শব্দৰ উপৰি অসমীয়াত অসমীয়া ব্যাকৰণ অনুযায়ী কিছুমান শব্দৰপৰা আন কিছুমান শব্দৰ সৃষ্টি হৈছে। তেনে শব্দবোৰতো শৃংখলাৰ অভাৱ দেখা যায়। সেইবোৰক একে সাঁচত লেখিব লাগে; যেনে: উজা—অনি, উজনি; বুজ্—অনি, বুজনি; নাম্—অনি, নামনি। গতিকে জান্—অনি, জাননি হোৱাহে বাঞ্ছনীয়। তেনেকৈ গুন-গুন—অনি, গুনগুননি। সংস্কৃত গুণ শব্দৰ লগত ইয়াৰ কোনো সম্পৰ্ক নাই।

অসমীয়ালৈ অনেক বিদেশী শব্দ আহিছে আৰু আহি আছে। সেইবোৰক কেনে ধৰণে লেখিব লাগে সেইটোও এটা সমস্যা। এই বিদেশী শব্দবোৰৰ কিছুমান ইংৰাজী ভাষা আৰু তাৰ মাজেদি অহা ইউৰোপীয় বা আন ভাষাৰ শব্দ। কিছুমান আকৌ হিন্দী, আৰবী, পাৰছী আৰু তুৰ্কী ভাষাৰ শব্দ। এই শব্দবোৰ লেখোঁতে প্ৰধানকৈ চকু দিবলগীয়া কথা হৈছে সেইবোৰত থকা 'c' আৰু 's' ধ্বনিৰ পাৰ্থক্য। বৰ্তমান সময়ত এই ক্ষেত্ৰত কোনো সুশৃংখল ব্যৱস্থা অৱলম্বন কৰা হোৱা নাই। সেই কাৰণে লেখা হয় সি পাছ (ইং. pass) কৰিলে। কিন্তু গিলাচ (ইং. glass) এটা আনা। আমি লেখিছোঁ ইচলাম ধৰ্ম, কিন্তু মুছলমানসকল। আচলতে এই দুয়োটা শব্দৰ মূল হ'ল ক্ৰমে ইসলাম আৰু মুসলমান। এই শব্দবোৰৰ এটা সুশৃংখল ব্যৱস্থা হাতত ল'বলৈ হ'লে বিবোৰ ইংৰাজী আৰু আন বিদেশী শব্দত 'c' ধ্বনি আছে সেই 'c' ধ্বনিক অসমীয়াত 'চ' আখৰেৰে আৰু 's' বা 's' জাতীয় ধ্বনিক 'ছ' আখৰেৰে লেখিব লাগে। হিন্দী, আৰবী, পাৰছী, তুৰ্কী আদি শব্দৰ ক্ষেত্ৰত 'চ, ছ' ধ্বনিক অসমীয়াত 'চ' আখৰেৰে আৰু 'শ, ষ, স' ধ্বনিক অসমীয়া 'ছ' আখৰেৰে লেখিব লাগে। সেই অনুযায়ী সচৰাচৰ ব্যৱহাৰ হোৱা কিছুমান শব্দক এনে ধৰণে লেখাটো যুক্তিযুক্ত হ'ব; যেনে—ইছলাম, খৰচ, ছিছাপ, দৰাছল, ছাহাব, চছমা, ছন, বেঞ্চি, গিলাছ, পুলিছ, পাছ, বাছ, টৰ্চ, ক্লাছ, ছাৰ, ছিট, ফেডাৰেছন ইত্যাদি। বিদেশী শব্দবোৰ লেখোঁতে অবশ্যে হ্ৰস্ব আৰু দীৰ্ঘ স্বৰধ্বনিৰ ঠাইত হ্ৰস্ব ৰূপকে গ্ৰহণ কৰিব লাগে। 'ৰ'ৰ পাছত 'ন' থাকিলেও বিদেশী শব্দত 'ণ' নেলেখাই যুগুত; যেনে—জাৰ্মান, কোৰান, ইৰান। ইংৰাজী আৰু আন বিদেশী শব্দৰ 't, d' ধ্বনি 'ট, ড' ৰূপে আৰু

'w, y' ধ্বনিক 'ব, য়' ৰূপে লেখিব লাগে; যেনে—ইংলণ্ড, ৱৰ্ডছৱৰ্থ, নিউয়ৰ্ক।

ওপৰৰ আলোচনাত আখৰ-জোঁটনি সম্পৰ্কীয় সমস্যা আৰু নীতি কিছুমান উল্লেখ কৰা হ'ল। এইবোৰৰ বাহিৰেও আৰু নিশ্চয় কিছুমান সমস্যা উপস্থিত হ'ব। সেইবোৰকো সুচিন্তিতভাৱে শৃঙ্খলালৈ আনিবলৈ যত্নপৰ হ'লে প্ৰচলিত বৰ্ণমালাৰে জটিলতা পৰিহাৰ কৰি যি কোনো শব্দকে অসমীয়াত লেখিবলৈ সক্ষম হ'ব পৰা যাব। সুশৃঙ্খল পদ্ধতি এটা অৱলম্বন কৰি খ্যাতিসম্পন্ন লোকসকলে লেখিবলৈ ল'লে আৰু বাতৰি-কাকত, আলোচনী আদিৰ সম্পাদকসকলে সেইবোৰ গ্ৰহণ কৰি আন্তৰিকতাৰে আগ বাঢ়িলে কম সময়ৰ ভিতৰতে অসমীয়া আখৰ-জোঁটনিয়ে এটা স্থায়ী ৰূপ ল'বলৈ সমৰ্থ যে হ'ব তাত অকণো সন্দেহ নাই। তাৰ লগতে সুশৃঙ্খল বাণন-পদ্ধতি অনুসৰণ কৰি লেখা অভিধান কিছুমানো ওলাব লাগিব। আমাৰ চিন্তাৰ অভাৱ হোৱা নাই। অভাৱ হৈছে যুক্তিযুক্তভাৱে চিন্তা কৰি কাৰ্যক্ষেত্ৰত আগ বঢ়া লোকৰহে।

অসমীয়া আখৰ-জোঁটনিৰ সমস্যা ঃ সমাধানৰ যত্ন আৰু জটিলতা

শ্ৰীনগেন শইকীয়া

১॥ প্ৰথম অসমীয়া ছপা পুথিখনৰ লগত যিদৰে আত্মাৰাম শৰ্মাৰ নাম জড়িত, তেনেদৰে তেওঁৰ নামটি জড়িত হৈ আছে—প্ৰথম উচ্চাৰণ-পদ্ধতি নিৰ্দ্দেশক হিচাপেও; অৱশ্যে তেনেই নাম-নাচকৈ। তথাপি ১৮১৩ ইংৰাজী শকত ছপা বাইবেলৰ নতুন নিয়ম খণ্ডৰ আৰম্ভতে "নামোচ্চাৰণৰ বৰ্ণ বিচাৰ" শিৰোনামাৰে দি থোৱা নিৰ্দ্দেশিকাকেইটিয়েই—আধুনিক ভাষাৰ উচ্চাৰণ-পদ্ধতি বোলক, বৰ্ণ-বিচাৰ বোলক বা পিছৰ কালৰ অসমীয়া ব্যাকৰণৰ ভ্ৰূণ বোলক—এই সকলোৰে আৰম্ভণি। তেওঁৰ নিয়মকেইটি আছিল এইকেইটি :

"যি কোনো স্বৰবৰ্নৰ তলত যেদি ফুট থাকে তেবে সেই বৰ্নৎ আৰবিৰ (আয়েন বৰ্ণৰ) নিচিনাকৈ উচাৰণ হব।

থ় থৰ তলৎ যেদি ফুট থাকে তেবে (আৰবিৰ খে বৰ্ণৰ দৰে) উচাৰণ হব।

স় সৰ তলৎ যেদি ফুট থাকে তেবে (আৰবিৰ ছ বৰ্ণৰ) নিচিনা।

ক় কৰ তলৎ যেদি ফুট থাকে তেবে (আৰবিৰ ক বৰ্ণৰ) নিচিনা।

যতে প্ৰশ্ন ততে এমেকুৰা চিন।
মুলৎ যি কোনো চিন থাকে সেয়ে টীকাৎ মুলৰ
নিশ্চয়ৰ কাৰোণে দিয়া হব।" [ধৰ্ম্ম পুস্তক, ১৮১৩, পৃষ্ঠা ৩][১]

পুথিখনি "শ্ৰীৰামপুৰৎ ছাপ" মাৰিছিল কেৰীৰ ছপাশালত।

২॥ ওঠৰ শতিকাৰ চতুৰ্থ দশকত আহি অসমৰ জয়পুৰত, পিছত শিৱসাগৰত ছপাশাল পতা আমেৰিকাৰ বেপ্টিষ্ট মিছনেৰীয়ে (মিছনেৰি?)

---

১ আত্মাৰাম শৰ্ম্মাই আৰবি হৰফকেইটি ব্যৱহাৰ কৰাৰ ঠাইত বৰুৱাৰ মাজত আৰবিৰ বৰ্ণৰ পৰিচয় দিয়া হ'ল। —লেখক।

লিখি উলিয়ালে প্ৰথম শব্দকোষ, প্ৰথম ব্যাকৰণ আৰু আদুৰাম ডেকা বৰুৱাৰ অভিধানৰ পাণ্ডুলিপিত তৰ দি প্ৰথম অভিধান। এওঁলোকে আখৰ-জোঁটনি কৰিবলৈ বান্ধি লোৱা নিয়ম ১৮৫৪ চনৰ এপ্ৰিল মাহৰ, ৯ বছৰ, নম্বৰ ৪ সংখ্যাৰ 'অৰুনোদই' (পিছলৈ অৰুনোদয়)ত Style and Mode of Spelling নামৰ লেখাত প্ৰকাশ কৰিছিল এইদৰে :

…"ভাসা লিখোঁতে, আখৰৰ জিমান জাতি, তিমানহে লিখিব লাগে; একে জাতিৰে দুই তিনি প্ৰভেদৰ সকাম নাই। জ, য়-জ (য) ৰ—এই দুইবো একেটা উচাৰণ; এই হেতুকে য়ন্তস্থ য়ৰ বাহিৰে আন য নিলিখোঁ। শ, ষ, স, তিনিটাৰে একে মাত; শ্ৰী শ্ৰীৰ একো ভেদ নে দেখোঁ; আমি কেৱল স·হে লিখোঁ। ন, ণ আৰু হ্ৰস্ব দিৰ্ঘতো এই দৰে বুজিবা। ভাসাত ৰণ নো বোলে, বন হে বোলে; পানী হলে পানি বোলে, পাপীৰ ঠাইত পাপি; কূলৰ ঠাইত কুল; সূৰ্য্যৰ ঠাইত সুৰ্জ বা সুকজ। আৰু ৰেফৰ পাচত এটা আখৰ দুটাকৈ সু ফুটে; পৰ্ব্বত নো বোলে, পৰ্বতহে বোলে; সৰ্ব্ব, ধৰ্ম্ম, কৰ্ম্ম, মৰ্ম্ম, মুখত নোলাই; সৰ্ব, ধৰ্ম, কৰ্ম, মৰ্ম নাইবা ধৰম, কৰম, মৰম, এই ৰূপে ওলাই। স্লোক লিখিলে সংস্কৃতৰ ভাৱেৰে অৱশ্যে লিখিব লাগে; ভাসাত হলে আমাৰ দাই নধৰিবা।"…

[অৰুনোদইৰ চলকাট, ১৯৬৫, পৃষ্ঠা-১০২]

৩৷ ইয়াৰ পিছতে আহিল আধুনিক অসমীয়া ভাষাৰ বৰ্ত্তমানৰ ৰূপটিৰ গঢ় দিওঁতা হেমচন্দ্ৰ বৰুৱা। 'অৰুনোদই'ৰ আখৰ-জোঁটনিৰ পৰিৱৰ্তন সাধন কৰি তৎসম আৰু তৎভৱশব্দৰ বেলা মূল অনুসৰি বৰ্ণ বিন্যাসৰ বাবে নিয়মৰ নিগড় বান্ধিলে। তেওঁ 'হেমকোষ'ত বৰ্ণ-বিন্যাসৰ নিয়ম বান্ধিলে এইদৰে :

"আমাৰ ভাষাৰ বৰ্ণ-বিন্যাস তিনি প্ৰকাৰে কৰা যায়। প্ৰথমে উচ্চাৰণ অনুসৰি; দ্বিতীয়ত মূল শব্দৰ দৰে, তৃতীয়তে জনা লোকসকলে বহুদিন চলোৱা নিয়ম মতে। কিন্তু বৰ্ণ-বিন্যাসৰ কথাত উচ্চাৰণেই যাই বাট দেখুৱাওঁতা। এতেকে যদি মূল শব্দৰ আখৰ ৰাখিলে কোনো অসমীয়া শব্দৰ উচ্চাৰণ নৰে, তেনে হলে মূললৈ নেচাই উচ্চাৰণৰ অনুগামী হব লাগে। ··ফাৰ্চী আদি বিদেশী ভাষাৰ শব্দকো আমাৰ উচ্চাৰণৰ দৰে লিখা উচিত।··· মূল শব্দৰ যি আখৰ ৰাখিলে অসমীয়া শব্দৰ উচ্চাৰণৰ ব্যতিক্ৰম নহয়, তাক মূলৰ দৰে লিখিব লাগে।"

[হেমকোষ, প্ৰথম সংস্কৰণ, পৃষ্ঠা ১/০]

কিন্তু দেশী আৰু বিদেশী শব্দত বাজে—তৎসম আৰু তদ্ভৱ শব্দৰ ক্ষেত্ৰত হেমচন্দ্ৰ বৰুৱাই সংস্কৃত ব্যাকৰণৰ ওপৰতে সম্পূৰ্ণকৈ নিৰ্ভৰ কৰি গৈছে। তেওঁ "অসমীয়া ব্যাকৰণ"ত এই মত প্ৰায় দৃঢ় কৰি থৈ গৈছে।

৪॥ আধুনিক অসমীয়া ভাষাৰ আনগৰাকী বৈয়াকৰণ সত্যনাথ বৰাৰ মতো হেমচন্দ্ৰ বৰুৱাৰ মতৰ সদৃশ। তেওঁ "বহল ব্যাকৰণ"ত লিখিছে :

"সংস্কৃত শব্দৰ সংস্কৃত বৰ্ণ-বিন্যাস নাৰাখিলে তাৰ অৰ্থ বুজিবলৈকো টান হ'ব পাৰে।··· সেইদেখি উচ্চাৰণত যেনেই কিয় নহওক লিখোঁতে তেনেবিলাক শব্দ সংস্কৃতত লিখাৰ দৰে হয়।

সংস্কৃত মূলক ভাৰতীয় আন কোনো ভাষাৰ শব্দ অসমীয়াত লিখিব লাগিলে, তাক সেই ভাষাত লিখা দৰে হয়।

যিবোৰ শব্দ মূলত অসমীয়া, সংস্কৃতৰপৰা লোৱা নহয়, সিহঁতক উচ্চাৰণ অনুসাৰে লিখা হয়।

সংস্কৃত শব্দৰ ভিতৰত যিবিলাকে অসমীয়াত আহি ৰূপ সলাইছে, সিহঁতকো উচ্চাৰণ অনুসাৰে লিখা হয়। কিন্তু কেতবিলাক ৰূপ সলোৱা সংস্কৃত শব্দকো সিহঁতৰ শুবিলৈ চাই লিখা যায়।

বিদেশী ভাষাৰ শব্দ উচ্চাৰণ মতে লিখা হয়।" [বহল ব্যাকৰণ]

৫॥ বেজবৰুৱাই সৰহক্ষেত্ৰত হেমচন্দ্ৰ বৰুৱাৰ জোঁটনিকে গ্ৰহণ কৰিছিল। যিসকলে আখৰ-জোঁটনিলৈ টনা-আঁজোৰা কৰিছিল, সেইসকলক উদ্দেশ্য কৰি তেওঁ কাৰ্টুন আঁকিছিল 'বাঁহী'ত আৰু তলত ছবি বৰ্ণাইছিল এইবুলি :

"কৃপাবৰ—: কনিষ্ঠবল! কনিষ্টবল! পুলিচমেন! এই দুটাই চন্দ্ৰবিন্দু, হ্ৰস্বউকাৰ, দীৰ্ঘউকাৰ আদি সাংঘাটিক অস্ত্ৰ লৈ যুদ্ধ কৰিছে। এতিয়াই খুনাখুনি হ'ব। ইহঁতক ধৰি লৈ যা। পাকোৰ! পাকোৰ! পাকোৰ!" [বাঁহী, ১ম বছৰ]

৬॥ গোহাঞি বৰুৱাৰ 'উষা'ত, চন্দ্ৰেশ্বৰ ভট্টাচাৰ্যৰ 'জয়ন্তী'ত, দীননাথ শৰ্মাৰ 'আৱাহন'ত, 'অসম সাহিত্য সভা পত্ৰিকা'ত, শ্ৰীচন্দ্ৰপ্ৰসাদ শইকীয়া-সম্পাদিত 'মণিদীপ'ত আৰু অনেক সক-বৰ কাকতে-পত্ৰে অসমীয়া আখৰ-জোঁটনি সম্পৰ্কে প্ৰবন্ধ, প্ৰতিবাদ, প্ৰতিবাদৰ প্ৰতিবাদ আদি ওলাই গৈছে। তাৰ ভিতৰত ১৯৩৮ চনৰ 'জয়ন্তী'ত প্ৰকাশিত আনন্দচন্দ্ৰ আগৰৱালাৰ "অসমীয়া আখৰ আৰু আখৰ-জোঁটনি সম্পৰ্কে" আৰু "অসমীয়া আখৰ-

জোঁটনিৰ নিয়ম" আৰু তাৰ প্ৰায় ৩০ বছৰৰ পিছত 'মণিদীপ'ত ওলোৱা ড° মহেশ্বৰ নেওগৰ "বৰিশালৰ চেপাত লেবেলা অসমীয়া ভাষাটো" নামৰ প্ৰবন্ধকেইটিৰ আকাৰ আৰু প্ৰকাৰ কিছু বহল।

আনন্দচন্দ্ৰ আগৰৱালাই বৰ্ণ-বিন্যাসৰ সময়ত সংযুক্ত বৰ্ণৰ সৰলীকৰণৰ ওপৰতো গুৰুত্ব দিছিল। তেওঁ দীৰ্ঘ ঊ আৰু দীৰ্ঘ ৠ তেওঁৰ 'অসমীয়া আদি পাঠ'ৰপৰা উঠাই দিছিল আৰু "স্বৰবৰ্ণৰ চিন বা মাত্ৰাবিলাক দেৱনাগৰী লিপিৰ নিচিনা কৰা ভাল দেখোঁ" বুলি মত প্ৰকাশ কৰিছিল। ব্যঞ্জনবৰ্ণৰ ক্ষেত্ৰতো হসন্ত '৲' উঠাই দন্ত্য ত-ত ব্যঞ্জন চিন দিয়াৰ, গু, ৰু, ৰূ, শু, হু, হৃ আদি গুচাই গ, ৰ্, ৰূ, শূ, হু, হৃ আদি ৰূপ দিয়াৰ সপক্ষে মাতিছিল। সংযুক্ত বৰ্ণৰ ক্ষেত্ৰতো, ক্ৰ, ত্ৰ, ভ্ৰ, ক্ত, হ্মৰ সলনি ক্ৰ্, ত্ৰ্, ভ্ৰ্, ত্ত, হ্ম আদি লিখাৰ পক্ষপাতী আছিল। উচ্চাৰণত ব্যাঘাত নজন্মালে ঙ, ঞ, ণ, ন, মৰ পাছত সমবৰ্গীয় বৰ্ণ থাকিলে ং লিখাৰ সপক্ষে মাত মাতিছিল। তেওঁ কৈছিল, "আমাৰ ভাষাৰ কোনো শব্দতে ৰেফযুক্ত ব্যঞ্জনবৰ্ণ দ্বিত্ব হ'ব নেলাগে।…সংস্কৃতমূলক শব্দৰ আখৰ-জোঁটনি মূল অনুযায়ী হ'ব লাগে।… সংস্কৃতমূলক শব্দৰ বাহিৰে আন শব্দত ব্যাকৰণৰ ষত্ব আৰু ণত্বৰ নিয়ম খটাব নেলাগে।…য-কাৰটোক য়-কাৰ বোলাহে ভাল হ'ব।…অসমীয়াত ইংৰাজী, ফাৰ্চী আদিৰপৰা অহা অসংস্কৃত শব্দবিলাক জোঁটাবৰ বাবে শ্ৰদ্ধাস্পদ চন্দ্ৰকুমাৰ আগৰৱালাদেৱে [বাঁহী, ১৪ বছৰ, ৬ষ্ঠ আৰু মিলন, ২য় বছৰ, ৪ৰ্থ] যি নিয়ম কৰিছিল আমি তাকে মানি চলা ভাল দেখোঁ (অৰ্থাৎ—ch=চ, s=ছ, sh=খ, শ্ব, : শ)। [আনন্দচন্দ্ৰ আগৰৱালা গ্ৰন্থাৱলী, পৃঃ ৫৪৪-৫৪৮]

ড° মহেশ্বৰ নেওগৰ মত হ'ল "অসমীয়া আৰু সংস্কৃত ব্যাকৰণৰ তত্ত্ব সমানে নাজানিলে অন্ততঃ সাহিত্যিক শৈলীৰ অসমীয়া ভাষা শুদ্ধকৈ লিখা টান।" [মণিদীপ, ১৯৬৭, ডিচেম্বৰ]

৭॥ অসমীয়া আখৰ-জোঁটনি সম্পৰ্কে ব্যক্তিগত প্ৰচেষ্টাৰ ব্যাকৰণসমূহে হেমচন্দ্ৰ বৰুৱা আৰু সত্যনাথ বৰাৰ মতকে ইফাল-সিফাল কৰি গ্ৰহণ কৰি আহিছে। কেৱল আখৰ-জোঁটনিৰ সমস্যাৰ ওপৰত ভৰ দি লিখা দুখনি পুস্তিকা আমাৰ আছে ; এখন ১৯৫২ কি ৫৩ চনত ওলোৱা স্বৰ্গীয় ডিম্বেশ্বৰ নেওগৰ "শুধ অসমীয়া", আনখন ১৯৭২ চনত ওলোৱা ড° গোলোকচন্দ্ৰ গোস্বামীৰ "অসমীয়া আখৰ-জোঁটনি"। ডিম্বেশ্বৰ নেওগৰ মত বেজবৰুৱা-চন্দ্ৰকুমাৰ আগৰৱালাৰ মতৰ ভিত্তিত প্ৰতিষ্ঠিত ; অৰ্থাৎ হেমচন্দ্ৰকে ভেটি কৰিলেও প্ৰয়োজন বুজি

সাল-সলনি কৰাৰ পক্ষপাতী। তথাচ, এই মতসমূহো সংস্কৃত-ব্যাকৰণ-নিৰ্ভৰ নহৈ থকা নাই।

ড° গোলোকচন্দ্ৰ গোস্বামীয়ে ভাষাতত্ত্বৰ ভিত্তিত উচ্চাৰণৰ গঢ়লৈ চাই অধিক সাল-সলনি ঘটোৱাৰ পক্ষপাতী, সেইবাবে অধিক তেওঁৰ মত অধিক বিতৰ্কমূলকো।

৮॥ আনুষ্ঠানিক প্ৰচেষ্টাৰ কথা যদি ধৰা হয়, তেনেহ'লে অসম সাহিত্য সভাৰ 'চন্দ্ৰকান্ত অভিধান' আৰু প্ৰকাশন পৰিষদৰ সদ্যপ্ৰকাশিত 'আধুনিক অসমীয়া অভিধান'ৰ প্ৰসংগলৈ আহিবলগীয়া হয়। চন্দ্ৰকান্ত অভিধানৰ প্ৰথম সংস্কৰণ দোষমুক্ত বুলি কোৱা নাযায়। সৰহক্ষেত্ৰত 'হেমকোষ'ৰ অনুগামী হ'লেও, ব্যক্তিগত শব্দৰ ক্ষেত্ৰত থকা আসোঁৱাহ তাতো দূৰীভূত নহ'ল। দ্বিতীয় সংস্কৰণেও 'হেমকোষ'ৰ সন্মান আৰ্জিব পাৰিছে বুলি কোৱা নাযায়, যদিও শব্দসংখ্যা 'হেমকোষ'তকৈ অনেক বেছি। 'আধুনিক অসমীয়া অভিধান'ৰ বেলাও একে কথাই খাটে। সৰলীকৰণৰ ৰীতি গ্ৰহণ কৰি অন্ততঃ কাউৰী, মেকুৰী, বগলীইঁতক এঠেঙীয়া কৰাত অনেকৰ আপত্তি!

৯॥ অসমীয়া আখৰ-জোঁটনিৰ এটা মান নিৰ্ণয় কৰিবলৈ ১৯৩৬-৩৭ চন মানত তেতিয়াৰ অসমৰ শিক্ষা বিভাগৰ পাঠ্যপুথি বাছনী-সমিতিয়ে যত্ন কৰিছিল। (মন কৰিবলগীয়া কথা, ১৯৩৬ চনতেই কলিকতা বিশ্ববিদ্যালয়েও "বাংলা বানান" নিৰ্ণয়ৰ যত্ন লৈছিল।) ১৯৩৮ চনৰ 'জয়ন্তী'ত আনন্দচন্দ্ৰ আগৰৱালাই পাঠ্যপুথি বাছনী-সমিতিৰ যত্নৰ সম্পৰ্কতে নিজৰ মত ব্যক্ত কৰিছিল।

১০॥ তাৰ পিছত আহিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰচেষ্টা। এটি প্ৰচেষ্টা হ'ল গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষক-সংস্থাৰ পক্ষৰপৰা, আনটি হ'ল গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিৰ পক্ষৰপৰা। পাঠ্যপুথি সমিতিয়ে ১৯৭০ চনত "অসমীয়া আখৰ-জোঁটনি" নামেৰে প্ৰকাশ কৰা ষোল পিঠিৰ পুস্তিকাখনিত গ্ৰহণ কৰা সিদ্ধান্তকেইটিয়ে মানি লোৱা নিয়ম হ'ল এনে ধৰণৰ :

চন্দ্ৰকান্ত অভিধানৰ ২য় সংস্কৰণ আৰু কৃষ্ণেন্দ্ৰনাথ ভট্টাচাৰ্য্যৰ The Pronouncing Anglo-Assamese Dictionary-ৰ ৭ম সংস্কৰণক মান্যস্বৰূপে লোৱা;

ৰেফযুক্ত ব্যঞ্জনৰ দ্বিত্ব পৰিহাৰ, কিন্তু ৰেফযুক্ত ৰ-ত য-কাৰ বিকল্পে

গ্ৰহণ ; চৰকাৰ, হৰকাৰ আদিত 'ৰ'ৰ বিকল্পে ৰেফ-ব্যৱহাৰ ;

ঙ-সংযুক্ত শব্দত ঙ-ৰ ঠাইত ং-ৰ ব্যৱহাৰ ,

নেতিবাচক 'ন'ই ক্ৰিয়াৰ প্ৰথম বৰ্ণৰ স্বৰ গ্ৰহণ কৰিব, গতিকে নাথায়, নাবায় হ'ব ,

দুটা 'আ' ওচৰা-উচৰিকৈ থাকিলে পৰৱৰ্তী আ-ৰ উচ্চাৰণ কেতিয়াবা এ হ'লেও আ-হে লিখা হ'ব ,

আৰবী আদি শব্দৰ চাহাব, জবাবৰ বাহিৰে বাকী 'ব' থকা শব্দৰ ব 'প' হ'ব ;

পিছ, পাছ আদিত সদায় 'ছ' আৰু বিছ-একৈছ আদিতো 'ছ' ব্যৱহৃত হ'ব ,

লিখোঁতা বুজাবলৈ লেখক শব্দহে ব্যৱহৃত হ'ব ,

সংস্কৃত শব্দৰ আদি 'ব' 'ব'বে লিখা হ'ব , মাজত থাকিলে 'ৱ' হ'ব ;

সমাসবদ্ধ শব্দৰ মাজত প্ৰয়োজন অনুসৰি হাইফেন ব্যৱহৃত হ'ব : ডা-ডাঙৰীয়া, প্লা পইচা আদিৰ হাইফেন হ'ব , থৰমৰম আদিত হাইফেন নাথাকিব ,

পৰসৰ্গবোৰ শব্দৰ লগ লাগি থাকিব ,

একেটা শব্দৰ পুনৰাবৃত্তি হ'লে বেলেগাই লিখা হ'ব ,

প্ৰথম পুৰুষৰ ক্ৰিয়া পদত 'ও'ৰ ওপৰত চন্দ্ৰবিন্দু থাকিব, তেনেকৈ কওঁতে, খাওঁতে আদিতো থাকিব ,

সোঁৱৰণ, গাঁও আদিত প্ৰথম স্বৰৰ ওপৰত চন্দ্ৰবিন্দু বহিব, অন্যান্য শব্দৰ চন্দ্ৰবিন্দু অভিধান মতে হ'ব ,

অ'—স্বৰ উৰ্দ্ধ কমাৰে দেখুৱা হ'ব , য'ত পৰৱৰ্তী উচ্চস্বৰৰ বাবে 'অ' উচ্চাৰিত হয় তাত উৰ্দ্ধকমা নাথাকিব ।

এইকেইটা প্ৰধান নিয়মৰ উপৰিও লিপ্যন্তৰৰ বেলাও কিছু নীতি বান্ধি দিয়া হয় । কিন্তু ওপৰৰ নিয়মবোৰ এবাৰ চালেই ধৰা পৰে—এই নিয়মসমূহ যেন কেৱল আহি-কাকত চাওঁতাৰ বাবে দিয়া প্ৰাথমিক নিৰ্দেশিকাহে । নিয়মবোৰৰ কাৰণ জানি সেইমতে চলিব খোজাসকল হতাশ হ'ব লাগিব ।

গতিকে, অসমীয়া আখৰ-জোঁটনিৰ মান প্ৰতিষ্ঠাৰ বাবে কৰি অহা যত্নৰ এই ইতিহাসে এটা কথা প্ৰমাণ কৰি আহিছে যে 'হেমকোষ'ৰ পিছত সৰ্ববাদী-সম্মত (অসমীয়াত সম্মত শব্দটোও চলে) মত এটা সম্পূৰ্ণকৈ গৃহীত হোৱা [illegible]ক'ব নোৱাৰি ।

॥ উপসংহাৰ ॥

'আখৰ-জোঁটনি'ৰ সমস্যাটো অকল্পনীয়া সমস্যা নিশ্চয় নহয়। তদুপৰি স্থান-কাল-পাত্ৰভেদে ইয়াৰ বং আৰু ৰূপো বেলেগ। যিসকলে সংযুক্ত বৰ্ণৰ বিপৰ্যয়ৰূপবা ভাষাক ৰক্ষা কৰিব খোজে, সিসকলৰ অনেক কষ্ট আধুনিক মুদ্ৰণ-বিজ্ঞানে লাঘৱ কৰিছেই। বৰ্ণৰ সুষমা ৰক্ষা কৰিব খোজা সংযুক্ত আখৰ বিচৰা সকলক অৱশ্যে ই হতাশ কৰিছে।

এই সমস্যাৰ উদ্ভৱৰ কাৰণক এইকেইটা ভাগত ভগাব পাৰি :

(১) অজ্ঞতাজনিত কাৰণ, (২) উদাসীনতা বা অসাৱধানতাজনিত কাৰণ, (৩) অনুশীলনৰ অভাৱ, (৪) নতুন বিদেশী শব্দৰ আগমন বা বিদেশী ভাষাৰ প্ৰভাৱ, (৫) শুধবাবলৈ গৈ কৰা ভুল আৰু উচ্চাৰণৰ ভুল। উচ্চাৰণৰ ভুল আঞ্চলিক আৰু সাম্প্ৰদায়িক কাৰণবশতঃ হোৱাও অনেক সময়ত স্বাভাৱিক কথা। এটা কথা অৱশ্যেই স্বীকাৰ্য যে আমাৰ ভাষাৰ বৰ্ণমালাত থকা স্বৰ আৰু ব্যঞ্জনৰ সংযুক্তাক্ষৰৰ বাহুল্য, সংস্কৃত ব্যাকৰণৰ কঠোৰ নীতি-নিয়ম আৰু নীতি-নিয়মৰ বিকল্প আৰু বিকল্পৰ বিকল্পই অনেক সময়ত জটিলতাৰ সৃষ্টি কৰি আহিছে।

আখৰ-জোঁটনিৰ সমস্যা আঁতবোৱাৰ যত্ন কৰোঁতে এই সকলো দিশ সামৰি বহুপ্ৰচলিত ৰূপৰ প্ৰতিও অকঠোৰ মনোভাব গ্ৰহণ কৰিলেহে আমি অনেক পৰিমাণে সকলোৱে সমানে গ্ৰহণ কৰিব পৰা সিদ্ধান্তত উপনীত হ'ব পাৰিম। অৱশ্যে, আখৰ-জোঁটনিৰ সাধাৰণ জটিলতাই কোনো ব্যক্তিৰে প্ৰকৃত প্ৰতিভাৰ প্ৰকাশত পাৰ হ'ব নোৱৰা বাধাৰ সৃষ্টি কৰিব পৰা নাই।

অসমীয়া জোঁটনিৰ মূল ভেঁটি

শ্ৰীবিশ্বেশ্বৰ হাজৰিকা

অসমীয়া জোঁটনিৰ মূল ভেঁটি কি? হেমচন্দ্ৰ বৰুৱাই কৈছে—উচ্চাৰণ। স্বাভাৱিকতে উচ্চাৰণেই ভাষা এটাৰ জোঁটনিৰ মূল ভেঁটি হ'ব লাগে। কিন্তু এই উচ্চাৰণকেই ভাষা এটাৰ জোঁটনিৰ মূল ভেঁটি কৰোঁতে কিছুমান সমস্যা আহি পৰে। যেনে ধৰক, কিছুমান আখৰ আছে যাৰ উচ্চাৰণ এসময়ত এক ধৰণৰ আছিল, এতিয়া বেলেগ ধৰণৰ হৈছে। উদাহৰণ স্বৰূপে অসমীয়া ভাষাত থকা দীৰ্ঘ ঈ আৰু দীৰ্ঘ ঊ-ৰ উচ্চাৰণ প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ দৰে দীৰ্ঘ নহয়। তেনে অৱস্থাত দীৰ্ঘ ঈ আৰু দীৰ্ঘ ঊ আখৰ অসমীয়া বৰ্ণমালাত ৰখা উচিত হ'ব নে নহয়?

আকৌ কিছুমান আখৰ আছে যাৰ উচ্চাৰণ আমি হেৰুৱাই পেলাই অন্য উচ্চাৰণ কৰিছোঁ। অসমীয়া ভাষাত ঋ; ঙ, ং, ঞ; চ, ছ; জ, য; ট-বৰ্গ, ত-বৰ্গ; শ, ষ, স; ৰ, ড়; ত, ৎ আদিৰ উচ্চাৰণ একালে মূল ভাষাৰপৰা আঁতৰি আহিছে, আনকালে সেই নতুন উচ্চাৰণ অন্য জোঁটনিৰেও প্ৰকাশ কৰিব পৰা হৈছে। এনে স্থলত সেইবোৰ আখৰ অসমীয়া বৰ্ণমালাৰপৰা আঁতৰাই কোনো ধৰণৰ খেলিমেলি নলগা কৰিবলৈ মাত্ৰ একোটা উচ্চাৰণ প্ৰকাশ কৰিবৰ বাবে একোটাকৈ আখৰ ৰাখিব নোৱাৰি নে?

ইফালে আকৌ কিছুমান আখৰে একোটা পৰিস্থিতিত একোটা উচ্চাৰণ প্ৰকাশ কৰে, আন একোটা পৰিস্থিতিত আন উচ্চাৰণ লাভ কৰে। যেনে— 'আশা' শব্দত শ-ৰ উচ্চাৰণ স (x), কিন্তু 'বিশ' শব্দত শ-ৰ উচ্চাৰণ চ (s)। সেইদৰে 'সম' শব্দত স-ৰ উচ্চাৰণ স (x), কিন্তু 'উৎস' শব্দত স-ৰ উচ্চাৰণ চ (s)। আকৌ 'সুষম' শব্দত ষ-ৰ উচ্চাৰণ স (x), কিন্তু 'কনিষ্ঠ' শব্দত ষ-ৰ উচ্চাৰণ চ (s)। এই খেলিমেলিবোৰ আঁতৰাই এটা আখৰে সদায়েই এটা

উচ্চাৰণহে বুজাব—এনে নিয়ম কওঁতা আৰু লিখোঁতাসকলৰ ওপৰত পণ্ডিত-সকলে জাপি দিব নোৱাৰে নে ?

ঈ-কাৰ বা ঊ-কাৰ আদি অব্যবহৃত আখৰবোৰ অসমীয়া ভাষাৰপৰা আঁতৰাই বৰ্ণমালাখন সংস্কাৰ কৰাৰ কথা শতমুখে ক'লেও তাৰপৰা বাঞ্ছিত ফল লাভ কৰিব পৰা নহ'ব। খৃষ্টিয়ান মিশ্যনাৰীসকলে সেই চেষ্টা কৰি অকৃতকাৰ্য হ'ল। কাৰণ, এই উপায়েৰে সমস্যাৰ একাল সমাধান কৰিলেও আন একালে সমস্যা সৃষ্টি কৰে। এনে নীতিৰ ফলত কঠা আৰু কথাৰ ঠাইত কথা, ডাবি আৰু দাবীৰ ঠাইত দাবি, বিশাল আৰু বিষালৰ ঠাইত বিসাল, শাপ আৰু সাপৰ ঠাইত সাপ, নাড়ী আৰু নাৰীৰ ঠাইত নাৰি, চা আৰু ছাৰ ঠাইত চা, ডবা আৰু দবাৰ ঠাইত দবা, শিৱ আৰু সিৱৰ ঠাইত সিব, ভাট আৰু ভাতৰ ঠাইত ভাত, পাণ আৰু পানৰ ঠাইত পান লিখা হ'ব। এনেকৈ লিখা হ'লে অৰ্থৰ খেলিমেলিৰ সৃষ্টি নহ'ব নে ? তলৰ বাক্যকেইটা চাওক :

(ক) তেওঁ কিমান কথাৰ কথা ক'লে ? ইয়াৰ অৰ্থ হ'ব পাৰে : (১) তেওঁ কিমান কঠাৰ কথা ক'লে ? (২) তেওঁ কিমান কথাৰ কথা ক'লে ?

(খ) পুতেকৰ এটা দাবিত বাপেক হতভম্ব হ'ল। ইয়াৰ অৰ্থ হ'ব পাৰে : (১) পুতেকৰ এটা ডাবিত বাপেক হতভম্ব হ'ল। (২) পুতেকৰ এটা দাবীত বাপেক হতভম্ব হ'ল।

(গ) কালিয় এটা বিসাল হ্ৰদ। ইয়াৰ অৰ্থ হ'ব পাৰে : (১) কালীয় এটা বিশাল হ্ৰদ। (২) কালীয় এটা বিষাল হ্ৰদ।

(ঘ) তেওঁ মানুহক সাপ দিয়ে। ইয়াৰ অৰ্থ হ'ব পাৰে : (১) তেওঁ মানুহক শাপ দিয়ে। (২) তেওঁ মানুহক সাপ দিয়ে।

(ঙ) মহেন্দ্ৰৰ নাৰিৰ দোস আছে। ইয়াৰ অৰ্থ হ'ব পাৰে : মহেন্দ্ৰৰ নাড়ীৰ দোষ আছে। (২) মহেন্দ্ৰৰ নাৰীৰ দোষ আছে।

(চ) ঘৰ চাবলৈ মানুহ মাতি আহিচোঁ। ইয়াৰ অৰ্থ হ'ব পাৰে : (১) ঘৰ চাবলৈ মানুহ মাতি আহিছোঁ। (২) ঘৰ ছাবলৈ মানুহ মাতি আহিছোঁ।

(ছ) তেওঁ দবাত বহিছে। ইয়াৰ অৰ্থ হ'ব পাৰে : (১) তেওঁ ডবাত বহিছে। (২) তেওঁ দবাত বহিছে।

(জ) সিব নাথাকিলে সিবৰ বোগ নহয়। ইয়াৰ অৰ্থ হ'ব পাৰে : (১) শিৱ নাথাকিলে শিৱৰ বোগ নহয়। (২) সিব নাথাকিলে সিবৰ বোগ নহয়।

(ঝ) ভাতৰ কথা শুনি কৰিনি বিচলিত হ'ল। ইয়াৰ অৰ্থ হ'ব পাৰে: (১) ভাটৰ কথা শুনি কৰিণী বিচলিত হ'ল। (২) ভাতৰ কথা শুনি কৰিণী বিচলিত হ'ল।

(ঞ) তেওঁ পান ভোজন কৰিলে। ইয়াৰ অৰ্থ হ'ব পাৰে: (১) তেওঁ পাণ ভোজন কৰিলে। (১) তেওঁ পান ভোজন কৰিলে।

উল্লেখিত কাৰণটোৰ উপৰিও অসমীয়া, বঙলা আদি নব্য ভাৰতীয় আৰ্যভাষাবোৰৰ বৰ্ত্তমান প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰপৰা ধাৰে অনা শব্দবোৰৰ এনে বিকৃতি ঘটিব যাৰ ফলত শব্দবোৰৰ অৰ্থবোধত ব্যাঘাত জন্মিব। পাণি আৰু পানী যদি একে জোঁটনিৰে লিখা হয়, তেন্তে পাণি গ্ৰহণ আৰু পানী গ্ৰহণৰ পাৰ্থক্য কেনেকৈ দেখুওৱা হ'ব?

উকাৰ আৰু ঊকাৰৰ উচ্চাৰণ অসমীয়া ভাষাত নাই বুলি কোৱাও ভুল হ'ব। কাৰণ, তুতুৰা, চীঁচিয়া আদি শব্দত আমি উ আৰু ঊকাৰৰ উচ্চাৰণ পাওঁ। অৱশ্যে দীৰ্ঘ স্বৰ থকা আটাইবোৰ ঠাইতে দীৰ্ঘ উচ্চাৰণ নহয়।

গুণ স্বৰূপে অসমীয়া ভাষালৈ অনা শব্দবোৰৰ স্বাৰ্থতেই হওক, নিজা শব্দবোৰৰ অৰ্থবোধৰ স্বাৰ্থতেই হওক কিম্বা চলি অহা পৰম্পৰাৰ ফল স্বৰূপেই হওক, আমি প্ৰচলিত অসমীয়া বৰ্ণমালাখন এৰিব নোৱাৰোঁ। কাৰণ, ইয়াৰ ফলত অতীতৰ অসমীয়া সাহিত্যৰ লগত ভৱিষ্যতৰ অসমীয়া সাহিত্যৰ সংযোগ নাইকিয়া হ'ব। অতীতৰ সকলো পুথি নতুন বৰ্ণমালাৰে ছপাই উলিওৱাৰ কথা ভাবিব নোৱাৰি। ভাবিব পাৰিলেও যিখিনি টকা আৰু পৰিশ্ৰম অনাহকত খৰচ হ'ব, সেইখিনি অপূৰণীয় হৈ থাকিব। অকল সেয়েই নহয়, বৰ্তমানৰ জোঁটনিৰ যিখিনি ভাল গুণ আছে, সেইখিনি আমি চিৰকালৰ বাবে হেৰুৱাব লাগিব। এনেবোৰ কাৰণতে আমি প্ৰচলিত বৰ্ণমালাখন সংস্কাৰ কৰাৰ কথা ভাবিব নোৱাৰোঁ।

এনে পৰিস্থিতিত আমি প্ৰচলিত বৰ্ণমালাখন ৰাখি ইয়াৰ সদ্ব্যৱহাৰ কৰিব লাগিব। সদ্ব্যৱহাৰ কৰিবলৈ হ'লে, এই শুদ্ধভাৱে উচ্চাৰিত নোহোৱা বা উচ্চাৰণ হেৰুওৱা আখৰবোৰৰ প্ৰয়োগ কৰোঁতে নিয়ম বান্ধি ল'ব লাগিব। উচ্চাৰিত ধ্বনিসমষ্টিয়ে আমাক অৰ্থবোধ কৰায় হয়, লিখিত ভাষাত আকৌ লিখিত চিহ্নবোৰেও আমাক অৰ্থবোধ কৰায়—এই কথা পাহৰিলে নচলিব।

ঐচ্ছিক প্ৰয়োগৰ সম্ভাৱনা থকা আখৰবোৰৰ প্ৰয়োগ এনে ধৰণে প্ৰণালীবদ্ধ কৰিব লাগিব যাতে সেইবোৰৰ প্ৰয়োগ যথেচ্ছ হ'ব নোৱাৰে।

চ আৰু ছ-ৰ ঐচ্ছিক প্ৰয়োগৰ সম্ভাৱনা আছে। আমি শব্দ এটা ল'লোঁ যাৰ উচ্চাৰণ আমাৰ কাণত ধৰা পৰিল 'চটিয়া' বুলি। ইয়াক আমি কি জোঁটনিৰে লিখিম? ইয়াৰ জোঁটনি হ'ব পাৰে চটিয়া, চটীয়া, চতিয়া, চতীয়া; ছটিয়া, ছটীয়া, ছতীয়া, ছতিয়া—এই আঠ প্ৰকাৰে। চটিয়া উচ্চাৰণ হোৱা শব্দটোৰ ঐচ্ছিক ৰূপ এই আঠটা ৰূপৰ যি কোনো এটা হ'ব পাৰে। সেইবুলি এই আঠটা জোঁটনি চটিয়া শব্দটোৰ ক্ষেত্ৰত যথেচ্ছভাৱে, অৰ্থাৎ যিটো জোঁটনিকে যাৰে মন যায় সেইদৰে লিখিবলৈ এৰি দিব পাৰি নে? নিশ্চয় নোৱাৰি। ইয়াৰ যি কোনো এটা ৰূপহে আমি ল'ব লাগিব। লগতে আমি নিশ্চয় এটা যুক্তি বা নিয়ম মানি ল'ব লাগিব।

ওপৰত উল্লেখ কৰা 'চটিয়া' উচ্চাৰণ হোৱা ধ্বনিসমষ্টিৰ জোঁটনি নিৰ্ণয় কৰিবৰ বেলিকা আমি এই ধ্বনিসমষ্টিয়ে প্ৰকাশ কৰা অৰ্থ কিমান আছে, সেই কথা বিবেচনা কৰিব লাগে। প্ৰথমে, এই ধ্বনিসমষ্টিয়ে চটা চটাকৈ ফাল অৰ্থ প্ৰকাশ কৰে। দ্বিতীয়তে, কেতিয়া কৰোঁ কেতিয়া কৰোঁ বুলি অস্থিৰ হ অৰ্থ বুজায়। তৃতীয়তে, জুলীয়া বস্তু বা গুটি আদি নিক্ষেপ কৰা বুজায়। চতুৰ্থতে, চেপেটা দীঘল বুজায়। পঞ্চমতে, ছটা বস্তু একেলগে থকা অৰ্থ প্ৰকাশ কৰে। ষষ্ঠতে, অসমৰ ৰজা আৰু মন্ত্ৰীৰ আবোৱান আৰু দোলাৰ ছৈ সজা মানুহ এশ্ৰেণী বুজায়। দেখা গ'ল, প্ৰথম তিনিটা অৰ্থ ক্ৰিয়াবাচক। চতুৰ্থ আৰু পঞ্চম অৰ্থ বিশেষণবাচক। ষষ্ঠ অৰ্থ বিশেষ্যবাচক।

ঔচিত্যৰ ফালৰপৰা বিবেচনা কৰিলে আমি পাম যে 'চটা চটাকৈ ফাল' অৰ্থ বুজোৱা শব্দটো 'চটা' শব্দৰে সৈতে জড়িত কাৰণে ইয়াৰ জোঁটনি চটাৰে সৈতে একে হ'ব লাগিব। চটা শব্দৰ জোঁটনি আমি উচ্চাৰণ অনুসৰি কৰিলোঁ। চ উচ্চাৰণ হোৱা চ আৰু ছ—এই দুটা আখৰৰ ভিতৰত বৰ্ণক্ৰম অনুসৰি চ-কেই প্ৰথমে পায় কাৰণে চ আখৰ দিলোঁ। আকৌ ট উচ্চাৰণ হোৱা ট আৰু ত আখৰৰ ভিতৰত ট কেই প্ৰথমে পোৱা হয় কাৰণে ট দিলোঁ। চটা-ৰপৰা ক্ৰিয়া ৰূপ তৈয়াৰ কৰিবলৈ আমি আঁকিয়া, আখিয়া, উবুৰিয়া, এটেহিয়া, ওখোলিয়া, কঁটিয়া, খনিয়া, গঁতিয়া, ঘপিয়া, চকলিয়া, ছন্দিয়া, জঁপিয়া, টকলিয়া, ঠলামুৰিয়া, ডবিয়া, ঢকিয়া, তড়িয়া, থপৰিয়া, দলিয়া, ধীধিয়া, ফুৰিয়া, পঠিয়া, ফঁহিয়া, বথলিয়া, ভুবুৰিয়া, মৰিয়া, যুকিয়া, ৰমলিয়া, লথিয়া, লৰিয়া, হাঁচিয়া আদি ক্ৰিয়াৰ দৰে শেষত -ইয়া প্ৰত্যয় যোগ দিলোঁ। ফলত আমি 'চটিয়া' জোঁটনি পালোঁ।

খ

'কেতিয়া কৰোঁ, কেতিয়া কৰোঁ বুলি অস্থিৰ হ' অৰ্থ বুজোৱা শব্দটোতো আমি এই জোঁটনিকে ব্যৱহাৰ কৰিবলগীয়া হ'ল। এই ক্ৰিয়াটোৰ সম্পৰ্ক 'উচট' শব্দটোৰ লগত আছে বুলি আমি সিদ্ধান্ত কৰিব পাৰিছোঁ। উচট শব্দটোত আমি বৰ্ণক্ৰম অনুসৰিয়েই চ আৰু ট জোঁটনি পাইছোঁ।

'খেতি কৰোঁতে গুটি বা জুলীয়া বস্তু আদি নিক্ষেপ কৰ' বুজোৱা শব্দটোত আমি কি আখৰ দিম? একেদৰে উচ্চাৰিত হোৱা কিন্তু বেলেগ অৰ্থ থকা দুটা ক্ৰিয়াৰ আমি একে জোঁটনি কৰিলোঁ। যেতিয়া ইয়াৰ জোঁটনি বেলেগ হ'লে ভাল। এই অৰ্থত হিন্দী ভাষাত 'ছিটকনা' আৰু বঙলা ভাষাত 'ছিটান' ক্ৰিয়াৰ ব্যৱহাৰ হয়। কোনো কোনোৱে ইয়াৰ লগত প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ ক্ষিপ্ ধাতুৰ সম্পৰ্ক দেখুৱাব খোজে। সেইকথা মানিলে প্ৰা. ভা.আ. √ ক্ষিপ্ > ম. ভা. আ * ছিপ্, * ছিপ্ > ন. ভা. আ. (হিন্দী আৰু বঙলা) ছিট + হোৱা বুলি ধৰিব লাগিব। তেতিয়া প-ৰ ঠাইত ট হোৱা বুলি ধৰিব লাগিব। তাতকৈ প্ৰাকৃতত ছণ্ট্ ধাতু এটা পোৱা যায় যাৰ অৰ্থ সিঁচ্। ইয়াৰ কৃদন্ত ৰূপ ছণ্টিঅ। ইয়াৰপৰা ছটিয়া ক্ৰিয়াটো পোৱা বুলি ধৰিব পাৰি। সেই কাৰণে ইয়াত ছ আখৰ দিলোঁ। ক্ৰিয়া তৈয়াৰ কৰিবলৈ আমি আগৰ দৰে -ইয়া প্ৰত্যয় যোগ দিলোঁ। ফলত আমি 'ছটিয়া' ক্ৰিয়া পালোঁ।

গাধৈ এচটাৰ দৰে চেপেটা আৰু দীঘল গুণ বুজোৱা শব্দটো বিশেষণবাচক। চটা শব্দৰপৰাই ইয়াৰ উদ্ভৱ। আঁহীয়া, আদহীয়া, ইটাগুড়ীয়া, উধনীয়া, এৰীয়া, ওৰণীয়া, কণীয়া, খৰীয়া, গঠীয়া, ঘুণীয়া, চকলীয়া, ছিৰলীয়া, জুৰণীয়া, টকীয়া, ঠৰীয়া, ডলীয়া, ঢৰীয়া, তৰপীয়া, থুকীয়া, দীঘলীয়া, ধুনীয়া, নলীয়া, পনীয়া, ফলীয়া, বতৰীয়া, ভগনীয়া, মটীয়া, যুগীয়া, ৰহীয়া, লঘোনীয়া, শামুকীয়া, সৰহীয়া, হতীয়া আদি শব্দৰ দৰে -ঈয়া প্ৰত্যয় যোগ দি বিশেষণ কৰিলোঁ। গতিকে শব্দটো চটা + ঈয়া > চটীয়া পালোঁ।

ঘৰ এটাত ছটা কাঠী পেলাই বা তুলি কাঠী বা সূতা বোৱা মোৰক ছটীয়া মোৰ বোলে। ছটা বস্তু একেলগে থকা গুণ বুজোৱা শব্দটোৰ জোঁটনি কি হ'ব? প্ৰা. ভা. আ. ষষ্ > ম. ভা. আ (পালি) ছ > ম. ভা. আ. (প্ৰাকৃত) ছ > ন. ভা. আ (অসমীয়া) ছয়, ছ হৈছে। এতেকে ইয়াত আমি ছ দিব লাগিব। অনুলগ্ন নিৰ্দিষ্টবাচক প্ৰত্যয় টা-ত আমি বৰ্ণক্ৰমৰ মতেই ট দিছোঁ। ইয়াৰ লগত বিশেষণবাচক প্ৰত্যয় -ঈয়া যোগ দি আমি ছ + টা + ঈয়া > ছটীয়া শব্দ পালোঁ। ইয়াৰ জোঁটনি এইদৰেই নিৰ্ণীত হ'ল।

চ আৰু ছ-ৰ উচ্চাৰণৰ পাৰ্থক্য নাই যদিও প্ৰাচীন ভাৰতীয় আৰ্যভাষা সংস্কৃতৰ ছত্ৰ শব্দৰপৰা উদ্ভৱ বুলিয়েই আমি ছাতি শব্দত ছ আখৰ দিওঁ। ইয়াৰ লগত বিশেষণবাচক -ঈয়া প্ৰত্যয় যোগ দিলে আমি ছাতি+ঈয়া>* ছাতীয়া>ছতীয়া শব্দ পাওঁ। ছাতি বা তেনেজাতীয় কামৰ লগত জড়িত মানুহৰ গুণবাচক হিচাপে এই শব্দৰ ব্যৱহাৰ হ'ব পাৰে। অসমৰ ৰজা আৰু মন্ত্ৰীসকলৰ ছাতিৰ নিচিনা বস্ত্ৰ আৰোৱান আৰু দোলাৰ হৈ সজা মানুহৰ গুণবাচক শব্দ ছতীয়া হ'ব পাৰে। পিছলৈ অসমীয়া, আদমহীয়া, এন্দুৰীয়া, কঠীয়া, খনীয়া, গুণাকটীয়া, ঘূৰীয়া, চপনীয়া, ছৰতীয়া, জ্যোতিষীয়া, টাৰীয়া, ঠাকুৰীয়া, ডাঙৰীয়া, ঢুলীয়া, তলীয়া, থুৰীয়া, দুপৰীয়া ধুলীয়া, নদীয়া, পৰীয়া, কাল-কটীয়া, বঁৰীয়া, ভেঁকুলীয়া, মলীয়া, যথৰীয়া, ৰখীয়া, লুহীয়া, শামুকীয়া, সত্ৰীয়া, হাতীশুঁড়ীয়া আদি শব্দৰ দৰে বিশেষ্যবাচক হৈ পৰিল।

ছ-ৰ সম্ভাৱনা থকা সত্বেও আমি আটাইকেইটা শব্দতে ছ দিব নোৱাৰিলোঁ। সেইদৰে ত-ৰ সম্ভাৱনা থকাতো আমি ত দিব আৰু ঈ-ৰ সম্ভাৱনা থকাতো আমি ঈ দিব নোৱাৰিলোঁ। চটিয়া উচ্চাৰণ হোৱা চটিয়া, চটীয়া; চতিয়া, চতীয়া; ছটিয়া, ছটীয়া; ছতিয়া, ছতীয়া—এই আঠটা সম্ভৱপৰ জোঁটনিৰ ভিতৰত ছটা অৰ্থ প্ৰকাশ কৰিবলৈ আমি চটিয়া, চটীয়া, ছটিয়া, ছটীয়া আৰু ছতীয়া-এই পাঁচটা সম্ভৱপৰ জোঁটনিহে অসমীয়া ভাষাত ৰাখিব পাৰিলোঁ। বাকী চতিয়া, চতীয়া আৰু ছতিয়া—এই তিনিটা সম্ভৱপৰ জোঁটনি অসমীয়া ভাষাত আমি ৰাখিব নোৱাৰিলোঁ।

জোঁটনি নিৰ্ণয়ৰ বেলিকা তেনেহ'লে আমি এইকেইটা বিষয় অনুসৰণ কৰিলোঁ,

(১) উচ্চাৰণ অনুসৰি আমি জোঁটনি নিৰ্ণয় কৰোঁ। একে উচ্চাৰণ থকা একাধিক আখৰ থাকিলে বৰ্ণক্ৰম অনুসৰি প্ৰথমে যি আখৰ পায়, তাকে প্ৰথমে প্ৰয়োগ কৰোঁ; যেনে—চটিয়া।

(২) লগতে আমি ক্ৰিয়া তৈয়াৰ কৰিবলৈ প্ৰয়োজন -হোৱা -ইয়া প্ৰত্যয়কো উচ্চাৰণ অনুসৰি আৰু বৰ্ণক্ৰম অনুযায়ী প্ৰথমে পোৱা স্বৰবৰ্ণ দি লিখোঁ; যেনে—চটা+ইয়া>চটিয়া।

(৩) বিশেষণ তৈয়াৰ কৰোঁতে ব্যৱহৃত -ঈয়া প্ৰত্যয় উচ্চাৰণ অনুযায়ী জোঁটাওঁ; কিন্তু প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ বিশেষণবাচক -ঈয় প্ৰত্যয়ৰ লগত সম্বন্ধ থকা গুণে ইয়াক ঈ দি লিখোঁ; যেনে—চটা+ঈয়া>চটীয়া, ছটা+ঈয়া>ছটীয়া, ছাতি+ঈয়া>ছতীয়া।

(৪) মূল নিৰ্ণয় কৰিব পৰা শব্দবোৰত সদায়েই মূলৰ জোঁটনি ৰাখিবলৈ চেষ্টা কৰোঁ; যেনে—প্ৰা. ভা. আ. ষষ্>ম. ভা. আ. ছ>ন. ভা. আ (অস.) ছয়+টা>ছটা+ঈয়া>ছটীয়া, প্ৰা. ভা. আ. ছত্ৰ—>ন. ভা. আ (অস.) ছাতি+ঈয়া>ছতীয়া।

টলকি চালে দেখা পাম যে ইয়াৰ বাহিৰেও আমি আৰু কেইটামান অসমীয়া জোঁটনিৰ মূল নীতি অন্যান্য আৰ্যভাষাবোৰৰ দৰেই মানি চলোঁ,

(৫) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ শব্দত সদায়েই সেই জোঁটনি ৰাখিবলৈ চেষ্টা কৰোঁ, লাগিলে আমি সেইমতে উচ্চাৰণ কৰোঁৱেই বা নকৰোঁৱেই; যেনে—ভাষা।

(৬) পৰম্পৰাগত কিছুমান শব্দ আমি আমাৰ উচ্চাৰণ আৰু জোঁটনি মতে জোঁটাওঁ; যেনে—সন্মিলন।

(৭) মূলৰ জোঁটনিয়ে উচ্চাৰণ বিৰোধ ঘটালে উচ্চাৰণ অনুসৰি জোঁটাওঁ; যেনে—প্ৰা. ভা. আ. সম্মুখ>ন. ভা. আ (অস.) চমু:

(৮) ভাৰতীয় ভাষাৰ নামবাচক শব্দবোৰ উচ্চাৰণলৈ নাচাই মূল জোঁটনি-অনুসৰি লিখোঁ; যেনে—সৰ্বপল্লী ৰাধাকৃষ্ণণ।

(৯) সদায়েই ব্যাকৰণ বা যুক্তিৰে জোঁটনি নিৰ্ণয় কৰি লওঁ।

ঠাবৰকৈ ক'বলৈ হ'লে, অসমীয়া জোঁটনিৰ মূল নীতি উচ্চাৰণ। লগতে ব্যাকৰণৰ প্ৰয়োজন অনুসৰি সামান্য নিয়ম বান্ধি লোৱা হৈছে। এই নিয়মৰ মূল ভেঁটি বান্ধোঁতা হেমচন্দ্ৰ বৰুৱাৰ "হেমকোষ"। এই ভেঁটি ইমান দৃঢ় যে ইয়াক লৰচৰ কৰিবলৈ তৰাৰ কৰ্ম্টি মাৰোঁতাসকল উপহাসতকৈও পুতৌৰ পাত্ৰহে হ'বলগীয়া হৈছে।

সহায়ক পুথি-পত্ৰ

১। অসম সাহিত্য সভা : ১৮৫৪ শক : চন্দ্ৰকান্ত অভিধান;

২। গুৱাহাটী বিশ্ববিদ্যালয় পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতি : ১৯৭০ : অসমীয়া আখৰ জোঁটনি;

৩। গোস্বামী, উপেন্দ্ৰনাথ : ১৯৭৪ : অসমীয়া ভাষাৰ ৰূপকথা;

৪। গোস্বামী, গোলোকচন্দ্ৰ : ১৯৭২ : অসমীয়া আখৰ-জোঁটনি;

৫। বৰুৱা, হেমচন্দ্ৰ : ১৯৬৫ : হেমকোষ;

৬। Buddhadatta, A. P. : 1957 : Concise Pali-English Dictionary ;

৭। Monier-Williams, Monier : New Edition : A Sanskrit-English Dictionary ;

৮। শইকীয়া, ভ্ৰমৰচন্দ্ৰ : ১৯৫৮ : শব্দমালা ;

৯। শেঠ, হৰগোবিন্দদাস ত্ৰিকমচন্দ : ১৯৬৩ : পাইঅসদ্দ-মহণ্ণবো ;

১০। হাজৰিকা, বিশ্বেশ্বৰ : ১৯৭০ : "অসমীয়া আখৰ-বেঁাটনি (জোঁটনি)", অসম সাহিত্য সভা পত্ৰিকা, ২৭শ বছৰ, ১ম সংখ্যা ; "অসমীয়া ভাষাৰ আখৰ-জোঁটনিৰ সমস্যা", তথা, ২৭শ বছৰ, ৩য় সংখ্যা ;

১১। — : ১৮৯৩ শক : "অসমীয়া আখৰ-জোঁটনি'ৰ সম্পৰ্কে", আৱাহন, ৪২শ বছৰ, ২য়-৩য় সংখ্যা ;

১২। — : ১৯৭১ : "উচ্চাৰণমতে জোঁটনি", অসম সাহিত্য সভাৰ ৩৯তম ধুবুৰী অধিবেশনৰ স্মৃতিগ্ৰন্থ ;

১৩। — : ১৯৭২ : "অসমীয়া ভাষালৈ বিদেশী শব্দৰ লিপ্যন্তৰণ", অসম কলেজ শিক্ষক সংস্থা পত্ৰিকা, ২য় প্ৰকাশ ;

১৪। — : ১৮৯৪ শক : "অসমীয়া ভাষাত তৎসম শব্দৰ জোঁটনি", নতুন প্ৰবাহ, ১ম বছৰ, ৬ষ্ঠ সংখ্যা ;

১৫। — : ১৮৯৪ শক : "বিভক্তিৰূপে পৰসৰ্গৰ ব্যৱহাৰ", আগমনী, ১ম বছৰ ২য় সংখ্যা ;

১৬। — : ১৮৯৪ শক : "অসমীয়া আখৰ-জোঁটনি সম্পৰ্কে দুআষাৰ", আৱাহন, ৪৩শ বছৰ, ২য় সংখ্যা ;

১৭। — : ১৮৯৪ শক : " 'অসমীয়া আখৰ-জোঁটনি'ৰ উদ্দেশ্য কি ?", নতুন প্ৰবাহ, ১ম বছৰ, ১২শ সংখ্যা ; সঞ্জীৱনী, ১ম বছৰ, ১ম সংখ্যা ;

১৮। — : ১৯৭৩ : "অসমীয়া ভাষাত আৰবী-ফাৰ্চী শব্দৰ জোঁটনি", নতুন কল্লোল, ২য় বছৰ, ১ম সংখ্যা ;

১৯। — : ১৯৭৫ : "ধাৰা আৰু পৰাৰ লিখন পদ্ধতি", বি. বৰুৱা কলেজ আলোচনী, ২৩শ সংখ্যা ;

২০। — : ১৯৭৮ : "অসমীয়া জোঁটনিৰ চিন্তা", অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেডৰ প্ৰতিষ্ঠা দিৱসৰ স্মৃতিগ্ৰন্থ।

অসমীয়া আখৰ-জোঁটনি

শ্ৰীগোলোকচন্দ্ৰ গোস্বামী

অসমীয়া ভাষাৰ বানান বা আখৰ-জোঁটনিৰ সমস্যা অতি পুৰণি আৰু আহুকলীয়া: সম্ভৱ অসমীয়া লিখিত সাহিত্যৰ উদ্ভৱৰ কালৰেপৰা এই সমস্যা চলি আহিছে। আমাৰ পূৰ্ব্বপুৰুষসকলে ইয়াৰ সমাধানৰ অৰ্থে কিবা প্ৰচেষ্টা হাতত লৈছিল নে নাই জানিবৰ উপায় নাই; কিন্তু তেখেতসকলো যে বানানৰ খেলিমেলিত পৰি পাক-ঘূৰণি খাইছিল সেইটো সংস্কৃত ভাষাত লিখা তামৰ ফলি আৰু প্ৰাচীন পুথি-পাঁজিৰ ভাষাৰপৰাই স্পষ্টকৈ বুজিব পাৰি।

আধুনিক কালছোৱাত যোৱা ডেৰ শ বছৰৰ ভিতৰত আমাৰ আখৰ-জোঁটনিৰ সংশোধনৰ কেইবাটাও প্ৰচেষ্টা চলিছিল। অসম সাহিত্য সভায়ো একাধিকবাৰ এই সমস্যালৈ চকু দিছিল; কিন্তু সমস্যাটোৰ সমাধান হোৱা দূৰৰ কথা, ক্ৰমে জটিলতা বাঢ়িছেহে। এতিয়া আকৌ নতুন প্ৰচেষ্টা চলিছে; দুদিনীয়া আলোচনা চক্ৰই যদি কিবা সমাধান দাঙি ধৰিব পাৰে তেনেহ'লে বৰ ভাল কথা। এইখিনিতে আমি এটা কথা মনত ৰখা উচিত,—ভাষাৰ বানানৰ সমস্যা কোনোকালে চিৰদিনলৈ নিৰ্ম্মূল কৰিব নোৱাৰি; চেষ্টা কৰিলে সংযত কৰিবহে পাৰি। (অসমীয়া ভাষাৰ এই আহুকলীয়া সমস্যাটোৰ সকলো দিশ এই লিখকৰে **অসমীয়া আখৰ-জোঁটনি** নামৰ পুথিত বিতংকৈ আলোচনা কৰা হৈছে।)

অসমীয়া আখৰ-জোঁটনিৰ সমস্যাটো জটিল; কিন্তু এই জটিলতাৰ স্বৰূপটো কি? বৰ্ত্তমানে অসমীয়া ভাষাৰ লিখন-পদ্ধতিত চলা অৰাজকতাৰ হেতু কি? এই অৰাজকতাৰ হেতু প্ৰধানতঃ দুটা: প্ৰথম, অসমীয়াৰ জাতীয় চৰিত্ৰ; আমি লিখিলেই সাহিত্য হয়, ভাষাৰ সৃষ্টি হয় বুলি ভাবোঁ; আমাৰ মাজত

আজি তৎক্ষণিক (instant) সাহিত্যিকৰ সংখ্যা বাঢ়িছে ; আনহাতে, সাহিত্য সৃষ্টিৰ কাৰণে প্ৰয়োজনীয় সাধ্য-সাধনাৰ থাকতৈয়ে অভাৱ ঘটিছে। আৰু, দ্বিতীয়তে, অসমীয়া ভাষাটোৰ চৰিত্ৰ। অসমীয়া ভাষাৰ ঐতিহাসিক বিৱৰ্তনত আমূল পৰিবৰ্তন ঘটিল ; কিন্তু ভাষাটোৰ বৰ্ণমালাখনত তাৰ কোনো চিন নৰ'ল। সেয়েহে বানান বেমেজালি, দন্ত্য-মূৰ্দ্ধণ্য আখৰৰ প্ৰয়োগত খেলিমেলি ; তালব্য শ, মূৰ্দ্ধণ্য ষ, দন্ত্য স আৰু হ্ৰস্ব-দীৰ্ঘ স্বৰৰ প্ৰয়োগো তথৈবচ।

আমাৰ ব্যঞ্জন বৰ্ণমালাখন পৰীক্ষা কৰিলে দেখা যায়—ক, খ, গ, ঘ, ঙ, প, ফ, ব, ভ, ম, ল আৰু য়—এই বৰ্ণকেইটা আমি যেনেকৈ উচ্চাৰণ কৰোঁ তেনেকৈয়ে লিখোঁ ; গতিকে ইহঁতে কোনো সমস্যা ঘটোৱা নাই। কিন্তু তালব্য চ, ছ, জ, ঝ, ঞ, মূৰ্দ্ধণ্য ট, ঠ, ড, ঢ, ণ, দন্ত্য ত, থ, দ, ধ, ন, তালব্য শ, মূৰ্দ্ধণ্য ষ, দন্ত্য স ; ৰ, ড়, ঢ়, য, ৱ, ৎ, ঃ, ঁ (চন্দ্ৰবিন্দু), ' (ঊৰ্দ্ধকমা) আৰু ৎ (খণ্ড ত্)—এই গোটেইবোৰে বানানৰ খেলিমেলি লগায়।

প্ৰথমে দন্ত্য আৰু মূৰ্দ্ধণ্য বৰ্গ দুটালৈকে মন কৰক : এই দুয়োটা বৰ্গৰ দহোটা আখৰ আৰু খণ্ড ত্ (ৎ)—এই এঘাৰটা আখৰে মাত্ৰ পাঁচোটা উচ্চাৰণৰহে নিৰ্দ্দেশ কৰে। টুটকীয়া, টকা, পাটসূতা, তাঁতী, গছৰ পাত আৰু আঁতৰ—এইবোৰ শব্দৰ বানানৰ কথা বাদ দিলে উচ্চাৰণৰপৰা কোনটো দন্ত্য ত আৰু কোনটো মূৰ্দ্ধণ্য ট জানিবৰ কিবা উপায় আছে জানো? ঠিক তেনেকৈয়ে এই বৰ্গ দুটাৰ আন বৰ্ণবোৰৰ উচ্চাৰণত কোনো ভেদ নাই। উচ্চাৰণ যদি একেই হয় তেনেহ'লে একেটা বৰ্ণৰে লিখাটোহে বিজ্ঞানসন্মত নিয়ম। গতিকে আমি দুয়োটা বৰ্গৰ ঠাইত দন্ত্য বৰ্গটো ৰাখি মূৰ্দ্ধণ্য বৰ্গটো বাদ দিব পাৰোঁইক।

তাৰ পিছত ধৰক, উষ্ম বৰ্ণ তালব্য শ, মূৰ্দ্ধণ্য ষ আৰু দন্ত্য স। ইহঁত তিনিওটা একাকী ৰূপত সদায় x ৰূপেহে উচ্চাৰিত হয়। বিশেষ, সসাগৰা আদি শব্দত ইহঁত তিনিওটাৰে একে x উচ্চাৰণ হৈছে। ইহঁতৰ নিজস্ব প্ৰাণসত্বা অৰ্থাৎ উচ্চাৰণ যদি লোপেই পালে, তেনেহ'লে ভৌতিক অৱয়ৱ তিনিটা ৰাখি থোৱাৰ কি অৰ্থ হ'ব পাৰে? গতিকে এই তিনিওটাৰ হৈ মাত্ৰ এটা আখৰ ৰাখিলেই আমাৰ চলে। ইহঁতৰ মূৰ্দ্ধণ্য ষ আখৰটোকে ৰাখিব পাৰি। বৈদিক ভাষাত এই ষ-টোৰ উচ্চাৰণো আমাৰ x-ৰ দৰেই আছিল। যদি এই আখৰটো ৰখাত আপত্তি হয়, তেনেহ'লে দন্ত্য স আখৰটো নাইবা ইহঁতৰ যিকোনো এটাৰ তলত এটা ফুট দিও লিখাৰ ব্যৱস্থা কৰিব পাৰি। এনেকৈ

আখৰ নোহোৱাৰ পিছত য'তে x উচ্চাৰণ পোৱা যাব ত'তে সেই আখৰেৰে লিখা হ'ব।

এইবাৰ পেটকটা ৱ আৰু ডবে ড়-ৰ কথালৈ আহোঁ। ইহঁত দুটাৰো স্বকীয়া উচ্চাৰণ নাই। ধমনী বুজোৱা নাড়ী শব্দত ড় আৰু তিৰোতা বুজোৱা নাৰী শব্দত পেটকটা ৰ বহে; কিন্তু উচ্চাৰণত কিবা ভেদ শুনা যায় জানো? ইহঁত দুটাৰে একে উচ্চাৰণ যেতিয়া কেৱল পেটকটা ৰ-টো ৰখাহে ভাল।

ঢবে ঢ়-টো সংযুক্ত বৰ্ণ—ঢ় (=ৰ্হ)। সুন্দৰ সুঠাম বুজোৱা গঢ়িত আৰু গৰিহণা খাব লগা গৰ্হিত—এই দুটা শব্দৰ কোনটোত ঢ় আৰু কোনটোত ৰ বানানৰ কথা মনত পেলালেহে জানিব পাৰি। কিন্তু কথা-বতৰা পাতোঁতে আমি কেতিয়াও শব্দবোৰৰ বানানলৈ মনত পেলাই বুজিবলৈ চেষ্টা নকৰোঁ। এতেকে একেদৰে উচ্চাৰিত শব্দবোৰৰ বানানত ভেদ ৰখাৰো কোনো যুক্তি নাথাকে।

অনুস্বাৰ আৰু ঙ-ৰ মাজতো উচ্চাৰণৰ কোনো পাৰ্থক্য নাই। ইহঁত দুটাৰ অনুস্বাৰটো বাদ দিলেও আমাৰ কোনো ক্ষতি নহয়। সেইদৰেই বিসৰ্গ আৰু হ-ৰ উচ্চাৰণ একে; ইহঁতৰ বিসৰ্গটো মাত্ৰ একশ্ৰেণী শব্দতহে বহে। ইয়াক বাদ দিও অসমীয়া ভাষা লিখিব পাৰি। ৱ আৰু ব—এই দুয়োটা আমাৰ নিতান্ত আৱশ্যকীয় আখৰ। ইহঁত নোহোৱাকৈ আমি চলিব নোৱাৰোঁ। সেৱা, দেৱালী, ৰকৱা, গুৱনী শব্দ ৱ নহ'লে লিখিব নোৱাৰি। কিন্তু কবি, কবিতা, আবাহন, বাণী, সম্ভৱ ইত্যাদি শব্দত ৱ নিলিখি ব লিখিলেও চলে। যিবোৰ শব্দত ব উচ্চাৰণ কৰোঁ সেইবোৰত সংস্কৃতৰ মতে ৱ থাকিলেও ব লিখিব পৰা যায়। কিন্তু আমাৰ ঘৰুৱা শব্দবোৰত সদায় ৱ লিখিবই লাগিব।

প্ৰথম চ আৰু দ্বিতীয় ছ: এই আখৰ দুটাৰ আমাৰ ভাষাত উচ্চাৰণৰ বৈশিষ্ট্য একো নাই; আমাৰ কাৰণে দুয়োটা একে। ধৰক, চৰিত্ৰ, চুচুক-চামাক, আচৰণ, বেচ; ছবি, ছাত্ৰ, ছপোৱা আৰু মাছ—এইবোৰত প্ৰথম চ আৰু দ্বিতীয় ছ-ৰ উচ্চাৰণ একে। পিচ আৰু পাছ শব্দত দুটা বেলেগ চ ছ লিখাৰ কোনো কাৰণ নাই। ইহঁতৰ মূলৰ চিন্তাও অবান্তৰ; কোনো দুজন পণ্ডিতে দেখোন মূলটো স্পষ্টকৈ দেখুৱাব নোৱাৰে! ইহঁতৰ চ-টো ৰাখি বাকীটো বাদ দিয়া বেয়া নহয়।

বৰ্গীয় জ, ঝ আৰু অন্তঃস্থ য: ইহঁতৰ জ আৰু য-ৰ উচ্চাৰণ একে যেতিয়া বৰ্গীয় জ-টো ৰাখি বাকীটো এৰিলেও চলে। ঝৰণা, ঝৰণি আদি শব্দত ঝ-টোৰ উচ্চাৰণ বেলেগ হয় যেতিয়া ইয়াক ৰখা ভাল।

তালব্য নাসিক্য ধ্বনিসূচক আখৰ ঞ-টোক বথাৰ কিবা লাভ আছে জানো? সংস্কৃত ভাষাতে একাকী অৰ্থাৎ অসংযুক্ত ৰূপত ইয়াৰ ক'তো প্ৰয়োগ নহয়। আমাৰ অসমীয়া ভাষাত ইয়াৰ উচ্চাৰণ সদায় চন্দ্ৰবিন্দুযুক্ত য়ঁ বা ইঁ-ৰ দৰে; যেনে—ভূঞা, গঞা, গোহাঞিবকৰা ইত্যাদি। অন্তঃস্থ য় বা ই-ৰ ওপৰত চন্দ্ৰবিন্দু দি ইয়াৰ উচ্চাৰণটো বুজাব পাৰি।

দেখা গ'ল, আমি ব্যঞ্জন বৰ্ণমালাখনৰ ক, খ, গ, ঘ, ঙ; চ, জ, ঝ; ত, থ, দ, ধ, ন; প, ফ, ব, ভ, ম; ৰ, ল; স বা ষ, হ, য় আৰু ৱ—এই চব্বিশটা আখৰেৰে সকলো কাম নিয়াৰিকৈ চলাব পাৰোঁ। ইয়াৰ সংযুক্ত ব্যঞ্জনৰ সৰলীকৰণৰো সুবিধা আছে। উদাহৰণস্বৰূপে, ৰেফযুক্ত বিবোৰ আখৰ এতিয়া দ্বিত্ব কৰি লিখোঁ সেইবোৰ একাকী ৰূপত লিখা ভাল। আমাৰ অসমীয়া ভাষাৰ এটা বৈশিষ্ট্য হৈছে—ৰেফ, ৰ-কাৰ, য-কাৰ যোগ হ'লে ব্যঞ্জনৰ উচ্চাৰণ অলপ দীঘলীয়া হয়। এই দীঘলীয়া উচ্চাৰণ বুজাবলৈ আমি দ্বিত্বকৈ লিখি আহিছোঁ। কিন্তু ৰেফ, ৰ-কাৰ আৰু য-কাৰ যোগ হ'লে ব্যঞ্জনৰ উচ্চাৰণ সদায়েই দীঘলীয়া হয় যেতিয়া ই এটা বিজ্ঞাত অৰ্থাৎ predictable কথা। গতিকে দীঘলীয়া উচ্চাৰণ বুজাবলৈ দ্বিত্বকৈ নিলিখিলেও চলে। সংস্কৃত ভাষাতো আমাৰ দৰেই ৰেফ, ৰ-কাৰ বা য-কাৰ যোগ হ'লে ব্যঞ্জনৰ উচ্চাৰণ দীঘল হৈছিল। কিন্তু লিখোঁতে দ্বিত্বকৈ লিখাৰ নিয়ম সংস্কৃতত মনা হোৱা নাই। গতিকে অসমীয়া ভাষাৰ বানান সংশোধনত যিসকলে মূল বক্তাৰ দোহাই দিয়ে তেওঁলোকে এই নিয়মটো নিশ্চয় ভাল পাব।

ব্যঞ্জন বৰ্ণমালাৰ দৰেই স্বৰ বৰ্ণমালাখনৰো যথেষ্ট সংস্কাৰ সাধন কৰিব পাৰি। উদাহৰণস্বৰূপে হ্ৰস্ব-দীৰ্ঘ স্বৰবোৰৰ কথাকে ধৰক। আমাৰ হ্ৰস্ব-দীৰ্ঘ স্বৰবোৰৰ উচ্চাৰণত আমি কোনো পাৰ্থক্য নাৰাখোঁ। একোটা শব্দত স্বৰবোৰৰ অৱস্থান ভেদে হ্ৰস্বকৈ লিখিলেও দীৰ্ঘ আৰু দীৰ্ঘকৈ লিখিলেও হ্ৰস্ব উচ্চাৰণ হয়, অৰ্থাৎ স্বৰৰ দৈৰ্ঘ্য বা মাত্ৰাও এটা বিজ্ঞাত কথা। এতেকে দুটা ই ঈ-ৰ ঠাইত কেৱল দীৰ্ঘ ঈ আৰু দুটা উ ঊ ৰ ঠাইত হ্ৰস্ব উ লিখিলে স্বৰৰ জোঁটনি যথেষ্ট সৰল হ'ব।

স্বৰ বৰ্ণমালাত ঋ আখৰটো ৰখাৰ কোনো অৰ্থ নাই; ইয়াৰ কাম ৰ-ত ঈ-কাৰে ৰী-ৰেই চলাব পাৰি। আমাৰ অ' আৰু এ স্বৰ বুজাবলৈ আখৰ নাই। সেয়েহে অ' বুজাবলৈ উৰ্দ্ধকমা লিখাৰ নিয়ম চলি আহিছে। কিন্তু আজিকালি অনেকেই ইয়াৰ ব্যৱহাৰৰ প্ৰতি মনোযোগ দিয়া দেখা

নাথায়। অ আৰু অ'-ৰ উচ্চাৰণৰ বৈশিষ্ট্য ৰখাৰ কাৰণে উৰ্দ্ধকমাৰ প্ৰয়োজন আছে।

এনেকৈয়ে আমাৰ বৰ্ণমালা দুখনৰ অতিৰিক্ত আখৰবোৰ গুচালে অসমীয়া আখৰ-জোঁটনি বা বানান যথেষ্ট সৰল আৰু সহজ হ'ব। কিন্তু সেইবুলি সমস্যাৰ একেবাৰে ওৰ পৰিব বুলি ক'ব নোৱাৰি। অসমীয়া ভাষাৰ বানানৰ সমস্যাটো কঁহিয়াই আলোচনা কৰিবলৈ সহজ; কিন্তু সমস্যাটোৰ সমাধানৰ নিৰ্দ্দেশ দিবলৈহে অতি কঠিন। এই জটিলতাৰ প্ৰধান কাৰণ হ'ল আমাৰ শব্দমালা।

অসমীয়া ভাষাত প্ৰধানকৈ তিনি প্ৰকাৰৰ শব্দ পোৱা যায়। এক প্ৰকাৰৰ শব্দ সংস্কৃতৰপৰা অসমীয়া ভাষাৰ বিবৰ্তনৰ লগে লগে স্তৰ বাগৰি বাগৰি অহা। এইবোৰকে তদ্ভৱ শব্দ বোলে। এই শব্দবোৰক ওপৰত আলোচিত সংকুচিত বৰ্ণমালাৰে লিখিব পৰা যাব, কাৰণ এই শব্দবোৰে ইতিমধ্যে স্তৰ বাগৰি বাগৰি আহোঁতে মূলৰপৰা বহুত আঁতৰি গৈছেগৈ; ভিন ভিন স্তৰত ইইঁতে উচ্চাৰণ অনুসৰি ভিন ভিন লিখিত ৰূপ পাইছে। এতেকে এতিয়াও সিইঁতক আমাৰ উচ্চাৰণ মতে লিখিলে কোনো বেমেজালিৰ সৃষ্টি নহয়।

কিন্তু বিবোৰ তৎসম শব্দক আমি সংস্কৃতৰপৰা অহৰহ পোনপটীয়াকৈ আমদানি কৰি আহিছোঁইক সেইবোৰেহে আমাক অসুবিধা দিব পাৰে। এই শব্দবোৰ সংস্কৃত বানানৰ মতে নিলিখিলে সংস্কৃত ভাষাটো শিকিবলৈ অসুবিধা হ'ব বুলি বহুতে আপত্তি কৰিব পাৰে। এনে আপত্তি অৱশ্যে একেবাৰে যুক্তিহীন নহয়। কিন্তু আমি জনা উচিত—অসমীয়া বৰ্ণমালা সংস্কৃত বৰ্ণমালাৰ অনুকৰণতহে তৈয়াৰ হৈছে, আমাৰ অসমীয়া আখৰেই দেৱনাগৰী আখৰ নহয়। একে মূলৰপৰা ওলালেও দুয়োখন বৰ্ণমালাৰ আখৰবোৰ সুকীয়া সুকীয়া। সেইদেখি সংস্কৃত ভাষাটো শিকাত বিশেষ আহুকাল হ'ব নালাগে। এটা উদাহৰণ দিব খুজিছোঁ: ইংৰাজী বহুতো শব্দ আমাৰ তেনেই ঘৰুৱা হৈ পৰিছে। লিখোঁতেও সেইবোৰ আমাৰ মতেই আমাৰ আখৰেৰে লিখোঁহঁক। আমাৰ আখৰেৰে লিখিলে ইংৰাজী শব্দৰ গঢ়বোৰ নিশ্চয় তেনেই বেলেগ হৈ পৰে; উচ্চাৰণো অৱশ্যে বেলেগ হয়। কিন্তু সেইবুলি ইংৰাজী কওঁতে সেইবোৰ শব্দ বাৰু আমি অসমীয়াৰ দৰে কওঁনে? অসমীয়া আখৰেৰে অসমীয়া ভাষাত অসমীয়া ধৰণে লিখা কাৰণেই সেই শব্দবোৰ আমি শুদ্ধ ইংৰাজীত ক'ব আৰু লিখিব নোৱাৰিমনে? ইংৰাজী school শব্দটো ছটা

আখৰেৰে লিখা হয়। আমি লিখোঁ ইস্কুল বা স্কুল বুলি। দেখাত আৰু উচ্চাৰণত এই শব্দ দুটাৰ বৰ বেছি মিল নাই। আমি অসমীয়াত যিদৰেই নিলিখোঁ ইংৰাজীত তাৰ বানান আৰু ৰূপ বেলেগ হ'বই, কিয়নো অসমীয়া আৰু ইংৰাজী দুখন সুকীয়া সুকীয়া বৰ্ণমালা।

ঠিক তেনেকৈয়ে সংস্কৃত শব্দবোৰেও, অসমীয়া আখৰেৰে অসমীয়া ধৰণে অসমীয়া কথাৰ মাজত লিখিলে এটা ৰূপ ল'ব আৰু সংস্কৃত পঢ়োঁতে বা সংস্কৃত বৰ্ণমালাৰ সংস্কৃত ধৰণে লিখোঁতে অন্য এটা ৰূপ ল'ব। আমি জানো যে অসমীয়া আৰু সংস্কৃত বৰ্ণমালা দুখনৰ আখৰবোৰো সম্পূৰ্ণৰূপে একে নহয়। ধৰক, বিড়াল, বিড়ম্বনা, নাড়ী আৰু পীড়ণ—এই শব্দবোৰ খাটি তৎসম শব্দ; ইঁহতক আমি দৈনন্দিন কথা-বতৰাতো ব্যৱহাৰ কৰোঁ আৰু লিখোঁ। আমি লিখোঁতে ডৰে ড়-ৰে লিখোঁ; কিন্তু সংস্কৃতত দেখোন মূৰ্দ্ধণ্য ড-ৰেহে লিখা হয়। আমাৰ ড়-টো সংস্কৃতত নাই দেখোন! সংস্কৃত বৰ্ণমালাৰ আখৰৰ লগত সম্পৰ্কহীন আখৰেৰে সংস্কৃত তৎসম শব্দ লিখোঁ আৰু ইঁহতক তথাপি মূল সংস্কৃত তৎসম শব্দ বুলি চিনি পাওঁ।

সেইদৰে প্ৰয়োগ, প্ৰযোজক আৰু প্ৰয়োজন—এইকেইটাও খাঁটি তৎসম শব্দ। ইঁহত ওলাইছেও একেটা ধাতুৰপৰা। তথাপি আমি অন্তঃস্থ য় আৰু অন্তঃস্থ য দুটা বেলেগ বেলেগ আখৰেৰে ইঁহতক লিখিছোঁ, আৰু মাতিছোঁও দুটা বেলেগ ধৰণে। তথাপি আমি ইঁহতক তৎসম শব্দ বুলি দাবী কৰোঁ। পিচে, অন্তঃস্থ য় আৰু অন্তঃস্থ য বুলি দুটা সুকীয়া আখৰ সংস্কৃত বৰ্ণমালাত নাই দেখোন! আমি সংস্কৃতৰ এটা আখৰকে আমাৰ উচ্চাৰণৰ লগত খাপ খুৱাই দুটা আখৰত ভগাইছোঁ আৰু সেইমতে লিখিছোঁ। তথাপি সংস্কৃত শব্দবোৰ চিনি উলিওৱাত অকণো ব্যাঘাত ঘটা নাই। সেই কাৰণে, এনেকৈয়ে সংস্কৃত তৎসম শব্দবোৰ আমাৰ মতে লিখিলে সংস্কৃত ভাষাটো লিখোঁতে আৰু শব্দবোৰ চিনোতে বিশেষ একো অসুবিধা নহয়। এইবোৰ শব্দৰ অসমীয়া আখৰ-জোঁটনিয়ে মূল ভাষাটো আয়ত্ত কৰাত কেতিয়াও হেঙাৰ হ'ব নোৱাৰে।

অসমীয়া ভাষাৰ তৃতীয় ভাগ শব্দ হ'ল বিদেশী ধাৰ শব্দ। এনে শব্দবো বহুতো উপবিভাগ হ'ব পাৰে। কিছুমান আমাৰ ভাৰতীয় ভাষাৰপৰা অহা শব্দ; এইবোৰে অৱশ্যে বিশেষ আহুকালৰ সৃষ্টি নকৰে। মাত্ৰ একেবাৰে বিদেশী, যেনে—ইউৰোপীয় বা অন্য দেশীয় শব্দই কিছু অসুবিধাত পেলাব পাৰে। পিচে, এনে ক্ষেত্ৰত অন্য ভাষাই যি পন্থা লয় আমিও সেই পন্থাকে লৈ সমস্যাৰ

সমাধান কৰিম। বিদেশী শব্দ আহৰণ কৰোঁতে পৃথিবীৰ কোনো ভাষাই ধাৰ কৰা ভাষাটোৰপৰা শব্দৰ লগতে আখৰো ধাৰ কৰি নলয়। সকলো ভাষাই নিজৰ বৰ্ণমালাৰে যথাযথ নিয়েমেৰে বিদেশী শব্দৰ লিখিত ৰূপ দিয়ে। আমিও নিশ্চয় তেনে কৰিব পাৰিম। বৰ্ণমালাখনৰ আখৰ কিছুমান কমিব কাৰণে আমাৰ ভাষাটোও নিঃকিন আৰু নিশকতীয়া হৈ পৰিব বুলি ভবাটো ভুল।

অসমীয়া বৰ্ণমালাখন ওপৰত আলোচনা কৰাৰ দৰে সংকুচিত কৰিব খুখুজিলে আৰু এটা ব্যৱস্থা কৰিব পাৰি; এই ব্যৱস্থাটো হ'ল: আমাৰ স্বৰ আৰু ব্যঞ্জন বৰ্ণমালা হুবহু এতিয়াৰ দৰে একেদৰে থাকিব, কিন্তু বৰ্ণবোৰৰ প্ৰয়োগ অলপ বেলেগ হ'ব। অসমীয়া থকৰা আৰু তদ্ভৱ শব্দবোৰ ওপৰত উল্লিখিত সংকুচিত বৰ্ণমালাৰে লিখিব লাগিব; কিন্তু তৎসম শব্দমালা সংস্কৃত বানান অটুট ৰাখি সেইমতেই লিখা হ'ব। এনে শব্দ আৰু বিদেশী শব্দৰ লিখন ৰীতিত আমাৰ অসমীয়াৰ কাৰণে অলাগতিয়াল অতিৰিক্ত আখৰবোৰৰ প্ৰয়োগ হ'ব।

বানান এনেকুৱা সংশোধন কৰিবলৈ গৈ বৰ্ণমালাৰ অলাগতিয়াল সকলোবোৰ আখৰ ৰাখিলে আমাৰ সম্পূৰ্ণ কাৰ্য্যসিদ্ধি হোৱাৰ আশা কম; খেলিমেলি তেতিয়াও থাকিব; কিয়নো, সংস্কৃত শব্দবোৰ আমাৰ ইমান আপোন আৰু থকৰা যে সেইবোৰৰ কোনবোৰত অলাগতিয়াল কৰি ব্যৱহাৰ হ'ব আৰু কোনবোৰত নহ'ব সেইটো পঢ়াশলীয়া ল'ৰা-ছোৱালীৰ দূৰৰে কথা, আমাৰ ডাঙৰ ডাঙৰ পণ্ডিতসকলেও ঠিক কৰিব নোৱাৰি পয়মাল লগাব।

সেই কাৰণে, প্ৰথমতে কোৱা মতে অৰ্থাৎ অলাগতিয়াল আখৰবোৰ বাদ দি সংকুচিত বৰ্ণমালা গ্ৰহণ কৰিলে আখৰ-জোঁটনিৰ সমস্যা বহু পৰিমাণে লঘু হ'ব বুলি মোৰ ধাৰণা।

সদৌ শেষত কওঁ, ভাষাৰ বিষয়ত পৃথিবীৰ অন্যান্য মানুহৰ দৰেই আমি অসমীয়া মানুহবোৰো বহু পৰিমাণে আবেগপ্ৰৱণ। পিচে, আমি যদি সঁচাকৈয়ে ভাষাটোৰ আখৰ-জোঁটনিৰ সংস্কাৰ বিচাৰিছোঁ, তেনেহ'লে আমাক দুটা কথাৰ নিতান্ত প্ৰয়োজন: এটা আবেগবিহীন বৈজ্ঞানিক দৃষ্টিভঙ্গী আৰু আনটো মানসিক প্ৰস্তুতি। এই দুয়োটাৰে অভাৱৰ কাৰণেই ইমানদিনে চলাই অহা সকলো প্ৰচেষ্টা ব্যৰ্থ হৈ আহিছে। আমি যদি ভাষা-সাহিত্য-সেৱী লিখক, পাঠক, বাতৰিকাকত আৰু আলোচনীৰ সম্পাদক সকলোৱে একমত হৈ নিষ্ঠাৰে আগ বাঢ়িব পাৰোঁ, তেনেহ'লে এই সমস্যাৰ নিশ্চয় সমাধান কৰিব পৰা যাব।

দ্বিতীয় মহাসমৰৰ পিছৰ অসমীয়া উপন্যাস

(পটভূমি আৰু সম্পাদনা)

শ্ৰীতাৰিণীকান্ত ভট্টাচাৰ্য

দ্বিতীয় মহাসমৰে (১৯৩৯-১৯৪৫) আমাৰ দেশখনক আগৰ যুগবোৰৰপৰা সম্পূৰ্ণ পৃথক কৰি পেলোৱাৰ দৰে কৰিলে। ইয়াৰ আগে আগে সাহিত্যৰথী বেজবৰুৱা, কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ, দেশভক্ত তৰুণৰাম ফুকন আদি সমাজ-সাহিত্য-ৰাজনীতিৰ মহাৰথীসকল অন্তৰ্দ্ধান হ'ল। সৰ্বভাৰতীয় ৰাজনীতিৰ ঢৌত লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ নেতৃত্বৰ কংগ্ৰেছ মন্ত্ৰীসভাই ভাৰতৰ অন্যান্য কংগ্ৰেছী মন্ত্ৰীসভাৰ লগতে মন্ত্ৰিত্ব ত্যাগ কৰি ওলাই আহিল। ভাৰতৰ ইচ্ছাৰ বিৰুদ্ধে বিদেশী ইংৰাজ চৰকাৰে ভাৰতকো সাম্ৰাজ্যবাদী শক্তিৰ সপক্ষে যুদ্ধৰত দেশ বুলি ঘোষণা কৰিলে। কংগ্ৰেছে এই যুদ্ধ প্ৰচেষ্টাত যোগ নিদিওঁ বুলিলত বিদেশী চৰকাৰ খং খাই উঠিল। ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ কিছুমান নেতাই কিবা অদ্ভুত যুক্তিৰে এই সাম্ৰাজ্যবাদী যুদ্ধক 'জনতাৰ যুদ্ধ' আখ্যা দি পুস্তিকা প্ৰচাৰ কৰিলে। ইয়াৰ বাবে পিছত মহাত্মা গান্ধীয়ে মুকলি চিঠিৰে তেওঁলোকক প্ৰশ্ন কৰি সুধিছিল—তেওঁলোকে ভাৰত চৰকাৰৰ সচিব মেক্সৱেল চাহাবৰ লগুৱাৰ ভাও লোৱা কথা সঁচা নেকি? প্ৰসঙ্গক্ৰমে উক্ত পাৰ্টিৰ কেম্পবিলাকত বলা নৈতিকতাৰ বিষয়েও তেওঁ দুৰ্যোৰ প্ৰশ্ন তুলিছিল। বোম্বাই চহৰৰ ৰাজবাটত বিদেশী সৈন্যই স্কুললৈ যোৱা ছোৱালীৰ ওপৰত দিন-দুপৰতে অশ্লীল ব্যৱহাৰ কৰাত গান্ধীজীয়ে বৰলাট চাহাবক যি চোকা প্ৰশ্ন কৰিছিল, তাৰ উত্তৰ আহিল—ভাৰতবৰ্ষক জাপান চক্ৰ শক্তিৰ বিৰুদ্ধে যুদ্ধ কৰি ৰক্ষা কৰিবলৈ যোৱাৰ আগতে সৈনিকে স্বাভাৱিকতে দিনটোৰ কাৰণে অলপ আনন্দ গ্ৰহণ কৰিছে। মহাসমৰে প্ৰবৰ্তন কৰি দিয়া দোষবোৰৰ সামান্য আভাস ইয়াতে পোৱা যায়। দেশখনত মিলিটাৰী ঠিকা কৰা দল এটা চাৰিওফালে ওলাই পৰিল।

দেশৰ প্ৰধান ৰাজনৈতিক দলটো মন্ত্ৰীসভাৰপৰা ওলাই আহিলত ইংৰাজ চৰকাৰে ইংৰাজপন্থী দেশীয় দ্বিতীয় এচাম লোকক লৈ শাসনকাৰ্য চলালে। অসমত চাৰ চাহুল্লা-ৰোহিণী চৌধুৰীৰ 'মিলিত জনসংঘ'ৰ চৰকাৰ প্ৰতিষ্ঠা হ'ল। এই সময়ত অসমত উন্নত খেতি-বাতিৰ উন্নতি সাধনৰ নামত পূৰ্ববঙ্গৰ বহুতো লোকক অসমলৈ আহি ইয়াৰ মাটিত বহিবলৈ দিয়া হ'ল আৰু চৰকাৰী চাকৰি-বাকৰিৰ নিয়োগৰ ক্ষেত্ৰতো বহুতো অন্যায়-অবিচাৰ হ'ল। অধিকাংশ বিৰোধীয়ে এইবোৰৰ বিৰুদ্ধে অকলে প্ৰতিবাদ কৰি থাকিল।

ইতিমধ্যে নেতাজী সুভাষচন্দ্ৰ বসুৰ আজাদ হিন্দ ফৌজে মণিপুৰৰ মৈৰাং দখল কৰি তাত ভাৰতীয় জাতীয় পতাকা উত্তোলন কৰিলে। অন্যপিনে ১৯৪২ চনৰ ডিচেম্বৰত বোমাৰু বিমানে অসমৰ দিনজান বাগিচাৰ কাষত আৰু কলিকতাও বিক্ষিপ্তভাৱে বোমা পেলালে। ১৯৪২ চনত অসম মিত্ৰ শক্তিৰ সৈন্য চাউনীৰে ভৰি পৰিল। ইয়াৰ আগতে ১৯৪২ চনৰ ৮ আগষ্ট তাৰিখে মহাত্মা গান্ধীৰ নেতৃত্বত কংগ্ৰেছে গ্ৰহণ কৰা 'ভাৰত ত্যাগ' প্ৰস্তাৱৰ পৰিণতিস্বৰূপে স্বাধীনতা আন্দোলনে 'মন্ত্ৰৰ সাধন কিম্বা শৰীৰ পতন' আকৃতি ধাৰণ কৰিলে। বিস্তীৰ্ণভাৱে ধৰ-পাকৰ হ'ল। সকলো বৰেণ্য ৰাজনৈতিক কৰ্মীকে জেলত ভৰাই থোৱাত বাইজ তাৰ সমুচিত প্ৰত্যুত্তৰ দিবলৈ ওলাই আহিল। কলেজ-স্কুল বন্ধ হ'ল নাইবা মিলিটাৰীয়ে দখল কৰিলে। কুটাঘাতমূলক কাৰ্য ব্যাপকভাৱে চলিল আৰু মিলিটাৰীৰ গুলিও সমানে কাৰ্যৰত হ'ল। অসমৰ চহৰে-নগৰে শিবিৰ স্থাপিত হ'ল। সৈন্যৰ চাউনী, দলং, স্কুলঘৰ, ৰেললাইন ভাৰ গ'ল, উঠি গ'ল নাইবা জ্বলি গ'ল। গুলি চলিল, বুকুৰ তপত তেজ মাটিত পৰিল, কিন্তু স্বাধীনতাৰ আন্দোলন কমক চাৰি প্ৰবল হৈহে গৈ থাকিল। বস্তু-বাহানিৰ দাম বাঢ়িল, মানুহে খাবলৈ নোপোৱাত পৰিল। ব্লেক আউট, চেন্সৰশ্বিপ, কণ্ট্ৰোল, দুনীতি, মিলিটাৰী ঠিকা, যুদ্ধৰ কাৰণে সৈন্য আৰু ধন সংগ্ৰহ—এইবোৰেই দেশৰ দস্তুৰ হ'ল। কিতাপ-পত্ৰ, বাতৰিকাকত, শিক্ষা-দীক্ষা, আলোচনী—সকলো তল পৰি গ'ল। সমাজৰ বান্ধোন সোলোক-ঢোলোক হ'ল। পুৰণি সমাজথনৰ মৃত্যু হ'ল।

১৯৪৫ চনত যেতিয়া যুদ্ধৰ সমাপ্তি হ'ল, তেতিয়া দেশখন সকলো পিনে জৰাজীৰ্ণ। কিন্তু চৰকাৰবো ভালদৰে শিকনি হ'ল। ইয়াৰ আগতে নৌ-বাহিনীত বিদ্ৰোহ হৈ গৈছিল। তদুপৰি চাৰ্চ্চিলৰ চৰকাৰৰ পতনৰ পিছত ইংলণ্ডত প্ৰতিষ্ঠিত হোৱা বনুৱা চৰকাৰৰ প্ৰধান মন্ত্ৰী মেজৰ ক্লিমেণ্ট এটলিয়ে

ভাৰতৰ লগত মিটমাট কৰিবলৈ সিদ্ধান্ত কৰি শেষত ক্ষমতা হস্তান্তৰ কৰাকে ঠিক কৰিলে। তেতিয়া দেশৰ প্ৰধান ৰাজনৈতিক দল কংগ্ৰেছ পুনঃ ক্ষমতাত অধিষ্ঠিত হ'ল। চূৰ্ণ-বিচূৰ্ণ দেশখনৰ ওপৰত আকৌ বিভাজন, সাম্প্ৰদায়িক কটা-কটি, বিৰাট জনপ্ৰব্ৰজন আদি ডাঙৰ ডাঙৰ সমস্যা আহি পৰিল। অসমলৈ আকৌ জনস্ৰোত আৰম্ভ হ'ল। দুৰ্ভিক্ষ, অনাটন, ভূমিকম্প, বান-পানী, ভাষা আন্দোলন, চীনৰ আক্ৰমণ, ৰাজ্য পুনৰ্গঠনৰ সঙ্কট, অসমৰ বিভিন্ন অঙ্গ হানি, মাধ্যম আন্দোলন, তীব্ৰ নিবনুৱা সমস্যা ইত্যাদি এশ-এবুৰি সমস্যাৰ মাজেৰে এই ৰাজ্যখনে যোৱা অৰ্দ্ধ শতাব্দী কাল এটা সংঘৰ্ষপূৰ্ণ যুগেৰে অতিবাহিত কৰিছে। জোনাকী যুগৰ সাহিত্যিকসকলে হয়তো এনে জটিল সমস্যাৰ সম্মুখীন হোৱাই নাছিল। ইয়াৰ উপৰিও অসমত বসবাস কৰা গলুৱা বহুতো বিভিন্ন জনগোষ্ঠীয়ে নিজৰ নিজৰ উপভাষা, নিজৰ নিজৰ অঞ্চল, নিজৰ নিজৰ ভাগ-অংশ ইত্যাদিৰ বিষয়ে কিছুমান সংহতি-বিৰোধী দাবী-প্ৰতিদাবী নতুন নতুনকৈ উত্থাপন কৰিয়েই থাকিল আৰু আছে। নতুন নতুন ৰাজনৈতিক দল-উপদল হ'বই লাগিছে আৰু এইবোৰেও ৰাজ্য-খনৰ সংহতিত প্ৰচণ্ড আঘাত কৰিবলৈ ধৰিছে। একমাত্ৰ অসম সাহিত্য সভাইহে দেশৰ সংহতিৰ হকে আপ্ৰাণ চেষ্টা কৰি থাকিল। এনে সময়ত সাহিত্যৰ যে কিমান বহল ক্ষেত্ৰ আৰু প্ৰত্যাহ্বান আহি পৰিছে তাক সহজে অনুমান কৰিব পাৰি।

যুদ্ধোত্তৰ যুগৰ অসমীয়া সাহিত্যক ওপৰৰ পটভূমিতে মূল্যায়ন কৰিব লাগিব। এই যুগৰ সাহিত্য যে জোনাকী যুগৰ সাহিত্যতকৈ ভিন্ন হ'ব, তাক নক'লেও অনুমান কৰিব পাৰি।

অসমীয়া সাহিত্যৰ বীৰ্যবত্তাৰ এটা প্ৰমাণ এই যে যুদ্ধৰ অমানিশাৰ মাজতে আমাৰ নতুন সাহিত্যৰ সৃষ্টি হ'ল। পোনতে ৺অমূল্য বৰুৱা, ৺চক্ৰেশ্বৰ ভট্টাচাৰ্য, ৺হেম বৰুৱা আদি সাহসী যুবকসকলে নতুন কবিতাৰে নতুন যুগটোক আৱাহন জনালে। এওঁলোকে প্ৰতিষ্ঠা আৰু প্ৰসাৰ লাভ কৰোঁতে অৱশ্যে কিছু সময় লাগিল। এওঁলোকে পৃথিৱীৰ সকলো শোষিত-দলিত জীৱনৰ প্ৰতি সহানুভূতি আকৰ্ষণ কৰিবলৈ চেষ্টা কৰিলে। কিন্তু ইপিনে সাম্প্ৰদায়িক সংঘৰ্ষ, অসমৰ মাটিৰ ওপৰত বহিৰাগতৰ লোভ ইত্যাদিৰ বিষয়ে কথা কোৱাৰ প্ৰয়োজন হ'লত মহম্মদ পিয়াৰ, হিতেশ ডেকা আদিয়ে উপন্যাসত তেওঁলোকৰ বক্তব্য দাঙি ধৰি সমস্যাবোৰৰ শুদ্ধ দৃষ্টি গ্ৰহণত সহায় কৰিলে।

১৯৪৭ চনত দেশ স্বাধীন হ'ল আৰু দেশখনৰ পুনৰ্গঠনৰ কাৰণে চাৰিও-পিনে বিপুল উৎসাহ-উদ্দীপনাৰ সৃষ্টি হ'ল। নতুন দিল্লী আৰু ভাৰতীয় ৰাজ্যবোৰৰ ৰাজধানীত নতুন নতুন পৰিকল্পনাৰ জন্ম হ'বলৈ ধৰিলে। আমাৰ ৰাজ্যত এখন এখনকৈ তিনিখন বিশ্ববিদ্যালয় স্থাপিত হ'ল। স্কুল-কলেজৰ সংখ্যা বহুগুণে বাঢ়িল আৰু চহৰে-নগৰে, গাঁৱে-ভূঞে শিক্ষাৰ বিস্তাৰ হ'বলৈ ধৰিলে। ইয়াৰ ফলত এচাম পঢ়ুৱৈৰ সৃষ্টি হ'ল আৰু লিখকৰ সংখ্যাও লবহ হ'ল। কলেজৰ অধ্যাপকৰ সংখ্যা বাঢ়িল আৰু নতুন নতুন ধৰণৰ ৰচনাভঙ্গী আমদানি হ'বলৈ আৰু ওলাবলৈ ধৰিলে।

এনে সমস্যাবহুল জাতীয় জীৱনৰ বিভিন্ন ফালক কেন্দ্ৰ কৰি নতুন জাতৰ চুটিগল্প আৰু উপন্যাস ৰচনা আৰু প্ৰকাশ হ'বলৈ ধৰিলে। এই কাৰ্যত, নতুনকৈ প্ৰতিষ্ঠা হোৱা কিছুমান কিতাপৰ দোকানে কিতাপ প্ৰকাশ কৰিবলৈ আগবাঢ়ি আহিল। ১৯৫০ চনৰপৰা বৰ্তমানলৈ সক-বৰ দুশবো অধিক অসমীয়া উপন্যাস ছপা হৈ ওলাইছে। আমাৰ নতুন চামৰ লিখকসকলে জনজাতীয় লোকৰপৰা আৰম্ভ কৰি গাঁৱলীয়া নগৰীয়া, কৃষক-বনুৱা, মধ্যবিত্ত-চহকী সকলো স্তৰৰ জীৱনতে প্ৰৱেশ কৰিবলৈ চেষ্টা কৰিছে। দুই-এজনে স্বাধীনতা সংগ্ৰামৰ কালৰ, কোনোৱে বোৰ্ণ্টষ্ট মিছনে অসমীয়া ভাষা পুন-প্ৰ্ৰতিষ্ঠা কৰিবলৈ কৰা প্ৰচেষ্টাৰ সময়ৰ, কোনোৱে নতুন আৰু পুৰণি সমাজৰ সংঘাতৰ বিষয়ে, কোনোৱে নিৰীহ গাঁৱলীয়া লোকৰ ওপৰত ক্ষমতাশালী, চক্ৰান্তশীল লোকে কৰা শোষণৰ বিষয়ে, কোনোৱে সমাজ সংস্কাৰত পোৱা লুপ্ত স্বাৰ্থৰ প্ৰতিবন্ধকৰ বিষয়ে, কোনোৱে নগৰীয়া জীৱনত চলা অস্থিৰ্ত্তকৰ জীৱনযাত্ৰাৰ বিষয়ে উপন্যাস লিখিছে। গাৱলীয়া জীৱনৰ ভাগ যাব ধৰা আচাৰ-পদ্ধতি, তাৰ প্ৰতি জন্মা গভীৰ পুতৌ কেবাজনো ঔপন্যাসিকৰ লিখনীত ফুটি উঠিছে। কিছুমানে আকৌ দলিত-বঞ্চিত লোকসকলক সমস্বত্ববাদী দৰ্শনেৰে উদ্বুদ্ধ আৰু সংগঠিত হৈ নিজৰ স্বাধিকাৰ প্ৰতিষ্ঠা কৰিবলৈ আহ্বান জনাইছে।

এইদৰে এটা বিস্তাৰমুখী যুগৰ বিভিন্ন দৰ্শনৰ পোহৰত আমাৰ ঔপন্যাসিকে বিভিন্ন ভাবেৰে আমাৰ নতুন যুগটোক চিত্ৰিত কৰিছে। কিন্তু, তথাপি এই বিস্তীৰ্ণ উপন্যাস সাহিত্যই আমাক কোনো স্থৈৰ্য-জ্ঞান দিব পৰা নাই। ইয়াৰ কাৰণ কি? ইয়াৰ কাৰণ এই যে আমি এটা সুদীৰ্ঘকাল ব্যাপ্ত পৰিবৰ্তনৰ যুগত বাস কৰিছোঁ। সমাজ আৰু প্ৰমূল্যবোৰৰ দ্ৰুত আৰু ঘন পৰিবৰ্তন

হ'বলৈ ধৰিছে আৰু হৈয়ে আছে। নব-লব্ধ স্বাধীনতাৰ পিছত সমাজত ঘটি থকা নিত্য নতুন পৰিবৰ্ত্তনৰ চোৰে সমাজ আৰু জন-শ্ৰেণীৰ ভিতৰত নতুন ধৰণৰ সংগঠন হ'বৰ যেন পূৰ্বাভাস সূচনা কৰিছে। ইয়াত স্বভাৱতে বিক্ষিপ্ততা, অস্থৈৰ্য, অস্বস্তি ইত্যাদি আহি পৰে। আমাৰ নতুন উপন্যাসত জীৱনৰ এই বাহ্য ফালটোৰে ইয়াৰ বহিঃৰেখাত থৌকিবাথৌকি লগোৱা ৰূপায়িত হৈছে। নগৰকেন্দ্ৰী উপন্যাসতো তেনেকৈ মুহূৰ্ত্তবোৰৰ আনন্দ আৰু শেল-শূলবোৰ ৰূপায়িত হৈছে।

কিন্তু জীৱন আৰ্টতকৈ গম্ভীৰ। উদ্দেশ্যধৰ্মী সংস্কাৰমূলক উপন্যাসত জীৱনৰ গম্ভীৰ ফালটোৰ ওপৰত অপেক্ষাকৃত কম দৃষ্টি পৰে। জীৱনটোহে মূলধন— উপন্যাস তথা সাহিত্যই সেই মূলধনৰ বেহা কৰিলেহে চিৰন্তন আবেদন প্ৰাপ্ত হ'ব পাৰে। আমাৰ নতুন উপন্যাসত এই বেহা যি পৰিমাণে হৈছে তাৰ ওপৰতহে তাৰ মূল্যায়ন হ'ব। চহৰতে থাকক বা গাঁৱতে থাকক, মানুহ মানুহেই। সভ্যতাৰ বা ৰাজনীতিৰ উত্থান-পতনে মানুহৰ নিজস্ব প্ৰকৃতি সলনি কৰিব নোৱাৰে। নতুন যুগৰ নতুন উপন্যাসে নতুন প্ৰমূল্যবোৰৰ ব্যাখ্যা কৰিব নিশ্চয় লাগিব। কিন্তু মানৱৰ চিৰন্তন আবেগ আদিক তাৰ নিজস্ব প্ৰকৃতিত চাব লাগিব। সেইবোৰৰ কোনো পৰিবৰ্ত্তন নহয়। হৰ্ষ-বিষাদ, দুখ-শোক, প্ৰেম-প্ৰতিশোধ, আশা-আকাঙ্ক্ষা, দয়া-কৰুণা, জীৱনৰ জয়-পৰাজয়, দৈৱৰ লগত মানৱৰ সংগ্ৰাম,—এইবোৰৰ প্ৰতিচ্ছবি ফুটি নুঠিলে তাত চিৰন্তন আবেদন আশা কৰিব নোৱাৰি। পক্ষান্তৰে, সেইবোৰ থাকিলে তেনে সাহিত্য বিশ্ব-সাহিত্যৰ পৰ্য্যায়ত উঠে। প্ৰকৃতিৰ লগত মানৱৰ সংগ্ৰাম, জীৱনৰ দুৰ্বোধ্য সাঁথৰৰ প্ৰতিচ্ছবি, বিশ্বব্ৰহ্মাণ্ডত মানৱৰ অৱস্থান—এনে শাশ্বত কথাবোৰকেই বিভিন্ন ভাষাত, বিভিন্ন ৰূপত, বিভিন্ন গঠনত সাহিত্যিকে প্ৰকাশ কৰে। গঠন যিয়েই নহওক, সেই 'জিজ্ঞাসা' আৰু তাৰ সম্ভাব্য উত্তৰ-সমাধান—এইবোৰৰ পিনে এটা অমুক্ত গতি তাত থাকে। পশ্চিমৰ অতি-আধুনিক কিটিপৰ চুটিগল্প, উপন্যাস আদিবো অমুক্ত মূল গতিপথ সেইপিনে। আমাৰ নতুন সাহিত্যিকসকলে নিজ অভিজ্ঞতা আৰু চিন্তাৰে জীৱনৰ এই চিৰন্তন প্ৰকৃতিৰ নতুন নতুন ফালত ৰেখাপাত কৰিবলৈ চেষ্টা কৰা কৰ্ত্তব্য। জীৱনৰ ওপৰত ৰেখাপাত কৰাই সাহিত্যৰ উদ্দেশ্য আৰু তাতেই তাৰ শাশ্বত ৰস। সেই ৰশ্মি মৰ্ম বস্তুৰ ওপৰত পৰাই উচিত। যৌন বিষয়বস্তুৰো মূল গতি এইপিনেই যোৱা উচিত।

আমাৰ নতুন উপন্যাসত ভাষা, টেকনিক, বাস্তু-বৰ্ণনা, পটভূমি ৰচনা, সংলাপ, গল্প যোজনা ইত্যাদি বিষয়ত কেবাজনো লিখকে কৃতিত্বৰ পৰিচয় দিছে। কিন্তু গভীৰ জীৱনবোধত বহুতখিনি কৰিবলগীয়া আছে। বিক্ষিপ্ত মনেৰে কেন্দ্ৰীভূত চিন্তা কৰিব নোৱাৰি। জীৱন আৰু সমাজক নিৰীক্ষণ কৰাৰ পিছত সাহিত্যিকৰ মনত কিছুমান চাব-ভাব ইত্যাদি হৈ যায়। তাৰ পিছত তেওঁৰ মনৰ ৰাসায়নিক গৱেষণাগাৰত সেইবোৰ সানি-পুতকি তেওঁৰ মনত সমসাময়িক জীৱনৰ বিষয়ে ধাৰণা জন্মে। চিৰন্তন মানৱ জীৱনৰ পটভূমিত সেই ধাৰণাৰ ক্ৰুটি-বিচ্যুতিবোৰ ধৰা পৰে। তাকেই তেওঁ ঘটনা-সজ্জাৰদ্বাৰা কলাৰ আকৃতিত ৰূপায়িত কৰে। ইয়াৰ বাবে যে গভীৰ সাধনা, মেধাশক্তি, দূৰদৃষ্টি, প্ৰগাঢ়তা বোধ ইত্যাদি লাগে তাক নক'লেও হয়। জীৱনৰ তিতা-কেহা-মিঠা আদি কালবোৰ সম্যকৰূপে যিয়েই চাব পাৰিছে তেওঁৱেই সুস্থ লোক বুলি বিবেচিত হৈছে আৰু তেওঁৰ কথাতেই মানুহৰ প্ৰত্যয় জন্মিছে। মানুহ সমাজৰদ্বাৰা প্ৰভাৱান্বিত হয়, কিন্তু চিন্তাশীল মানুহে সমাজকো প্ৰভাৱান্বিত কৰে আৰু তাৰ গতি ঘূৰাই দিয়ে। কিন্তু ই জীৱন মহাদেশৰ স্বাভাৱিক সীমাৰ ভিতৰতহে সম্ভৱপৰ।

আমাৰ নতুন উপন্যাসে জীৱনত গভীৰ বোধ আহৰণ কৰি নতুন পদক্ষেপ কৰিব, তাত অকণো সন্দেহ নাই, কিয়নো তাৰ পটভূমি দৃঢভাৱে ৰচিত হৈছে। দুই-এখনত ইতিমধ্যে এই সফলতা লাভ কৰাও হৈছে।

আধুনিক নাটক

শ্ৰীৰাম গোস্বামী

সু-বিখ্যাত লেখক, 'ললিতা' উপন্যাসৰ ৰচয়িতা ব্লেডিমোৰ নভ'কভে কৈছিল, "মই ডাক পিয়ন নহওঁ, মই লেখক"। কিন্তু, এই দৃষ্টিভঙ্গী সৰ্বজনগ্ৰাহ্য হোৱা নাই। আজি সমাজ-সচেতন সাহিত্যৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছে। নিম্নবিত্ত, মধ্যবিত্ত শ্ৰেণীৰ প্ৰায়বিলাক মানুহৰ অভাৱৰ হেঁচা অত্যন্ত প্ৰবল হোৱাত সকলোৱে অনিশ্চিত ভৱিষ্যতৰ আশঙ্কাত অস্থিৰ হৈ পৰিছে। বিবোৰ সমস্যাই আজি মানুহক বিচলিত আৰু বিধ্বস্ত কৰিছে, সেইবোৰ সমস্যাৰ সমাধান বা কোনো উপায় সাহিত্যিক, নাট্যকাৰ প্ৰভৃতিয়ে তেওঁলোকৰ লেখনীৰ মাজেদি দাঙি ধৰিব নোৱাৰিলে জনসাধাৰণৰ আনন্দশূন্য জীৱনত সাহিত্য-শিল্পই ৰেখাপাত কৰিব নোৱাৰে। জীৱন-যুদ্ধই হওক বা ৰাষ্ট্ৰ-বিপ্লৱৰ সংগ্ৰামেই হওক, সকলোতে ব্যৱহাৰিক জীৱন ওতপ্ৰোতভাৱে জড়িত। এনে অৱস্থাত অৱসাদ আৰু অৱসন্ন আঁতৰাবলৈ যি প্ৰচেষ্টাৰ প্ৰয়োজন, তাৰ প্ৰতি সাহিত্যিক, শিল্পী, নাট্যকাৰ প্ৰভৃতিয়ে সচেতন হোৱা দৰকাৰ। আজি শাসক শ্ৰেণীয়ে শাসিতসকলক, নেতাসকলে জনতাক, মালিকে শ্ৰমিকক, জমিদাৰ-মহাজনে কৃষক-বনুৱাক, লেখকে পাঠকক আৰু নাট্যকাৰে দৰ্শকক অভিযোগৰ জবাব দিবলগীয়া হৈছে। নহ'লে লাঞ্ছিত অৱহেলিত ক্লান্ত নিৰাশ্ৰিতসকলে শাৰীৰিক, মানসিক বেদনা বহন কৰি প্ৰকৃত পথৰ সন্ধানত হাবাথুৰি খাব লাগিব। সাহিত্যিক, নাট্যকাৰ আদি বুদ্ধিজীৱীসকলে সাহসৰ সৃষ্টি কৰিব লাগিব; প্ৰতিশ্ৰুতি দিব লাগিব যথাৰ্থ জীৱন-ধাৰণাৰ সাৰ্থক মূল্যায়নত। আধুনিক নাটক সম্পৰ্কিত আলোচনাত আমাৰ এই উক্তি অৱশ্যেই প্ৰাসঙ্গিক। আজি প্ৰত্যেকেই বিভিন্ন সমস্যাৰ জগত যুঁজি জুৰুলা হৈছে। প্ৰত্যেকে সেইবাবে সমস্যাসমূহৰ সমাধানৰ পথ বিচাৰিছে। নাটকৰ ক্ষেত্ৰতো একে কথা। নাট্যকাৰৰ ওপৰত আজি এই

নতুন দায়িত্ব আহি পৰিছে। এই দায়িত্ব যিগৰাকী নাট্যকাৰে সুদক্ষভাৱে পালন কৰিব পাৰিছে, তেওঁকেই দৰ্শক-শ্ৰোতাই গ্ৰহণ কৰিছে।

আজিৰ নাটকৰ একমাত্ৰ উদ্দেশ্য অকল মনোৰঞ্জনৰ বাবেই নহয়। আজি নাটকত জীৱনৰ অৰ্থ, তাৎপৰ্য, ৰহস্য উদ্‌ঘাটন কৰা অন্যতম উদ্দেশ্য। মানুহ ইমান ৰহস্যময় জীৱ যে তাৰ মাজত প্ৰবৃত্তি, ক্ষুধা, তৃষ্ণা, আশা-বাসনা, অনুভূতি-অন্বেষণ থূপ খাই আছে। এইবোৰৰ অস্থিৰতাই কেতিয়াবা মানুহক সৰ্বগ্ৰাসী কৰি তুলিছে, হয়তো কেতিয়াবা দৈনন্দিন জীৱনৰপৰা নিৰ্বাসিত কৰিছে। এই বাস্তৱ পৰিবেশ বাদ দি অথবা তুচ্ছ জ্ঞান কৰি নাট্যকাৰে মানুহৰ আনন্দ-বেদনাৰ প্ৰকৃত সন্ধান দিব নোৱাৰে। আজিৰ যুগত নাট্যকাৰৰ ভূমিকা সমাজৰপৰা বিচ্ছিন্ন নহয়। সামাজিক পৰিবেশৰ তেওঁ দাস বুলিও আমি তেওঁৰ মৰ্য্যাদা ক্ষুণ্ণ নকৰোঁ। তেওঁৰ দৃষ্টিভঙ্গী প্ৰখৰ, সক্ৰিয় আৰু সহৃদয়পূৰ্ণ। সমসাময়িক সমাজ, দেশ আৰু পৃথিৱীৰে সৈতে তেওঁৰ সৃষ্টিৰ সংযোগ নিৰুপকণীয়। তেওঁৰ নাটকৰ ভিতৰেদি প্ৰতিফলিত হৈছে যুগৰ মৌলিক স্বভাৱ, সমসাময়িক সংকট, দুৰ্যোগ আৰু বিপৰ্যয়। আজিৰ নাট্যকাৰে তেওঁৰ শিল্পকলাক সমাজমুক্ত বা সাৰ্বভৌম সত্তা হিচাপে গ্ৰহণ নকৰে। পৃথিৱীখন জীয়াই থকা মানুহৰ বাবে। সূক্ষ্ম আৰু বাস্তৱ দৃষ্টিভঙ্গীৰপৰা এই মানুহবিলাকৰ সমস্যা বিশ্লেষণ কৰিবলৈ নাট্যকাৰে যত্ন কৰে, বিশেষ সামাজিক পৰিবেশৰ সৃষ্টিকাৰক ৰূপে তেওঁৰ সৃজন প্ৰতিভাই কাম কৰে। সমাজৰ বিভিন্ন সমস্যাৰ জগত তেওঁৰ নাটকীয় চৰিত্ৰ ওতপ্ৰোতভাৱে জড়িত। আজিৰ নাটকত প্ৰতিফলিত হয় এটা সময়ৰ নিজস্ব বৈশিষ্ট্য। অকল সেয়ে নহয়, আজিৰ নাটকত সামাজিক, অৰ্থনৈতিক আনকি ৰাজনৈতিক সংকটৰপৰা কেনেকৈ নিৰাশ্ৰয়সকলে ৰক্ষা পাব পাৰে, সমস্যা সমাধানত কৈফিয়ৎ কি, নাটক-অভিনয়ৰ মাজেদি প্ৰতিশ্ৰুতি কেনেকৈ আশা কৰিব পাৰি আদি প্ৰশ্নৰ অৱতাৰণা কৰি নাট্যকাৰে অধিক সতৰ্কতা আৰু সহানুভূতিৰে বিস্তৃত মানৱিকতাবোধ দৰ্শকৰ সন্মুখত তুলি ধৰিছে। আজি নাটক লেখাৰ ধৰণ অপ্ৰত্যাশিতভাৱে সলনি হৈছে। নাটক অভিনয়ৰ মঞ্চৰীতি নতুন পদ্ধতিৰে সংস্কাৰ কৰা হৈছে, নতুন আঙ্গিকৰ প্ৰয়োগেৰে নাটকৰ মূল উদ্দেশ্য পৰিস্ফুট কৰিবলৈ নতুন চিন্তাধাৰা সন্নিবিষ্ট কৰা হৈছে। এই ক্ষেত্ৰত জাৰ্মান দেশৰ নাট্যকাৰ বেৰটোল্‌টৰ ব্ৰেখ্‌টৰ নাটকীয় পদ্ধতিৰ যি পৰীক্ষা-নিৰীক্ষা চলিছে, তালৈ আমাৰ নাট্যকাৰ-পৰিচালকসকলে আগ্ৰহেৰে দৃষ্টি ৰাখিছে। ব্ৰেখ্‌টে

যি 'এপিক থিয়েটাৰ'ৰ পদ্ধতি দাঙি ধৰি দৰ্শকক অভিনয়ৰ মাজেদি 'নিজ মতবাদ'ক গঢ়ি তুলিবলৈ প্ৰেৰণা যোগাইছিল, সেই পদ্ধতিৰে আমাৰ ৰঙ্গমঞ্চত নাটক অভিনীত হোৱা লাহে লাহে আৰম্ভ হৈছে।

অসমৰ আধুনিক নাট্য আন্দোলনৰ সিংহভাগৰ যিসকল অংশীদাৰ সেই-সকলৰ বৌদ্ধিক মনে আশাওধীয়াকৈ গভীৰ নিষ্ঠাৰে তেওঁলোকৰ বহুবিচিত্ৰ নাট্য সম্ভাৰ আমালৈ আগবঢ়াইছে। সময়, সুবিধা আৰু পৰিৱেশৰ এশ-এবুৰি কষ্ট-আহুকাল হেলাৰঙে বহন কৰি তেওঁলোকে অসমৰ নাট্য আন্দোলনৰ ভবিষ্যত মুকলি কৰিছে আৰু নাটকৰ সুস্থ ৰূপায়ণৰ প্ৰচেষ্টা সহজ কৰি তুলিছে। জ্যোতিপ্ৰসাদ আগৰৱালা, চন্দ্ৰ ফুকন, ফণী শৰ্মা প্ৰভৃতি নাটকটীয়াসকলৰ মূলধন আছিল—আশা আৰু সামাজিক দায়িত্ব। আশা মানে অসহ্য মনৰ জোৰ আৰু সামাজিক দায়িত্ব মানে কিবা এটা কৰাৰ দাৰুণ হেঁপাহ। সমাজ গাঁথনিৰ অন্তৰালত সোমাই থকা ভণ্ডামি, ব্যভিচাৰ, নিস্পেষণ উদঙাই এখন নতুন সমাজ গঢ়াৰ সপোন দেখিছিল এওঁলোকে। তেওঁলোকে জনসাধাৰণৰ জীৱনৰ কঠিন বাস্তৱৰ কথা মৰ্মে মৰ্মে উপলব্ধি কৰিছিল আৰু তেওঁলোকৰ আশা-নিৰাশা নাটকীয় উপাদানেৰে পৰিপুষ্ট কৰিছিল। নাটকীয় মুহূৰ্ত গঢ়ি তোলোঁতে তেওঁলোকে যিখন সমাজত ডাঙৰ-দীঘল হৈছে সেইখন সমাজক আগত ৰাখিছিল। সমাজৰ দুৰ্গন্ধ বাষ্পক পৰিহাৰ কৰি দুখী দৰিদ্ৰই তেওঁ-লোকৰ প্ৰকৃত সমস্যা কেনেকৈ সমাধান কৰিব পাৰে তাৰ ইঙ্গিত দিছিল। সুলভ, সহজ আৰু আমোদ-উন্মত্ত উপকৰণৰ সংযোগ কৰিও তেওঁলোকে নাটকীয় লক্ষ্য সুদৃঢ় কৰি ৰাখিছিল। উদাহৰণ স্বৰূপে উল্লেখ কৰিব পাৰি জ্যোতিপ্ৰসাদ আগৰৱালাৰ কাৰেঙৰ লিগিৰী নাটকখন।

জ্যোতিপ্ৰসাদ আগৰৱালাৰ কাৰেঙৰ লিগিৰী নাটকখন যদিও এটা ৰোমাণ্টিক পৰিৱেশত ৰচিত হৈছিল, তথাপি তাত এটা জটিল মানৱীয় সমস্যা দাঙি ধৰা হৈছে। স্বামী-স্ত্ৰীৰ মাজত মনৰ যদি অমিল হয়, তেতিয়া তেওঁলোকে কি কৰিব? নাইবা, অভিভাৱকে যদি গাৰ জোৰেৰে ল'ৰাই বিয়া কৰাব নোখোজা ছোৱালী এজনীৰে সৈতে বিয়া দিব খোজে, তেন্তে সেই ল'ৰাই কি কৰা উচিত? নাইবা, হঠাতে যদি কোনোবা এজনে উপলব্ধি কৰিলে—এজনী সাধাৰণ সহজ সৰল ছোৱালীয়ে তেওঁক মনেপ্ৰাণে ভাল পাবলৈ ধৰিছে, তেতিয়া এই ল'ৰাজনে কি কৰা উচিত হ'ব—এইবোৰ অতি আধুনিক সমস্যা। জ্যোতিপ্ৰসাদে সুন্দৰ কোঁৱৰ, শেৱালী, ৰাজমাও, অনঙ্গ আৰু কাঞ্চন

কুমাৰীৰ মাজেদি এইবোৰ সামাজিক সমস্যা অংকন কৰিছে। জ্যোতিপ্ৰসাদ অকল কলা শিল্পীয়েই নাছিল, তেওঁ আছিল এজন সমাজ শিল্পীও। তেওঁ উপলব্ধি কৰিছিল যে সাংস্কৃতিক সৃষ্টিৰ জন্ম প্ৰয়োজনৰপৰা বিচ্ছিন্ন নহয়। সংস্কাৰ আৰু সামাজিক বাধা আঁতৰাই ব্যক্তিয়ে ব্যক্তিৰ মূল্য উপলব্ধি কৰা কথাটো জ্যোতিপ্ৰসাদে ব্যক্ত কৰিছিল। সেয়েহে নাটখনিয়ে আমাৰ বুদ্ধিক জোকাৰ মাৰি যায়, সদায়, সকলো সময়তে।

এই ধৰণৰ সমস্যা দাঙি ধৰিছে সত্যপ্ৰসাদ বৰুৱাই তেওঁৰ আধুনিকতম নাটক "নায়িকা-নাট্যকাৰ"ত। এটা মনো-বিশ্লেষণধৰ্মী পৰিৱেশ ৰচনা কৰি নাট্যকাৰে শিল্পী-সাহিত্যিকৰ মানৱিক সুস্থিৰতা ৰক্ষাৰ তাৎপৰ্য ব্যাখ্যা কৰিছে। বিচিত্ৰ বক্তব্য আৰু আঙ্গিকৰ মাজেদি প্লটৰ নায়িকা বিচাৰি অন্ধকাৰত খেপিয়াই ফুৰা নাট্যকাৰক এক সজীৱ প্ৰতিশ্ৰুতিৰে নাৰীৰ সামাজিক মুক্তিৰ হকে যুঁজিবলৈ সকিয়াইছে। সেইদৰে, অনিল চৌধুৰীৰ প্ৰতিবাদ আৰু চিৰন্তন নাটকত এক মনোবিজ্ঞানী দৃষ্টিভঙ্গীৰে সমকালীন সমাজৰ চিত্ৰ ৰূপান্তৰিত হৈছে। নাৰীৰ প্ৰতি, স্ত্ৰীৰ প্ৰতি কৰা অসৎ আচৰণ আৰু কাৰ্যধাৰা অনিল চৌধুৰীৰ নাট্য ৰচনাত স্পষ্ট হৈ উঠিছে। আমাৰ সমাজখনক শোষণ আৰু দুৰ্নীতিয়ে থানবান কৰিবলৈ অহৰহ চেষ্টা চলাইছে। এই শোষণ-দুৰ্নীতিৰ বিৰুদ্ধে আমি কেনেকৈ থিয় দিম, শোষণৰ শক্তিক আমি কেনেকৈ পৰাজিত কৰিম? সমাজসচেতন নাট্যকাৰৰ এই ক্ষেত্ৰত কেনে ভূমিকা হোৱা উচিত? আব্দুল মজিদৰ "চোৰ", অৰূপ চক্ৰবৰ্তীৰ "আগমনি", অতুল বৰদলৈৰ "বৃক্ষৰ খোজ", মহেন্দ্ৰ বৰঠাকুৰৰ "আঁহতগুৰিৰ হাট", "জন্ম", প্ৰফুল্ল বৰাৰ "উপপথ"ৰ অভিনয়ে আমাৰ অন্তৰ গভীৰভাৱে স্পৰ্শ কৰে আৰু আমাৰ কৰ্ম-পন্থা নিৰ্ণয়ত ইঙ্গিত দিয়ে। বাঘৰ দৰে শোষণকাৰীয়ে আমাৰ সমাজত যি সন্ত্ৰাসৰ সৃষ্টি কৰে তাক ফহিয়াই দেখুৱাইছে হিমেন্দ্ৰ বৰঠাকুৰে—তেওঁৰ 'বাঘ' নাটকত।

বিংশ শতাব্দীৰ জটিল সভ্যতা-সংকটত ৰাজনীতিৰপৰা কোনো মানুহৰ ৰেহাই নাই। "আপুনি ৰাজনীতিৰপৰা আঁতৰি থাকিবলৈ কামনা কৰিব পাৰে, ৰাজনীতিয়ে কিন্তু আপোনাক এৰা দি নচলে, ৰেহাই নিদিয়ে।" শ্ৰেণী সংগ্ৰাম আমাৰ দেশতো প্ৰকট হৈ উঠিছে, অসমো পাছ পৰি থকা নাই। এই শ্ৰেণী সংগ্ৰামে আমাৰ নাট্যকাৰসকলক স্পৰ্শ কৰা নাইনে? নাট্য সাহিত্যৰ ভবিষ্যতে সংহতিৰ প্ৰয়োজনীয়তা আমি আটায়ে উপলব্ধি কৰোঁ। অনৈক্যও

এটা জাতীয় সমস্যা। আমাৰ সমাজৰ প্ৰকৃত চিত্ৰ কি? এই সমস্যাৰ সমাধানৰ বাটত বাধা কিহৰ? এচাম মানুহে সেই বাধা নেওচি কেনেকৈ সংহতিৰ ভেটি সুদৃঢ় কৰিবলৈ চেষ্টা কৰিছে তাৰে বাস্তৱ পটভূমিত গাঁৱৰ পৰিবেশ এটা বঢ়িয়াকৈ উপস্থাপন কৰিছে সাৰদা বৰদলৈ আৰু কৃষ্ণানন্দ ভট্টাচাৰ্যই 'মগৰীৰৰ আজান'ত। এই কাৰণে এই নাটকখন আমি অভিনয় কৰি আৰু চাই বৰ ভাল পাওঁ। সেই একেধৰণৰ সম্প্ৰীতি-ভাৱধাৰাত লেখা আন এখন বলিষ্ঠ নাটক অৰুণ শৰ্মাৰ 'উকথা পঁজা'।

আমাৰ সমাজত শিল্পী, সাহিত্যিক, নাট্যকাৰ এতিয়াও অনাদৃত হৈ আছে। শিল্পী হৈ, নাট্যকাৰ হৈ জীয়াই থকাৰ প্ৰশ্নটো অৰুণ শৰ্মাই তেওঁৰ নিবাৰণ ভট্টাচাৰ্যত সুন্দৰকৈ ৰূপায়িত কৰিছে। শিল্পী, নাট্যকাৰে আজি অহোবলিয়াৰ দৰে ভ্ৰমি ফুৰিছে, চাৰিওফালে ক্ষতি, হতাশা, অপমান, ব্যৰ্থতা। এওঁলোকৰ প্ৰতি সমাজ আওকণীয়া হৈ থকা উচিত নে? নাট্যকাৰ-শিল্পীৰ সমস্যাবলী নো কি? সমাজৰ দহজনক এইবোৰৰ বিষয়ে অৱগত কৰা দায়িত্ব নাট্যকাৰৰ নাই নে? এই সম্পৰ্কে নাট্যকাৰে কি কৈফিয়ৎ দিব? পোনপটিয়াকৈ নহ'লেও এই সমস্যাৰ নাট্যৰূপ দাঙি ধৰিছে নটসূৰ্য ফণী শৰ্মাই তেওঁৰ "কিয়" নাটকত।

* * * *

আজি হাজাৰ-বিজাৰ দুখীয়া মানুহে জীয়াই থকাৰ সংগ্ৰামৰ বাবে পথ-নিৰ্দেশ বিচাৰিছে। তেনে এটা সময়ত আমাৰ নাট্যকাৰসকলে অকুণ্ঠভাৱে, উদাত্ত স্বৰে তেওঁলোকৰ নাটকীয় প্লটত বাস্তৱতাৰ চেতনা সঞ্চাৰিত কৰিব লাগিব।

মধ্যবিত্ত শ্ৰেণীৰ এশ-এবুৰি সমস্যা। এইবোৰৰ বিষয়ে নাট্যকাৰে কি ভাবে? এইবোৰ নো কেনে সমস্যা? সাৰদা বৰদলৈৰ "পহিলা তাৰিখ"ত নাট্যকাৰে সমস্যাৰ তুলনামূলক প্ৰচেষ্টাৰে নাটকীয় দ্বন্দ্ব, কৌতূহল আৰু পৰিস্থিতি বঢ়াল কৰি তুলিছে। সেইদৰে লক্ষ্যধৰ চৌধুৰীৰ "নিমিলা অঙ্ক", গিৰীশ চৌধুৰীৰ "মিনাবজাৰ"; প্ৰয়োজন নাট্যকাৰৰ সামাজিক চিন্তা অৰ্থনৈতিক হেঁচাত ভুকলা হোৱা মধ্যবিত্ত শ্ৰেণীৰ দুখ-দৈন্য, আক্ষেপ-ক্ষোভৰ আঙ্গিক অভিযোজনাৰে সমৃদ্ধ হৈছে। লক্ষ্যধৰ চৌধুৰীয়ে হাস্যৰসৰ মাজেদি যুগৰ হাৰা অনুধাৰী ৰঙ্গ-ব্যঙ্গৰ শাণিত শৰ নিক্ষেপ কৰিছে; কেতিয়াবা আঘাতৰ লগত মধুপৰ্কও নিক্ষেপ হৈছে। সাম্প্ৰতিক ৰসজ্ঞ লাভ কৰা তেওঁৰ

"ঠিকনা"ত পেকমতোগী গজাননৰ ৰক্ষণশীল মনোভাৱ প্ৰদৰ্শন কৰি নতুনৰ জগত প্ৰাচীনৰ যি মানসিক কন্দল তাক ফুটাই তোলাৰ চেষ্টা কৰিছে। লক্ষ্যধৰ চৌধুৰীৰ ব্যঙ্গ আৰু হাস্যৰসাত্মক অভিনয়ত বিস্ময় মানিব লাগে। দৰ্শকক মন্ত্ৰমুগ্ধ কৰা যায় তেওঁৰ খাচ দখলত।

উন্নত আৰু সাধাৰণ শ্ৰেণীৰ দৰ্শকৰ চেতনাৰ সামগ্ৰিক বিকাশ ঘটাব নোৱাৰি জানো? আজি মানৱ সভ্যতাৰ যি বিবৰ্তন ঘটিছে তাত সকলো সোমাই পৰিছে। আজি নিৰ্যাতিত জনসাধাৰণে নিজৰ অধিকাৰ দাবী কৰিছে, তেওঁলোকৰ পদযাত্ৰাত পৃথিৱী কঁপি উঠিছে। আনকালে, জনসাধাৰণৰ সামগ্ৰিক চেতনাৰ নানা কৌশল, চক্ৰান্তৰে শৃংখলিত কৰিবলৈ এক শ্ৰেণীয়ে অহৰহ প্ৰচেষ্টা চলাইছে। সমাজৰ এই সংকটপূৰ্ণ অৱস্থাত নাট্যকাৰৰ কৈফিয়ৎ কি? প্ৰতিশ্ৰুতি কি??

অৰুণ শৰ্মাৰ শেহতীয়া মঞ্চসফল নাটক "চিঞৰ"ত আমি শ্ৰেণী সংগ্ৰামৰ এক সময়সাপেক্ষ অভিনয় দেখিবলৈ পাইছোঁ। বুৰঞ্জীমূলক কাহিনীক সাম্প্ৰতিক যুগৰ ৰাজনৈতিক বাতাৱৰণ, হেপাহ হাবিয়াস, আশা-আকাঙ্ক্ষাৰ জগত ৰঞ্জিতা থুৱাই আব্দুল মালিকে 'ৰাজদ্ৰোহী', ফণী তালুকদাৰে 'জুয়ে পোৰা সোণ', উত্তম বৰুৱাই 'বৰ মানুহৰ দোলা' ৰচনা কৰিছে। পোন-পটিয়াকৈ ব্ৰেখটীয় পদ্ধতিত মুনীন শৰ্মাই তেওঁৰ 'সভ্যতাৰ সংকট' নাটকত শ্ৰেণী সংগ্ৰামৰ গুৰুত্বৰ সমস্যা যুক্তিনিষ্ঠাৰে প্ৰদৰ্শন কৰি দৰ্শকক চিন্তা কৰিবলৈ অৱকাশ দিছে। আন এজন প্ৰতিভাসম্পন্ন নাট্যকাৰ-সাহিত্যিক বীৰেন্দ্ৰ-কুমাৰ ভট্টাচাৰ্যই অসমীয়া সাহিত্যক অজস্ৰ গতিৰে সমৃদ্ধ কৰিছে। বুৰঞ্জীমূলক কাহিনীৰ পটভূমিত আকাশবাণীৰ যোগে আধাঘণ্টীয়া 'মনোজগ'ত গমধৰ কোঁৱৰ, পিয়লি ফুকন, মণিৰাম দেৱান, কুশল কোঁৱৰ আদিৰ অপূৰ্ব চৰিত্ৰ-চিত্ৰণ আগবঢ়াই আজিৰ আধুনিক ডেকা এজনৰ বৈপ্লৱিক চিন্তাধাৰাৰ ক্ৰিয়াশীল ৰূপ আৱিষ্কাৰ কৰাৰ চেষ্টা কৰিছে। তেওঁৰ বৈশিষ্ট্য হৈছে—আইডিয়াই নাটকীয় পৰিবেশ এটাক কেনেকৈ পৰিস্ফুট কৰি তুলিব পাৰে সেই বিষয়ে অভিনৱ পৰীক্ষা-নিৰীক্ষা। ভট্টাচাৰ্যই পৰোক্ষভাৱে সংগ্ৰামশীল ব্যক্তি এজনৰ সমস্যা আৰু দায়বদ্ধতা পালনৰ সফলতা বিফলতাৰ ইঙ্গিত দিছে।

অসমৰ থলুৱা সংস্কৃতিৰ পুনৰুজ্জীৱনৰ সমস্যাই আজিকালি শিল্প-সমালোচক অনেকৰে মনোযোগ আকৰ্ষণ কৰিছে। আমাৰ ওজাপালি, ভাওনা আদি আছিল অসমৰ ধৰ্মীয় ৰীতিনীতি আৰু প্ৰথাগত বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত।

আজি নাটক অভিনয়ৰ কলা কৌশল অনেক পৰিবৰ্ত্তনৰ মাজেদি অগ্ৰসৰ হৈছে আৰু এনে এটা পৰিবৰ্ত্তিত অৱস্থাত উপনীত হৈছে যে নাটক অভিনয়ৰ প্ৰাচীন বৈশিষ্ট্য আজি আৰু বৰ্ত্তি থকা নাই। সত্ৰীয়া সংস্কৃতিৰ গৌৰৱময় সেই প্ৰাচীন ঐতিহ্যৰপৰা আজি আমাৰ নাট্য অভিনয় বহুত দূৰলৈ আঁতৰি আহিছে।

গতুৰা সত্ৰীয়া সংস্কৃতিক আজি আমি প্ৰকৃততে সন্মান জনাব পাৰিছোঁ নে? নতুন আৰু প্ৰাচীনৰ সংঘৰ্ষত লাহে লাহে প্ৰাচীন কলা-শিল্প, নাইকিয়া হ'বৰ উপক্ৰম হোৱা নাই নে? কিন্তু, প্ৰাচীন সত্ৰীয়া নাট-ভাওনাৰ ঐতিহ্য আমি কেনেকৈ জীয়াই ৰাখিম? এই সম্পৰ্কে কি কৈফিয়ৎ দিয়ে নাট্যকাৰে?

কৈফিয়ৎ দিছে আৰু সমাধানৰো নিৰ্দ্দেশ দিছে শিল্পী-নাট্যকাৰ যুগল দাসে, তেওঁৰ সম্প্ৰতে অভিনীত হোৱা 'বায়নৰ খোল' নাটকত। আমাৰ সমন্বয় লাগে, প্ৰাচীন আৰু নতুনৰ সহ-অৱস্থানৰ প্ৰয়োজন। দুয়ো নিজ নিজ গণ্ডীত থাকি স্বকীয় বৈশিষ্ট্য বিকশিত কৰি তোলাৰ যে প্ৰয়োজন হৈছে তাক সৰ্তকতাৰে সৈতে দেখুৱাই দিছে যুগল দাসে এই বলিষ্ঠ নাটকত।

আৰু এটা কৈফিয়ৎ আপোনাসকলে দাবী কৰিব পাৰে। মৌলিক নাটক নকৰি কিয় কেতবোৰ নাট্যকাৰে অন্য ভাষাৰ নাটক অনুবাদ আৰু অভিনয় কৰে? অভিযোগটো কৌতূহলপূৰ্ণ। পাঠ্যপুথিত বা ৰাষ্ট্ৰনীতিত ভৌগোলিক চাৰিসীমাৰ কথা নথকা নহয়। শিল্পীৰ ৰাজ্যক সেইবুলি এক ভৌগোলিক চাৰিসীমাৰ মাজত আবদ্ধ ৰাখিব নোৱাৰি। অসমত ভাল নাটক অভিনয় হোৱাটো আমাৰ কাম্য। কিন্তু বিদেশী মাত্ৰেই পৰিত্যজ্য এই ভাব কুসংস্কাৰ। গুৱাহাটীৰ ৰঙ্গমঞ্চত আমি অনেক ভাষান্তৰ কৰা নাটকৰ অভিনয় চাইছোঁ। এইবোৰৰ অনেকে আমাক আনন্দ দিছে, আমাৰ ভাব-কল্পনাক আলোকিত কৰিছে। উদীয়মান যুগসূৰ্যক অনূদিত নাটকৰ মাজেদি আমাৰ অনেক নাট্যকাৰে অভিবাদন জনাইছে। এইটো অৱশ্যে সঁচা যে বিদেশী নাটকৰ ঢলত আমি নিজকে উটাই দিয়াটো আমাৰ কেতিয়াও কাম্য হ'ব নোৱাৰে। অসমৰ ৰঙ্গমঞ্চৰ বাবে মৌলিক নাটকৰ অত্যন্ত অভাব, এই সমস্যাৰ সমাধান আমি বিচাৰিছোঁ। ছপা হোৱা নাটক আঙুলিৰ মূৰত লেখিব পাৰি, অধিকাংশই অভিনয়ৰ বাবে অনুপযোগী আৰু ব্যয়বহুল।

নাটক লেখা হয় দৰ্শকৰ আগত প্ৰেক্ষাগৃহত অভিনীত হ'বৰ বাবে। সমষ্টিগত-ভাৱে চালে নাট্য প্ৰদৰ্শন, দৰ্শক, প্ৰেক্ষাগৃহ আৰু অন্যান্য উপাদানক সমগ্ৰভাৱে লৈহে নাটখন গঢ়ি উঠে। আজিৰ নাটকত আলোক সম্পাতৰ বিচিত্ৰ ব্যৱহাৰ আৰু প্ৰয়োগ, যন্ত্ৰসঙ্গীতৰ সহায়ত নাটকীয় পৰিবেশ সৃষ্টি অৰ্থাৎ বেকগ্ৰাউণ্ড মিউজিক সংযোজন অত্যন্ত প্ৰয়োজনীয় হৈ পৰিছে। এইবোৰৰ বুদ্ধিগত ব্যৱহাৰত নাটকৰ unity of impression পৰিষ্কাৰ ৰূপত ধৰা পৰে। নাটকৰ সংলাপ কথাছবিৰ দৰে চুটি চুটি কৰা আন এটা প্ৰয়াস আজিকালি দেখা গৈছে। উদাহৰণস্বৰূপে সত্যপ্ৰসাদ বৰুৱাৰ 'মৃণাল মাহী' নাটকৰ অভিনয়লৈ আঙুলিয়াব পাৰি। একাঙ্কিকা নাটক সম্পূৰ্ণৰূপে আধুনিক যুগৰ সৃষ্টি। মঞ্চ নিৰ্দেশৰ প্ৰাচুৰ্যত আধুনিক একাঙ্কিকা নাটক উপন্যাসৰ দৰেই সুখপাঠ্য হৈ পৰিছে। এই নাটক আৰম্ভ হয় ক্লাইমেক্সত আৰু শেষ হয় এণ্টিক্লাইমেক্সত, চৰম অৱস্থা আৰু পৰিণতিত। যান্ত্ৰিক কলাকৌশলৰ ওপৰত নিৰ্ভৰতা অত্যন্ত বৃদ্ধি পোৱাত আজি নাট্য অভিনয়ে আধুনিক ৰূপত আত্মপ্ৰকাশ কৰিবলৈ সমৰ্থ হৈছে।

নাটকৰ সামগ্ৰিক আবেদন সাৰ্থক কৰাৰ দায়িত্ব অসমৰ অনেক নাট্যকাৰ-পৰিচালকে লৈছে যদিও বিশেষ অগ্ৰসৰ হোৱাত তেওঁলোক সিমান কৃতকাৰ্য্য হ'ব পৰা নাই। অসমত এতিয়াও নাট্য আন্দোলনে গা টঙাব পৰা নাই। এনেচাৰ নাট্যগোষ্ঠী অনেকৰে অৱস্থা এক সাধাৰণ মধ্যবিত্ত সংসাৰৰ দৰে অভাৱগ্ৰস্ত। চাউল থাকিলে নিমখ নাই, তেল নাই। আছে মাত্ৰ কিছুমান নাটকপ্ৰেমী লোকৰ থিয়েটাৰ কৰা দুৰ্বাৰ বাসনা। নাট্যজগতত কোন মৰিল, কোন জীয়াই আছে সেই বিষয়ে খবৰ ৰাখোঁতা নাই, অথচ নাটক বোলে জীৱনৰ প্ৰতিচ্ছবি! আমাৰ দেশত নাট্যকাৰে সাহিত্যিকৰ যশ, গৌৰৱ, স্বীকৃতি লাভৰ বাসনা আগত ৰাখি নাট্য আন্দোলনত আগবঢ়া নাই। নাট্যকাৰৰূপেই তেওঁ সমাজত চিনাকী দিয়ে।

অসমত পেটৰ ভাত মোকলাবলৈ নাটক কৰা লোক নাই। ভ্ৰাম্যমান থিয়েটাৰৰ কথা বাদ দি যিবোৰ এমেচাৰ দলে অভিনয় কৰে, তেওঁলোকৰ অনেকৰে ঘৰুৱা অৱস্থা ভাল নহয়। অনেকে থিয়েটাৰ কৰা নিচাত লাগি ঘৰত মাক-বাপেক, স্ত্ৰী, ল'ৰা-ছোৱালীৰ গালি-শপনি বিদ্ৰূপ-কদৰ্থনা খাবই লাগিছে।

নাটক এখন অভিনয় কৰোঁতে এশ এটা বিপদ চপাই লোৱা হয়। পৰিচালকৰ মূৰ ঠিক নাথাকে। ছোৱালী বিচৰাৰপৰা সাজ-পোচাক, বস্ত্ৰ-বেহানি

গোটোৱাৰলৈকে, অভিনয়ৰ আথবা কৰাৰপৰা প্ৰেক্ষাগৃহ ঠিক কৰালৈকে সকলো কাম তেওঁ কৰিব লাগে। নাটক কৰিবলৈ ছোৱালীৰ অভাৱ আজিও নাতবিল। সেইবাবে স্ত্ৰী চৰিত্ৰ বৰ্জন নাইবা এটা বা দুটাতে টানি-আজুৰি নাটক পৰিবেশন নকৰিলে উপায় নাই। ৰঙ্গমঞ্চৰ ভাড়াও অগ্ৰিম নিদিলে থিয়েটাৰ কৰা আন সুবিধা নাই। জাতীয় নাট্যশালাৰ কথা কৈ কৈ চন্দ্ৰ ফুকন, ফণী শৰ্মা মৰিয়ে গ'ল। অনেক প্ৰয়োজনীয় দৃশ্যপট অসুবিধাৰ বাবে বাদ দিব লাগে, নাইবা ঘোষকৰদ্বাৰা ঘোষণা কৰি দিব লাগে। তাতে আকৌ শেনচকুৰা নাট্য সমালোচকৰপৰা ৰেহাই নাই, কলমৰ খোচেৰে কচুকটা দিয়ে। তথাপি, সামাজিক দায়িত্ববোধৰ তাড়নাত যিসকলে আজিও থিয়েটাৰত লাগি আছে, সেইসকল লোক নিষ্ঠাবান নাট্যপ্ৰেমী, সমাজ-সচেতন দৰদী শিল্পী। তেওঁলোকৰ কষ্ট, ত্যাগ আৰু সাধনা অথলে যোৱা বস্তু নহয়।

অসমীয়া আলোচনীৰ প্ৰসঙ্গ ঃ ষাঠিৰপৰা আজিলৈ

শ্ৰীযোগেন্দ্ৰনাৰায়ণ ভূঞা

মৃত্যু জন্মৰ অনিবাৰ্য্য আৰু অৱশ্যম্ভাৱী পৰিণতি হ'লেও অপমৃত্যু বা অকাল মৃত্যু সদায়েই হৃদয়-বিদাৰক। অসমীয়া আলোচনীৰ প্ৰসঙ্গ অকাল মৃত্যুৰ প্ৰায় সাতকুৰি বছৰীয়া এটা দীঘল কাহিনী মাথোন। প্ৰসূতি-গৃহতে যিবিলাকৰ মৃত্যু ঘটে, সেইবিলাকৰ ক্ষেত্ৰত আমাৰ একো বেদনা নোপজে। বহুতো অসমীয়া আলোচনীৰ প্ৰথম সংখ্যাটোৱেই যেতিয়া 'অদ্বিতীয়' সংখ্যা হৈ পৰে, তেতিয়াও আমাৰ আক্ষেপ কৰিবলগীয়া একো নাথাকে। কিন্তু ঢাক ঢোল বজাই যাত্ৰা আৰম্ভ কৰা আলোচনীবিলাক বাদ্য ধ্বনি মাৰ যাবলৈ নাপাওঁতেই মৃত্যুৰ মুখত পৰিলে দুখতকৈও আমাৰ অশান্তিহে ওপজে বেছিকৈ। আমাৰ আলোচনীবিলাকে অন্ততঃ এটা এটা দশকো যদি পৰমায়ু লাভ কৰিলেহেঁতেন, তেতিয়াও আমাৰ ভাষা-সাহিত্যই উজ্জ্বল ৰূপ এটা পৰিগ্ৰহ কৰিলেহেঁতেন নিশ্চয়।

ব্যক্তিৰ জীৱনৰ দৰেই জাতীয় জীৱনতো একো একোটা সাময়িক ঘটনাই কেতিয়াবা সুদূৰপ্ৰসাৰী প্ৰতিক্ৰিয়া একোটাৰ সৃষ্টি কৰিব পাৰে। ১৯৬০ চনৰেপৰা বৰ্ত্তমানলৈকে আমাৰ জাতীয় জীৱনত তেনে ধৰণৰ একাধিক ঘটনাই দেখা দিয়ে। চীন আৰু পাকিস্তানৰ ভাৰত আক্ৰমণ, অসম ৰাজ্যভাষা আন্দোলন আৰু অসমত বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম আন্দোলনৰ কথা এই প্ৰসঙ্গত উল্লেখ কৰিব পাৰি। কোৱা বাহুল্য যে এই ঘটনাসমূহ আমাৰ সকলোৰে অবাঞ্ছিত। উক্ত ঘটনাকেইটাৰ ভিতৰত অন্ততঃ দুটা ঘটনাই অসমৰ জাতীয় জীৱনত, বিশেষকৈ অসমীয়া ভাষা-সাহিত্যৰ ক্ষেত্ৰত একোটা শুভ-পৰিণতিৰ সূচনা কৰিব লাগিছিল। অসমীয়াৰ জাতীয় চৈতন্য ভাষা-ভিত্তিকহে। আমাৰ চেতনাক নিৰন্তৰ জাগ্ৰত কৰি ৰাখিবৰ কাৰণে ষাঠি চনৰ ৰাজ্যভাষা আন্দোলন আৰু বাসত্তৰ চনৰ শিক্ষাৰ মাধ্যম আন্দোলনেই যথেষ্ট। কিন্তু

বাস্তৱ ক্ষেত্ৰত যি দেখা গ'ল, উক্ত ঘটনা দুটাই আমাৰ চেতনাত কেৱল সাময়িক উত্তেজনাহে যোগান ধৰিলে। নতুবা এই কথাহে সঁচা নেকি যে জীৱন্ত জাতি এটাৰ বিবোৰ লক্ষণ আমাৰ গাত থকা বাঞ্ছনীয়, দৰাচলতে সেইবোৰ আমাৰ গাত নাই? অন্যথা, ১৯৬০ চনৰপৰা আমাৰ ভাষা-সাহিত্যই সকলো ক্ষেত্ৰতে উৎকৰ্ষ লাভ কৰি স্বমহিমাত নিজে প্ৰতিষ্ঠিত হোৱাৰ উপৰি জাতি হিচাপে অসমীয়াকো সুপৰিচিত কৰি তুলিলেহেঁতেন।

অসমীয়া লেখক-লেখিকাসকলৰ সৃষ্টি-প্ৰতিভা আলোচনীগতপ্ৰাণা। মুদ্ৰাযন্ত্ৰৰ ক্ষেত্ৰত আপেক্ষিকভাৱে অনগ্ৰসৰ অসমত লেখক-লেখিকাসকলৰ সাহিত্য-চৰ্চা আলোচনীৰ বুকুতে পোনপ্ৰথমে আৰম্ভ হয়। বহু ক্ষেত্ৰত এনেকুৱাও হৈছে যে বহুতো লেখক-লেখিকাই আলোচনীৰ বুকুত সোমাই থাকিয়েই অসমীয়া সাহিত্যৰ বুৰঞ্জীত একোখন বিশিষ্ট আসন অধিকাৰ কৰি আছে (আৰু তেনে লেখক-লেখিকাৰ সংখ্যা নিচেই কম নহয়)। বহল পঢ়ুৱৈ সমাজ এখনৰ অভাৱতেই হওক বা পাঠকসকলৰ কিতাপ কিনি পঢ়া অনভ্যাসৰ ফলতেই হওক, আত্মসন্তুষ্ট আৰু অত্যুৎসাহী নহ'লে আলোচনীৰ আশ্ৰয় নোলোৱাকৈ আমাৰ কোনো নতুন লেখকেই নিজৰ ৰচনা নিজে ছপাই সাহিত্য ক্ষেত্ৰত নিজক প্ৰতিষ্ঠা কৰাৰ দুঃস্বপ্ন নেদেখে।

তেনেহ'লে আমাৰ লেখক-লেখিকাসকলৰ অগতিৰ গতি আমাৰ আলোচনী-বিলাকহে! কিন্তু বাস্তৱ ক্ষেত্ৰত এই কথাটো অসত্যাভাস (paradox) যেন লাগে, আৰু তাক তেনে ৰূপতেই গ্ৰহণ কৰাৰ বাহিৰে গত্যন্তৰ নাই। অসমীয়া সাহিত্যিকৰ সৃষ্টি-প্ৰতিভা আলোচনীগতপ্ৰাণা বুলিলে অসমীয়া আলোচনীৰ প্ৰাচুৰ্য আৰু গুৰুত্ব কথাহে প্ৰকাশ পায়। পিছে আমাৰ আলোচনীৰ এই দিশটো যদি বিচাৰ কৰা যায়, তেনেহ'লে নিৰাশ নহৈ থাকিব নোৱাৰি। যোৱা 'ষাঠি আৰু 'সত্তৰবিলাকত অসমীয়া আলোচনীৰ আশাতীত উন্নতি ঘটিব পৰা একাধিক ঐতিহাসিক কাৰণ আছিল যদিও প্ৰায় দুটা দশকত অসমীয়া সাহিত্যৰ গতিপথ পৰিবৰ্তন কাৰব পৰাকৈ আমাৰ আলোচনী-জগতত তেনে ধৰণৰ কোনো ক্ৰান্তিকাৰী ঘটনা নঘটিল।

অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ যুগ-বিভাজনত যে আমাৰ কেইবাখনো আলোচনীৰ নাম জড়িত হৈ আছে, সেইটো নিশ্চয় লক্ষ্যণীয় বিষয়। এই কথাই অসমীয়া সাহিত্যত আলোচনীৰ ভূমিকাৰ বিশালতাকে সূচাইছে। কোনো ব্যক্তি-বিশেষৰ সাহিত্যিক কৃতি আৰু কীৰ্তিতকৈ একোখন আলোচনীৰ কীৰ্তিবেহে

অসমীয়া সাহিত্যৰ একোটা কালৰ চিহ্নিতকৰণ হৈছে। অৰুণোদয় যুগ, জোনাকী যুগ, বাঁহী যুগ, আৱাহন যুগ, জয়ন্তী যুগ বা ৰামধেনু যুগ বুলিবলৈ আমি কোনেও দ্বিধাবোধ নকৰোঁ; কিন্তু এই কথাৰ পৰিপ্ৰেক্ষিতত শংকৰী যুগ বা বেজবৰুৱা যুগ একোটা ব্যতিক্ৰমহে মাথোন। আলোচনীবোৰৰ ক্ষেত্ৰত যে আমি বৰ উদাৰ, সাহিত্যিক ব্যক্তি একোজনৰ প্ৰতি আমি পোষণ কৰা কৃতজ্ঞতা আৰু স্বীকৃতিতকৈ যে একোখন আলোচনীৰ প্ৰতি আগবঢ়োৱা আমাৰ কৃতজ্ঞতা আৰু স্বীকৃতিৰ পৰিমাণ বহুত বেছি, এই কথাই কিজানি তাৰো ইঙ্গিত দিব পাৰে।

কিন্তু ইমানখিনি সত্ত্বেও, বাস্তৱপক্ষে আজিলৈকে অসমীয়া আলোচনীৰ কাহিনী বেদনাদায়ক। উপৰোক্ত আলোচনী কেইখনৰ শেষোক্তখনৰ পাছত আজি প্ৰায় দুটা দশকত আমাৰ আলোচনীৰ হতাশাজনক ছবিখনে অসমীয়া সাহিত্যৰ সঙ্কট-দশাৰহে ইঙ্গিত বহন কৰিছে। যোৱাটো দশকৰ মাজভাগত (১৯৬৬) ঘটা ৰামধেনুৰ মৃত্যু অসমীয়া জাতিৰ জীৱনত এটা করুণ ঘটনা বুলিলে নিশ্চয় অতিশয়োক্তি নহ'ব। আমি ভাবোঁ, এটা জাতিয়ে দূৰ কৰিব নোৱৰা কোনো অপাৰ্থিব কাৰণ এই আলোচনীখনৰ মৃত্যু-দশাৰ লগত নিশ্চয় জড়িত নাই। তথাপি ৰামধেনুৰ মৃত্যু হ'ল। ক্ষীণপ্ৰভ, হীনপ্ৰভ দুই-এখন আলোচনী তেতিয়াও ওলায় বাবেই, বিশেষকৈ মণিদীপৰ (১৯৬০-১৯৬৯) প্ৰকাশ তেতিয়াও অব্যাহত থকা বাবেই বোধহয় ৰামধেনুৰ অৱলুপ্তিয়ে আমাৰ সাহিত্যত বিশেষ ধৰণৰ অশুভ পৰিণতিৰ সৃষ্টি কৰিব বুলি আমি নাভাবিলোঁ। লʼচাকৈয়ে মণিদীপে ৰামধেনুৰ স্থান দখল কৰিবও পাৰিলেহেঁতেন। যুগ এটা সৃষ্টি কৰিব পৰা সকলোখিনি শক্তি-সামৰ্থ্য ৰামধেনুৰ দৰেই মণিদীপৰো আছিল। কিন্তু আলোচনীখনৰ সম্পাদকীয় নেতৃত্বৰ সঘন পৰিবৰ্তনেই সেই বাটত বাধা দিয়ে বুলি তেতিয়া নহ'লেও এতিয়া অনুমান কৰাত একো অসুবিধা নাই।

'বৰ্হিবিলাকৰ মাজভাগতে (১৯৬৩-১৯৬৭) হোৱা সাদিনীয়া নৱযুগৰ প্ৰকাশ অসমীয়া আলোচনী সাহিত্যত এটা যুগান্তকাৰী ঘটনাৰূপে পৰিচিহ্নিত হৈ থাকিলহেঁতেন। আমাৰ সাহিত্যত প্ৰকৃত অৰ্থতে এটা নতুন যুগ সৃষ্টি কৰিব পৰাৰ সকলোখিনি সম্ভাৱনা আৰু প্ৰতিশ্ৰুতি নৱযুগেও বহন কৰি আনে। তত্ৰাচ সাদিনীয়া নৱযুগে অসমীয়া সাহিত্যত এটা মধুৰ সপোনৰ স্মৃতিহে মাথোন আঁকি থৈ গৈছে—বুজিব নোৱৰা, বুজাব নোৱৰা ক্ষণস্থায়িত্বৰে।

সাদিনীয়া নৱযুগৰ অৱসানৰ ঘটাৰ পৰৱৰ্তী বছৰতে (১৯৬৮) অসমীয়া

আৰু প্ৰহৰীৰ প্ৰকাশ অসমীয়া আলোচনী সাহিত্যৰ আন দুটা উল্লেখযোগ্য ঘটনা। বিশেষকৈ অসমীয়াৰ গুৰু-গাম্ভীৰ্য আৰু উন্নত ৰুচিবোধে পঢ়ুৱৈ-সকলৰ মনত বহু পৰিমাণে আশাৰ সঞ্চাৰ কৰে। আলোচনী এখন কিমান উচ্চ মানবিশিষ্ট হ'ব পাৰে, অসমীয়া তাৰ এটা প্ৰকৃষ্ট উদাহৰণ। সমসাময়িক বিশেষ দলীয় ৰাজনৈতিক চিন্তা-চৰ্চাই শেহৰ কালে নৱযুগৰ প্ৰতি বহুতো পাঠকৰ বীতৰাগ সৃষ্টি কৰে; কিন্তু কেৱল সাহিত্য আৰু সাহিত্যিক চিন্তাৰ সম্ভাৰেৰে এই মাহেকীয়া আলোচনীখনে সাহিত্যৰ লগত সম্পৰ্ক থকা সুৰুচিসম্পন্ন যি কোনো পাঠককে শেহৰ দিনটোলৈকে আকৰ্ষণ কৰি ৰাখিবলৈ সমৰ্থবান হ'ল। তথাপি অভাবনীয়ভাৱে অসমীয়াৰ গতি স্তব্ধ হৈ গ'ল সত্তৰ চনৰ মাজভাগতে, আৰু তাৰ লগে লগেই এই দশকটোত অসমীয়া সাহিত্যলৈ নামি আহিল স্থবিৰতা, অনিশ্চয়তা আৰু হতাশা। যিটো জাতিৰ উচ্চ মানবিশিষ্ট মাহেকীয়া সাহিত্যালোচনী এখনৰো অভাৱ, সেই জাতিটো জীয়াই থকাৰ সাৰ্থকতা বিচাৰি বহুতো লোকে হাবাথুৰি খালে এই দশকটোৰ আৰম্ভণিতে। ১৯৭০ চনৰ মে' মাহত ঘটা অসমীয়াৰ মৃত্যুৰপৰা ১৯৭৫ চনৰ এপ্ৰিল মাহত হোৱা প্ৰকাশ আলোচনীৰ জন্মলৈকে— এই সম্পূৰ্ণ পাঁচ বছৰ কালৰ অসমীয়া সাহিত্যক ৰাহুগ্ৰস্ত বুলিব লাগিব। প্ৰকাশ জন্ম হোৱাত আৰু সম্প্ৰতি মাহেকীয়া হোৱাত আমি নিশ্চয় স্বস্তিৰ নিশ্বাস কাঢ়িব পাৰিছোঁ; কিন্তু উক্ত ৰাহুগ্ৰস্ত কালছোৱাত অসমীয়া সাহিত্যত বিৰাজ কৰা শূন্যতা কিমান ভয়াবহ, বৰ্তমানৰ স্বস্তিৰ কালত সেই ভয়াবহতাৰ পৰিমাণ দাঙি ধৰা সম্ভৱ নহয়।

যোৱাটো দশকত অসমীয়া আলোচনীৰ জন্মহাৰ বহু পৰিমাণে বৃদ্ধি পাইছে; তাৰ তুলনাত এইটো দশকত জন্ম-নিয়ন্ত্ৰণ ঘটিছে। একপ্ৰকাৰৰ শুভ লক্ষণেই বুলি ক'ব পাৰি। কিন্তু বাঠিৰ বুকুৰপৰা আহি থকা আৰু অসমীয়া সাহিত্যত যুগ সৃষ্টি কৰিব পৰা আলোচনীহে এতিয়াও আমাৰ নাই। বাঠিৰ সিপাৰৰপৰা অহা অসম সাহিত্য সভা পত্ৰিকা আৰু আমাৰ প্ৰতিনিধিৰ কথা সুকীয়া। প্ৰথমোক্তখনৰ চৰিত্ৰ বেলেগ। দ্বিতীয়খনে এচাম নতুন লেখক-লেখিকাক আত্মপ্ৰকাশৰ সুবিধা দিছে যদিও অসমীয়া ভাষা-সাহিত্যৰ গতি-পথ নিৰ্ণায়ক ৰূপে এই আলোচনীৰ ভূমিকা এতিয়াও লেখৰ হোৱা নাই। অৱশ্যে অসমীয়া পঢ়ুৱৈ সমাজ এখন সৃষ্টি কৰাৰ ক্ষেত্ৰত আমাৰ প্ৰতিনিধিৰ নিশ্চয় এটা ঐতিহাসিক গুৰুত্ব থাকিব। একে ধৰণৰ গুৰুত্বৰ

বাবে বিস্ময় (১৯৬৯) আলোচনীৰ নামোল্লেখ নোহোৱাটো অনুচিত হ'ব। এক ধৰণৰ নতুন স্বাদৰ যোগান ধৰি বঙলা আলোচনীৰ কাৰবপৰা বহুতো অসমীয়া পঢ়ুৱৈক ঘুঁৰাই আনি বৃহত্তৰ অসমীয়া পঢ়ুৱৈ সমাজ এখন সৃষ্টি কৰিবলৈ সক্ষম হোৱা বাবে এই আলোচনীকো অসমীয়া সাহিত্যৰ ভৱিষ্যত ইতিহাসে এডোখৰ সুকীয়া ঠাই নিশ্চয় দিব লাগিব। অৱশ্যে পঢ়ুৱৈৰ ৰুচি সৃষ্টি কৰাৰ ক্ষেত্ৰত বিস্ময়ৰ ভূমিকাৰ প্ৰতিক্ৰিয়া অসমীয়া সমাজত কেনে হ'ব পাৰে, সেই ভৱিষ্যদ্বাণীহে এতিয়াই কৰিব পৰা হোৱা নাই। তথাপি বিস্ময়ৰ লেখীয়া আলোচনীও আমাক লাগে।

বাঠিবপৰা আজিলৈ অসমীয়া আলোচনীৰ নামোল্লেখেৰে দীঘল তালিকা এখন আমি দাঙি ধৰিব নোখোজোঁ। প্ৰায় দুটা দশকত বহুতো আলোচনীৰ জন্ম হৈছে; হয়তোবা মৰিবৰ বাবেই জন্ম হৈছে বহুতৰে। বহুতো যে আজিও জীয়াই আছে, সেই কথাও সত্য। পিছে, কেৱল শ্বাস-প্ৰশ্বাসৰ প্ৰক্ৰিয়াটোকে প্ৰকৃত জীৱন বুলিব নোৱাৰি। তথাপি এই আলোচনীবোৰৰ প্ৰয়োজন আছে। অসমীয়া সাহিত্যত এইবোৰেও পলস নেপেলোৱাকৈ নাথাকে।

এতিয়া প্ৰশ্ন হ'ল—কিয় এই অৱস্থা? আৰু এই অৱস্থায়েই অসমীয়া আলোচনীৰ অখণ্ডনীয় ভাগ্যলিপি হৈ থাকিব নেকি? অসমীয়া আলোচনীৰ গতি আজিৰপৰা প্ৰায় এশ বছৰৰ আগতে চন্দ্ৰকুমাৰ আগৰৱালাই জোনাকীৰ আগকথাত কৈ যোৱা "কচুপাতৰ পানীটুপি"ৰ দৰেই হৈ থাকিব নে? সম্প্ৰতি আমাৰ পঢ়ুৱৈ সমাজ এখন গঢ় লৈ উঠিছে বুলি নিশ্চয় ক'ব লাগিব। সেয়ে হ'লেও, সুৰুচিসম্পন্ন পঢ়ুৱৈৰ সংখ্যা বৃদ্ধি নোপোৱালৈকে আমাৰ আলোচনীৰ এই অমঙ্গলীয়া কাহিনীৰ ওৰ নপৰে। সেই সুৰুচি সৃষ্টি কৰিব লাগিব আলোচনী-বিলাকেই। সৰ্বসাধাৰণ পঢ়ুৱৈৰ ৰুচিৰ পৰ্যায়লৈ একোখন আলোচনী নিজে নামি অহাৰ পৰিবৰ্তে আলোচনীখনৰ সুৰুচিৰ কাষলৈ পঢ়ুৱৈ সাধাৰণক উত্তোলন কৰাৰ প্ৰয়াস আলোচনীখনে কৰাটো বাঞ্ছনীয়। আনহাতে, কেৱল ধনৰ মোনাটো দৃষ্টিত ৰাখি আলোচনী উলিওৱা প্ৰকাশক-সম্পাদকসকলৰ যে আমাৰ পঢ়ুৱৈ সমাজৰ মাৰ্জিত ৰুচিক অপমান কৰাৰ অধিকাৰ নাই, সেই কথাও অসমীয়া সমাজে বুজাই দিব পাৰিব লাগিব। আলোচনী-প্ৰকাশনৰ উদ্যোক্তা-সকলে ক্ষন্তেকীয়া উত্তেজনা যিমানে পৰিহাৰ কৰে, সিমানেই আমাৰ আলোচনীৰ মঙ্গল। সু-নিৰ্দ্ধাৰিত আঁচনি বা পৰিকল্পনাৰ অন্তাৰত সাময়িক

উত্তেজনাত জন্ম পোৱা আলোচনী এখন পুষ্টিহীনতাত ভোগাটো স্বাভাৱিক। এই ক্ষেত্ৰত উদ্যোক্তাসকলে মনত ৰখা উচিত যে আলোচনী এখনক স্বাৱলম্বী কৰি গঢ়ি তুলিব নোৱাৰিলে নাইবা স্বাৱলম্বী নোহোৱালৈকে পুষ্টি যোগোৱাৰ সামৰ্থ্য নাথাকিলে আলোচনী এখন জন্ম দিয়াৰ নৈতিক অধিকাৰো তেওঁলোকৰ নাথাকে। চৰকাৰী-বেচৰকাৰী বিজ্ঞাপন কিছুমান ছপা কৰি কেইহাজাৰমান টকা সংগ্ৰহ কৰাৰ অভিপ্ৰায়ত এটা বা দুটা সংখ্যা প্ৰকাশ কৰা আলোচনীৰ সংখ্যা আলোচ্য সময়ছোৱাৰ ভিতৰত বৰ কম নহয়। অসমীয়া পাঠক বুভুক্ষিত হ'লেও বিজ্ঞাপন-সৰ্বস্ব আলোচনীৰে পাঠকক প্ৰবঞ্চনা কৰাৰ অধিকাৰখিনি প্ৰকাশক সম্পাদকসকলক আমি সদায়েই দি থাকিব নোৱাৰোঁ। পাঠকৰ মনৰ ক্ষুধা নিবৃত্তিৰ ব্যৱস্থাও উদ্যোক্তাসকলে কৰিব লাগিব।

পিছে, অসমীয়া আলোচনীৰ অকাল মৃত্যুৰ পাপৰ বোজা আমাৰ পঢ়ুৱৈ সমাজখনৰ গাতহে বেছিকৈ পৰিছে। শতকৰা হাৰ সন্তোষজনক নহ'লেও বছৰে বছৰে শিক্ষিত অসমীয়াৰ সংখ্যা বাঢ়িছে। অসমৰ কলেজ-বিশ্ববিদ্যালয়ত ভৰ্তি হোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যায়ো এই কথা ক'ব। কিন্তু এই ছাত্ৰ-ছাত্ৰীসকলৰ কিমানে অসমীয়া আলোচনীৰ সম্ভেদ ৰাখে? চাকৰি-বাকৰিৰে আৰ্থিক দিশত প্ৰতিষ্ঠিতসকলৰেইবা কিমানে কেইখন অসমীয়া আলোচনী কিনি পঢ়িছে? অসমীয়া শিক্ষিত সমাজখন প্ৰকৃত অৰ্থত পঢ়ুৱৈ সমাজত পৰিণত হ'ব কেতিয়া? আমাৰ বহুতো তথাকথিত বুদ্ধিজীৱীৰ আকৌ অসমীয়া আলোচনীৰ ক্ষেত্ৰত নাসিকা-কুঞ্চন এটা স্বাভাৱিক প্ৰবৃত্তি স্বৰূপ হৈ পৰিছে। যিয়া আলোচনী এখন কিনিবলৈ আমি কাকো বাধ্য কৰিব নোৱাৰোঁ। কিন্তু অসমীয়া মাত্ৰেই পৰিত্যাজ্য,—এই হীনমন্যতা এটা ৰোগহে, আৰু তাৰ অপনোদনৰ দিহা কৰা বাঞ্ছনীয়। সংজ্ঞাৰ (১৯৭৫) লেখীয়া আলোচনীৰ বাবে আমাৰ যিকোনো বুদ্ধিজীৱীয়েই গৌৰৱ কৰিব পাৰে নিশ্চয়। ত্ৰৈমাসিক হোৱা বাবে অসমীয়া সাহিত্যত সংজ্ঞাৰ ভূমিকা কেনে হ'ব,—সেই কথা অনুমান কৰিব নোৱাৰি। অসমীয়া আলোচনীৰ অপমৃত্যুৰ বাবে প্ৰকাশক-সম্পাদকসকল যিবোৰ দোষত দোষী, আমাৰ বোধেৰে প্ৰকাশৰ ক্ষেত্ৰত বৰ্তমানলৈকে সেই দোষবোৰ উদ্‌ঘাটন কৰিবলৈ ছিদ্ৰান্বেষীসকলেও পৰিশ্ৰম কৰিবলগীয়া হৈছে। এনে চৰিত্ৰ লৈ গৈ থাকোঁতেও যদি আলোচনীখনৰ কিবা অঘটন ঘটে, তাৰ বাবে দায়ী হ'ব লাগিব আমিয়েই, আমাৰ শিক্ষিত সমাজখনেই। তাৰ আগতে আমি 'শিক্ষিত'সকল 'পঢ়ুৱৈ'সকললৈ ৰূপান্তৰিত হ'ব নোৱাৰিম নে?

প্ৰাচীন অসমৰ স্থাপত্য

শ্ৰীলীলা গগৈ

প্ৰাচীন কামৰূপৰ স্থাপত্য আশানুৰূপ চহকী নাছিল। অসমৰ সেমেকা জল-বায়ু আৰু প্ৰলয়ংকৰী ভূমিকম্পৰ প্ৰাদুৰ্ভাৱেই ইয়াৰ মূল কাৰণ। তদুপৰি অসমৰ দাতি-কাষৰৰ পৰ্বতত পোৱা শিলৰ অৱস্থাও সিমান উপযোগী নহয়, শিলবোৰ কোমল। সেইবাবে প্ৰাচীন কামৰূপত মঠ-মন্দিৰ শিলেৰে তৈয়াৰ কৰিবলৈ যত্ন কৰিলেও সাধাৰণ মানুহৰ থকা-ঘৰ শিলেৰে তৈয়াৰ কৰাৰ উদাহৰণ পোৱা নাযায়। অসমৰ জলবায়ুৰ লগত সঙ্গতি ৰাখি দুচলীয়া খেৰৰ চালৰ কাঠ-বাঁহৰ ঘৰেই যুগ-যুগান্তৰ ধৰি জনপ্ৰিয় হৈ আহিছে। 'টেৰাক'টা' ভাস্কৰ্যৰ প্ৰাচীন চানেকী দুই-এটা পোৱা গ'লেও, গৃহ-নিৰ্মাণৰ অৰ্থে ইটাৰ ব্যৱহাৰ বহুলভাৱে আহোম যুগতহে আৰম্ভ হয়, সিও সপ্তদশ শতিকাৰ পিছত। আহোম ৰাজ্যতো কেৱল ৰজাৰ অট্টালিকা দুটা, ৰংঘৰ আৰু দুটামান খাৰঘৰৰ বাহিৰে বাকী সকলোতে ইটাৰ লগতে সমানে শিলৰ ব্যৱহাৰ দেখা যায়।

তেজপুৰ, ডবকা, গুৱাহাটী, যোগীঘোপা, ডিমাপুৰ, কাছমাৰী, সুমলীগড় আদিত খৃষ্টীয় নৱম-দশম শতিকাৰ স্থাপত্যৰ প্ৰচুৰ ধ্বংসাৱশেষ পোৱা গৈছে। এইবোৰৰপৰা সম-সাময়িক যুগৰ ধৰ্মীয় জীৱন আৰু ভাস্কৰ্য-শিল্পৰ উৎকৰ্ষ সাধনৰ চানেকী দেখা পাওঁ, কিন্তু মন্দিৰবোৰৰ গঢ় বা আকৃতি কেনে আছিল তাক ধৰিব নোৱাৰি। অনুমান কৰিব পাৰি—মাটিৰ অলপ তলৰপৰাই ভেটিটো গাঁথি আনিছিল। ডাঙৰ ডাঙৰ চাৰিচুকীয়া শিলৰ টুকুৰা গাঁথি মন্দিৰৰ গা-ঘৰটো তৈয়াৰ কৰিছিল। শিলৰ গাত সৰু সৰু বিন্ধা কৰি তাতে লোৰ শলখা ভৰাই দুটুকুৰা শিলৰ সমন্বয় ঘটাইছিল। সেয়েহে ভূমিকম্পৰ সময়ত জোকাৰ খাই শিলৰ টুকুৰাবোৰ ছেৰেলি-ভেৰেলি হৈ পৰিছিল। অৰুণাচলৰ ছিয়াং জিলাৰ দক্ষিণ সীমান্তত অৱস্থিত মালিনীথানৰ মন্দিৰটো এনেকৈ খহি

পৰ্যাৰ চিন পোৱা যায়। এতিয়া কোনো কোনো মন্দিৰৰ ভেটিটোৰ আকাৰ আৰু গাঁথনিৰ আৰ্হি অলপ অনুধাৱন কৰাৰ বাহিৰে মূল মন্দিৰবিলাকৰ ওপৰভাগৰ বিষয়ে ধাৰণা কৰা কিছু কঠিন কাম। মন্দিৰ বা ৰজাৰ নগৰৰ তোৰণ বা দুৱাৰৰ কেইটিমান অৱশেষ অৱশ্যে অক্ষত অৱস্থাত পোৱা গৈছে, যেনে—দহ পৰ্বতীয়াৰ গঙ্গা-যমুনা অংকিত তোৰণ, বীয়াজুৰিৰ তোৰণ, ডিমাপুৰৰ তোৰণ আদি শিলত কটা আৰু আগতে কৈ অহা ধৰণেৰেই গঁথা। উত্তৰ গুৱাহাটীত থকা শিলৰ সাকোঁখনো প্ৰাক-আহোম যুগতে নিৰ্মিত।

আহোম যুগত স্থাপত্য-বিদ্যাত সমন্বয় আৰু উৎকৰ্ষ সংযোজিত হয়। এতিয়া যিমানবোৰ মঠ-মন্দিৰ, অট্টালিকা, গড়-সাকোঁ অক্ষত অৱস্থাত আছে, এই সকলোবোৰ আহোম যুগত নিৰ্মিত। কামাখ্যাৰ মন্দিৰ কোঁচৰজা নৰনাৰায়ণৰ আৰু পৰবৰ্তী যুগৰ বাকী সকলো মন্দিৰেই অষ্টাদশ শতিকাৰ। আহোম যুগতো ৰজা-প্ৰজা সকলোৱে কাঠ-বাঁহৰ ঘৰহে ভাল পাইছিল। জয়ধ্বজসিংহৰ দিনত (১৬৪৮—১৬৬৩) ৰজাৰ হোলোং ঘৰটো দীঘে ১২০ হাত, পথালিয়ে ৩০ হাত। ঘৰটোত চাৰিহাত বেৰৰ ৬৬টা কাঠৰ খুটা আছিল। খুটাবোৰ হেঙুল-হাইতাল আৰু বহুমূলীয়া ৰহণ সানি চিকমিকীয়া কৰি থৈছিল। এই ঘৰটো মোৱামৰীয়াই জুই দি পোৰে।

ৰুদ্ৰসিংহ স্বৰ্গদেৱেই (১৬৯৬—১৭১৪) পোনতে পকীঘৰ নিৰ্মাণৰ বাট কাটে। তেৱেঁই ৰংপুৰত নগৰ কৰি পকী কাৰেংঘৰ আৰু তলাতল ঘৰ নিৰ্মাণ কৰায়। বুৰঞ্জীত আছে ১৬২৯ শকৰ (১৭০৭ চন) কাতি মাহত ইটাৰে পকীঘৰ সজাই কাঠৰ চ'তি-মাৰলি-কৰা দি তাৰ ওপৰত ইটা এজাপ জাপি, ওপৰত কৰাল লিপি চালখন চাইছিল। কিন্তু বাৰ বছৰৰ পিছত ইটা খহি পৰে। তেতিয়া সেই কাঠৰ কৰাৰ ওপৰতে ইটাৰ সলনি খেৰেৰে চালে। ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ ৰঙঘৰ, বৰ বাটঘৰ, ৰৰমৰং, চাংমাইশাল, ৰৰচ'ৰা আটাইকেওটা ঘৰেই কাঠৰ কৰাৰ ওপৰত ইটাৰে চাইছিল। ইয়াৰ পিছত প্ৰমত্তসিংহৰ দিনত ৰংঘৰ, ৰাজেশ্বৰসিংহৰ দিনত তলাতল ঘৰ আৰু কাৰেংঘৰ সজায়। এই কেওটা ঘৰ ইটাৰ আৰু থলুৱা মমলেৰে তৈয়াৰী কৰালেৰে গঁথা। সেই সময়ৰেপৰা মঠ-মন্দিৰ আদিও ইটাৰে তৈয়াৰ কৰা হয়। শিৱসাগৰৰ শিৱদ'লটো অৱশ্যে চটীয়া শিলৰ। আনপিনে জয়সাগৰৰ পশ্চিম পাৰত থকা নাতিগোসাঁই বা ঘনশ্যামৰ দ'লটো সম্পূৰ্ণ ইটাৰ আৰু টেৰাক'টা ভাস্কৰ্যৰ উৎকৃষ্ট চানেকী।

মন্দিৰ নিৰ্মাণ কৰিবৰ বাবে ইটাতকৈ শিলহে অধিক ব্যৱহৃত হৈছিল। গোটা আৰু চটীয়া দুয়োবিধ শিল আৱশ্যক অনুসৰি ব্যৱহৃত হৈছিল। মন্দিৰৰ ভেটি গোটা বা লঠিয়া শিল গাঁথি তৈয়াৰ কৰা হৈছিল। শিল বাছি উলিয়াই প্ৰয়োজন মতে কাটি ঠিক ঠাক কৰিবলৈ শিলাকুটি নামেৰে এটা খেল নিযুক্তি দিয়া হৈছিল। সেইদৰে কৰাল তৈয়াৰী কৰিবলৈকো নিৰ্দ্ধাৰিত খেলৰ পাইকত মানুহ নিযুক্ত হৈছিল। নিৰ্দিষ্ট অনুপাতত তেল, শণ, ধুনা, গুৰ, মাছ, চুণ, ইটাগুৰি আৰু মাটিমাহ মিহলাই কৰাল তৈয়াৰ কৰা হৈছিল। অধিক উৎকৃষ্ট কৰাল তৈয়াৰ কৰিবলৈ হাঁহকণী, বৰা চাউল, গাধীৰ আৰু বৰালি মাছো মিহলি কৰিছিল। দেৱগাঁৱৰ দ'লটোত ব্যৱহাৰ হোৱা বস্তু-বস্তুৰ হিচাপৰপৰা ইয়াৰ প্ৰমাণ পাব পাৰি। লঠিয়া শিল ৫০৪৭০টা, ইটা ১০৫৫০২০ খন, গুৰ ১৪৯০ কলহ, মাহ ২১৪ পুৰা, শণ ৩০ ডাঙ্গ, তেল ৪৪ কলহ, মাছ ৪৫ ডাঙ্গ, চুণ-গুৰি ৪৫২০ ঢোল, চকাচুণ ৩৬৩০ কলহ। গড়গাঁৱৰ কুজিঘৰত গুৰ ৩৭৯২ কলহ, মাহ ৫২৮ ঢোল, শণ ৫২৮ ঢোল, শামুকৰ গুৰি ৭০০০ ঢোল, বৰালি মাছ ৬০ ডাঙ্গ, তেল ৩০ কলহ, চকাচুণ ৮০৮৪ কলহ, শিলচুণগুৰি ৬১০০ ঢোল। আনপিনে প্ৰমত্তসিংহৰ (১৭৪৪—১৭৫১) পাটঘৰত ব্যৱহৃত সমলৰ তালিকাৰপৰা কাঠ-বাঁহৰ ঘৰ এটাৰ ধাৰণা কৰিব পাৰি। কৰা ১২৮০টা, শৰাহকামী ৮।।০ কাওন, বানকামী ১৩।।০ কাওন, টুপৰ কামী ১১ কাওন, চাৰনি কামী ৩ কাওন—মুঠ ৩৫।।০ কাওন। খেৰ ৪৬৪০৮০টা, টকৌ পাত ৪৩৪০৮০টা, বেত—বৰ সূত ১৬৮০টা, সৰু সূত ৫১ কাওন। সেইদৰে ঘৰবিলাকৰ দীঘল-পুতল আৰু আকাৰ-প্ৰকাৰৰ বিবৰণো বুৰঞ্জীত পোৱা যায়।

আহোম যুগৰ স্থাপত্য-শিল্পক ছটা ভাগত ভগাব পাৰি—(১) দ'ল-দেৱালয় (২) ৰাজকাৰেং (৩) সাকোঁ (৪) মৈদাম (৫) গড়-আলি (৬) পুখুৰী। দ'ল-দেৱালয়ৰ আৰ্হি উত্তৰ-ভাৰতত প্ৰচলিত নাগৰীশৈলীৰ। তথাপি এটা বৈশিষ্ট্য মন কৰিবলগীয়া। উত্তৰ ভাৰতৰ মন্দিৰৰ বিগ্ৰহ স্থান ভেটিৰ ওপৰত, আনপিনে অসমৰ মন্দিৰৰ বিগ্ৰহ ধৰাতলৰ তলত থাকে। গাৰ আৰ্হি অগ্নি-পুৰাণত বৰ্ণিত আৰ্হিৰ অনুৰূপ। ৰাজকাৰেং বা ৰংঘৰৰ ক্ষেত্ৰতো এটা বিশেষ বৈশিষ্ট্য মন কৰিবলগীয়া। তলাতল ঘৰৰ ওপৰত থকা বাটঘৰকেইটা, খাৰঘৰ আৰু ৰংঘৰৰ চালখন ইটাৰে পকী হ'লেও খেৰৰ চালৰ আৰ্হিৰে হেলনীয়া আৰু দুচলীয়া। দুৱাৰ-খিৰিকীত মোগল প্ৰভাৱ অনুভূত হ'লেও চালখন সম্পূৰ্ণ থলুৱা আৱশ্যকতাৰে নিৰ্মিত। বেৰত কৰালেৰে নিৰ্মিত

লতা-পাত, মূৰ্তি আদি অংকিত। আগৰ দিনত এইবোৰত বহল সানি জকমকীয়া কৰা হৈছিল। আহোম ৰজাসকলে নৈৰ ওপৰত শিল-ইটাৰে দলং নিৰ্মাণ কৰিছিল। লক্ষ্মীসিংহ স্বৰ্গদেৱে (১৭৬৯-১৭৮০) গড়গাঁৱৰ ওচৰৰ চুণপোৰা ঘাটত দিখৌ নৈত এখন দলং সাজিবলৈ সমল গোটাইছিল। কলীয়াভোমোৰা বৰফুকনে শিলঘাটৰ ভোমোৰাগুৰিত ব্ৰহ্মপুত্ৰৰ ওপৰতো দলং এখন সাজিবলৈ গোটোৱা শিলৰ খুটা এতিয়াও পৰি আছে। আনপিনে ৩৭ নং ৰাষ্ট্ৰীয় ৰাজপথত নামডাং নৈৰ ওপৰৰ শিলাসাকোঁ আজি তিনি শ বছৰ অক্ষত অৱস্থাত আছে। তদুপৰি শিমলুগুৰিৰ ওপৰত দৰিকাৰ শিলাসাকোঁ, ধোপাবৰৰ ওচৰত দিজৈৰ শিলাসাকোঁ আৰু ন-দুৱাৰৰ পানীৰ ধোন্দ এতিয়াও ভালে আছে। নাকুৰুৰ শিলাসাকোঁ, ডিমৌৰ শিলাসাকোঁ, হাঁহচৰাৰ শিলাসাকোঁ আদি ধ্বংসৰ বুকুত লীন গ'ল। এই সাকোঁবোৰ চটীয়া শিল শলথা মাৰি গাঁথি তৈয়াৰ কৰিছিল।

আহোমসকলে শিৱসিংহৰ দিনতে মৰা-শ কাঠ-সংস্কাৰ কৰিবলৈ আৰম্ভ কৰে। তাৰ আগতে শৱ পুতি ওপৰত মৈদাম বান্ধিছিল। এনে মৈদাম দুবিধ—সাধাৰণ আৰু পকী। সাধাৰণ মৈদামবোৰ শাল-শিঙৰী আদি কাঠৰ খুটাৰে এটা গড় মাৰি ওপৰত কাঠৰ ডাঠ পাট দি ভিতৰত শৱটো থৈ ওপৰত মাটি দি মৈদাম বন্ধা হয়। পকী মৈদামৰ গৰ্ভগৃহটো শিল-ইটাৰে সাজি ভিতৰত শৱ থৈ ওপৰত মাটিৰে মৈদাম বান্ধি তাৰ ওপৰত ইটা গাঁথি পকী কৰা হয়। কেতিয়াবা চাৰিওফালে ইটাৰে পকী বেৰ দিয়াও দেখা যায়। চৰাইদেঙত থকা এটা মৈদামত বাটচ'ৰাটোও ইটাৰে ধুনীয়াকৈ পকী কৰি দিয়া দেখা যায়। বুৰঞ্জীৰ হিচাপত দেখা যায়, কোনো কোনো মৈদাম বিশেষ যত্নেৰে আৰু আড়ম্বৰেৰে কৰা হৈছিল।

দেশৰ নিৰাপত্তাৰ অৰ্থে গড় নিৰ্মাণ কৰা হৈছিল। আহোম যুদ্ধ-ব্যৱস্থাত দুৰ্গ আৰু বেতনভোগী সৈনিকৰ ব্যৱস্থা নাছিল। দেশ ৰক্ষা কৰাটো প্ৰত্যেক পাইকৰে অৱশ্য কৰ্তব্য। দুৰ্গ ব্যৱস্থা নাছিল বাবেই সামৰিক দিশৰপৰা গুৰুত্বপূৰ্ণ ঠাইবোৰত কিছুমান গড় নিৰ্মাণ কৰি চকীৰ ব্যৱস্থা কৰিছিল। উত্তৰ কামৰূপৰ দলিবাৰী-পচৰিয়াত প্ৰথম গড়টো আছিল। তাৰপিছত ক্ৰমে গুৱাহাটীৰ ৰাজগড়, চামধৰা গড়, বাঙলু গড়, দুমলীগড়, লাদৈ গড়, কাটাৰীখানৰ গড়, চিন্তামণি গড়, মাছখোৱা গড়, কেৰিমেৰি গড়, বাঁহগড়—ইটোৰ পিছত সিটোকৈ গড় নিৰ্মিত হৈছিল। লাদৈগড়, ৰাজগড়, মিচিমি গড়, ডকলা গড়,

চোৱাঙল গড়, যেৰাগড়ে উজনিখণ্ড বেৰি আছিল। এই গড়বোৰ বাহিৰফালে দকৈ খাৱৈ খান্দি পানীৰে উপচাই দিয়া হৈছিল। গড়বোৰ ওঠৰ-কুৰি হাত ওখ আছিল। বাহিৰফালে ইমান থিয়কৈ গৰা কাটি দিয়া হৈছিল যে মানুহ বগাই উঠিব নোৱাৰিছিল। তদুপৰি কোনো কোনো গড়ৰ ওপৰত কাঁইটীয়া কোটোহা-যোকাল বাঁহ ঘনকৈ কই চিৰদিনীয়া জেওৰা সৃষ্টি কৰা হৈছিল। ইয়াৰ উপৰিও যুদ্ধৰ সময়ত, প্ৰয়োজন অনুসৰি বালি-গড়, কাঠ-গড়, বাঁহ-গড়, আনকি পচলা-গড়ো নিৰ্মাণ কৰা হৈছিল। ব্ৰহ্মপুত্ৰৰ বহল বালিত দুফালে দুশাৰী শালকাঠৰ খুটা পুতি ভিতৰে নগাঢাৰী দি মাজত বালি ভৰাই গড় কৰি ভিতৰ সোমাই যুদ্ধ কৰিছিল। আহোম ৰাজত্বৰ ৰজাৰ আদেশত হোৱা আলিবাটৰ উপৰিও ডাঙৰীয়া-বিষয়াসকলো তলতীয়া পাইকৰ হতুৱাই আলি বন্ধাইছিল। কেতিয়াবা তদাৰক কৰোঁতা বিষয়াজনৰ নামেৰেও আলিটোৰ নাম হৈছিল। ধোদৰ আলি, গজপুৰীয়া আলি, বৰ আলি, গড়গাঁৱৰ আলি, শলগুৰি আলি আদি ৰজাই পোনপটীয়া আদেশত খন্দোৱা আলি। আনপিনে বৰবৰুৱা আলি, ডেকা বৰবৰুৱা আলি, হলৌ ফুকনৰ আলি, সৰিয়হ আলি, বৰপাত্ৰ আলি, কিৰাই আলি, বৰফুকনৰ আলি আদি বা-বিষয়াৰ তত্ত্বাৱধানত নিৰ্মিত। আলিবোৰ দুয়োকোষে খাৱৈ খান্দি মাজত মাটি তুলি হাতীৰে গৰকাই বন্ধা হৈছিল। আলিটোৰ বুকুখন সমান আৰু যথেষ্ট বহল, তদুপৰি পোন। উজান অসমত প্ৰকৃততে সকলো আলিয়েই আহোম যুগৰ।

আহোম যুগৰ পুখুৰী খনাৰ বৈশিষ্ট্য সবাতোকৈ উল্লেখযোগ্য। আহোম-সকল মূলতে বৌদ্ধধৰ্মী আছিল আৰু সেই সূত্ৰেই আলি বন্ধাই পুখুৰী খনাই, কাষত বড় গছ কই দিয়াটো পবিত্ৰ কৰ্তব্য বুলি ভাবিছিল। সেই অৰ্থে অনেক সক বৰ পুখুৰী খনাইছিল। ৰজাঘৰীয়া আদেশত পুখুৰী খনোৱাৰ উপৰিও ডা-ডাঙৰীয়া, বা-বিষয়া, কুঁৱৰী আদিয়েও পুখুৰী খনাইছিল। পুখুৰীৰ বৈশিষ্ট্য হ'ল : এই পুখুৰীবিলাকৰ পানী সমতলৰ ওপৰত পাৰটোৰে বেৰি থাকে। কোনো প্ৰাচীন পদ্ধতিৰে পানীৰ উহ বিচাৰি উলিয়াই স্থান নিৰূপণ কৰি জোখমতে পুখুৰী খনা হয়। পাৰ বান্ধি হাতীৰে গৰকাই মাটি টিপি টিপি পানী নিগৰি যাব নোৱৰা কৰি পিছত পানীৰ উহটো খান্দি তাত বহ বা পাৰা ঢালি দিয়া হয়। তেনে কৰিলে পানী চিৰদিন নিজনি হৈ থাকে। পুখুৰীটো থাপ থাপকৈ ক্ৰমে দ কৰি নিয়া হয়। উহ ফুটি পানী ক্ৰমে ওপৰলৈ আহি পাৰ উপচি পৰে। পাৰতকৈ ওখ হৈ উপচি যাতে পানীয়ে পাৰ বাগৰি যাব নোৱাৰে

সেইবাবে প্ৰত্যেক পুখুৰীৰে পাৰত একোটা বা ততোধিক খোন্দ দিয়া হয়। অতিৰিক্ত পানী সেই খোন্দেদি সৰকি যায়। কেতিয়াবা এনে উহ শুকাই যোৱাও দেখা যায়। কেতিয়াবা আকৌ উহৰ সন্ধান বিফল হয়। ৰংপুৰৰ আঠাইসাগৰ বা পুৰণি পুখুৰী এনেকৈয়ে সৃষ্টি হয়। জয়সাগৰ, শিৱসাগৰ, গৌৰীসাগৰ, ৰুদ্ৰসাগৰ আদি উল্লেখযোগ্য পুখুৰী। এটা কথা লক্ষ্য কৰা হৈছে যে পানীৰ অন্তঃস্ৰোত যেন একেটা ৰেখাত পোৱা যায়। জয়সাগৰ পুখুৰীক কেন্দ্ৰ কৰি পূব-পশ্চিম, উত্তৰ-দক্ষিণলৈ দুটা সৰল ৰেখা টানিলে বিখ্যাত পুখুৰীবোৰ এই দুটা ৰেখাত পৰিব।

প্ৰাক-আহোম যুগৰ স্থাপত্যৰ ওপৰত গুপ্ত স্থাপত্যৰ প্ৰভাৱ দেখা যায়। আহোম যুগৰ স্থাপত্যৰ বহিৰঙ্গভাগত মোগলাই প্ৰভাৱ অনুভূত হ'লেও অসমীয়া স্থাপত্য শিল্প মূলতঃ থলুৱা সংস্কৃতি আৰু প্ৰয়োজনীয়তাৰে পুষ্ট আৰু সূক্ষ্ম পৰ্যবেক্ষণত ইয়াৰ স্বকীয় বৈশিষ্ট্য স্পষ্টকৈ ধৰা পৰে।

অসমৰ মহিলা সাহিত্যিক

শ্ৰীমতী প্ৰীতি বৰুৱা

অসমীয়া ভাষাক অপমৃত্যুৰ হাতৰপৰা ৰক্ষা কৰাৰ প্ৰধান উদ্যোক্তাৰ শলাগ যিদৰে আমেৰিকান বেপ্টিষ্ট মিছনৰ প্ৰাপ্য, সেইদৰে অসমীয়া ভাষাত প্ৰথম লেখিকাৰ গৌৰৱো সেই মিছনৰে ইলাইজা ব্ৰাউনৰ। তেওঁৰ সম্প্ৰতি দুষ্প্ৰাপ্য 'গণনাৰ পুথি' আৰু 'সাধুকথা' অসমীয়া ভাষালৈ মহিলাৰ প্ৰথম বৰঙণি।

অসমীয়া লেখিকাৰ গ্ৰন্থপঞ্জী এতিয়াও প্ৰকাশ পোৱা নাই যদিও, অসম লেখিকা সন্থাৰ গুৱাহাটীত পতা অধিবেশনত অসমীয়া লেখিকাৰ প্ৰায় চাৰে চাৰি শ পুথিৰ প্ৰদৰ্শনী এখনৰ পুথিবোৰক এনে শ্ৰেণীত ভাগ কৰিব পাৰি— গীত-পদ, কবিতা, উপন্যাস, জীৱনী, ভ্ৰমণ কাহিনী, গল্প, সাধুকথা, পৌৰাণিক কাহিনী, শিশু সাহিত্য, শিশু মনস্তত্বৰ আলোচনা, মনস্তাত্বিক কাহিনী, বিজ্ঞান বিষয়ক, সংস্কৃতি সম্পৰ্কীয় আৰু আলোচনী।

প্ৰথম ঔপন্যাসিকা পদ্মাৱতী দেৱী ফুকননীৰ 'সুধৰ্মাৰ উপাখ্যান' প্ৰকৃত বিচাৰত উপন্যাসৰ পৰ্য্যায়লৈ উঠা নাই যদিও, এই সৰল কাহিনীটোৱেই উনবিংশ শতিকাত অসমীয়া উপন্যাসৰ ভিত্তি স্থাপন কৰিছিল। অসমীয়া উপন্যাসৰ দ্বিতীয় স্তৰত দুগৰাকী লেখিকা—চন্দ্ৰপ্ৰভা শইকীয়ানী আৰু স্নেহলতা ভট্টাচাৰ্যই বাস্তৱ দৃষ্টিভংগী আৰু চৰিত্ৰ সৃষ্টিৰে কাহিনীক কিছুদূৰ উপন্যাসৰ স্তৰলৈ নিব পাৰিছে। পাৰিবাৰিক জীৱনৰ সংঘাত দুয়োগৰাকীৰে উপন্যাসৰ মূল উপজীব্য। স্বাধীনতা লাভৰ পাছত হিৰণ্যময়ী দেৱীৰ 'জীৱন-সংগ্ৰাম'ত সমাজৰ পুৰুষ প্ৰাধান্য আৰু নাৰীৰ লাঞ্ছনাৰ বিৰুদ্ধে সবল নহ'লেও প্ৰতিবাদ ধ্বনিত হৈছে। ছাত্ৰী অৱস্থাতে ৰচনা কৰা শুচিব্ৰতা ৰায়চৌধুৰীৰ 'বা-মাৱলী' ভাৰতীয় সংস্কাৰ আৰু আদৰ্শবাদৰদ্বাৰা প্ৰভাৱিত। এইখনত লেখিকাৰ ভবিষ্যত সম্ভাৱনা নিহিত আছিল। ত্ৰিশৰ দশকতে কেইগৰাকীমান

লেখিকা চকুত পৰিলেও ইয়াৰ পাছত ষাঠিৰ দশকলৈকে কোনো লেখিকাই উপন্যাসৰ ক্ষেত্ৰত ভৰি দিয়া নাছিল—অন্ততঃ তেনে কোনো বিশিষ্ট ৰচনা চকুত নপৰে। সামাজিক ক্ষেত্ৰত নাৰী জাগৰণ আৰু স্বাধিকাৰ প্ৰতিষ্ঠাৰ প্ৰচেষ্টাই বিষয়ে গুৰুত্ব লাভ কৰিছিল, সাহিত্য সৃষ্টিত বিশেষকৈ সৃষ্টিধৰ্মী সাহিত্য সৃষ্টিত সিমান গুৰুত্ব দিয়া হোৱা নাছিল। গতিকে ত্ৰিশৰ দশকতে জাতীয় আন্দোলনত অসমীয়া তিৰোতাই যি অৰিহণা যোগাইছিল, সাহিত্য ক্ষেত্ৰত তেওঁলোকৰ আত্মপ্ৰকাশ সেই অনুপাতে প্ৰবল হৈ নুঠিল। উপৰোক্ত কেইগৰাকীৰ বাহিৰে সামাজিক দৃষ্টিভংগীৰে সাহিত্য ৰচনাত মহিলাই হাত দিয়া নাছিল। এই দশকতহে এনে কিছু লেখিকা ওলাল যিসকলে যথেষ্ট সংকোচবিহীনভাৱে নিজা অভিজ্ঞতাক, তিৰোতাৰ মনৰ জগতক নাৰীৰ দৃষ্টিৰে বিচাৰ কৰি দাঙি ধৰিবলৈ প্ৰয়াস কৰিলে। শিক্ষা আৰু প্ৰগতিশীল সমাজ চেতনাই এওঁলোকক উদ্বুদ্ধ কৰিছে, এক নতুন ব্যক্তিত্বৰ অধিকাৰিণী কৰি তুলিছে। ষাঠিৰ দশকত তিনিগৰাকী উচ্চশিক্ষিতা লেখিকাই উপন্যাসৰ ক্ষেত্ৰত প্ৰবেশ কৰে—প্ৰসিদ্ধ গল্প লেখিকা নিৰুপমা বৰগোহাঞি, নীলিমা দত্ত আৰু প্ৰবীণা শইকীয়া। বৰগোহাঞিৰ 'সেই নদী নিৰবধি'কে ধৰি কেইবাখনো উচ্চ মানৰ উপন্যাসত নাৰীৰ দৃষ্টিৰে নাৰীৰ মন, সমস্যা, সামাজিক স্থিতিৰ ওপৰত আলোকপাত কৰিছে। ই এক বৈশিষ্ট্যৰ সৃষ্টি কৰাৰ লগতে ইমানদিনে পুৰুষৰ ধ্যান-ধাৰণাৰ মাজেদিহে নাৰী-জীৱনক বিশ্লেষণ কৰাৰ যি গতানুগতিকতা আছিল তাক ভাঙি দিয়ে। প্ৰখৰ সমাজচেতনা নিৰুপমাৰ উপন্যাসৰ অন্যতম বৈশিষ্ট্য। পঞ্চাশৰ দশকৰপৰা কবি খ্যাতি লাভ কৰি অহা নীলিমা দত্তই সত্তৰৰ দশকত ঔপন্যাসিকা হিচাপে আত্মপ্ৰকাশ কৰে। আকাশ-বন্তি আৰু শৈলশিখৰত লেখিকাৰ কবিতাৰ দৰে উপন্যাসৰ ক্ষেত্ৰতো সফলতা লাভ কৰাৰ সম্ভাৱনা উজ্জ্বল। কমসংখ্যক কবিতা আৰু গল্প ৰচনাত প্ৰতিষ্ঠা লাভ কৰা প্ৰবীণা শইকীয়াৰ উত্তৰায়ণো এখনি উল্লেখযোগ্য উপন্যাস। দৃষ্টিভংগী কিছুদূৰ ৰোমাণ্টিক হ'লেও বিচিত্ৰ জীৱনৰ অভিজ্ঞতা-পুষ্ট মামণি ৰয়চম গোস্বামীৰ দুখন উপন্যাস 'চীনাবৰ সোঁত' আৰু 'নীলকণ্ঠী ব্ৰজ' দুখন ভিন্নমুখী উপন্যাসে অপেক্ষাকৃত কম বয়সীয়া এইগৰাকী লেখিকাক চুটিগল্পৰ দৰে উপন্যাসতো সুপ্ৰতিষ্ঠিত কৰিছে। এই কেইগৰাকীৰ বাহিৰে কণু বৰুৱা, চিত্ৰলতা ফুকন আৰু উমা বৰুৱাৰ নামো উল্লেখযোগ্য। কণু বৰুৱাৰ শেহতীয়া উপন্যাস 'জতুগৃহ' বাস্তৱধৰ্মী সৰস উপন্যাসৰূপে স্বীকৃত।

ইয়াৰ বাহিৰেও উপন্যাস বুলি দুই-এখন পুথি ওলাইছে যদিও সেইবোৰত স্বকীয়তা, ভাবৰ গভীৰতা বা বাস্তৱ অভিজ্ঞতাৰ প্ৰতিফলন নাই।

অসমীয়া লেখিকাৰ চুটিগল্পৰ ক্ষেত্ৰতে সকলোতকৈ মূল্যবান অৰিহণা আছে। ত্ৰিশৰ দশকৰপৰা চেগাচোৰোকাকৈ দুই-এগৰাকী লেখিকাৰ নাম আবাহনৰ পাতত পোৱা যায় যদিও সুপ্ৰভা গোস্বামীৰ দুখন গল্পপুথিৰ বাহিৰে পঞ্চাশৰ দশকলৈকে চুটিগল্পত লেখিকাৰ বৈশিষ্ট্য প্ৰকাশ পোৱা নাছিল। পঞ্চাশৰ দশকত নিৰুপমা তামুলীৰ (বৰগোহাঞিৰ) 'এনথ্ৰ'পলজীৰ সপোনৰ পাছত' নামৰ বাস্তৱধৰ্মী গল্পই একপ্ৰকাৰ আলোড়ণৰ সৃষ্টি কৰিছিল। স্বনামে আৰু নীলিমা দেৱী ছদ্মনামত লেখিকাই বহুতো গল্পৰ জৰিয়তে তিৰোতাৰ অন্তৰ্দৃষ্টিৰে তিৰোতাৰ প্ৰকৃত সমস্যা, 'শুধু দিন যাপনেৰ গ্লানি', সমাজৰ হৃদয়হীনতাত শিক্ষা-দীক্ষা থকা সত্বেও সংকুচিত অৱস্থা আদি বিভিন্ন সমস্যা বাস্তৱধৰ্মী দৃষ্টিৰে তুলি ধৰিছে। যোৱা দুই দশকত আৰু কেইগৰাকীমান লেখিকা ওলাইছে যিসকলৰ গল্পৰ সাহিত্যমূল্যৰ জগতে পুৰুষপ্ৰধান সমাজৰ নাৰীনিগ্ৰহৰ বিভিন্ন ব্যৱস্থাবোৰৰ বিৰুদ্ধে শাসক-পুৰুষৰ বিৰুদ্ধে স্পষ্ট বা প্ৰচ্ছন্ন প্ৰতিবাদ ব্যক্ত হৈছে। সেইসকলৰ ভিতৰত স্নেহ দেৱী, নীলিমা শৰ্মা, মামণি ৰয়চম গোস্বামী, প্ৰবীণা শইকীয়া, কণু বৰুৱা, অনিমা দত্ত আদিৰ নাম উল্লেখযোগ্য। সামাজিক অসমতা, অন্যায়, নিষ্পেষণত দলিত মানুহৰ প্ৰতি সহৃদয়তাৰে মথিত সাৰ্থক গল্প ৰচনা কৰা লেখিকাৰো অভাৱ নাই। ডলী তালুকদাৰ, কণু বৰুৱা, দীপালী ডেকা, অণু বৰুৱাৰ নাম উল্লেখনীয়। সামাজিক ব্যঙ্গাত্মক গল্প লেখিছে দেবলা হাজৰিকাই। সাম্প্ৰতিক কালত প্ৰণতি গোস্বামী, সাধনা লহকৰ, পূৰবী তামুলী, অৰূপা পটঙ্গীয়া আদি কেইগৰাকীমান নবীন লেখিকাৰ মাজতো সমাজ-সচেতন, বাস্তৱধৰ্মী আৰু প্ৰগতিশীল দৃষ্টিভঙ্গী লক্ষ্য কৰা যায়। কিন্তু আলোচনীৰ পাতত নাইবা নতুন লেখকৰ সন্ধান বিচাৰি পতা প্ৰতিযোগিতাত যোগ দিয়া বেছিভাগ নৱ-লেখিকাৰ গল্পতেই ভাবালুতাৰ প্ৰাচুৰ্যৰ ফলত চুটিগল্পৰ অতি প্ৰয়োজনীয় ভাবৰ একমুখিতা নষ্ট হৈ যায়।

কবিতাৰ ক্ষেত্ৰতেই লেখিকাৰ বিচৰণ সবাতোকৈ বেছি। দুৰীয়া ভাবাৰ নিচুকনি গীতবোৰৰ ৰচয়িতা অজান হ'লেও, নাৰীৰ মুখৰপৰাহে ওলাইছিল বুলি ভাবিবৰ থল আছে। আইনাম, বিয়ানামবোৰতো হয়েই। লখিমী আদৰা গীত, অপেচৰী নাম আদি সম্পূৰ্ণ স্ত্ৰী-আচাৰৰ অন্তৰ্গত। কিন্তু এই সকলোবোৰ

মৌখিক যুগৰ। অসমৰ বৈষ্ণৱ আন্দোলনৰ লগে লগে যি সাহিত্য আন্দোলন গঢ়ি উঠিছিল তাত এগৰাকী মাথোন মহিলা কবিৰ নাম যুক্ত হৈছে—গোপালদেৱৰ কন্যা পদ্মপ্ৰিয়া। পদ্মপ্ৰিয়াৰ ভক্তিৰসাত্মক গীতৰ পাছত কুৰি শতিকাৰ প্ৰথম দশকতহে আন এগৰাকীক লগ পাওঁ। তেওঁ হ'ল প্ৰথম ঔপন্যাসিকা পদ্মাৱতী দেৱী ফুকননী। কিন্তু সন্ধানীকৈ কবিতা ৰচনাত হাত দিয়ে পৰবৰ্তী কালৰ যমুনেশ্বৰী খাটনিয়াৰ, নলিনীবালা দেৱী আৰু ধৰ্মেশ্বৰী দেৱীয়ে। হিমলা ৰকবানীয়ে গীতি কবিতা 'বিননি'ৰে কাব্যাৰ্ঘ্য দান কৰে। এওঁলোকৰ পৰবৰ্তী অধ্যায়ৰ উল্লেখযোগ্য কবি দিব্যপ্ৰভা ভৰালী, বিমল বাজপোৱা আৰু ফাতেমা খাতুন। এই সময়তে আলোচনীৰ পাতত মহিলাৰ কবিতা দুই-এটা প্ৰকাশ হ'বলৈ ধৰে যদিও প্ৰতিভাশালিনী কবি তেতিয়াও অনুপস্থিত। ইয়াৰ পিছতো আধুনিক কবিতাৰ যুগাৰম্ভতো এইফালৰপৰা বিশেষ সঁহাৰি পোৱা নাছিল যদিও, পঞ্চাশৰ দশকৰপৰা যি দুই-এগৰাকী কবিয়ে ভুমুকি মাৰিবলৈ ধৰিলে তাৰে ভিতৰত যথেষ্ট সম্ভাবনা থকা সত্বেও শুচিব্ৰতা ৰায়চৌধুৰী প্ৰায় নীৰৱ হৈ গ'ল। নীলিমা দত্ত, নিৰ্মলপ্ৰভা বৰদলৈ, লক্ষহীৰা দাস, আলিমুন্নিছা পিয়াৰ আৰু প্ৰবীণা শইকীয়াই প্ৰতিষ্ঠা লাভ কৰিলে। এওঁলোকৰ কবি মানসত আধুনিক সুপ্ত চেতনা প্ৰতিভাত হৈছে। নীলিমা দত্তৰ 'অন্ধকূপ'ৰ কেইটিমান কবিতা, নিৰ্মলপ্ৰভাৰ শেহতীয়া চুটি কবিতাকেইটিমান, দ্ৰৌপদী আৰু গান্ধাৰী, লক্ষহীৰা দাসৰ 'ভাস্বৰ লগ্ন'ৰ দুটিমান কবিতা সাৰ্থক সৃষ্টি। এওঁলোকৰ গোটৰ চাৰি-গৰাকী সুৰলা গীতিকাৰো।

ষাঠিৰ দশকৰ শেষৰফালে আৰু সত্তৰৰ দশকত কেইগৰাকীমান কবিয়ে সম্ভাবনাৰ ইঙ্গিত বহন কৰিছে। তাৰে ভিতৰত হিৰণ্ময়ী দেৱী আৰু তোষপ্ৰভা কলিতাৰ নাম বিশেষভাৱে উল্লেখনীয়। এওঁলোকৰ কবিতাত প্ৰগতিশীল বাস্তৱধৰ্মিতাৰ লগত কাব্যধৰ্মিতাৰ সমন্বয় ঘটিছে। কবি সন্মিলনসমূহত যথেষ্ট সংখ্যক মহিলা কবিয়ে যোগ দিলেও, এতিয়াও বেছিভাগেই ৰোমাণ্টিক প্ৰভাৱতে 'ফুল-তৰা-গান'ৰ কবিতাকে লেখিছে। কলেজ-বিশ্ববিদ্যালয়ৰ আলোচনীত কেতিয়াবা বিজুলী চমকৰ দৰে একোগৰাকী কোমল বয়সীয়া লেখিকাই চমকনি তোলে, কিন্তু অনুশীলনৰ অভাৱত অথবা সহৃদয়জনৰপৰা কোনো উৎসাহ নোপোৱাত অকস্মাতেই নোহোৱা হয়।

গল্প-উপন্যাস-কবিতাৰ বাহিৰে শিশু-উপযোগী সাহিত্য ৰচনাত কিছু সংখ্যক লেখিকাই অবিহণা যোগাইছে। এলিজাবেথ ব্ৰাউনৰ সাধুকথা, বিষ্ণুপ্ৰিয়া দেৱীক

'নীতিকথা', ত্ৰৈলোক্যেশ্বৰী দেৱীৰ সাধুকথা আৰু সন্ধিয়াৰ সাধুকে ধৰি এতিয়ালৈকে তালৈকেইগৰাকী লেখিকাই সাধুকথাৰ পুথি লেখিছে। আজলীতৰা নেওগ, প্ৰণীতা দেৱী, হিৰণ্ময়ী দেৱী, অণু বৰুৱা, নীলিমা দত্ত, নিৰ্মলপ্ৰভা বৰদলৈ, এলী আহমেদ আদিয়ে আধুনিক শিশুমনৰ উপযোগীকৈ লেখাৰ চেষ্টা কৰিছে। মহাভাৰত, ৰামায়ণ, পুৰাণ আদিৰ কাহিনীও শিশুৰ বাবে ৰচনা কৰা হৈছে। সুপ্ৰভা গোস্বামী, প্ৰবীণা শইকীয়া, আজলীতৰা নেওগ আদিয়ে ইংৰাজী সাহিত্যৰপৰা শিশুৰ বাবে কিছু গ্ৰন্থ অনুবাদ কৰিছে। বিশ্বসাহিত্যৰপৰা বছা বছা গ্ৰন্থ শিশুৰ কাৰণে অনুবাদ কৰাটো অতি প্ৰয়োজন। মহৎ লোকৰ জীৱনকথাও কেইবাগৰাকী লেখিকাই আগবঢ়াইছে। আমাৰ সাহিত্যৰ শিশু সাহিত্যই আটাইতকৈ অৱহেলিত। বেছিভাগ শিশু সাহিত্য ৰচয়িতাও শিশু মনস্তত্ত্ব সম্বন্ধে উদাসীন। শিশুক জ্ঞানৰ সাহিত্যতকৈ আনন্দৰ সাহিত্যহে প্ৰয়োজন। সেই কথা মনত ৰখা নহয় কাৰণেই বেছিভাগ শিশুৰ কাৰণে লেখা পুথিক শিশুৱে অপাঠ্য জ্ঞান কৰে।

সাম্প্ৰতিক কালত অসমীয়া মহিলাই ভাৰতৰ বিভিন্ন চহৰ, তীৰ্থক্ষেত্ৰকে ধৰি বিদেশতো ভ্ৰমণ কৰাৰ সুযোগ লৈছে। তেনে কেইবাগৰাকী মহিলাই বিদেশ ভ্ৰমণ আৰু হিমালয়ৰ বিশাল কোলাত থকা বিচিত্ৰ সৌন্দৰ্যময় স্থানৰ বৰ্ণনাৰে মনোৰম ভ্ৰমণ কাহিনী লেখিছে। লখিমী চৌধুৰী, তৃষ্ণা মহন্ত, সুব্ৰতা গোস্বামী, নিৰুপমা কটকী আদি কেইগৰাকীৰ নাম উল্লেখযোগ্য। অণু বৰুৱাৰ 'সাগৰ দেখলেঁ।' মনোৰম ৰচনাভঙ্গীৰ ভ্ৰমণ কাহিনী।

নীলিমা দত্ত আৰু লক্ষহীৰা দাসে শিশু মনস্তত্ত্বৰ পুথি লেখিছে। উদ্ভিদ-বিজ্ঞানৰ পুথি লেখিছে প্ৰীতি কাকতিয়ে। নেশ্যনেল বুক ট্ৰাষ্টৰদ্বাৰা প্ৰকাশিত গছ-গছনিৰ বিষয়ে গ্ৰন্থ অনুবাদ কৰিছে সমীৰণ দাসে। বিজ্ঞান বিষয়ক গ্ৰন্থ শিক্ষিতা মহিলাই শিশু আৰু সৰ্বসাধাৰণৰ উপযোগীকৈ ৰচনা কৰাত গুৰুত্ব দিয়া উচিত। মনোবিজ্ঞান চ'ৰাই উচ্চ মানসম্পন্ন মনস্তাত্ত্বিক আলোচনী 'মন' প্ৰকাশ কৰিছিল যদিও, সি স্বল্পায়ু হয়।

সাহিত্যৰ প্ৰায় সকলো বিভাগতে, সদায় উচ্চ মানৰ নহ'লেও, লেখিকাই কিছু বৰঙণি যোগাইছে। অসমীয়া লোক-সংস্কৃতিৰ বিষয়ে ড° নিৰ্মলপ্ৰভা বৰদলৈয়ে এখনি তথ্যবহুল, সু-পাঠ্য গ্ৰন্থ ৰচনা কৰিছে। কিন্তু এনে গ্ৰন্থৰ সংখ্যাই আঙুলি মূৰ নাপায়গৈ। আন এটি গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰতো কোনো লেখিকাৰ অৱদান নাই। সেয়া হৈছে সমালোচনা সাহিত্য। গধুৰ তত্ত্বমূলক

আলোচনাৰ প্ৰতি লেখিকাৰ আগ্ৰহ নোহোৱাৰ মূলতে গভীৰ চিন্তাৰ অভাব নে সংকোচৰ দুৰ্বলতা? আমি আশা কৰোঁ—সংকোচ, ভীকতা আঁতৰাই স্বমত প্ৰকাশৰ দৃঢ়তা উচ্চশিক্ষিতা মহিলাই অৰ্জন কৰি নিজৰ দৃষ্টিভঙ্গীৰে সমৃদ্ধ এনে আলোচনাত হাত দিব। আলোচনীৰ ভিতৰত বৰ্তমানে ওলাই থকা উমা বৰুৱাৰ অকন্তা, এলী আহমেদৰ ওৰণিয়ে 'ঘৰ-জেউতি'ৰ ঐতিহ্য বহন কৰি চলি আছে।

অসমীয়া সাহিত্যলৈ লেখিকাৰ অৱিহণা আৰু তাৰ মূল্যায়ন ইয়াত বিস্তৃতভাৱে দাঙি ধৰাৰ অৱকাশ নাই।

পাশ্চাত্য সাহিত্যত মহিলাৰ ৰচনাই পুৰুষৰ সমানে উচ্চমানলৈ উধাব পৰাৰ গুৰিতে কেইবাটাও কথাই সহায় কৰিছে। তাত তিৰোতাই সমাজ জীৱনত এক স্বতন্ত্ৰীয়া সত্তাৰ স্বীকৃতি পাইছে, আনকি যৌন জীৱনৰ স্বাধীনতাও লাভ কৰিছে। ফলত এক প্ৰবল সামাজিক পৰিবৰ্তন সংঘটিত হৈছে। তদুপৰি শিক্ষা-দীক্ষা, অৰ্থনীতি-ৰাজনীতি, কাৰিকৰী বৃত্তি আদি সকলোতে নাৰীয়ে যথেষ্ট প্ৰাধান্য আৰু নিৰাপত্তা লাভ কৰাত কাৰ্যক্ষমতা আৰু কাৰ্যক্ষেত্ৰত পাৰ্থক্য ক্ৰমে নোহোৱা হৈ আহিছে। এনে পৰিবেশত অৰ্থনৈতিক স্বাধীনতাৰ লগতে স্বকীয় চিন্তাৰ মুক্ত স্ফুৰণৰ বাবে এক মুক্ত আৰু বৌদ্ধিক পৰিবেশ গঢ়ি উঠিছে। নাৰী-পুৰুষৰ সামাজিক বৈষম্য ক্ৰমে আঁতৰি যোৱাত নাৰী আৰু পুৰুষ লেখকৰ ৰচনা সমপৰ্য্যায়লৈ আহিছে।

অসমৰ ক্ষেত্ৰত এনে নহয়। নাৰীৰ অন্তৰ্নিহিত মুক্তি কামনাই আমাৰ স্বাধীনতা আন্দোলনত জপিয়াই পৰাৰ সাহস আৰু প্ৰেৰণা দিছিল। দেশ স্বাধীন হ'লেও তিৰোতাৰ জীৱনৰ সৰ্বাংগীন স্বাধীনতা আমাৰ সমাজত এতিয়াও প্ৰতিষ্ঠা হোৱা নাই। গতিকে স্বাধীনতাৰ পৰৱৰ্তী কালতো লেখিকাৰ সংখ্যা বাঢ়িলেও, তেওঁলোকে এক সীমিত গণ্ডীৰ ভিতৰত মানসিক বিকাশ আৰু প্ৰতিভা স্ফুৰণৰ অনুকূল পৰিবেশ পোৱা নাই। সেইবাবেই সংকোচ আৰু স্বমত প্ৰকাশৰ ভীকতাই খৰ্ব কৰি ৰাখিছে। তেওঁলোকৰ অধিকাংশৰে ৰচনাত গতানুগতিকতা আৰু পৰিপূৰ্ণতাৰ অভাৱ পৰিলক্ষিত হয়। চলমান জীৱনৰপৰা অভিজ্ঞতা সঞ্চয় কৰিব পৰা তীক্ষ্ণ দৃষ্টিৰ অনুশীলন নাই। স্বাধীন চিন্তা নাইবা বৌদ্ধিক আলোচনাৰ প্ৰতি আমাৰ শিক্ষিতা মহিলাৰো অনীহা লক্ষ্য কৰিবলগীয়া। অধিকাংশ লেখিকাৰ ৰচনাত প্ৰগতিশীল দৃষ্টিভঙ্গী আৰু চিন্তাৰ গভীৰতাৰ অভাৱৰ ইও অন্যতম কাৰণ।

ধৰ্মান্ধতা, উগ্ৰ জাতীয়তাবাদ আদিয়েও আমাক ঠেক গণ্ডীত আবদ্ধ কৰি ৰাখিছে। বৃহত্তৰ মানৱতাবাদৰ ওপৰত, সামাজিক ন্যায় আৰু এক সুষম সমাজৰ লক্ষ্যৰ ওপৰত ভিত্তি কৰিহে জাতীয়তাবাদ গঢ়ি উঠিব লাগে। নহ'লে উগ্ৰ জাতীয়তাবাদে সকলো প্ৰগতিশীল প্ৰচেষ্টা আৰু চিন্তাক মষিমূৰ কৰাৰ সম্ভাৱনা থাকে। লেখিকাসকল এই বিষয়তো সজাগ থাকিব লাগে। বিশ্বসাহিত্যৰ ঐতিহাসিক জ্ঞান, উন্নত সাহিত্যিক কলা-কৌশল, বিভিন্ন মতবাদ আদিৰ লগত পৰিচয় নাথাকিলে আধুনিক সৃষ্টিধৰ্মী ৰচনা সম্ভৱপৰ নহয়। কেৱল মহিলাৰ ৰচনা বুলিয়ে স্বীকৃতি পোৱাৰ যুগ আমি অতিক্ৰম কৰি আহিছোঁ। জনসাধাৰণৰ ৰসাস্বাদনৰ উপযোগীকৈ ৰচনা কৰিব নোৱাৰিলে সেই ৰচনা অনাদৃত হ'বই। সাহিত্য আচলতেই এক সাধনা। কেৱল যশোলাভ আৰু অৰ্থলাভ তাৰ লক্ষ্য হ'ব নোৱাৰে।

লেখিকাৰ পুথিয়ে জনসাধাৰণৰ মাজত পুথিৰ প্ৰতি আগ্ৰহ বঢ়োৱাত কিমান সহায় কৰিছে তাৰ জোখ লোৱা হোৱা নাই। লেখিকাৰ ৰচনাৰ প্ৰতি সাধাৰণতে তিৰোতাৰহে কৌতূহল বেছি যেন লাগে। তেওঁলোকে আলোচনী আৰু পত্ৰিকাৰ ক্ৰোড়পত্ৰত প্ৰকাশ পোৱা লেখিকাৰ গল্প, উপন্যাস নাইবা প্ৰবন্ধটোতহে আগতে চকু ফুৰায়। অৱশ্যে কিনি কিতাপ পঢ়া মহিলাৰ সংখ্যা কিমান তাৰ হিচাপ লোৱা হোৱা নাই। পশ্চিমবঙ্গৰ প্ৰকাশকৰ এটা হিচাপ মতে তাত প্ৰকাশ হোৱা পুথিৰ প্ৰধান পাঠক মহিলাসকল। পাঠিকাৰ সংখ্যা বঢ়োৱাত অসম লেখিকা সন্থা আৰু লেখিকা সমাৰোহ সমিতি নামৰ দুটা অনুষ্ঠানেও সম্প্ৰতি কিছু অৰিহণা যোগাইছে। মহিলা কবি-সাহিত্যিকৰ সান্নিধ্যলৈ আহি গ্ৰন্থৰ প্ৰতি অধিক আগ্ৰহী হোৱা দেখা গৈছে। অজন্তা, ওৰণি, মহিলা নামৰ আলোচনীয়ে কিছু পাঠিকাৰ সংখ্যা বঢ়াইছে।

লেখিকাৰ গীত-পদৰ পুথিবোৰে ভিতৰুৱা অঞ্চলতো এনে পুথিৰ চাহিদা বঢ়াইছে। আধুনিক গীতৰ পুথিৰ প্ৰতিও বিশেষকৈ ডেকাচামৰ আগ্ৰহ বাঢ়িছে। অৱশ্যে বেছিভাগ পাঠকেই লেখিকাৰ সাহিত্যৰ প্ৰতি আগ্ৰহশীল নহয়। সমালোচকসকলো নহয়। কোনো লেখিকাৰে (কেইবাখনকৈ উপন্যাস নাইবা গল্পপুথি প্ৰকাশ হোৱাৰ পাছতো) সাহিত্য সম্পৰ্কে সমালোচকৰ গুৰুত্বপূৰ্ণ আলোচনা চকুত পৰা নাই। অৱশ্যে তেনে লেখিকাৰ পুথিয়ে পাঠিকাৰ সমাদৰ নেপোৱা নহয়।

উচ্চমানৰ সাহিত্য সৃষ্টিত প্ৰয়োজন হোৱাৰ দৰে পঢ়ুৱৈৰ সৃষ্টিৰ ক্ষেত্ৰতো

কিছুমান কথা চিন্তা কৰিবলগীয়া আছে। সৃষ্টিধৰ্মী লেখকৰ বিদৰে বিশ্বসাহিত্য, বিশ্বৰ বিভিন্ন মতবাদ, আধুনিক কলা-কৌশল আদিৰ জ্ঞানৰ প্ৰয়োজন, জনসাধাৰণৰো সেই সাহিত্য গ্ৰহণ কৰিবলৈ তেনেবোৰ শিক্ষাৰ প্ৰয়োজন। এক প্ৰগতিশীল শিক্ষানীতিৰে জনসাধাৰণক শিক্ষিত নকৰিলে সমাজৰ সাংস্কৃতিক চেতনা আধুনিক হ'ব নোৱাৰে। এই বিষয়ে ৰাষ্ট্ৰই গভীৰভাৱে চিন্তা কৰা উচিত। প্ৰকাশকো চিন্তাশীল নতুন দৃষ্টিভঙ্গীৰে সাহিত্য প্ৰকাশত আগ্ৰহী হ'ব লাগে। পৰাপক্ষত সাহিত্যিকৰ চিন্তাৰ স্বাধীনতা অক্ষুণ্ণ ৰাখি ৰাষ্ট্ৰই সাহিত্য প্ৰকাশৰ ক্ষেত্ৰত উদাৰ সাহায্য আগবঢ়াব লাগে।

পঢ়ুৱৈ সমাজৰ সমীক্ষা : এজন লিখকৰ দৃষ্টিৰে

শ্ৰীযোগেশ দাস

অসমীয়া গ্ৰন্থ-পাঠৰ সমীক্ষা বা জৰীপ তেনেকৈ কৰাই হোৱা নাই। এই বছৰৰ আৰম্ভতে ফ্ৰান্সৰ এটি প্ৰতিষ্ঠানে এনে সমীক্ষা চলাই উলিয়াইছিল যে এক পঞ্চৰ ভিতৰত উঠি অহা চামৰ অন্ততঃ এখন কিতাপ পঢ়াৰ অনুপাত ফ্ৰান্সত শতকৰা ৭১, ইংলেণ্ডত শতকৰা ৬৮, পশ্চিম জাৰ্মানীত শতকৰা ৫৯। এনেকুৱা মোটামুটি হিচাপ অসমীয়া পঢ়ুৱৈৰ ক্ষেত্ৰত মাত্ৰ পুথিভঁৰালৰপৰাহে পাব পাৰি। অসমৰ ৮টা জিলা পুথিভঁৰাল আৰু ১৪টা মহকুমা পুথিভঁৰালৰ-পৰা বছৰি গড়ে ১০ লাখ কিতাপ পঢ়িবলৈ নিয়ে—ইয়াৰ ভিতৰত বঙালী আৰু ইংৰাজী পুথিও আছে, যদিও অসমীয়া পুথিয়েই বেছি। ইয়াক উৎসাহজনক বুলি ক'লে অত্যুক্তি কৰা হ'ব। ইয়াৰ বিপৰীতে এটা শেহতীয়া হিচাপ মতে ইংলেণ্ডত বছৰি ৬৫ কোটিখন কিতাপ পুথিভঁৰালৰপৰা পাঠকসকলে পঢ়িবলৈ নিয়ে। বৃটেইনৰ জনসংখ্যা অসমতকৈ পাঁচ গুণ বেছি বুলি ধৰি হিচাপটো উলিয়ালেও আমাৰ সংখ্যা ৫০ লাখতে বৈ যাব। ইংলেণ্ডৰ উক্ত ৬৫ কোটি কিতাপৰ শতকৰা ৭০ৰো অধিক হেনো উপন্যাস। আমাৰ ভাষাতো গল্প-উপন্যাসেই বেছি পঢ়া হয়—গুৱাহাটী জিলা পুথিভঁৰালৰ জুলাই মাহত (১৯৭৮) 'ফিক্‌চন' ৪৩২৫ খনৰ বিপৰীতে 'নন-ফিক্‌চন' ৬৩৯০ খন পঢ়িবলৈ নিয়া হয়। আমি অনুসন্ধান কৰি জানিব পাৰিছোঁ যে কাল্পনিক কাহিনীৰ বিপৰীতে দেশ বিদেশৰ ন-ন সন্ধান থকা পুথিৰ পিনে আজি কেইবছৰমানৰপৰা অসমীয়া পঢ়ুৱৈৰ আগ্ৰহ বাঢ়িছে। যেনে—চীনদেশ ভ্ৰমণ সম্পৰ্কীয় দুখন পুথিয়ে বহুল সংখ্যক পাঠকৰ মনোযোগ আকৰ্ষণ কৰিছে। ইতিহাস, বিজ্ঞান, সমাজ-বিজ্ঞান আদি বিষয়ক পুথিয়েও ক্ৰমাৎ বেছি সংখ্যক পঢ়ুৱৈক আকৰ্ষণ কৰিবলৈ ধৰিছে। সাহিত্য সভা, গ্ৰন্থ-মেলা আদি অনুষ্ঠিত হ'লেও আমি বহু সংখ্যক নন্-ফিক্‌চন শ্ৰেণীৰ কিতাপ বিক্ৰী হোৱা দেখিবলৈ পাওঁ।

কিন্তু চাহিদা থাকিলেও সেই অনুপাতে কিতাপৰ যোগান ধৰিব নোৱৰাটো এটা সমস্যা হৈ পৰিছে। নেচনেল লাইব্ৰেৰীৰ তথ্য-পাতি মতে গোটেই দেশতে কিতাপ প্ৰকাশ কমি যাবলৈ ধৰিছে। ১৯৭৫-৭৬, ৭৬-৭৭ চনৰ প্ৰায় ২২ হাজাৰ-খন পুথিৰ ঠাইত '৭৭-৭৮ চনত ১৯ হাজাৰ ৫০০লৈ নামে। ইয়াৰে প্ৰায় ১০ হাজাৰখন ইংৰাজী, হিন্দী ২৩০০, বঙালী আৰু তামিল ১১ শৰ বিপৰীতে অসমীয়াত মাত্ৰ ১৪৮ খন। উচ্চশিক্ষিত শ্ৰেণীয়ে এনেয়েই ইংৰাজী বেছি পঢ়ে। পুথিভঁৰালতো ইংৰাজী পুথিৰ চাহিদা ক্ৰমাৎ বাঢ়ি যাব লাগিছে। কাগজৰ অনাটন আৰু ছপা খৰচ বৃদ্ধিয়ে এই সংকটটো আনি দিছে। প্ৰকাশকসকলে কয়, পাঠ্যপুথিৰ ব্যৱসায় তেওঁলোকৰ হাতৰপৰা যোৱাত তেওঁলোকে সাধাৰণ সাহিত্য প্ৰকাশত আগৰ দৰে লাগিব পৰা নাই। অসমত যি দহখনমান উল্লেখযোগ্যভাৱে ডাঙৰ প্ৰতিষ্ঠান আছে, সিবিলাকৰ প্ৰকাশন একেবাৰে কমি গৈছে। পুথি বিক্ৰেতাই কয় যে পাঠ্যপুথি-বহিৰ্ভূত সাধাৰণ সাহিত্য বিষয়ক পুথি, আনকি উপন্যাসবো বিক্ৰী বৰ বেছিকৈ পৰি গৈছে। বহস্য জাতীয় কিতাপ-পত্ৰ অৱশ্যে ভালেই চলে বুলি কোৱা হৈছে।

এইখন ছবি অসমীয়া লিখকৰ কাৰণে উৎসাহজনক নহয়। কিতাপ লিখি ধন ঘটাৰ কথা আমি ক'বলৈ যোৱা নাই। লিখাক বৃত্তি ৰূপে লোৱা লোক অসমত এজনো নাই। কিন্তু এজন অসমীয়া মানুহ হিচাপে, অসমীয়া ভাষাৰে বহু সংখ্যক পাঠকৰ মনৰ ওচৰ পাব নোৱৰাটোও এটা বেদনাৰ বিষয়। অসমৰ ডেৰ কোটি লোকৰ ভিতৰত ১৯৭১ চনৰ জনগণনা অনুসাৰে প্ৰায় ৪০ লাখ লোক সাক্ষৰ। তাৰে ৫০ হাজাৰ পাঠকৰো ওচৰ চাপিব নোৱৰাটো চাবলৈ গ'লে বিস্ময়ৰ বিষয়। কিন্তু বাস্তৱত সি বিস্ময় হৈ থকা নাই। এখন ভাল, সফল উপন্যাসবো প্ৰচাৰ সংখ্যা প্ৰথম ছপাত ৩০০০ৰ বেছি নহয়, অতিশয় জনপ্ৰিয় হ'লে তাৰ হয়তো আৰু ২।৩ বাৰ পুনঃমুদ্ৰণ হ'ব পাৰে। এনে ঘটনা কমেইহে ঘটে। আমি কোৱা শুনো যে অসমীয়া মানুহে কিতাপ কম পঢ়ে। অসমীয়া কিতাপৰ দাম বৰ বেছি বুলি কোৱাও প্ৰায়েই শুনা যায়। ইয়াৰ এটাও কথা সঠিক বুলি আমি নাভাবোঁ। অতি ভিতৰুৱা, একপ্ৰকাৰ অগম্য ঠাইবো লোকক আমি লগ পাইছোঁ, যি কষ্ট কৰি দূৰ-দূৰণিলৈ ওলাই আহি কিতাপ-পত্ৰ বিচাৰি নি নিয়মিত ৰূপে পঢ়িছে। আপোনালৈ ক'ৰপৰা যে কোনে কেতিয়া আপোনাৰ লিখাৰ বিষয়ে চিঠি দি নানান প্ৰশ্ন কৰিব আপুনি অনুমান কৰিব নোৱাৰে। এনে চিঠি পালে অভিভূত হৈ যাব লাগে।

অসমীয়া মানুহে কিতাপ কিনি নপঢ়ে বুলি যদি আপত্তি কৰা হয় তেন্তে ক'ব লাগিব যে কোনো দেশৰ মানুহেই সাধাৰণতে কিনি পঢ়িব নোখোজে—অন্ততঃ ইংৰাজী কিতাপ-পত্ৰ সম্পৰ্কে লিখা শেহতীয়া প্ৰবন্ধ এটিত এই কথা প্ৰকাশ পাইছে। শিক্ষাৰ বিকাশ, সাংস্কৃতিক স্তৰ, ঔদ্যোগিক উন্নতি-জনিত জটিল মানসিকতা আদিৰ কাৰণে হয়তো এই অৱস্থাৰ অলপ লৰচৰ হ'ব পাৰে—কোনো ভাষাত বেছি মানুহে কিতাপ কিনে, আন কোনো ভাষাত কমকৈ কিনে। জাপানৰ মানুহে বোলে খুব বেছিকৈ পঢ়ে। আমাৰ চুবুৰীয়া বঙালী ভাষাত আমাতকৈ বহুত বেছি কিতাপ ওলায়ো, বেছিকৈ বেচাও যায়। তথাপি আমাৰ ভাষাতো দৰকাৰী কিতাপ এখন, জনপ্ৰিয় গল্প-সংগ্ৰহ বা উপন্যাস এখন সময়ত দুষ্প্ৰাপ্য হৈ পৰে। তাৰ অৰ্থ সেই কিতাপৰ সকলো কপি বিক্ৰী হৈ গৈছে। প্ৰকাশকসকলে সাধাৰণতে নতুন নতুন কিতাপহে ল'ব খোজে,-এবাৰ ওলাই যোৱা কিতাপৰ চাহিদা কম কাৰণে ল'ব নোখোজে। কিন্তু এই কথাও ঠিক যে বছৰি একোচাম নতুন পাঠক ওলাই থাকে, তেওঁলোকে বহুত সময়ত বিক্ৰী শেষ হৈ যোৱা কিতাপৰ সন্ধানেই নাপায়। পুথিভঁৰাল সেৱা যথেষ্ট নোহোৱাত তেওঁলোকক সেইবিলাক কিতাপৰ যোগান ধৰাটো প্ৰায় শূন্যই হৈ বৈ যায়। অসমীয়া পাঠকে ইংৰাজী আৰু বঙালী পুথিও পঢ়ে। ইয়াৰ ফলতো অসমীয়া কিতাপ বিক্ৰীৰ কিছু ক্ষতি হ'ব পাৰে। কিন্তু ভাৰতৰ সকলো ভাষাৰ ক্ষেত্ৰতে এই কথা প্ৰযোজ্য, বিশেষকৈ ইংৰাজী বিষয়ত—সেই কাৰণেইতো আমাৰ দেশত প্ৰকাশিত ইংৰাজী গ্ৰন্থৰ সংখ্যাই বেছি। সি যি নহওক, আমি ক'ব খুজিছোঁ যে এই কথায়ো অসমীয়া মানুহৰ পঠন অভ্যাসৰে প্ৰমাণ দাঙি ধৰিছে।

অসমীয়া কিতাপৰ দাম বেছি বুলি তোলা আপত্তিও মানি ল'ব নোৱাৰি। বিদেশী কিতাপৰ ২১ চিলিং, ৩০ চিলিং দামৰ কথা এৰিছোঁ—আজি ভাৰতৰে একোখন মজলীয়া ইংৰাজী হাৰ্ডবেকৰ সাধাৰণ দাম ৩০ টকা হৈছে। ইমান দামৰ কিতাপ অসমীয়া ভাষাত কমেইহে ওলাইছে। বিয়াত উপহাৰ দিবলৈ তিনি টকা দামৰ কিতাপ বিচাৰি যোৱা লোকেই এই দামৰ কথাটো প্ৰচাৰ কৰিছে। ড° বিৰিঞ্চিকুমাৰ বৰুৱাক হেনো তেওঁৰ প্ৰকাশক এজনে কিতাপৰ দাম বেছি কৰিবলৈ নধৰিবলৈ কৈছিল, তাৰ উত্তৰত ড° বৰুৱাই ক'লে যে যাৰ আৱশ্যক হ'ব তেওঁ বেছি দাম দি হ'লেও কিতাপ নিব। আচলতে এই আৱশ্যকটোৱেই আমাৰ মাজত ভালদৰে, ব্যাপকভাৱে গঢ় লৈ উঠা নাই। ইংৰেজমাহে ক'বৰ দৰে—"মই অলপ পইচা পালে কিতাপ কিনো, যদি তাৰ

পিছত কিবা বয়গৈ তেন্তে খাদ্যবস্তু কিনো—ইমানখিনিতো অসম্ভৱেই, কিন্তু মাহটোৰ আয়-ব্যয়ত এটা নির্দিষ্ট পৰিমাণ কিতাপ-পত্ৰত ধৰাৰো অভ্যাস নাই বুলিবই পাৰি। পাঠ্যপুথি কিনাত কোনেও কার্পণ্য নকৰে, কিন্তু বাহিৰা কিতাপ কিনাৰ ক্ষেত্ৰত কার্পণ্য আছে। আমি অৱশ্যে দাম বেছি হোৱাটো সমর্থন নকৰোঁ। ছমাৰছেট মমে তেওঁৰ উপন্যাস এথনৰ সুলভ পেপাৰবেক সংস্কৰণ উলিওৱা প্ৰসংগত কৈছিল যে লিখক হিচাপে যিমান বেছি সংখ্যক পাঠকৰ ওচৰ চাপিব পাৰি তেওঁ সিমানেই ভাল পায়। দাম কমাই ৰখাটোৱেই তাৰ এটা ভাল উপায়। আমিও কওঁ যে কষ্টসাধ্য, পাণ্ডিত্যপূর্ণ আৰু গৱেষণামূলক গ্ৰন্থৰ দাম বেছি হওক, কিন্তু সর্বসাধাৰণ পঢ়ুৱৈয়ে কিনি নি পঢ়িব পৰা সাধাৰণ কিতাপ-পত্ৰৰ দাম বেছি নোহোৱাই ভাল। কিন্তু বর্তমান বজাৰৰ গতিত কিতাপৰ দাম কমাই ধৰাৰ কোনো আশা দেখা নাযায়।

এই অৱস্থা নিশ্চয় চলি থাকিব নোৱাৰে—চলি থাকিবলৈ দিব নোৱাৰি। নহ'লে সাহিত্যৰ ক্ষতি, জ্ঞান প্ৰসাৰত বাধা, পুথি ব্যৱসায়টোৰ লোকচান। লিখকৰ দৃষ্টিকোণৰপৰা যিমান পাৰি সৰহ সংখ্যক পাঠকক চুকি পোৱা অৱস্থা আহিব লাগে। বর্তমানে থ্ৰিলাৰ জাতীয় সৰু সৰু উপন্যাস আৰু নিম্ন শ্ৰেণীৰ যৌন বিষয়ক উপন্যাসে কিতাপৰ বজাৰত গা কৰি উঠিছে। আমি এই উপায়ে পাঠকক চুকি পোৱাৰ কথা কোৱা নাই। নাটক, কবিতা, প্ৰবন্ধ, গল্প-উপন্যাস আদি সর্বজনগ্ৰাহ্য কাচৰান চিৰিয়াছ সাহিত্যৰদ্বাৰা চুকি পোৱাৰ কথাহে কৈছোঁ। ১০ বছৰমান পূর্বে এজন প্ৰকাশক বন্ধুৱে আমাৰ আগত মত প্ৰকাশ কৰিছিল যে এখন নতুন ষ্টেণ্ডার্ড অসমীয়া কিতাপৰ অন্ততঃ ১০ হাজাৰ কপি প্ৰথমে ছপা হ'ব লাগে—ছপা হ'ব লাগে মানে সেই ১০ হাজাৰ বিক্ৰীও হ'ব লাগিব। প্ৰস্তাৱটো মূল্যবান, কিন্তু সি যে কেতিয়ালৈ কার্যকৰী হ'বগৈ আমি ক'ব নোৱাৰোঁ। আমি জনাত কোনো ভাৰতীয় ভাষাতে বাহিৰা কিতাপৰ ক্ষেত্ৰত এইটো হৈ উঠা নাই। বিদেশী, বিশেষকৈ ইংৰাজী পেপাৰবেক সংস্কৰণ মিলিয়নৰ ঘৰত বিক্ৰী হোৱাৰ কথা প্ৰচাৰিত হৈছে। ইংৰাজীৰ ব্যাপক প্ৰচলনৰ লগত অসমীয়া ভাষাৰ তুলনা নচলে। তথাপি পেপাৰবেকেৰে সুলভভাৱে পাঠকৰ ওচৰ চপাৰ উপায় আছে। কিন্তু এতিয়ালৈকে যি দুই-এটা পকেট পুথিৰ পৰীক্ষা কৰা হৈছে সি সফল হোৱা নাই। যি দেখা গৈছে, হার্ডবেক হওক পেপাৰবেক হওক অসমীয়া গ্ৰাহক একেখিনিয়েই। তথাপি পেপাৰবেকৰ কৃতকার্যতাৰ কাৰণে চেষ্টা চলাই যোৱা

উচিত। ইয়াৰ যোগে সেই একেশিনি গ্ৰাহকৰ বেছ তেজ কৰিবলৈ চেষ্টা কৰিব লাগিব। অসম প্ৰকাশন পৰিষদৰ নিচিনা প্ৰতিষ্ঠানে এক চিৰিজ জনপ্ৰিয় ভণা লাগতিয়াল পুথিৰ সুলভ পেপাৰবেক সংস্কৰণ উলিয়াই বাট দেখুৱাব পাৰে।

পুথিভঁৰাল সেৱা ব্যৱস্থাৰ এতিয়াতকৈ বহুত বেছি সম্প্ৰসাৰণ হ'ব লাগে। তাৰদ্বাৰাও কিতাপৰ প্ৰচাৰ বাঢ়িব। ২২টা চৰকাৰী পুথিভঁৰালত ৫ লাখ কিতাপ আছে। স্কুল-কলেজৰ লাইব্ৰেৰীবিলাকৰ উপৰি অসমৰ ২৫ হাজাৰ গাঁৱৰ ভিতৰত মাত্ৰ ২½ হাজাৰমানহে সৰু সৰু পুথিভঁৰাল আছে—আৰু এইবিলাকে চৰকাৰৰপৰা আৰ্থিক সাহায্য পায়—এইবিলাকত মুঠ ৫ লাখমান পুথি আছে। গ্ৰাম্য পুথিভঁৰালবিলাকত ৬০ হাজাৰমান পাঠকে নাম ভৰ্তি কৰিছে বুলি জনা যায়। য'ত ৪০ লাখ সাক্ষৰ লোক আছে তাত এই সংখ্যাটো নিতান্ত কম হৈছে। পুথিভঁৰাল সেৱা সম্প্ৰসাৰিত কৰি এই সংখ্যা বৃদ্ধি কৰিব লাগে। লগে লগে কেৱল অৰুচিকৰ নিম্নশ্ৰেণীৰ কিতাপ কিনাক প্ৰশ্ৰয় নিদি সৎ গ্ৰন্থ যাতে এইবিলাক পুথিভঁৰাললৈ নিয়া হয় তালৈকো চকু দিয়া উচিত। চৰকাৰেই নিশ্চয় এই ছুয়োটা কামত সহায় কৰিব পাৰিব। চৰকাৰী পুথিভঁৰালবিলাকৰপৰা এতিয়া বছৰি যি ১০ লাখ কিতাপ সভাসকলে পঢ়িবলৈ নিয়ে সি যথেষ্ট নহয়। এই সংখ্যা ইয়াতকৈ বহু বেছি হ'ব লাগে। পুথিভঁৰাল সেৱাৰ সম্প্ৰসাৰণ ঘটিলে নিশ্চয় এতিয়াতকৈ বেছি সংখ্যক পঢ়ুৱৈক আকৰ্ষণ কৰিব, আৰু পঠন অভ্যাস গঢ় দিয়াতো ই আওপকীয়াকৈ সহায় কৰিব।

কিতাপ-পত্ৰৰ বিষয়ে প্ৰচাৰৰ অভাৱ আমাৰ আন এটা সমস্যা। বাতৰি কাকত, আলোচনী আৰু ৰেডিঅ'ৰ পুথি সমালোচনা চ'ৰাই প্ৰচাৰত সহায় কৰে, কিন্তু অসমত এই সুবিধা নিতান্তই সীমাবদ্ধ। বৰ বেছি ধ্বংসমূলক নহ'লে এনে সমালোচনাই সৰ্বসাধাৰণ পাঠকৰ কৌতূহল জগাই তুলিব পাৰে। এজন পাঠকৰপৰা আন এজনে প্ৰশংসা শুনিলেই একোখন কিতাপৰ প্ৰচলন বাঢ়ি যায়। সকলোৱে ৰিভিউ পঢ়ি যদি কিতাপখন সম্বন্ধে আগ্ৰহ কৰে সি নিশ্চয় বেছি লাভজনক হ'ব। কিন্তু দুখৰ বিষয় যে অসমীয়া বাতৰি কাকত-বিলাকৰ কলেবৰ ক্ষীণ, ন-পুথিৰ চিনাকি দিবলৈ সেইবিলাকত ঠায়েই নাই। অসমীয়া আলোচনীৰ প্ৰচলনো তেনে উৎসাহজনক নহয়—আলোচনী এমাহৰ বা তিনিমাহৰ মূৰে মূৰে ওলায় কাৰণে সমালোচনাৰে প্ৰচাৰৰ আশা ইয়াত ক্ষীণ। তথাপি ৰেডিঅ', বাতৰি কাকত আৰু আলোচনীত সমালোচনাৰ মাত্ৰা বঢ়াই দিব পাৰিলে প্ৰচাৰৰ পৰিমাণ বৃদ্ধি পাব পাৰে। কিতাপৰ বিজ্ঞাপন

দিয়াতো বিশেষ গুৰুত্ব দিয়া দেখা নাযায়। 'টাইমছ লিটাৰেৰী ছাপ্লিমেণ্ট'ত ইংৰাজী পুথিৰ আৰু 'দেশ' পত্ৰিকাত বঙালী পুথিৰ ইমান বিজ্ঞাপন থাকে যে চকু ফুৰালেই পুথি-পত্ৰৰ বিষয়ে ভালেখিনি সংবাদ সংগ্ৰহ কৰা হৈ যায়। ইয়াৰ-দ্বাৰা পাঠকৰ মনত আগ্ৰহ সৃষ্টি কৰি দিয়া হয়। আমাৰ তেনেকুৱা বহুল প্ৰচাৰিত আলোচনী অৱশ্যে নাই। কিন্তু তথাপি আলোচনীবিলাকত সৰহ পৰিমাণে কিতাপ-পত্ৰৰ বিজ্ঞাপন ছপোৱাৰ দিহা কৰিব পাৰিলে কিছু কাম নিশ্চয় হ'ব। এই কাম জনপ্ৰিয় সাপ্তাহিক কাকতবিলাকেও কৰিব পাৰে। এই কথাৰ প্ৰতি আমি 'প্ৰকাশ', 'সংজ্ঞা', 'বিস্ময়', 'প্ৰতিনিধি' আদি আলোচনী আৰু 'অসম বাণী', 'নীলাচল', 'নাগৰিক' আদি সাপ্তাহিক কাকতৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ।

সাহিত্য সভাৰ বাৰ্ষিক অধিবেশনৰ লগত পতা প্ৰদৰ্শনীত আৰু নেচনেল বুক ট্ৰাষ্ট আৰু প্ৰকাশন পৰিষদৰ যুটীয়া উদ্যোগত পতা গ্ৰন্থ-মেলাত কিতাপ চাবলৈ আৰু কিনি নিবলৈ সৰ্বসাধাৰণ ৰাইজৰ বেছ উৎসাহ দেখা যায়। এই উৎসাহ দেখিয়েই অনুভৱ হয় যে আমাৰ মানুহৰ পঢ়াৰ আগ্ৰহ আৰু পঠনৰ অভ্যাস নোহোৱা নহয়। কলিকতাত পতা গ্ৰন্থ-মেলাত ১০ দিনৰ ভিতৰত ১ লাখ ১২ হাজাৰ লোকে যোগদান কৰাৰ অভিলেখ আছে। তাত বিভিন্ন ষ্টলৰপৰা কিতাপ-পত্ৰও বহু সংখ্যক বিক্ৰী হয় বুলি প্ৰকাশ। এনে গ্ৰন্থ-মেলাই কিতাপ কিনা আৰু পঢ়াৰ এটা অনুকূল পৰিবেশ সৃষ্টি কৰে। গতিকে এনে গ্ৰন্থ-মেলা ঠায়ে ঠায়ে আৰু ঘনাই পাতিব পাৰিলে ভাল হয়। অসমৰ প্ৰকাশকসকলেই এনে প্ৰদৰ্শনীৰ আয়োজন কৰাৰ কথা চিন্তা কৰিব পাৰে। গ্ৰাহকক প্ৰভাৱান্বিত কৰিবলৈ প্ৰচাৰ আৰু বিজ্ঞাপনক সকলো দেশতে এটা প্ৰধান মাধ্যম ৰূপে প্ৰয়োগ কৰা হৈছে। পঢ়ুৱৈ শ্ৰেণী গঢ়িবলৈ, তাক সম্প্ৰসাৰিত কৰিবলৈ আমি ওপৰত কৈ অহা প্ৰচাৰৰ উপায়সমূহ অৱলম্বন কৰিলে ভাল হ'ব বুলি আমি ভাবোঁ। কিতাপ সংগ্ৰহ কৰি সংৰক্ষণ কৰাৰ অভ্যাস বহুতৰে; ই ক্ৰমাৎ বাঢ়ি গৈছে বুলিয়েই আমাৰ ধাৰণা। ইয়াত উৎসাহ যোগোৱাৰ ব্যৱস্থা হ'ব লাগে। প্ৰচাৰৰ প্ৰভাৱেৰে যদি বস্ত্ৰ কিনাব পাৰি তেন্তে গ্ৰন্থও নিশ্চয় কিনাব পৰা যায়। মানুহে যদি ফিল্ম আৰু ফেচনৰ মেগাজিন কিনিব পাৰে তেন্তে ভাল কিতাপ-পত্ৰও কিনিব পাৰে।

আজিৰ পাঠকৰ ৰুচি আৰু দৃষ্টিভংগীৰ ২০।২৫ বছৰৰ আগতকৈ বহুত সলনি হৈছে। সমালোচনাত কঠোৰতৰ ভাষা প্ৰয়োগ হোৱা আৰু সামাজিক দৃষ্টিৰে সকলো বিষয়ৰ ব্যাখ্যা কৰা আমাৰ সকলোৰে চকুত পৰিছে। কেৱল গল্প-উপন্যাস পঢ়িয়েই আজিৰ পাঠক সন্তুষ্ট থাকিব পৰা নাই। গল্প-উপন্যাসতো নতুন

অত্যাৱশ্যকীয় পৰিবৰ্তনৰ দৃষ্টিভংগী বিচৰা হৈছে। যোৱা ৩০ বছৰে আমাৰ সমাজ আৰু অৰ্থনীতিৰ ব্যাপকভাৱে কল্যাণকৰ পৰিবৰ্তন নোহোৱাই ইয়াৰ কাৰণ। এই পৰিবৰ্তনৰ লগত সংগতি ৰাখি কিমান প্ৰকাশকে কিতাপ-পত্ৰ প্ৰকাশ কৰিছে কোৱা টান। চাঞ্চল্যৰ সৃষ্টি কৰিব পৰা বিষয়ৰ পুথি লিখোৱাটো বিদেশী প্ৰকাশকৰ এটা ভাল ব্যৱসায়ৰ উপায়। আমাৰ দেশতো তেনে বিষয়ৰ ইংৰাজী কিতাপ ছপাই উলিওৱা প্ৰকাশকে বেছ কৃতকাৰ্যতা লাভ কৰিছে। ৰাইজৰ মনৰ অৱস্থাৰ বুজ লৈ এনে পুথি উলিয়ালে বহল পাঠকশ্ৰেণী লাভ কৰিব পাৰি। আমাৰ ৰাইজৰ যি মানসিক পৰিবৰ্তন আহিছে তাৰে বুজ লৈ সেই অনুক্ৰমে কিতাপ লিখোৱাই প্ৰকাশ কৰিবলৈ নিশ্চয় ভাল সঁহাৰি পোৱা যাব।

পঢ়ুৱৈ সমাজৰ লগত যে গোটেই পুথি ব্যৱসায়টো আৰু আমাৰ সামাজিক অৱস্থাটোও সাঙোৰ খাই আছে, আমি ইমান পৰে তাকেই প্ৰতিপন্ন কৰিব খুজিছোঁ। অকল পঢ়ুৱৈৰ অমনোযোগিতা বা অনীহা আছে বুলি কৈয়ে আমি ক্ষান্ত থাকিব খোজা নাই। তেওঁলোকৰ মনত আগ্ৰহ সৃষ্টি কৰি দিয়াত, নতুন নতুন সুৰুচি সৃষ্টি কৰি দিয়াত আমি গুৰুত্ব আৰোপ কৰিছোঁ। শেষত ইয়াকে ক'ব খোজোঁ যে আগ্ৰহ সৃষ্টিৰ চেষ্টা ল'ৰা-ছোৱালীৰ ক্ষেত্ৰতে বহলাই কৰা ভাল। সৰুৰে পৰা আগ্ৰহ জন্মিলে পিছৰ বয়সলৈকে বৈ যাব, আৰু কিতাপ পঢ়াৰ অভ্যাসটো একো বেয়া অভ্যাস নহয়। কিন্তু এই দিশতেই বোধহয় অসমীয়া ভাষাটো আটাইতকৈ অনগ্ৰসৰ। দৃষ্টিকটুকৈ সৰু সৰু সাধুকথাৰ পুথি ছপায়েই শিশু সাহিত্য কৰি দিলোঁ বুলি ক্ষান্ত থকাৰ দিন আৰু নাই। কিশোৰ-কিশোৰীহঁতে আজি জগতৰ জ্ঞান-বিজ্ঞানৰ বহুত খবৰেই ৰাখে। তেওঁলোকৰ কৌতূহল চৰিতাৰ্থ কৰিব পৰাকৈ পুথি-পত্ৰ আমাৰ নাই বুলিবই পাৰি। ফলত ইংৰাজী কমিকবিলাকেই তেওঁলোকৰ মন আচ্ছন্ন কৰি পেলাইছে। কমিকৰ ভিতৰতে ক্লাছিক্স গ্ৰন্থবিলাকৰ কিছুমান আভাস পাব পৰা হোৱাটো লাভৰ কথা হৈছে—যেনেকৈ ভাৰতীয় প্ৰকাশক এজনেও স্মৰণীয় ব্যক্তিসকলৰ জীৱনকথা তথা পৌৰাণিক কাহিনীবিলাকৰ এনে সচিত্ৰ ৰূপ দিয়াটো ভাল কথা হৈছে। কিন্তু সৰহভাগ কমিকেই জীৱন সম্বন্ধে ভ্ৰান্ত, অপৰাধপ্ৰৱণ ধাৰণা শিশুৰ মনত সুমুৱাই দিয়াৰ আশংকা আছে। গতিকে আমাৰ ল'ৰা-ছোৱালীৰ মন ভাল, ৰুচিকৰ, উপকাৰী বিষয়ৰ প্ৰতি আকৃষ্ট কৰিব পৰাকৈ বিবিধ আকৰ্ষণীয় গ্ৰন্থৰ যোগান ধৰিব লাগে। তেওঁলোকেই আমাৰ ভাৱীকালৰ পাঠক সমাজ। তেওঁলোকেই আমাৰ সমাজৰ গুৰি ধৰিব। তেওঁলোকক অৱহেলা কৰা উচিত নহয়।

ভিতৰ চ'ৰা

পাঠশালা সাহিত্য সভাৰ চমু কথা

শ্ৰীগোলোকেশ্বৰ গোস্বামী

পাঠশালা সাহিত্য সভাৰ জন্ম ১৯৬২ চনৰ বহু এপ্ৰিলত।

স্কুলীয়া আলোচনী, বিভিন্ন সংঘৰ হাতেলিখা আলোচনীৰ পাতত এই অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলে সাহিত্য চৰ্চাৰ এটা পৰিবেশ সৃষ্টি কৰিছিল। তথাপি সকলোৱে অনুভৱ কৰিছিল এটা সমূহীয়া অনুষ্ঠানৰ। স্বাধীনোত্তৰ কালত অসম সাহিত্য সভা অকল সাহিত্যিকসকলৰ অনুষ্ঠান হৈ নাথাকি ই অসমৰ জাতীয় অনুষ্ঠানত পৰিণত হ'ল। এই মহান জাতীয় অনুষ্ঠানৰ অংশভুক্ত হোৱাৰ বাবে এটা প্ৰবল ইচ্ছাই ইয়াৰ কেইজনমান লোকক আকৰ্ষিত কৰিলে।

আগকথা

কিন্তু অসম সাহিত্য সভাৰ স্বীকৃতিপ্ৰাপ্ত বজালী সাহিত্য সভা নামৰ এটা শাখা থকাত নতুন শাখা খোলাৰ ক্ষেত্ৰত উদ্যোক্তাসকল অলপ চিন্তিত হ'ল। সেই সময়ৰ অসম সাহিত্য সভাৰ সভাপতি অধ্যক্ষ শ্ৰীত্ৰৈলোক্যনাথ গোস্বামীদেৱৰ উপদেশ মতে পাঠশালা সাহিত্য সভা নামেৰে এখন সাহিত্য সভা খোলা হয় আৰু সেই চনৰ জুলাই মাহৰ ১৪ তাৰিখে পাঠশালা সাহিত্য সভাই অসম সাহিত্য সভাৰ স্বীকৃতি লাভ কৰে। প্ৰথম কাৰ্যনিৰ্বাহক সভাৰ সদস্যসকল আছিল—অধ্যক্ষ শ্ৰীৰাজেন্দ্ৰনাথ শৰ্মা—সভাপতি, শ্ৰীমুনীন্দ্ৰনাথ শৰ্মা—সম্পাদক আৰু শ্ৰীশচীন্দ্ৰ কুমাৰ দাস, অধ্যাপক শ্ৰীহৰেন্দ্ৰনাথ ডেকা, ৺যামিনীমোহন শৰ্মা, অধ্যাপক শ্ৰীউদ্ধৱচন্দ্ৰ কলিতা, শ্ৰীহৰেন্দ্ৰনাথ শৰ্মা আদি সদস্য।

নামত পাঠশালা সাহিত্য সভা হ'লেও ইয়াৰ পৰিসৰ কেৱল পাঠশালাতে সীমাবদ্ধ থকা নাই। পাঠশালাৰ বাহিৰৰ মুগুৰীয়া, বামাথাটা, গোবিন্দপুৰ, বাং, বৰবাং, বায়পুৰ, ধৰমতলা, বামুণকুছি আদি চৌপাশৰ গাঁৱৰ বহুতো

পৰিসৰ

ব্যক্তিয়ে পাঠশালা সাহিত্য সভাৰ সদস্য হোৱাৰ উপৰিও ইয়াৰ বিভিন্ন বিষয়বাব লৈ সাহিত্য সভাৰ সেৱা কৰি

আহিছে। সাহিত্য সভাৰ বিভিন্ন অনুষ্ঠান পাঠশালাতে সীমাবদ্ধ নাৰাখি ধৰমতলা, বায়পুৰ, মুগুৰীয়া আদি গাঁৱত সময়ে সময়ে পাতি মানুহৰ মন সাহিত্য সভাৰ প্ৰতি আকৰ্ষিত কৰা হৈছে। সেইবাবেই বোধ কৰোঁ সদস্য-সংখ্যাৰ ফালৰপৰা আজি পাঠশালা সাহিত্য সভা অন্যতম।

অসম সাহিত্য সভাৰ ১৯৬২ চনতে স্বীকৃতি লাভ কৰা পাঠশালা সাহিত্য সভাৰ স্বীকৃতি আজিও অব্যাহত। বছৰি অসম সাহিত্য সভাৰ অধিবেশনলৈ পাঠশালা সাহিত্য সভাই যুজন সংখ্যক প্ৰতিনিধি পঠাই আছে। অসম সাহিত্য সভাৰ অধিবেশনত পাঠ কৰা সম্পাদকৰ প্ৰতিবেদনত পাঠশালা সাহিত্য সভাৰ কাৰ্যাৱলী সহানুভূতি সহকাৰে উল্লেখিত হৈ থাকে।

অসম সাহিত্য সভাৰ শাখা হিচাপে

পাঠশালা সাহিত্য সভাৰ অন্যতম সদস্য শ্ৰীসতীশচন্দ্ৰ চৌধুৰীয়ে অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ সদস্যৰূপে আজি কেবাবছৰো কাম কৰি আছে। আন এগৰাকী বিশিষ্ট সদস্য ড° নিশিপদ চৌধুৰী অসম সাহিত্য সভাৰ সহকাৰী সম্পাদক। বজালী অঞ্চলত অসম সাহিত্য সভাৰ শাখা বিস্তাৰ কৰা অভিযানত পাঠশালা সাহিত্য সভাই বিশেষ ভূমিকা লয়। পাঠশালা সাহিত্য সভাৰ উদ্যোগত এই অঞ্চলত কেবাখনো সাহিত্য সভা গঠিত হৈছে।

আজি ষোল বছৰে পাঠশালা সাহিত্য সভাই সাধ্যানুসাৰে অসম সাহিত্য সভাৰ শাখা হিচাপে বিভিন্ন দিশত কাম কৰি আহিছে। তাৰ ভিতৰত আলোচনা চক্ৰ, সাহিত্য সভা সপ্তাহ পালন, অসমীয়া সাহিত্যৰ প্ৰকাশ, পুৰণি পুথি উদ্ধাৰ, নাট্যকাৰ সংগঠক স্বৰ্গীয় সন্তৰাম চৌধুৰী একাংক নাট প্ৰতিযোগিতা পতাৰ উপৰিও সময়ৰ আহ্বানত জাতীয় স্বাৰ্থৰক্ষাৰ বাবে বিভিন্ন দিশত কাম কৰি আহিছে।

অসম সাহিত্য সভাৰ নিৰ্দেশক্ৰমে বিভিন্ন সময়ত বিভিন্ন অনুষ্ঠান পাতি অহা হৈছে। বিশেষকৈ 'সাহিত্য সভা সপ্তাহ' উপলক্ষে হোৱা অনুষ্ঠানবোৰত যুজন পৰিমাণৰ সাহিত্য সভাৰ প্ৰকাশন বিক্ৰি কৰা, সাহিত্যৰ প্ৰচাৰ, আলোচনা চক্ৰ আদি হৈ থাকে। বিশিষ্ট সাহিত্যিকৰ জন্ম শতবাৰ্ষিকী পালন উপলক্ষে তেখাসকলৰ সাহিত্যৰ আলোচনা আৰু মূল্যায়ন কৰি আহিছে আলোচনা চক্ৰবোৰত। বিশিষ্ট সাহিত্যিকসকলক সময়ে সময়ে সম্বৰ্ধনা জনোৱাটো সাহিত্য সভাৰ কাৰ্যাৱলীৰ ভিতৰত এটা উল্লেখযোগ্য অনুষ্ঠান। এই অনুষ্ঠানবোৰে উঠি অহা যুৱকসকলক সাহিত্য চৰ্চা তথা অধ্যয়নৰ প্ৰতি আকৃষ্ট কৰে।

কামৰূপ সাহিত্য পৰিষদ গঠনৰ পিছৰপৰাই এই সংগঠনৰ উন্নতিকল্পে পাঠশালা সাহিত্য সভাৰ বিশেষ ভূমিকা উল্লেখযোগ্য। আজি পাঁচ বছৰে পাঠশালা সাহিত্য সভাৰ সদস্য ক্ৰমে শ্ৰীসতীশচন্দ্ৰ চৌধুৰী আৰু শ্ৰীনগেন বায়ে কামৰূপ সাহিত্য পৰিষদৰ প্ৰধান সম্পাদকৰ গুৰু দায়িত্ব বহন কৰি পৰিষদৰ সেৱা কৰি আহিছে। তেওঁলোকৰ উপৰিও পাঠশালা সাহিত্য সভাৰ আন কেবাগৰাকী সদস্যই এই পৰিষদৰ বিভিন্ন বিষয়বাবত আছে। কামৰূপ সাহিত্য পৰিষদৰ অধিবেশনবোৰত পাঠশালা সাহিত্য সভাই যথেষ্ট সংখ্যক প্ৰতিনিধি পঠাই আৰু পৰিষদৰ উন্নতিকল্পে সাধ্যানুসাৰে কাম কৰি আহিছে।

কামৰূপ সাহিত্য পৰিষদৰ লগত সম্বন্ধ

পাঠশালা সাহিত্য সভা আৰ্থিক দিশত টনকিয়াল নহয় যদিও মনোবলত বলী। অন্য লগৰপৰাই অসম সাহিত্য সভাৰ অধিবেশনবোৰত পাঠশালা সাহিত্য সভাৰ বৰঙণিৰ কথা কেবাবাৰো উল্লেখিত হৈছে। অসমীয়া ভাষা সাহিত্য আৰু সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে সাহিত্য সভাই কেবাখনো গ্ৰন্থ প্ৰণয়ন আৰু প্ৰকাশ কৰিছে। ইয়াত প্ৰকাশনসমূহৰ এটি চমু পৰিচয় দিয়া হ'ল। **প্ৰবন্ধ চয়ন**—শিক্ষা, ভাষা-সাহিত্য, পুৰাতত্ত্ব আদি ২২টা বিভিন্ন বিষয়ৰ প্ৰবন্ধৰ একত্ৰিত সংকলন। বিষয়-বস্তুৰ ফালৰপৰা এইখন নিঃসন্দেহে এখন উৎকৃষ্ট গ্ৰন্থ। ই ছাত্ৰ, সাধাৰণ পাঠক আৰু অনুসন্ধিৎসুসকলৰ উপকাৰত আহিব। অসম সাহিত্য সভাৰ হীৰক জয়ন্তী উপলক্ষে প্ৰকাশ কৰা আনখন প্ৰবন্ধ সংকলন **চিন্তাদীপত** জনবিশ্বাস আৰু ধৰ্মৰপৰা আৰম্ভ কৰি কবিতাৰ গতিলৈ মুঠ দহোটা প্ৰবন্ধৰ সমষ্টিত আছে ভাষা-সাহিত্য, আলোচনা আদি চিন্তাগধুৰ প্ৰবন্ধ। আকৌ হীৰক জয়ন্তী উপলক্ষে প্ৰকাশিত **আলিপনাৰ** পঞ্চম সংখ্যাটো প্ৰবন্ধৰ বিশেষ সংখ্যা হিচাপে উলিওৱা হৈছে। ইয়াতো সাহিত্য, চিত্ৰকলা, ছন্দ আদি বিভিন্ন বিষয়ৰ দহোটা প্ৰবন্ধ সন্নিবিষ্ট কৰা হৈছে। এই প্ৰবন্ধ সংকলনবোৰত অসমীয়া সাহিত্যৰ লগতে সংস্কৃত সাহিত্য বিষয়ক কেবাটাও প্ৰবন্ধই ঠাই পোৱাটো উল্লেখযোগ্য। ইয়াৰপৰা তুলনামূলক অধ্যয়নৰ সুবিধা হয়। আকৌ অসমীয়া সাহিত্যৰ ভঁড়ালত প্ৰবন্ধৰ কিতাপৰ অভাৱলৈ চাই পাঠশালা সাহিত্য সভাৰ এই বৰঙণি নিশ্চয় যথেষ্ট বুলি ক'ব লাগিব। ইয়াৰ উপৰিও সদৌ অসম সন্তৰাম চৌধুৰী একাংকিকা প্ৰতিযোগিতা উপলক্ষে প্ৰকাশিত স্মৃতিগ্ৰন্থবোৰো একোখন মূল্যবান পুথিৰ আকাৰত

অসমীয়া সাহিত্যাৰ বেদিত পুষ্পাঞ্জলি

প্ৰকাশ কৰা হৈছে। এই স্মৃতিগ্ৰন্থখোৰত নাট, মঞ্চ, নাট্য আন্দোলন আদিৰ সম্যক আলোচনা আগবঢ়োৱা হৈছে। বিশেষকৈ পঞ্চম সংখ্যাত প্ৰকাশিত উদ্ভট চিন্তা আৰু প্ৰতীক, অভিনেতা আৰু অভিনয়, ক্লাছিক নাটকৰ চৰ্চা আদি প্ৰবন্ধবোৰৰ বিশেষ মূল্য আছে। অসমীয়া কবিতাৰ বিক্ৰি আৰু প্ৰসাৰ কম বুলি সততে আক্ষেপ কৰা শুনা যায়। তেনে ক্ষেত্ৰতো পাঠশালা সাহিত্য সভাই শ্ৰীমুনীন্দ্ৰনাথ শৰ্মাৰ **মানসতীৰ্থ** (ভাব কাব্য) আৰু শ্ৰীসতীশচন্দ্ৰ চৌধুৰীৰ **জীৱন নদী** নামৰ দুখনকৈ কবিতাৰ কিতাপ প্ৰকাশ কৰিছে। শ্ৰীচৌধুৰীৰ কবিতাৰ পুথি জীৱন নদীত আশা-নিৰাশা, স্বদেশ প্ৰেম আদি বিভিন্ন বিষয়ৰ মুঠ ছকুৰি দুটা কবিতা আছে।

পাঠশালা সাহিত্য সভাই সময়ে সময়ে প্ৰকাশ কৰি অহা **আজিপলা** নামৰ মুখপত্ৰখনত বিভিন্ন ধৰণৰ গল্প, প্ৰবন্ধ, কবিতা প্ৰকাশ পাই আহিছে। আলোচনী হিচাপে এইখন এখন মানবিশিষ্ট আলোচনী। ইয়াৰ ষষ্ঠ সংখ্যাটো বিশেষ গল্প সংখ্যা হিচাপে প্ৰকাশ কৰা হৈছে। চতুৰ্থ সংখ্যাটোত কেবাটাও প্ৰবন্ধ আৰু কবিতা সন্নিবিষ্ট কৰা হৈছে। এই আলোচনীখনে কেবাজনো নতুন লেখকৰ জন্ম দিছে। তাৰ ভিতৰত কেবাজনো উদীয়মান লেখকৰ ভবিষ্যত উজ্জ্বল বুলি ভবাৰ থল আছে। ইয়াৰপৰা প্ৰকাশিত এখন উল্লেখযোগ্য পুথি হ'ল **ডুবি পৰিহৰেশ্বৰ দেৱালয়ৰ ইতিবৃত্ত**। এই পুথিখনে ধৰ্ম, পুৰাতত্ব বিষয়ৰ অনুসন্ধিৎসু ব্যক্তি তথা সৰ্বসাধাৰণ পাঠকৰ মহৎ উপকাৰ সাধন কৰিছে। এই পুথিত ডুবিৰ তাৎপৰ্য, জনশ্ৰুতি, বিগ্ৰহৰ কথা, দেৱালয়ৰ ঐতিহাসিক পৰিচয়, নাট মন্দিৰৰ ইতিবৃত্ত, পৰম্পৰা দেৱদাসী নৃত্য আদি বিষয় সন্নিবিষ্ট কৰি মুঠতে দেৱালয় আৰু তাৰ লগতে থকা সাংস্কৃতিক জগতখনৰ এক সম্যক আলোচনা দাঙি ধৰা হৈছে। তাৰ উপৰি ইয়াত দেৱদাসী নৃত্যৰ বোল সন্নিবিষ্ট কৰাত হেৰাই যাব খোজা নৃত্যটোৰ সংৰক্ষণ আৰু চৰ্চাৰ ক্ষেত্ৰত উপকাৰ হ'ব।

সংখ্যাৰ লেখেৰে বৃহৎ পৰিমাণৰ নহ'লেও পাঠশালা সাহিত্য সভাৰ প্ৰকাশনসমূহে সাহিত্যৰ আটাইকেইটা দিশকে সামৰি লৈছে। এই প্ৰকাশন-সমূহৰ উপৰিও সাহিত্য সভাই বজালী অঞ্চলত প্ৰচলিত ফকৰা-যোজনা সংগ্ৰহ কৰি এখন পুথি যুগুতাই থৈছে। পুৰণি পুথি সংগ্ৰহ অভিযান কৰি অঞ্চলটোৰ কেবাখনো গাঁৱৰপৰা একাধিক মূল্যবান সাঁচিপতীয়া পুথি সংগ্ৰহ কৰি সংৰক্ষণ কৰিছে।

পাঠশালা সাহিত্য সভাৰ আন এটা বিশেষ অনুষ্ঠান হ'ল সদৌ অসম ভিত্তিত পতা একাংক নাট প্ৰতিযোগিতা। বঙালী অঞ্চলৰ নাট্য আন্দোলনৰ গুৰিধৰোঁতা নাট্যকাৰ সত্যৰাম চৌধুৰীৰ সোঁৱৰণত এই প্ৰতিযোগিতা পাতি অহা হৈছে। এই প্ৰতিযোগিতাৰ লগতে প্ৰকাশিত স্মৃতিগ্ৰন্থখনৰ প্ৰকাশ বিশেষ উল্লেখযোগ্য।

অসমৰ জাতীয় আন্দোলনৰ ক্ষেত্ৰত সাহিত্য সভাই গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে। যোৱা ১৯৭২ চনৰ ৰাজ্যভাষা আৰু মাধ্যমৰ দাবীত অসম জুৰি যি আন্দোলন হৈছিল সেই আন্দোলনত পাঠশালা সাহিত্য সভাৰ ভূমিকা

সামৰণি

বিশেষভাৱে উল্লেখযোগ্য। এই অঞ্চলৰ কাৰবীয়া গাঁও-বোৰৰ অধিবাসীবোৰৰ (সংখ্যালঘু অইন ভাষাভাষী সম্প্ৰদায়ৰ) মানসিক উদ্বেগ সাহিত্য সভাৰদ্বাৰা কমোৱা হৈছিল। সাহিত্য সভাৰ নেতৃত্বত বিভিন্ন সম্প্ৰদায়ৰ লোকে এই আন্দোলনত যোগ দিছিল। ফল স্বৰূপে দুষ্কাৰ্যকাৰীবোৰে পাঠশালাত দুষ্কাৰ্য সংঘটিত কৰিব পৰা নাছিল আৰু অঞ্চলটোত শান্তি বিৰাজ কৰিছিল।

কৈশোৰ অতিক্ৰমি যৌৱনত ভৰি দিয়া পাঠশালা সাহিত্য সভাৰ জন্মলগ্নৰপৰা সম্পন্ন কৰা কাৰ্যাৱলী আৰু সম্প্ৰতি লোৱা আঁচনিসমূহৰপৰা পাঠশালা সাহিত্য সভা অসম সাহিত্য সভা তথা কামৰূপ সাহিত্য পৰিষদৰ এটা বিশিষ্ট শাখা হিচাপে পৰিগণিত হৈছে। ৰাজ্যখনৰ ভাষা-সাহিত্য-সংস্কৃতি আৰু সমাজৰ উন্নতিকল্পে পাঠশালা সাহিত্য সভাই দিয়া বৰঙণিয়ে নিশ্চয় ইতিহাসত ঠাই পাব।

অভ্যৰ্থনা সমিতিৰ এষাৰ

পাঠশালা সাহিত্য সভাই জন্মলগ্নৰেপৰা অসমৰ জাতীয় অনুষ্ঠান অসম সাহিত্য সভালৈ সাধ্যানুসৰি বৰঙণি আগবঢ়াই আহিছে। ষষ্ঠদশ বছৰ সম্পন্ন কৰা সভাৰ বৰ্তমান বছৰৰ কাৰ্যনিৰ্বাহক সভাই অসম সাহিত্য সভাৰ ষষ্ঠ লেখক শিবিৰ পাঠশালালৈ আমন্ত্ৰণ জনাই প্ৰস্তাৱ গ্ৰহণ কৰে। অসম সাহিত্য সভাৰ যোৰহাটত বহা কাৰ্যনিৰ্বাহকে সভাৰ উক্ত প্ৰস্তাৱৰ প্ৰতি অনুমোদন জনায়। এই অনুগ্ৰহৰ বাবে অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ ওচৰত পাঠশালা সাহিত্য সভা ঋণী। যোৱা একৈশ জুন তাৰিখে বজালী মহাবিদ্যালয়ত বহা পাঠশালা সাহিত্য সভাৰ সাধাৰণ সভাই লেখক শিবিৰৰ বিষয়ে খৰচি মাৰি আলোচনা কৰাৰ লগতে এখন সক্ৰিয় অভ্যৰ্থনা সমিতি গঠন কৰে আৰু আমাৰ ওপৰত যুটীয়া সম্পাদকৰ গুৰু দায়িত্ব অৰ্পণ কৰে। অভ্যৰ্থনা সমিতিৰ উক্ত সাধাৰণ সভাতে লেখক শিবিৰৰ এখন আঁচনি গ্ৰহণ কৰা হয়। নক'লেও হ'ব যে উক্ত আঁচনি আৰু অসম তথা স্থানীয় ৰাইজ আৰু পাঠশালা সাহিত্য সভাৰ সদস্য-সদস্যাবৰ্গৰ অকুণ্ঠ সহযোগত শিবিৰৰ যাৱতীয় কাম-কাজ সুসম্পন্ন কৰাৰ বাবে সাধ্যানুসাৰে চেষ্টা কৰা হৈছে। অভ্যৰ্থনা সমিতিৰ সদস্যবৃন্দ আৰু বিভিন্ন সুধীজনৰ সহযোগত এনেদৰে ভাষা জননীৰ সেৱকসকলক সেৱা কৰিবলৈ পাই আমি অতিশয় গৌৰৱবোধ কৰিছোঁ। অসম সাহত্য সভাৰ এই মহৎ অনুষ্ঠান পৰিচালনাৰ ক্ষেত্ৰত সহযোগ আগবঢ়োৱাৰ বাবে অভ্যৰ্থনা সমিতিৰ প্ৰতিগৰাকী সদস্য-সদস্যা আৰু স্থানীয় ৰাইজৰ ওচৰত আমি চিৰকৃতজ্ঞ। জ্ঞাতে বা অজ্ঞাতে কৰা ভুল-ক্ৰটীৰ বাবে আমি সকলোৰে ওচৰত মাৰ্জনা বিচাৰিছোঁ। অভ্যৰ্থনাৰ ক্ষেত্ৰত যথেষ্ট ক্ৰটী-বিচ্যুতি হয়তো হৈ গৈছে। তাৰ বাবে অসমীয়া ভাষাৰ পণ্ডিত আৰু উপস্থিত সুধীজনৰ ওচৰত ক্ষমা চাইছোঁ। শেষত লেখক শিবিৰৰ সফল সামৰণি আৰু পাঠশালা সাহিত্য সভাৰ দীৰ্ঘায়ু কামনা কৰি আমাৰ কথা সামৰিছোঁ।

"চিৰ চেনেহী মোৰ ভাষা-জননী"

অভ্যৰ্থনা সমিতিৰ হকে

শ্ৰীসদানন্দ মিশ্ৰ

শ্ৰীনগেন ৰায়

যুটীয়া সম্পাদক,

অভ্যৰ্থনা সমিতি, অসম সাহিত্য সভা,

ষষ্ঠ লেখক শিবিৰ, পাঠশালা।

পাঠশালা

২৯ অক্টোবৰ, ১৯৭৮ চন

অসম সাহিত্য সভাৰ ষষ্ঠ লেখক শিবিৰৰ অভ্যৰ্থনা সমিতি

উপদেষ্টাসকল ঃ

১। শ্ৰীৰমণী বৰ্মণ, ৰাজ্যিক মন্ত্ৰী, অসম।
২। শ্ৰীধৰ্মানন্দ দাস, চেয়াৰমেন, অসম চাহ উদ্যোগ নিগম।
৩। শ্ৰীভূবনেশ্বৰ বৰ্মণ, বিধান সভাৰ সদস্য, পাট্টাছাৰকুছি।
৪। ডাঃ কৃষ্ণকান্ত লহকৰ, চেয়াৰমেন, পাঠশালা টাউন কমিটি।
৫। শ্ৰীতাৰিণীচৰণ চৌধুৰী, সভাপতি, পাঠশালা বাজাৰ কমিটি।

১। অধ্যক্ষ শ্ৰীৰাজেন্দ্ৰনাথ শৰ্মা, সভাপতি
২। শ্ৰীউমাকান্ত চৌধুৰী, উপ-সভাপতি
৩। ডাঃ হোমেশ্বৰ দেৱ চৌধুৰী „ „
৪। শ্ৰীৰমণী প্ৰসাদ শৰ্মা, „ „
৫। শ্ৰীকৃষ্ণচন্দ্ৰ কলিতা, „ „
৬। অধ্যাপক সদানন্দ মিশ্ৰ, যুটীয়া সম্পাদক
৭। শ্ৰীনগেন ৰায়, „ „
৮। অধ্যাপক হেমকান্ত শৰ্মা, ধনভঁৰালী

সদস্যসকল ঃ

১। সম্পাদক, পাঠশালা সাহিত্য সভা।
২। „ বজালী প্ৰগতি সাহিত্য সভা
৩। „ পাটাছাৰকুছি সাহিত্য সভা।
৪। „ পাকা সৰিহ সাহিত্য সভা।
৫। „ ৰাৰমাৰা সাহিত্য সভা।
৬। „ জালাহ সাহিত্য সভা।

৭। সম্পাদক, পুঠিমাৰী সাহিত্য সভা।
৮। „ বজালী সাহিত্য কলা পৰিষদ।
৯। অধ্যক্ষ, বজালী উঃ মাঃ বঃ বিদ্যালয়।
১০। „ পাটাছাৰকুছি বিদ্যাপীঠ।
১১। প্ৰধান শিক্ষক, পাঠশালা ছোৱালী হাইস্কুল।
১২। „ জনতা হাইস্কুল।
১৩। „ উত্তৰ বজালী হাইস্কুল।
১৪। „ বাঘমাৰা হাইস্কুল।
১৫। „ জালাহ মাধ্যমিক বিদ্যালয়।
১৬। „ চৌখুটী মাধ্যমিক বিদ্যালয়।
১৭। „ পাট্টাছাৰকুছি বালিকা বিদ্যালয়।
১৮। „ শ্বহীদ ৰাউতা মদন হাইস্কুল।
১৯। „ বনগাঁও হাইস্কুল।
২০। সম্পাদক, বজালী প্ৰগতি সংঘ।
২১। শ্ৰীহেম দাস।
২২। শ্ৰীফণীধৰ পাল।
২৩। শ্ৰীঘনকান্ত তালুকদাৰ।
২৪। শ্ৰীগৌৰীকান্ত শৰ্মা।
২৫। শ্ৰীহোমেশ্বৰ শৰ্মা।
২৬। শ্ৰীচন্দ্ৰকান্ত পাটগিৰি।
২৭। শ্ৰীউমেশচন্দ্ৰ তালুকদাৰ।
২৮। শ্ৰীভূপেন্দ্ৰনাথ শৰ্মা।
২৯। শ্ৰীঅম্বিকাপদ চৌধুৰী।
৩০। শ্ৰীমুনীন্দ্ৰনাথ শৰ্মা।
৩১। শ্ৰীদেবেন্দ্ৰনাথ ভট্টাচাৰ্য।
৩২। শ্ৰীমোহন পাটগিৰি।
৩৩। শ্ৰীবিবেকাৰঞ্জন ৰায় চৌধুৰী
৩৪। শ্ৰীনৰনাৰায়ণ শৰ্মা।
৩৫। শ্ৰীসুশীল শৰ্মা।
৩৬। শ্ৰীকন্দৰ্প শৰ্মা।

৩৭। শ্ৰীঅক্ষয় কুমাৰ চৌধুৰী।
৩৮। শ্ৰীলক্ষেশ্বৰ চৌধুৰী।
৩৯। শ্ৰীমুৰলীধৰ চাহু।
৪০। শ্ৰীমাধৱ অধিকাৰী।
৪১। শ্ৰী প্ৰবীণ বৰ্মণ।
৪২। শ্ৰীগণেশ চৌধুৰী।
৪৩। শ্ৰীসুৰেন্দ্ৰ নাৰায়ণ গোস্বামী।
৪৪। শ্ৰীগোলোকেশ্বৰ গোস্বামী।
৪৫। শ্ৰীসতীশচন্দ্ৰ চৌধুৰী।
৪৬। ড° নিশিপদ চৌধুৰী।
৪৭। শ্ৰীমহিমচন্দ্ৰ শৰ্মা।
৪৮। শ্ৰীসুভাষ জৈন।
৪৯। শ্ৰীসিংহনাথ শৰ্মা।
৫০। শ্ৰীনিৰঞ্জন শৰ্মা।

(ক) বিত্ত উপ-সমিতি—

সভাপতি—অধ্যক্ষ ৰাজেন্দ্ৰনাথ শৰ্মা।
উপ-সভাপতি—শ্ৰীভূপেন্দ্ৰনাথ শৰ্মা।
যুটীয়া সম্পাদক—শ্ৰীসদানন্দ মিশ্ৰ।
শ্ৰীনগেন ৰায়।

সদস্যসকল—

১। ৰায়চাহেব ৰজনীকান্ত দেৱ চৌধুৰী।
২। ডাঃ কৃষ্ণকান্ত লহকৰ।
৩। শ্ৰীসতীশচন্দ্ৰ চৌধুৰী।
৪। শ্ৰীৰতিকান্ত মহন্ত।
৫। শ্ৰীউমাকান্ত চৌধুৰী।
৬। শ্ৰীগোপাল শৰ্মা।
৭। শ্ৰীতাৰিণীচৰণ চৌধুৰী।
৮। শ্ৰীচন্দ্ৰ পাটগিৰি।
৯। শ্ৰীৰতন শৰ্মা।

১০। শ্ৰীঅৰুণ কুমাৰ শৰ্মা।
১১। শ্ৰীহেমন্ত গোস্বামী।
১২। শ্ৰীসুৰেন্দ্ৰ নাৰায়ণ গোস্বামী।
১৩। শ্ৰীনৰেশ্বৰ চৌধুৰী।
১৪। শ্ৰীগণেশ চৌধুৰী।
১৫। শ্ৰীৰাজেন্দ্ৰনাথ ৰায়।
১৬। শ্ৰীধৰণীধৰ ডেকা।
১৭। শ্ৰীহেমচন্দ্ৰ দাস।
১৮। শ্ৰীপ্ৰিয়নাথ চৌধুৰী।
১৯। শ্ৰীমনোৰঞ্জন চৌধুৰী।
২০। শ্ৰীজিতেন দাস।
২১। শ্ৰীভৱৰলাল আগৰৱালা।
২২। শ্ৰীমহিম শৰ্মা।
২৩। শ্ৰীসুভাষ জৈন।
২৪। শ্ৰীমুকুল গোস্বামী।
২৫। শ্ৰীমনোমোহন শৰ্মা।
২৬। উপ-প্ৰতিসমাহৰ্তা, বজালী, পাটাছাৰকুছি।
২৭। পঞ্চায়ক, বজালী, পাটাছাৰকুছি।
২৮। কাৰ্য্যবাহী অভিযন্তা, পাঠশালা জলসিঞ্চন সংমণ্ডল।
২৯। উপ-সংমণ্ডল বিষয়া, পাঠশালা জলসিঞ্চন।
৩০। উপ-সংমণ্ডল বিষয়া, পাঠশালা বান্ধ আৰু মথাউৰি।
৩১। সংমণ্ডল বিষয়া, পাঠশালা বিদ্যুৎ বিভাগ।
৩২। ভাৰপ্ৰাপ্ত বিষয়া, পাটাছাৰকুছি পুলিচ থানা।
৩৩। " " পাঠশালা আৰক্ষী চকি।
৩৪। যোগান বিষয়া, পাঠশালা।
৩৫। পৰিদৰ্শক, খাদ্য নিগম, পাঠশালা।
৩৬। শ্ৰীৰমা শৰ্মা, সহ-পৰিদৰ্শক, প্ৰাথমিক শিক্ষা, বজালী

(খ) **স্মৃতি-গ্ৰন্থ উপ-সমিতি—**

সভাপতি—শ্ৰীঅম্বিকাপদ চৌধুৰী।
উপ-সভাপতি—শ্ৰীসুনীন্দ্ৰনাথ শৰ্মা।

যুটীয়া সম্পাদক—শ্ৰীসতীশচন্দ্ৰ চৌধুৰী।
ডঃ নিশিপদ চৌধুৰী।
সদস্যসকল—শ্ৰীহৰেন শৰ্মা।
শ্ৰীভূপেন্দ্ৰনাথ শৰ্মা।
শ্ৰীহেমচন্দ্ৰ শৰ্মা।
শ্ৰীপ্ৰবীণচন্দ্ৰ বৰ্মণ।

(গ) **খাদ্য উপ-সমিতি—**

সভাপতি—শ্ৰীঅক্ষয় কুমাৰ চৌধুৰী।
যুটীয়া সম্পাদক—শ্ৰীমোহন পাটগিৰী।
শ্ৰীলক্ষেশ্বৰ চৌধুৰী।
সদস্যসকল—শ্ৰীসিংহনাথ শৰ্মা।
শ্ৰীনিপকুমাৰ চৌধুৰী।
শ্ৰীসতীশ তালুকদাৰ।
শ্ৰীনিৰঞ্জন শৰ্মা।
শ্ৰীদ্বাৰিকানাথ চৌধুৰী।
শ্ৰীকন্দৰ্প শৰ্মা।
শ্ৰীৰতন শৰ্মা।
শ্ৰীৰবীন পাটোৱাৰী।
শ্ৰীৰোহিণী প্ৰসাদ বৰুৱা।

(ঘ) **প্ৰচাৰ উপ সমিতি—**

সভাপতি—শ্ৰীমুকুন্দাধৰ চাহু।
সম্পাদক—শ্ৰীমাধৱ অধিকাৰী।
সদস্য— শ্ৰীগোলোকেশ্বৰ গোস্বামী।
শ্ৰীচেৰিফ উদ্দিন আহমেদ।
জন সম্পৰ্কৰক্ষী বিষয়া, বৰপেটা।
শ্ৰীমনোৰঞ্জন বণিক্য, আকাশবাণী, গুৱাহাটী।

(ঙ) **সাংস্কৃতিক উপ-সমিতি—**

সভাপতি—শ্ৰীদেবেন্দ্ৰনাথ ভট্টাচাৰ্য।
যুটীয়া সম্পাদক—শ্ৰীবিবেকানন্দ ৰায় চৌধুৰী।
শ্ৰীহৰকান্ত শৰ্মা।

সদস্য— শ্ৰীশিশিৰ কুমাৰ ভট্টাচাৰ্য।
শ্ৰীদীনেন গোস্বামী।
সম্পাদক, বজালী মহাবিদ্যালয়, সাংস্কৃতিক বিভাগ।

(চ) আবাস উপ-সমিতি—

সভাপতি—শ্ৰীহৰেন্দ্ৰ কুমাৰ বৰুৱা।
সম্পাদক—শ্ৰীকন্দৰ্প কুমাৰ শৰ্মা।
সদস্য— শ্ৰীৰমা দাস।
শ্ৰীৰাবেয়া বেগম।
শ্ৰীসৰলা তালুকদাৰ।
শ্ৰীকণু দেৱী।

(ছ) তোৰণ আৰু মঞ্চ উপ-সমিতি—

সভাপতি—শ্ৰীনৰনাৰায়ণ শৰ্মা।
সম্পাদক—শ্ৰীসুশীল শৰ্মা।
সদস্য— শ্ৰীপ্ৰমোদ ৰায়।
শ্ৰীগিৰীশ ৰায়।

পাঠশালা সাহিত্য সভাৰ ১৯৭৮ চনৰ কাৰ্যকৰী সমিতি

সভাপতি : অধ্যক্ষ শ্ৰীৰাজেন্দ্ৰনাথ শৰ্মা।
উপ-সভাপতি : শ্ৰীকৃষ্ণচন্দ্ৰ কলিতা।
সম্পাদক : শ্ৰীহৰেন্দ্ৰ কুমাৰ বৰুৱা।
যুটীয়া সম্পাদক : শ্ৰীসুভাষ শৰ্মা।
শ্ৰীমনোজ কুমাৰ শৰ্মা।
শ্ৰীসুভাষ জৈন।
ধনভঁৰালী : শ্ৰীসিংহনাথ শৰ্মা।
প্ৰচাৰ সচিব : শ্ৰীসতীশচন্দ্ৰ চৌধুৰী।
সদস্যসকল : (সৰ্বশ্ৰী) ভূপেন্দ্ৰনাথ শৰ্মা, নগেন্দ্ৰনাথ ৰায়, অৰুণ কুমাৰ শৰ্মা, হেমচন্দ্ৰ শৰ্মা, মুনীন্দ্ৰনাথ শৰ্মা, সদানন্দ মিশ্ৰ, নৰনাৰায়ণ শৰ্মা, মাধৱচন্দ্ৰ অধিকাৰী, প্ৰবীণচন্দ্ৰ বৰ্মণ, লক্ষেশ্বৰ চৌধুৰী, সুশীল কুমাৰ শৰ্মা, ৰমা দাস, মহিম শৰ্মা, হৰেন শৰ্মা, সৰলা তালুকদাৰ।

অসম মাতৃৰ সেৱাত

অসম সাহিত্য সভাৰ ষষ্ঠ লেখক শিবিৰ সু-সম্পন্ন হওক, ইয়াকে কামনা কৰোঁ।

★

নটৰাজ থিয়েটাৰ

পাঠশালা : কামৰূপ : অসম

অসম সাহিত্য সভাৰ ষষ্ঠ লেখক শিবিৰ পাঠশালাত আয়োজন কৰাৰ বাবে পাঠশালা সাহিত্য সভালৈ ওলগ জনাইছোঁ।

কহিনুৰ থিয়েটাৰ

প্ৰগতি নগৰ : পাঠশালা : কামৰূপ : অসম

অসম সাহিত্য সভাৰ ষষ্ঠ লেখক শিবিৰ সফল হওক

★★
★

অসম ষ্টাৰ থিয়েটাৰ

ৰাজগড় : গুৱাহাটী-৩

পাঠশালা সাহিত্য সভাৰ উদ্যোগত আয়োজিত অসম সাহিত্য সভাৰ ষষ্ঠ লেখক শিবিৰলৈ শুভেচ্ছা জনাইছোঁ।

আৰাধনা থিয়েটাৰ

পাঠশালা : কামৰূপ : অসম

"আলোকৰ যাত্ৰীদলে নৱতম ছন্দত
অব্যৰ্থ খোজেৰে সোৱা—

নদ-নদী পাৰ হৈ
পৰ্বতো ভাঙি-ছিঙি

প্ৰগতিৰ প্ৰদীপ জ্বলাই আগবাঢ়ে,
আগবাঢ়ি যায়।"

—জ্যোতিপ্ৰসাদ

পৰ্বত আৰু ভৈয়ামৰ প্ৰগতিৰ চকৰি গতিশীল কৰাত
অসম পথ পৰিবহন নিগমেও
আগবঢ়াইছে সাৰ্থক অৰিহণা।

অসম পথ পৰিবহন নিগম, গুৱাহাটী

অসমৰ সোণোৱালী মুগা কাপোৰৰ বাবে
ভাৰতবৰ্ষ গৌৰৱান্বিত।

প্ৰাচীন কালৰেপৰা আমি ৰেচম পলু পালন কৰি সুক্ষ্ম সুন্দৰ
ৰেচম সূতা, এড়ি, মুগা, পাট আৰু নতুনকৈ
টচৰ উৎপাদন কৰি আহিছোঁ।

তাঁত শালত কাপোৰ বোৱা অসমীয়া মহিলাৰ এটি
গৌৰৱময় ঐতিহ্য।

'অসমীয়া শিপিনীয়ে তাঁত শালত
পৰীৰ সপোন ৰচে।'

(অসম চৰকাৰৰ ৰেচম আৰু বয়ন বিভাগৰদ্বাৰা প্ৰচাৰিত)

গ্ৰাহকসকললৈ অনুৰোধ ঃ

(১) মেট্ৰিক পদ্ধতিৰ জোখ-মাখেৰেও নিকিনিব ঃ

যদিহে জোখ-মাখত নিৰ্দিষ্ট সময়ত বিভাগীয় চাব-মোহৰ মৰা নাই।

(২) সূতা নিকিনিব ঃ

যদিহে ওজনত বিক্ৰি কৰা নাই।

(৩) মুখ বন্ধ টিন, টেমা, টোপোলাৰ বস্তু নিকিনিব ঃ

যদিহে ইবিলাকৰ ওপৰত নিৰ্দিষ্ট ওজন লিখি ৰখা নাই।

(৪) তেল আদি নিকিনিব ঃ

যদিহে ফেন মাৰ নিয়াই জোখা নাই।

(৫) একো বস্তু নিকিনিব ঃ

যদিহে ওজনত মেট্ৰিক পদ্ধতি ব্যৱহাৰ কৰা নাই।

(জোখ-মাখ নিয়ন্ত্ৰকৰদ্বাৰা প্ৰচাৰিত)

আপোনাৰ স্বাস্থ্য ৰক্ষাৰ ভাৰ আপোনাৰ হাততেই

১৯৭৭ চনৰ গান্ধী-জয়ন্তীৰ দিনাখনে সমগ্ৰ দেশৰ মুঠ ৭৭৭টা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত গ্ৰাম্য স্বাস্থ্য আঁচনিখন প্ৰচলন কৰা হৈছে।

লক্ষ্য :—
- আপোনাৰ গাঁওখন চাফ-চিকুণ কৰি ৰখা
- বেমাৰ-আজাৰক আপোনাৰপৰা নিলগত ৰখা
- আপোনাক সমৰ্থবান কৰি তোলা।

উদ্দেশ্য :— উন্নতি সাধন কৰা—
- আপোনাৰ স্বাস্থ্যৰ
- আপোনাৰ পৰিয়ালৰ স্বাস্থ্যৰ
- আপোনাৰ গঞা ৰাইজৰ স্বাস্থ্যৰ।

এইখন আঁচনি আপোনাৰ বাবেই। আপুনিয়েই ইয়াৰ গুৰি ধৰোঁতা। আপুনি যি সুফল আনিব সেইখিনি আপুনিয়েই ভোগ কৰিবলৈ পাব। ইয়াৰ কৃতকাৰ্যতা নিৰ্ভৰ কৰিছে আপোনাৰ ওপৰতে।

সমাজ স্বাস্থ্য কৰ্মীজন আপোনাৰ নিজৰ মানুহ

আপোনাৰ স্বাস্থ্যৰক্ষা কৰিবলৈ সমাজ স্বাস্থ্য কৰ্মীজনৰ সহায় লওক। সাধাৰণ ৰোগৰ কাৰণে তেওঁ আপোনাক ঔষধ আৰু যাৱতীয় দিহা-পৰামৰ্শ দিব; জটিল ধৰণৰ বেমাৰ-আজাৰৰ কাৰণে প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত উপযুক্ত সেৱাৰ ব্যৱস্থা কৰি দিব। আঁচনিখন সফল কৰি তোলাত সমাজ স্বাস্থ্য কৰ্মীজনক সকলোপ্ৰকাৰে সহায় কৰক।

অসম চৰকাৰৰ স্বাস্থ্য সেৱা সঞ্চালকৰ কাৰ্যালয়ৰদ্বাৰা প্ৰচাৰিত। হেঙ্গেৰাবাৰী, গুৱাহাটী-৬

দেশত অভাব-অনাটন দূব কবি সুখ, শান্তি আৰু সমৃদ্ধি আনিবলৈ কৃষি উৎপাদন বৃদ্ধিয়ে একমাত্র পথ। সেয়ে ৰবি শস্যৰ বতবত অধিক পৰিমাণে উন্নত প্রণালীৰে খেতি কৰি দেশৰ প্রাচুর্য বঢ়াওক আৰু নিজৰ অভাব-অনাটন দূৰ কৰক।

- অধিক উৎপাদনক্ষম ঘেঁহু— সোণালিকা, জনক
- উন্নত জাতৰ বৰো ধান— বৰো ১, বৰো ২, চীন ৬৩
- অধিক উৎপাদনক্ষম আগতীয়া আহু— পুচ' ২-২১, কলিঙ্গ, কাবেৰী আৰু কৃষ্ণা
- অধিক উৎপাদনক্ষম আলু— কুফ্রি চন্দ্রমুখী, কুফ্রি জ্যোতি, কুফ্রি সেন্দুৰী আৰু আপ-টু-ডেট
- উন্নত জাতৰ মাহ— মটৰ মাহ—টি ১৫৩
  মগু মাহ—টি ৪৪, কপাৰগাওঁ
  মাটি মাহ—টি ১২২, টি ২৭
  মচুৰ মাহ—বি ৭৭, এল ৯-১২
- উন্নত জাতৰ সৰিয়হ— এম ২৭
- অধিক উৎপাদনক্ষম গোমধান— গঙ্গা ১০১, গঙ্গা ৫
  আৰু
- বিভিন্ন জাতৰ শীতকালীন শাক-পাচলি
- সবিশেষ জানিবলৈ ওচৰৰ কৃষি বিষয়া, গ্রাম সেৱকৰ লগত যোগাযোগ কৰক।

অসম কৃষি বিভাগৰ কৃষি তথ্য প্রচাৰ শাখাৰদ্বাৰা প্রচাৰিত।

এখন নতুন পৃথিৱী

"এখন নতুন পৃথিৱী গঢ়ি তুলিবৰ বাবে আমাক লাগে নতুন পদ্ধতিৰ শিক্ষা। কেৱল সাক্ষৰতা অথবা বিদ্যাই এজন মানুহ সৃষ্টি নকৰে; প্ৰকৃত জীৱনৰ কাৰণে গ্ৰহণ কৰা শিক্ষাইহে আচল মানুহ গঢ়ে।"

কোটি কোটি সাবালক নৰনাৰীৰ নিৰক্ষৰতাই যে ভাৰতৰ মুক্তি আৰু প্ৰগতিৰ ডাঙৰ প্ৰতিবন্ধক এই কথা জাতিৰ জনক বাপুজীয়ে ভালদৰেই জানিছিল—
সেয়েহে তেওঁ জাতিৰ মুক্তিৰ

১৮ দফীয়া আঁচনিত
প্ৰাপ্তবয়স্কৰ শিক্ষাকো অন্তৰ্ভুক্ত কৰিছিল।

বাপুজীৰ ১০৯ বছৰীয়া জন্ম তিথিৰ দিনা
সমগ্ৰ দেশৰ লগতে অসমেও
ৰাজ্যখনৰ প্ৰায় ২৬ লাখ সাবালক নিৰক্ষৰক অহা ১৯৮৩-৮৪ৰ ভিতৰত শিক্ষিত কৰিবলৈ সিদ্ধান্ত কৰিছে।
জনকল্যাণকৰ এই বিৰাট অভিযানৰ প্ৰথম পৰ্য্যায়ত প্ৰায় ৬৬ হাজাৰ সাবালক নিৰক্ষৰ লোকক শিক্ষিত কৰা হ'ব।

এই ৰাষ্ট্ৰীয় অভিযানৰ সম্পূৰ্ণ কৃতকাৰ্যতা নিৰ্ভৰ কৰিছে বিশ্ববিদ্যালয় আৰু কলেজৰ ছাত্ৰ-ছাত্ৰী, হাইস্কুলৰ ওপৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী, ৰাজ্যৰ মহিলা সমিতি সমন্বিতে বিভিন্ন সমাজকল্যাণমূলক স্বেচ্ছাসেৱী অনুষ্ঠানৰ উমৈহতীয়া প্ৰচেষ্টাৰ ওপৰত॥

(সামাজিক শিক্ষা: শিক্ষা বিভাগ, অসম)

চতুৰ্থ নিখিল ভাৰত শিক্ষামূলক সমীক্ষা
চুবুৰী :

ইয়াৰ আকাৰ, জনসংখ্যা আৰু বণ্টন আৰু পঢ়াশালীৰ সুবিধা সম্পৰ্কে তথ্য সংগ্ৰহ কৰি এটা শিক্ষামূলক সমীক্ষা চলোৱা হৈছে। আপোনাৰ নিজৰ পঢ়াশালীখনৰ লাগতিয়াল তথ্যপাতিৰ যোগান ধৰি সহযোগ আগবঢ়াবলৈ অনুৰোধ জনোৱা হৈছে।

লগতে

চতুৰ্থ নিখিল ভাৰত শিক্ষামূলক সমীক্ষা
গ্ৰাম্য তথ্য :

শিক্ষাৰ সুবিধা থকা গাঁৱৰ পঢ়াশালীৰ আকাৰ আৰু বণ্টন আৰু পঢ়াশালীৰ সুবিধা নথকা গাঁৱৰ বাসিন্দাসকলৰ অৱস্থাৰ অধ্যয়ন কৰাৰ উদ্দেশ্যে এটা শিক্ষা সমীক্ষাৰ আয়োজন কৰা হৈছে। আপোনাৰ গাঁৱৰ আৰু গাঁৱত থকা পঢ়াশালীসমূহৰ আৰু আপোনাৰ ওচৰৰ গাঁও সম্পৰ্কে তথ্যপাতিৰ যোগান ধৰি সহযোগ আগবঢ়োৱাৰ বাবেও অনুৰোধ জনোৱা হৈছে।

প্ৰ-পত্ৰ আৰু আৱশ্যকীয় নিৰ্দেশাৱলীৰ বাবে
যোগাযোগ কৰক :

ৰাজ্যিক সমীক্ষা বিষয়া, অসম

কাহিলিপাৰা : গুৱাহাটী-১৯

অসম ৰাজ্যিক সমীক্ষা বিষয়াৰদ্বাৰা প্ৰচাৰিত
কাহিলিপাৰা : গুৱাহাটী-১৯

১৯৭২ চনত গৃহীত 'পুৰাৱশেষ আৰু কলাকীৰ্তি অধিনিয়ম' এশ বছৰতকৈ পুৰণি (পুথিৰ ক্ষেত্ৰত ৭৫ বছৰতকৈ পুৰণি) প্ৰস্তৰ মৃন্ময়, ধাতু আৰু হাতীদাতৰদ্বাৰা নিৰ্মিত সকলো ধৰণৰ ভাস্কৰ্য্য, অংকিত বা খোদিত সকলো শিল্প সামগ্ৰী, মুদ্ৰা পুথি আৰু নথিপত্ৰ, কাঠৰ সা-সামগ্ৰী, আ-অলংকাৰ, পোচাক-পৰিচ্ছদ ইত্যাদি শীঘ্ৰে পঞ্জীয়ন বিষয়াৰ ওচৰত পঞ্জীভূত কৰি ল'বলৈ অনুৰোধ জনোৱা হ'ল।

ব্যক্তিগত বা ৰাজহুৱাভাৱে সংৰক্ষিত সামগ্ৰীৰ উপৰিও শিক্ষা বা সাংস্কৃতিক অনুষ্ঠান, পৌৰ নিগম আৰু বিশ্ববিদ্যালয়ৰ ক্ষেত্ৰতো পুৰাতাত্বিক সামগ্ৰীসমূহ পঞ্জীভূত কৰিবলৈ এই অধিনিয়মখন প্ৰযোজ্য।

এই প্ৰাচীন আৰু বহুমূলীয়া কলাকীৰ্তি সম্পদসমূহ পঞ্জীভুক্ত কৰাৰ উদ্দেশ্য চৰকাৰৰ ওচৰত হস্তগত কৰা নহয়। ইয়াৰ মূল উদ্দেশ্য—এই প্ৰাচীন সামগ্ৰীসমূহৰ ৰপ্তানি নিয়ন্ত্ৰণ কৰা, চোৰাং ব্যৱসায়, প্ৰৱঞ্চনামূলক বা অসৎ লেনদেনৰপৰা এইবোৰ ৰক্ষণ কৰা। সামগ্ৰীসমূহ চৰকাৰৰ ওচৰত পঞ্জীভূত কৰি লৈ ব্যক্তিগত-ভাৱে বা ৰাজহুৱাভাৱে এইবোৰ সংৰক্ষণ কৰি ৰাখিব পাৰিব।

আবেদন পত্ৰৰ বাবে যোগাযোগ কৰক : পঞ্জীয়ন বিষয়া, পুৰাতত্ত্ব আৰু ৰাজ্যিক সংগ্ৰহালয় বিভাগ, গুৱাহাটী-১ নাইবা পঞ্জীয়ন বিষয়া, পুৰাতত্ত্ব আৰু ৰাজ্যিক সংগ্ৰহালয় বিভাগ, যোৰহাট শাখা, জেইল ৰোড, যোৰহাট-১।

সঞ্চালক,

পুৰাতত্ত্ব আৰু ৰাজ্যিক সংগ্ৰহালয় বিভাগ,

অসম : গুৱাহাটী-১

অসম সাহিত্য সভাৰ ষষ্ঠ লিখক শিবিৰ উপলক্ষ্যে সমবেত লেখক-লেখিকা, বিদ্বান আৰু সুধী ৰাইজলৈ অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতিয়ে জনাইছে—আন্তৰিক শ্ৰদ্ধা।

ৰাজ্যিক ভাষা অসমীয়া আৰু ৰাষ্ট্ৰভাষা হিন্দীৰ সেৱাত ৰত অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতিয়ে ভাষিক সমন্বয়ৰ ক্ষেত্ৰত অসমৰ সকলো স্কুলৰ প্ৰাইমাৰীৰপৰা উচ্চতৰ মাধ্যমিক স্তৰলৈ সকলো শ্ৰেণীৰ অসমৰ শিক্ষা-বিভাগ আৰু মাধ্যমিক শিক্ষা পৰিষদৰদ্বাৰা একমাত্ৰ অনুমোদিত হিন্দী পাঠ্যপুথিসমূহ প্ৰণয়ন আৰু প্ৰকাশন কৰিছেই, অনুবাদ সাহিত্য আৰু আন আন সাংস্কৃতিক সাহিত্যৰো প্ৰকাশন কৰিছে।

অলপতে উচ্চতৰ মাধ্যমিক স্কুলৰ তলত দিয়া হিন্দী পাঠ্য পুস্তকসমূহ সমিতিয়ে প্ৰকাশ কৰিবলৈ হাতত লৈছে :

(ক) প্ৰধান ভাৰতীয় ভাষা হিন্দী
(এম, আই, এল)

১। হিন্দী গদ্য বীথি
২। হিন্দী কবিতা কানন
৩। হিন্দী ব্যাকৰণ
৪। একাঙ্কীত্ৰয়

(খ) বৈকল্পিক হিন্দী

১। হিন্দী গল্প সুধা
২। নিবন্ধায়ন
৩। কবিতা কানন

ভাষিক সমন্বয়ৰ প্ৰচেষ্টাত ব্ৰতী সমিতিৰ মুখপত্ৰ 'ৰাষ্ট্ৰসেৱক' আলোচনীয়ে অসমৰ সমূহ লেখক-লেখিকাৰ বহুমূলীয়া লেখনিৰে সক্ৰিয় সহযোগ কামনা কৰিছে।

অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতি, গুৱাহাটী

অসমীয়া সাহিত্যলৈ অভিনৱ সংযোজন

অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব

কালিৰাম মেধি

ভাষাতত্ত্ব আৰু পুৰণি সাহিত্য সম্পাদনাৰ ক্ষেত্ৰত বাটকটীয়া কালিৰাম মেধিয়ে এই গ্ৰন্থত অসমীয়া ভাষা-সাহিত্যৰ উৎপত্তি আৰু ক্ৰমবিকাশৰ লগতে এই ভাষাৰ ৰূপগত আৰু ধ্বনিগত বৈশিষ্ট্য তথা উপাদান সম্পৰ্কে যথেষ্ট উদাহৰণেৰে সৈতে বিশ্লেষণ কৰিছে। গ্ৰন্থখনি কালিৰাম মেধি ডাঙৰীয়াৰ পাণ্ডিত্যৰ উৎকৃষ্টতম নিদৰ্শন। ১৯৩৬ চনত প্ৰকাশিত এই গ্ৰন্থ অসম প্ৰকাশন পৰিষদে পুনৰ্মুদ্ৰিত ৰূপত প্ৰকাশ কৰিছে।

ৰয়েল চাইজ, প্ৰায় ৬৪৬ পৃষ্ঠা, কাপোৰেৰে সম্পূৰ্ণ পকাবন্ধা,

মূল্য : ত্ৰিশ টকা

কৌটিল্যৰ অৰ্থশাস্ত্ৰ

সম্পাদনা : অধ্যাপক ৰজনীকান্ত দেৱশৰ্মা

কৌটিল্যৰ অৰ্থশাস্ত্ৰ এখন বিশ্ববিশ্ৰুত গ্ৰন্থ য'ত প্ৰাচীন ভাৰতীয় ৰাষ্ট্ৰনীতি সম্পৰ্কে বিস্তৃত আৰু প্ৰামাণ্য তথ্য-পাতি পোৱা যায়। ভাৰতীয় পৰম্পৰাত অৰ্থশাস্ত্ৰৰ আলোচনাৰ বহুতো প্ৰাচীন নিদৰ্শন পোৱা যায়। ড° ভিম্বেশ্বৰ শৰ্মা আৰু অধ্যাপক ৰজনীকান্ত দেৱশৰ্মা অনূদিত এই গ্ৰন্থখনি অধ্যাপক ৰজনীকান্ত দেৱশৰ্মাই সৰ্বসাধাৰণে বুজিব পৰাকৈ অতি দক্ষতাৰে সম্পাদনা কৰিছে।

ৰয়েল চাইজ, সম্পূৰ্ণ কাপোৰেৰে পকাবন্ধা,

মূল্য : ত্ৰিশ টকা

কুৰি শতিকাৰ অসমীয়া কবিতা

সম্পাদক : নীলমণি ফুকন

ঊনৈশ শতিকাৰ পঞ্চাশৰ দশক আৰু কুৰি শতিকাৰ চল্লিশৰ দশকৰ ভিতৰত জন্মগ্ৰহণ কৰা এশজন কবিৰ ছুশটা কবিতাৰ সংকলন হিচাপেই গ্ৰন্থখনি পৰিকল্পিত আৰু সম্পাদিত। কুৰি শতিকাৰ অসমীয়া কবিতাৰ বিষয়ে শ্ৰীনীলমণি ফুকনে কৰা আলোচনাটি সংকলনখনিৰ অন্যতম সম্পদ।

ৰয়েল চাইজ, প্ৰায় ৩২০ পৃষ্ঠা, কাপোৰেৰে সম্পূৰ্ণ পকাবন্ধা

মূল্য : কুৰি টকা

অসম প্ৰকাশন পৰিষদ

গুৱাহাটী—৭৮১ ০২১

অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেড্

পাণবজাৰ, গুৱাহাটী

ৰাজ্যৰ লক্ষাধিক ছাত্ৰ-ছাত্ৰীৰ উপৰিও চুবুৰীয়া কেৰাখনো ৰাজ্যই আমাৰ প্ৰকাশিত পাঠ্যপুথি বিচাৰে, কাৰণ আমাৰ পাঠ্যপুথি অভিজ্ঞ শিক্ষকসকলে সময়ৰ স'তে ৰজিতা খুৱাই লেখে গুণে উন্নত মানৰ হয়। তদুপৰি ইয়াৰ দামো আনৰ তুলনাত নিচেই কম। দুখীয়া অভিভাৱকেও সহজে কিনিব পাৰে।

এইবাৰো আমাৰ পাঠ্যপুথিবোৰ আটকধুনীয়াকৈ ছপাবলৈ হাতত লোৱা হৈছে। অহা শিক্ষাবছৰ আৰম্ভ হোৱাৰ আগে আগেই আমি পাঠ্যপুথিৰ যোগান ধৰিব পাৰিম বুলি আশা ৰাখিছোঁ। ইচ্ছুক গ্ৰাহকসকলক নতুন বছৰৰ বাবে গ্ৰাহক হ'বলৈ এতিয়াই কাৰ্যালয়ৰ স'তে যোগাযোগ কৰিবলৈ জনোৱা হ'ল।

পৰিচালন সঞ্চালক,

অসম পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেড্

পাণবজাৰ, গুৱাহাটী—১

কৃষিৰ উপযোগী যন্ত্ৰ-পাতি, সা-সজুলি, সাৰ আৰু শস্যৰ কীটনাশক ঔষধ আদিৰ সুবিধা লওক :

অসম কৃষি-উদ্যোগ উন্নয়ন নিগম লিঃ

(এটা চৰকাৰী সংস্থা)

প্ৰধান কাৰ্য্যালয় : উলুবাৰী, গুৱাহাটী-৭

শাখা-কাৰ্য্যালয় : গুৱাহাটী, নগাওঁ, যোৰহাট, ডিব্ৰুগড, ডিফু, তেজপুৰ, উত্তৰ লক্ষীমপুৰ, ধুবুৰী, চিলচৰ।

উপ শাখা : নলবাৰী, বৰপেটা, শিৱসাগৰ, গোলাঘাট, মৰিগাওঁ, তিনচুকীয়া, মঙ্গলদৈ, ধেমাজী, কৰিমগঞ্জ, হাইলাকান্দি, কোকৰাঝাৰ আৰু গোৱালপাৰা।

অসম ৰাজ্যিক লটাৰীৰ বিশেষত্ব

(১) লটাৰীৰ লাভাংশৰ এক বুজন পৰিমাণৰ ধন কৰ্কট ৰোগৰ বিৰুদ্ধে যুঁজিবলৈ ডাঃ ভুবনেশ্বৰ বৰুৱা কৰ্কট অনুষ্ঠানলৈ অনুদান আগবঢ়োৱা হয়।

(২) বাহিধনৰ দ্বাৰা অন্যান্য জনহিতকৰ অনুষ্ঠান আদিও উপকৃত হয়।

(৩) দেশৰ হেজাৰ হেজাৰ নিবনুৱাই টিকট বিক্ৰীৰ জৰিয়তে কৰ্মসংস্থানৰ সুযোগ পাইছে।

(৪) আমাৰ ৰাজ্যৰ ধন আমাৰ ৰাজ্যতে থাকে, যিহেতু সংগৃহীত ধনৰ পৰা এই ৰাজ্যৰে অনুষ্ঠানাদি উপকৃত হয়।

(৫) ইয়াৰ পৰা পোৱা ৰাজহ আৰু আয়কৰৰ টকা চৰকাৰে জনহিতকৰ কল্যাণমূলক কামত ব্যয় কৰে।

(৬) পুৰস্কাৰ হিচাপে ৰাইজৰ ভিতৰতো ভালেমান ধনৰ বিতৰণ হয়।

অসমক সহায় কৰক......নিজকো !

(অসম ৰাজ্যিক লটাৰীৰ সঞ্চালকৰ দ্বাৰা প্ৰচাৰিত)

পৰ্য্যটকসকল আমাৰ সন্মানিত আলহী। তেখেতসকলক সহায় কৰাটো আমাৰ কৰ্ত্তব্য। নানা দেশ-বিদেশৰ পৰা অহা এইসকল বন্ধু আমাৰ বাবে অতি গুৰুত্বপূৰ্ণ লোক। এই বিদেশী বন্ধু-সকলৰ আগমনে বৃজন অংশৰ বিদেশী মুদ্ৰা আহৰণ আৰু আন্তৰ্জাতিক মৈত্ৰীৰ বাট মোকলায়।

কোনো পৰ্য্যটক লগ পালে অসমৰ পৰ্য্যটক আকৰ্ষিত ঠাই আৰু থকা-খোৱা সা-সুবিধাৰ কথা কওক।

সবিশেষ জানিবলৈ বিচাৰিলে পৰ্য্যটক সঞ্চালক তথা অসমৰ অন্যান্য ঠাইত অৱস্থিত পৰ্য্যটক তথ্য বিষয়াৰ কাৰ্য্যালয়লৈ যোগাযোগ কৰিবলৈ কওক।

অসমখন পৰ্য্যটক আকৰ্ষিত কৰি অধিক পৰ্য্যটকৰ সমাগম আপুনি নিবিচাৰে জানো ?

পৰ্য্যটক সঞ্চালক

অসম চৰকাৰ

গুৱাহাটী-৭৮১০০৩

॥ মাটিয়েই আমাৰ বহুমূলীয়া প্ৰাকৃতিক সম্পদ ॥

ইয়াক বিজ্ঞানসন্মত পদ্ধতিৰে ব্যৱহাৰ কৰিলে মানুহৰ আৰ্থিক অৱস্থা সলনিবদন হৈ উঠে।

১। পাহাৰীয়া এচলীয়া মাটিত যথোচিত ভূমি সংৰক্ষণ ব্যৱস্থা নোলোৱাকৈ খেতি বাতি কৰিলে দ্ৰুতভাৱে ভূমি ক্ষয় হয়, উৰ্বৰতা লোপ পায় আৰু অধিক লাভজনক খেতিৰ পৰা বঞ্চিত হ'ব লাগে।

২। ভূমি ক্ষয়ৰ ফলত উপৰিভাগৰ সাৰুৱা মাটিৰ স্তৰটো উটাই নিলে তলৰ অসাৰুৱা মাটি আমাৰ কোনো কামত নলগা হয়। পুনৰ তেনে সাৰুৱা মাটিৰ স্তৰ এটা গঠন হ'বলৈ দীৰ্ঘকাল সময়ৰ প্ৰয়োজন হয়। উপযুক্ততা অনুসৰি মাটি ব্যৱহাৰ কৰিলে ভূমি ক্ষয় নিবাৰণ হ'ব।

৩। অবৈজ্ঞানিক পদ্ধতিত নিৰ্মাণ কৰা দোং বা নলাৰ কাৰণেই খেতি পথাৰত খহনীয়া বা উন্টা খন্দাৰ সৃষ্টি হয়।

৪। বেছিকৈ এচলীয়া মাটিত থাপ থাপকৈ মাটি কাটি কেইবাখনো সমতল পথাৰ কৰি ল'লে মাটি সহজে খহিব নোৱাৰে। এনে ঠাইত খেতি কৰিলে ভূমি ক্ষয় ৰোধ কৰাৰ উপৰিও আন খেতিৰ সমানে উন্নতি কৰিব পাৰি যাক সমোন্নতি খেতি বুলি কোৱা হয়।

৫। থিয় গৰা মাটিত ফলৰ গছৰ, খৰি বা অন্য স্থায়ী শস্য লগালে ভূমি ক্ষয় ৰোধ কৰাৰ উপৰিও নিজৰ আৰ্থিক উন্নতিৰ লগতে দেশক স্বাৱলম্বী কৰি তোলে।

[অসম চৰকাৰৰ ভূমি সংৰক্ষণ বিভাগৰ দ্বাৰা প্ৰচাৰিত
গুৱাহাটী—২৪]

পশুপালন বিশেষ আঁচনি যোগে
ক্ষুদ্র উপান্ত আৰু ভূমিহীন কৃষক বনুৱাৰ
অৰ্থ নৈতিক উন্নয়নৰ বাবে
গৰু, গাহৰি, হাঁহ-কুকুৰা পালনৰ
আঁচনি যুগুত কৰা হৈছে ॥

★

সবিশেষ জানিবৰ বাবে
বিভাগীয় ব্যক্তিৰ লগত যোগাযোগ কৰক

★

আপেনাৰ সেৱাত
পশুপালন আৰু পশুচিকিৎসা কেন্দ্ৰ
অসম

অসম পশুপালন আৰু পশুচিকিৎসা বিভাগৰ সঞ্চালকালয়ৰ
তথ্য আৰু প্ৰদৰ্শনী শাখাৰ দ্বাৰা প্ৰচাৰিত ।

নিয়োগ কৰ্ত্তাসকল

★ আপোনালোকৰ অধীনত খালী হোৱা পদবোৰৰ বাবে স্থানীয় নিয়োগ বিনিময় কেন্দ্ৰক জাননী দি বিজ্ঞাপনৰ খৰচ কমাওক।

★ নিয়োগ বিনিময় কেন্দ্ৰই আপোনালোকক আৱশ্যকীয় উপযুক্ত প্ৰাৰ্থীৰ যোগান ধৰিব।

কৰ্ম্মপ্ৰাৰ্থীসকল

★ নিয়োগ বিনিময় কেন্দ্ৰত নাম ভৰ্ত্তি কৰক।

★ নিয়োগ বিনিময় কেন্দ্ৰই আগবঢ়োৱা সহায় আৰু সুবিধাৰ বিষয়ে অৱগত হওক আৰু সুযোগ গ্ৰহণ কৰক।

অসম চৰকাৰৰ নিয়োগ আৰু কাৰিকৰী প্ৰশিক্ষণ সঞ্চালকালয়ৰ দ্বাৰা প্ৰচাৰিত।

গান্ধীজীয়ে কৈছিল ঃ

● "আমাৰ দেশৰ পৰা সুৰাপানৰ অভ্যাসটো গুচাবলৈ যে-চৰকাৰী প্ৰচেষ্টাৰ ফালৰ পৰাহে বিশেষ ফলদায়ক হ'ব। এই সংস্কাৰ কাৰ্য্যত মহিলা আৰু ছাত্ৰ সমাজে বিশেষ প্ৰভাৱ বিস্তাৰ কৰিব পাৰে। দেশৰপৰা মাদকদ্ৰব্য নিবাৰণ কৰাটো এটা পৱিত্ৰ কাম বুলি ভবা উচিত।"

● "মদৰ দোকানবোৰ সমাজক জাপি দিয়া এটা অসহ্য অভিশাপ। ৰাজহ বৃদ্ধিৰ আশাত মদৰ প্ৰচলন কৰি জনসাধাৰণৰ অকল্যাণ সাধন কৰাৰ কোনো নৈতিক যুক্তি থাকিব নোৱাৰে।"

গতিকে—মাদকদ্ৰব্য বৰ্জ্জন কৰক।

[ৰাজ্যিক মাদকদ্ৰব্য নিবাৰণী পৰিষদৰ প্ৰচাৰ বিভাগৰ দ্বাৰা প্ৰচাৰিত ঃ গুৱাহাটী-৩]

কৃষকসকলৰ প্ৰতি

মাকৰ গচ্-গতিৰ দ্বাৰাই যেনেকৈ জীয়েক কেনে হ'ব বুজিব পাৰি, ঠিক তেনেকৈয়ে এডৰা নিয়োগী আৰু অধিক উৎপাদনক্ষম শস্যৰ পৰা আহৰণ কৰা বীজৰ পৰাহে আপুনি অধিক উৎপাদন আশা কৰিব পাৰে। গুটি সিঁচাৰ পৰা, জাত বিচাৰ কৰি, শস্যৰ প্ৰতি স্তৰতে চিকিৎসাৰ দ্বাৰা প্ৰস্তুত কৰা ৰাজ্যিক দাম বজাৰৰ বীজতকৈ ছুপইচা আপুনি বেছি ভৰিব লাগে সচাঁ, কিন্তু ইয়াত আপোনাৰ লাভ হয় শতাধিক।

অসম ৰাজ্য নিগমৰদ্বাৰা প্ৰচাৰিত।

ৰাজ্যিক কেন্দ্ৰীয় গ্ৰন্থাগাৰ, অসম

গুৱাহাটী

জাননী

আগৰ বছৰৰ দৰে ১৯৭৮-৭৯ৰ বিত্তীয় বছৰৰ কাৰণে ৰাজ্যিক কেন্দ্ৰীয় গ্ৰন্থাগাৰে লেখক, প্ৰকাশক আৰু বিক্ৰেতাৰ পৰা নতুনকৈ প্ৰকাশ হোৱা অসমীয়া কিতাপ কিনাৰ ব্যৱস্থা হাতত লৈছে।

কিতাপ বাছনিৰ বাবে লেখক, প্ৰকাশক আৰু বিক্ৰেতা সকলক কিতাপৰ নমুনা সহ আবেদন পত্ৰ ২৫।১১।৭৮ ইং তাৰিখৰ ভিতৰত ৰাজ্যিক গ্ৰন্থাগাৰিক, ৰাজ্যিক কেন্দ্ৰীয় গ্ৰন্থাগাৰ, অসম, গুৱাহাটী-৭৮১০০১ এই ঠিকনাত পঠাবৰ কাৰণে আবেদন জনোৱা হ'ল।

কিতাপ কিনাৰ ক্ষেত্ৰত ক্ৰয় পৰিষদৰ অনুমোদন আৰু বিত্তীয় অনুদানৰ কথা বিবেচনা কৰা হ'ব।

অমনোনীত কিতাপ ঘূৰাই দিয়া নহয় আৰু সেই বিষয়ে লেখক, প্ৰকাশক আৰু বিক্ৰেতাক কোনো মতামত জনোৱা নহয়।

শ্ৰীৰাম গোস্বামী

ৰাজ্যিক গ্ৰন্থাগাৰিক : ৰাজ্যিক কেন্দ্ৰীয় গ্ৰন্থাগাৰ

অসম : গুৱাহাটী

ASSAM IS A TREASURE HOUSE OF RICH
MINERAL RESOURCES, INCLUDING
GROUND WATER

FOR DATA ON MINERAL LIKE LIMESTONE,
FOR THE CEMENT AND CHEMICAL INDUSTRIES,
COAL REFRACTORY AND CERAMIC GRADE CLAY,
GLASS SAND AND FELDSPAR AND FOR
GROUND WATER RESOURCES, ETC.

PLEASE ENQUIRE FROM

**THE DIRECTORATE OF GEOLOGY AND
MINING, ASSAM**

ZOO ROAD : GAUHATI-781005.

Phone Nos : 87439 &
87671.

অসম সাহিত্য সভা, ষষ্ঠ লেখক শিবিৰলৈ

আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ—

হিন্দুস্তান ফাৰ্টিলাইজাৰ কৰ্প'ৰেছন লিমিটেড

বিপনন বিভাগ : গুৱাহাটী-৩

॥ উত্তৰ-পূব অঞ্চলৰ খেতিয়ক ৰাইজক ইউৰীয়া, এম'নিয়াম
ছালফেট আদি সাৰৰ যোগান ধৰি খাদ্য-উৎপাদনত স্বাৱলম্বী
কৰি তুলিবলৈ আমি প্ৰতিশ্ৰুতিবদ্ধ ॥

অসম সাহিত্য সভাৰ ষষ্ঠ লেখক শিবিৰলৈ আমাৰ আন্তৰিক শুভেচ্ছা জনাই সাফল্য কামনা কৰিছোঁ।

অসম প্ৰকাশনী প্ৰাইভেট লিমিটেড্

যশোৱন্ত ৰোড, পাণবজাৰ,

গুৱাহাটী-১

ফোন নং : ২১১৪৮

: অসম কাৰাগাৰ শিল্প :

কাৰাবন্দীসকলৰ লুপ্ত প্ৰতিভাৰ মুক্ত বিকাশৰ চানেকি তেওঁলোকৰেই দ্বাৰা প্ৰস্তুত বাঁহ বেত আৰু অন্যান্য হস্তশিল্পৰ চমকপ্ৰদ সমাৰোহ।

গুৱাহাটী জিলা কাৰাগাৰ প্ৰাঙ্গণত থকা অসম কাৰাগাৰ শিল্প প্ৰদৰ্শন আৰু বিক্ৰী কেন্দ্ৰ আৰু

ডিব্ৰুগড় : যোৰহাট : নগাওঁ : তেজপুৰ : ধুবুৰী : শিলচৰ

গোৱালপাৰা জিলা কাৰাগাৰ প্ৰাঙ্গণত থকা প্ৰদৰ্শন বিক্ৰী কেন্দ্ৰত পদাৰ্পণ কৰক।

আপোনাৰ পৃষ্ঠপোষকতাই আপোনাক উচ্চমান বিশিষ্ট বিভিন্ন ৰুচিসম্মত সামগ্ৰী কিনাৰ আনন্দ দিয়াৰ লগে লগে কাৰাবন্দীসকলক দিব প্ৰেৰণা, আৰ্থিক সম্বল, সংশোধনৰ সুযোগ আৰু মুক্তিৰ সন্ধান।

শ্ৰীপ্ৰসন্ন কুমাৰ শৰ্মা,
কাৰাগাৰ মহাপৰিদৰ্শক, অসম,
গুৱাহাটী-৭

সৰু, বৰ উদ্যোগপতিসকললৈ

(কেন্দ্ৰীয় চৰকাৰৰ মূলধন অনুদান আঁচনি)

অসমৰ উদ্যোগক্ষেত্ৰত অনগ্ৰসৰ জিলাকেইখন হ'ল :—

গোৱালপাৰা, নগাওঁ, কাৰ্বি আংলং, কামৰূপ, লক্ষীমপুৰ, উত্তৰ কাছাৰ, কাছাৰ।

কেন্দ্ৰীয় চৰকাৰৰ "মূলধন অনুদান আঁচনিৰ" জৰিয়তে উত্তৰ কাছাৰ জিলাৰ বাহিৰে বাকী হয়খন জিলাত সৰু, বৰ উদ্যোগ বৃদ্ধিৰ বাবে মূলধন অনুদান (Capital Subsidy) আগবঢ়োৱা হয়। উদ্যোগৰ বাবে খটুৱা মাটি, ফেক্টৰী, ঘৰ আৰু যন্ত্ৰপাতিত খটুওৱা মূলধনৰ ওপৰত শতকৰা দহৰ পৰা পোন্ধৰ টকা নিৰিখত এই অনুদান দিয়া হয়। ইং ১।১০।৭০ আৰু ২৬।৮।৭১ তাৰিখৰ পিছত প্ৰতিষ্ঠা কৰা উদ্যোগসমূহেহে এই অনুদান পাব পাৰে। উক্ত তাৰিখৰ আগতে প্ৰতিষ্ঠিত উদ্যোগবোৰ অকল সম্প্ৰসাৰণৰ বাবেহে অনুদান পোৱাৰ যোগ্য।

সাধাৰণ উদ্যোগবোৰৰ বাহিৰেও হাঁহ-কুকুৰা পোহা, কৃষিজাত উদ্যোগ, খনিজ কাম (Mining), কোল্ডষ্টোৰেজ, মেৰামতি কাৰখানা আদি (Service Workshop) উদ্যোগসমূহ আৰু হোটেল উদ্যোগেও এই অনুদান লাভ কৰিব পাৰে।

উক্ত আঁচনিৰ সুযোগ গ্ৰহণ কৰিবলৈ উদ্যোগপতিসকললৈ আহ্বান জনোৱা হ'ল।

বিতংভাৱে জানিবলৈ মহকুমা বা জিলাত থকা উদ্যোগ বিষয়া নাইবা গুৱাহাটী বামুনীমৈদানত অৱস্থিত উদ্যোগ সঞ্চালকালয়ত খবৰ কৰক।

অসম চৰকাৰৰ উদ্যোগ সঞ্চালকালয়, বামুনীমৈদান, গুৱাহাটী-২১, ৰ দ্বাৰা প্ৰচাৰিত।

"অসম চৰকাৰৰ গড়কাপ্তানী বিভাগে ৰাইজৰ সুবিধাৰ অৰ্থে ৰাস্তাঘাট আৰু গৃহনিৰ্মাণৰ আঁচনি হাতত লৈছে। এই আঁচনি ৰূপায়ণৰ বাবে জনসাধাৰণৰ সহায়-সহযোগ কামনা কৰে।"

গড়কাপ্তানী বিভাগ

(পথ আৰু গৃহ), অসম

ছাত্ৰ-ছাত্ৰীৰ বাহিৰেও সাধাৰণ পাঠকৰ উপযোগীকৈ লিখা আৰু

গুৱাহাটী বিশ্ববিদ্যালয়

পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিয়ে প্ৰকাশ কৰা

কেইখনমান প্ৰয়োজনীয় কিতাপ

১। পাঁচগৰাকী মহান অৰ্থনীতিবিদ—৩.০০, ২। অসমৰ অৰ্থনৈতিক সম্পদ আৰু ইয়াৰ ব্যৱহাৰ—২.০০, ৩। বনুৱা আন্দোলনৰ বুৰঞ্জী আৰু ইয়াৰ সমস্যাৱলী—১.৫০, ৪। মুদ্ৰা পৰিচয়—১.০০, ৫। এইখন বজাৰ—১.৫০, ৬। বেংকিং—১.৫০, ৭। ৰাজস্ববিজ্ঞান—২.২৫, ৮। অৰ্থনীতিৰ ক্ৰমবিকাশ—২.২৫, ৯। অন্তৰ্জাতিক বাণিজ্য—২.০০, ১০। স্বাধীনতা—২.০০, ১১। ৰাজ্যপাল আৰু প্ৰাদেশিক শাসনকৰ্তা—২.৫০, ১২। জনমত—১.০০, ১৩। এৰিষ্টটল: তেওঁৰ ৰাষ্ট্ৰনীতি—১.২৫, ১৪। সম্মিলিত ৰাষ্ট্ৰসংঘ আৰু মানৱৰ মৌলিক অধিকাৰ—২.০০, ১৫। আইন—১.৫০, ১৬। মানৱ আৰু অৰ্থনৈতিক ভূগোল—৭.০০, ১৭। অসমীয়া ভাষাৰ আখৰ-জোঁটনি আৰু লিপ্যন্তৰ পদ্ধতি—০.৭৫, ১৮। অসমীয়া পৰিভাষা, প্ৰথম খণ্ড—৭.০০, ১৯। অসমীয়া পৰিভাষা, দ্বিতীয় খণ্ড—৫.০০, ২০। অসমীয়া পৰিভাষা, তৃতীয় খণ্ড—৪.৫০, ২১। অসমীয়া বৈজ্ঞানিক পৰিভাষা, প্ৰথম খণ্ড—১৫.০০, ২২। Assamese Lessons—৬.০০।

মূল পাঠ্যপুথিৰ উপৰিও ছাত্ৰ ছাত্ৰীৰ প্ৰয়োজনীয় কেইখনমান

ওপৰঞ্চি পুথি

২৩। পদাৰ্থবিজ্ঞানৰ গণিতীয় সমস্যাৱলী	—২২.৭৫
২৪। নিৰীক্ষণৰ ত্ৰুটিসমূহ (অনুবাদ)	— ৩.৫০
২৫। পূৰ্ণশিক্ষা (অনুবাদ)	— ৭.০০
২৬। গণিতীয় পৰিসংখ্যাবিজ্ঞান প্ৰবেশিকা (অনুবাদ)	—১০.২৫
২৭। শিক্ষাৰ লক্ষ্য (অনুবাদ)	— ৬.৫০

পাইকাৰী গ্ৰাহকসকলে এই পুথিসমূহ গুৱাহাটী বিশ্ববিদ্যালয় পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিৰ মালিগাঁৱত (গুৱাহাটী-৭৮১০১১) থকা পাইকাৰী বিক্ৰীকেন্দ্ৰত পাব।

পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতি

গুৱাহাটী বিশ্ববিদ্যালয়, গুৱাহাটী-৭৮১০১৪

GROW MORE TREES

Assam's forests area is to little and badly distributed for maintaining climatic balance, prevent soil erosion and floods and now even to meet industrial and domestic requirement.

For climatic improvement, ecological balance and environmental improvement let us all raise more trees.

Grow trees on road sides, compounds of Schools, Colleges, Panchayat Houses and in our own land. Economical trees are more profitable on poor land than crops. And now whether for firewood or for timber you can sell a tree in 5 to 10 years.

Issued by—

The Chief Conservator of Forests

Assam, Gauhati.

With best compliments from—

ASSAM TEA CORPORATION LIMITED

G. N. BORDOLOI ROAD,

GAUHATI—781003.

AGOVERNMENT OF ASSAM UNDERTAKING DEVOTED TO MANAGEMENT AND REHABILITATION OF TEA INDUSTRY.

With particular aims—

TO SAFEGUARD THE FUTURE OF TEA INDUSTRY.
TO PROTECT THE INTEREST OF WORKERS.
TO INCREASE EMPLOYMENT POTENTIALITIES.
TO RENOVATE SICK TEA ESTATES.
TO FOSTER HEALTHY EMPLOYER-EMPLOYEE RELATIONSHIP.
TO PRODUCE QUALITY TEAS.

STATFED
RENEWS ITS PLEDGE
TO SERVE THE PEOPLE OF ASSAM

By streamlining public distribution system through cooperatives to curb rising trends of price

By marketing agricultural commodities like paddy and wheat to ensure fair price to growers as well as to build up buffer stock of foodgrains

STATFED will add new dimensions in its vital fields of action and achieve greater result in time to come.

ASSAM STATE COOPERATIVE MARKETING
&
CONSUMERS' FEDERATION
HEAD OFFICE : ULUBARI : GAUHATI—781007

SHIPPERS CONSIGNORS CITIZENS

Inland Water Transport Department has started commercial services for carrying bulk cargoes by river vessels made indigenously. The services are run from any points to any point between Dibrugarh and Dhubri. The services are also extended to major river ports of Bangladesh.

Also, the Inland Water Transport Department has already placed two modern vessels at Silcharghat to carry any kind of cargo from Silchar to Kachurbali via Lakhipurghat.

The Inland Water Transport Department gives every facilities for movement of bulk cargoes and response from shippers is very encouraging as the freight rates are cheaper than both Road and Rail systems.

For safe, efficient and economical cargo movement kindly contact the Head Quarter, the Divisional and Sub-divisional Officer at Gauhati/Jorhat/Dibrugarh/Commercial Officer, Silchar.

Issued by

DIRECTORATE OF INLAND WATER TRANSPORT, GOVERNMENT OF ASSAM
GAUHATI-781007

মহিলা প্ৰধান ক্ষেত্ৰীয় সঞ্চয় আঁচনি কি জানে নে ?

★★
★

এই আঁচনিৰ যোগেদি উপযুক্ত মহিলাক ক্ষুদ্ৰ সঞ্চয়ৰ ১০ বছৰীয়া ক্ৰমবৰ্দ্ধমান ম্যাদী জমা আৰু ৫ বছৰীয়া পৌনঃপুনিক জমা হিচাপৰ এজেন্সী দিয়া হয়। আৰু তেওঁ ইয়াৰ উপযোগিতাৰ বিষয়ে গৃহিণীসকলক বুজাই দিয়ে।

মহিলা প্ৰধান কৰ্মীগৰাকীয়ে প্ৰতিমাহে জমা পঁওতা গৰাকীৰপৰা ধনখিনি লৈ ডাকঘৰত জমা দি পাচবুক ঘুৰাই দিব। ঘৰতে পোৱা এনে সেৱা অতি আদৰণীয়।

ক্ৰমবৰ্দ্ধমান ম্যাদী জমাৰ হিচাপত প্ৰতিমাহে ১০'০০ টকাকৈ থ'লে ১০ বছৰৰ পাচত ১,৬৫০'০০ টকা হয়গৈ আৰু পৌনঃপুনিক জমা হিচাপত প্ৰতিমাহে ১০'০০ টকাকৈ থ'লে ৫ বছৰৰ পাচত ৭৬০'০০ টকা হয়গৈ।

বিশদ বিৱৰণৰ বাবে ঃ "ডাকঘৰ" বা "জিলা সঞ্চয় বিষয়া" নাইবা "অনুমোদিত এজেণ্ট" অথবা "আঞ্চলিক সঞ্চালক, জাতীয় সঞ্চয় সংস্থা" (চান্দমাৰী, গুৱাহাটী-৩)ক লগ ধৰক।

(অসম চৰকাৰৰ ক্ষুদ্ৰ সঞ্চয় বিভাগৰ সঞ্চালকৰ দ্বাৰা প্ৰচাৰিত)

1. Fish is a protective food per excellence.

2. Fish culture in tanks is a relatively simple occupation.

3. Scientific culture of fish increases the yield manifold.

4. "COMPOSITE FISH CULTURE" is the technique we recommend.

Interested persons are requested to contact :
THE FISHERIES DEPARTMENT OF ASSAM

Issued by the Information Office,
Dept. of Fisheries, Assam, Gauhati-1

জাতিৰ জনকৰ জন্ম তিথিৰ শাৰদীয় স্নিগ্ধ পৱিত্ৰ লগ্নত বিভিন্ন জাতি উপজাতি, ভাষা ভাষীৰ মিলনভূমি অসমো আগবাঢ়িছে প্ৰাপ্তবয়স্কৰ শিক্ষা অভিযানত। ৰাষ্ট্ৰীয় ভিত্তিক এই অভিযানত আমাৰ ৰাজ্যই হাতত লোৱা ব্যাপক আঁচনিত শিক্ষিত কৰি তোলা হব ১৫ ৰ পৰা ৩৫ বছৰ বয়সৰ প্ৰায় ২৮ লাখ নিৰক্ষৰ লোকক, চৰকাৰ আৰু স্বেচ্ছাসেৱী অনুষ্ঠান সমূহৰ যুগ্ম প্ৰচেষ্টাত ১৯৮৪ লৈকে চলিবলগীয়া এই ৰাষ্ট্ৰীয় গণশিক্ষা অভিযান সম্পূৰ্ণ কৃতকাৰ্য্য কৰি তুলিবলৈ ৰাজ্যৰ বিস্তীৰ্ণ গাঁও আৰু চহৰ ৰূপান্তৰিত কৰা হব ৬৩টা আঁচনি অংঞ্চলৈ। নিৰক্ষৰক শিক্ষাদানেই এই অভিযানৰ একমাত্ৰ উদ্দেশ্য নহয়, দেশৰ সামূহিক উন্নয়ন বিশেষকৈ পিছপৰা আৰু তৃতীয়া শ্ৰেণীৰ সৰ্বতোপ্ৰকাৰ উন্নয়ন দ্ৰুততৰ কৰিবলৈ ই প্ৰধান সহায়ক হব। শিক্ষাৰ বিস্তাৰে মনৰ পৰিধি বহলাব আৰু আমি আগবাঢ়ি যাম একতাবদ্ধ হৈ এখন নতুন অসম গঢ়াৰ পথত।

তথ্য আৰু জনসংযোগ, অসম